# ডিগবৈ মহাবিদ্যালয় আলোচনী

ঊনত্ৰিংশত্তম্ প্ৰকাশ, ২০০৬-২০০৭ বৰ্ষ



সম্পাদক - ৰঞ্জিত গুৰাগাই

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
সূৰ্য্যমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ — শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ — শান্তিৰ জোনাক বিচাৰি যাওঁ ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ-মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।





# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ঊনত্ৰিংশত্তম প্ৰকাশ

## ২০০৬ - ০৭ বৰ্ষ

তত্বাৱধায়ক
অচ্যুত শইকীয়া

সম্পাদক
ৰঞ্জিত গুৱাগাই

# ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

উনত্ৰিংশত্তম্ প্ৰকাশ , ২০০৬-২০০৭ বৰ্ষ।




## সম্পাদনা সমিতি

**সভাপতি ঃ**

অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা

**উপ-সভাপতি ঃ**

উপাধ্যক্ষ তুষিত কুমাৰ সান্যাল

**তত্বাৱধায়ক ঃ**

অধ্যাপক অচ্যুত শইকীয়া

**সদস্য / সদস্যা ঃ**

অধ্যাপক ড° অৰুণ চন্দ্ৰ শৰ্মা

অধ্যাপিকা মামনি শৰ্মা

অধ্যাপিকা বেবী ঋতু ফুকন

অধ্যাপক পবন গগৈ

গৌতম ভৰালী

মোহন গৌতম

প্ৰাঞ্জল শৰ্মা

**সম্পাদক ঃ**

ৰঞ্জিত গুৱাগাই

**বেটুপাত ঃ**

গৌতম ভৰালী

**অংগসজ্জা আৰু অলংকৰণ ঃ**

গৌতম ভৰালী, মোহন গৌতম

**প্ৰকাশক ঃ**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**মুদ্ৰক ঃ**

দি অসম কম্পিউটাৰচ্

পৰ্বতীয়া, তিনিচুকীয়া (অসম), # (০৩৭৪) ২৩৩০৪২৪ (কা.)

# অশ্রু-অঞ্জলি...

মৃত্যু — জীৱনৰ অনিবাৰ্য সত্য। তথাপি সি দুৰ্বিষহ !
সুহৃদ সতীৰ্থৰ অকাল মৃত্যু
সেয়ে মৰ্মান্তিক।



**৺হীৰেণ শইকীয়া**
প্ৰাণীবিদ্যা বিভাগৰ কৰ্মচাৰী



**৺প্ৰণৱ ৰয়**
ৰসায়ন বিভাগৰ কৰ্মচাৰী



**৺যাদৱ ছেত্ৰী**
স্নাতক প্ৰথম বৰ্ষৰ (কলা) শাখাৰ ছাত্ৰ

**৺ভুবন গুৰুং**
উ: মা: দ্বিতীয় বৰ্ষৰ ছাত্ৰ

বিগত বৰ্ষত আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা
কেউজন সতীৰ্থৰ বিয়োগত
আমি অশ্ৰু-অঞ্জলি যাচিছোঁ আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে
পৰমপিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

*— সম্পাদনা সমিতি*

# উচৰ্গা

যিসকলে সাম্প্ৰতিক ভোগসৰ্বস্বতা আৰু
দানৱীয় প্ৰলোভনৰ মাজতো
মনুষ্যত্বৰ নিৰন্তৰ সাধনাত ব্ৰতী হৈ
মানৱাত্মাৰ চিৰসুন্দৰ আগ্ৰহক
উদ্দীপ্ত কৰি ৰাখিব খোজে
— সেইসকলৰ হাততে এই সংখ্যাৰ আলোচনী উচৰ্গা
কৰা হ'ল।

*— সম্পাদনা সমিতি।*

হোমেন বৰগোহাঞি

সম্পাদক
আমাৰ অসম

## শুভেচ্ছাবাণী

# ডিগবৈ কলেজ আলোচনী

শিক্ষা আৰু সাহিত্য উভয় ক্ষেত্ৰতে কলেজৰ আলোচনীবোৰে এটা মহত্ত্বপূর্ণ ভূমিকা পালন কৰে। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ চিন্তা-চর্চা আৰু অধ্যয়নৰ প্ৰকাশ ঘটে কলেজৰ আলোচনীবোৰত। ঠিক সেইদৰে কলেজৰ আলোচনীত সাহিত্য সৃষ্টিৰ আখৰা কৰা ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই ভৱিষ্যতৰ লেখক আৰু বুদ্ধিজীৱীসকল ওলাই আহে। ডিগবৈ কলেজ অসমৰ এখন আগশাৰীৰ কলেজ। অসমৰ এখন প্ৰধান ঔদ্যোগিক চহৰৰ কলেজ হিচাপে ডিগবৈ কলেজৰ কিছু স্বকীয় বৈশিষ্ট্যও আছে। সেইকাৰণে ডিগবৈ কলেজ আলোচনীখনে সেই কলেজখনৰ বৈশিষ্ট্য প্ৰতিফলিত কৰিব বুলি আমি সকলোৱে আশা কৰোঁ। মই এই আলোচনীখনৰ সম্পাদক আৰু লেখকসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

হোমেন বৰগোহাঞি

*হোমেন বৰগোহাঞি*

Editor : Amar Asom, Ulubari, Guwahati – 781007, e-mail : amarasomghy@yahoo.co.in, guwahatiglpghy@hotmail.com,
Ph.: 2521465/66/67, 04350 47048 (M), Fax : 0361-2521620/2521664



কৰ্মৰত অৱস্থাত মাননীয় অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ ভৰালী বৰুৱা



# শ্বহীদ প্ৰণামো তোমাক




ডিগবৈ মহাবিদ্যালয়ৰ শ্বহীদ বেদী



# ডিগবৈ মহাবিদ্যালয় আলোচনী

উনত্রিংশত্তম্ প্ৰকাশ, ২০০৬-০৭ বৰ্ষ

## সম্পাদনা সমিতি



অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা

**সভাপতি**



উপাধ্যক্ষ তুষিত কুমাৰ সান্যাল

**উপ-সভাপতি**



অধ্যাপক অচ্যুত শইকীয়া

**তত্বাৱধায়ক**



অধ্যাপক ড০ অৰুণ চন্দ্ৰ শৰ্মা

**সদস্য**



অধ্যাপিকা মামনি শৰ্মা

**সদস্যা**



অধ্যাপিকা বেবী ঋতু ফুকন

**সদস্যা**



অধ্যাপক পবন গগৈ

**সদস্য**



ৰঞ্জিত গুৱাগাই

**সম্পাদক**



গৌতম ভৰালী

**সদস্য**



মোহন গৌতম

**সদস্য**



প্ৰাঞ্জল শৰ্মা

**সদস্য**

# সম্পাদকীয়...




## বিষয় — মানুহ

*শুনরে মানুষ ভাই*
*সবার উপরে মানুষ সত্য*
*তাহাঁর উপরে নাই।*

সেই তাহানিতে কবি চণ্ডীদাসে এই অমোঘ সত্যক হৃদয়ত উপলব্ধি কৰি মানুহৰ জয়গান গাইছিল। মানুহতকৈ মানুহৰ বাবে আৰু কি শ্ৰেষ্ঠ হ'ব পাৰে ? অথচ সভ্যতাৰ চূড়ান্ত শিখৰত আৰোহন কৰা একবিংশ শতিকাৰ পৃথিৱীত পদে পদে মানুহৰ অপমান। এই অপমান আন কাৰো দ্বাৰা হোৱা নাই – হৈছে মানুহ নামধাৰীৰ হাততে। বাতৰি কাকত মেলিলেই হত্যা হিংসা-লুণ্ঠণ-উৎপীড়নৰ খবৰ, মানুহৰ হাতত মানুহৰেই চৰম দুৰ্ভোগৰ বীভৎস ছবি। এনে অৱস্থাত সম্পাদকীয় লিখিবলৈ বহি এনেবোৰে কথাই মনত হুৰাদুৰা লগাইছে। সেইবাবেই মোৰ কলমৰ শক্তি অপৰ্ণত বুলি জানিও এনে এটা বিষয়কে বাছি ল'বলৈ বাধ্য হ'লো।

আজিৰ পৃথিৱীত সভ্যতাৰ শিখৰত উঠিছে মানুহ। শিক্ষিতৰ সংখ্যা বাঢ়িছে, অট্টালিকা, গাড়ী-মটৰ অভাৱনীয় ৰূপত বৃদ্ধি পাইছে। কম্পিউটাৰ, মোবাইল সুলভ হৈ পৰিছে। কিন্তু এই সকলোৱে উৰ্দ্ধত হেৰাই গৈছে মানুহৰ কাংক্ষিত শান্তি। অবাৰিত ভোগ-বিলাম, সহজ প্ৰাপ্তিৰ হুতাহ, যশ, মান, খ্যাতি আৰু ক্ষমতাৰ হুতাশন বুভুক্ষাই সৰ্বত্ৰ লুণ্ঠিত কৰিছে মানৱতাক। কিয় এনে হৈছে ? এনে হোৱাৰ কাৰণ হ'ল তথাকথিত আধুনিকতাৰ নামত ভোগসৰ্বস্ব আজিৰ গৰিষ্ঠ সংখ্যক মানুহে সনাতন মানৱীয় প্ৰমূল্যসমূহক চৰম অৱজ্ঞা কৰিবলৈ লৈছে। এনে কাৰণত শ্ৰদ্ধা, বিশ্বাস, আস্থা, ভালপোৱা হেৰাই যোৱাৰ উপক্ৰম হৈছে আৰু ই প্ৰেম, বন্ধুত্ব আদি মানৱীয় সম্পৰ্কতো ভাঙোন আনিছে। আজিৰ ভোগবাদী মানুহৰ বাবে শ্ৰদ্ধা, দয়া, ক্ষমা, প্ৰেম, বন্ধুত্বৰ কোনো মূল্য নাই। প্ৰেম এতিয়া পণ্যৰ দৰে, স্বাৰ্থৰ অগ্নিত বন্ধুত্ব ছাইত পৰিণত হৈছে। নিভাঁজ প্ৰেম, অকুণ্ঠ শ্ৰদ্ধা, নিস্বাৰ্থ বন্ধুত্ব যেন কোনোবা ধূসৰ দিগন্তত হেৰাই গৈছে।

প্ৰকৃতিৰ স্নেহস্পৰ্শ অবিহনে মানুহ এপলকো জীয়াই থাকিব নোৱাৰে। মানুহৰ সীমাহীন লালসাৰপৰা সেই প্ৰকৃতিও সাৰি যোৱা নাই। আজিৰ সভ্য কিন্তু অকৃতজ্ঞ অবিবেচক মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্বিবাদে অত্যাচাৰ চলাইছে। মানুহৰ অত্যাচাৰতে ক্ৰমে সংকুচিত হৈ আহিছে পৃথিৱীৰ সেউজ অৰণ্য। অবাধে ধ্বংস কৰা হৈছে পাহাৰ। ফলত জৈৱ বৈচিত্ৰ্য হ্ৰাস হৈছে আৰু প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হৈছে। লালসাত মত্ত মানুহে নিজেই নিজৰ বিপদ মাতি আনিছে। প্ৰকৃতিৰ ভাৰসাম্য নষ্ট হোৱাৰ ফলত প্ৰাকৃতিক দুৰ্যোগৰ সংখ্যা আৰু প্ৰাবল্য বৃদ্ধি পাইছে। গোলকীয় উষ্ণতা বৃদ্ধিয়ে মানুহৰ জীৱনলৈ অশনি সংকেত কঢ়িয়াই আনিছে। আজিৰ যান্ত্ৰিক মানুহক প্ৰকৃতিৰ নৈসৰ্গিক শোভাই আপ্লুত কৰিব নোৱাৰে। এই মানুহবোৰে পাহৰি গৈছে স্নেহ, সৌন্দৰ্য্য আৰু নীৰৱতাৰ ভাষা কবি জীৱনানন্দই তেওঁৰ এটা কবিতাত কৈছে —

*আমি শেষ হব শুধু। ওগো প্রেম*
*তুমি শেষ হলে*
*তুমি যদি বেঁচে থাকে*
*জেগে র'ব আমি এই পৃথিবীর পর।*

সন্দেহ নাই যে প্ৰেম অবিহনে, ভালপোৱা অবিহনে মানুহ, মানুহৰ সভ্যতা-সংস্কৃতি বৰ্তি থাকিব নোৱাৰে। মানুহৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি, চৌপাশৰ অন্যান্য প্ৰাণীৰ প্ৰতি অকুণ্ঠ ভালপোৱা অবিহনে সভ্যতাৰ অহংকাৰ অৰ্থহীন। দৰাচলতে সি অন্ধকাৰ ভৱিষ্যতৰেই ইংগিত। আজিৰ মানুহৰ সৰ্বত্ৰ প্ৰেমহীনতাই তাৰেই বতৰা কঢ়িয়াই আনিছে।

কিন্তু জীৱশ্ৰেষ্ঠ, অমৃতৰ সন্তান মানুহৰ এয়ে শেষ দশা হ'ব পাৰেনে ? এনে প্ৰশ্নৰ প্ৰাসংগিকতাতে আছে তাৰ ইতিবাচক উত্তৰ। সংখ্যাত কম হ'লেও এতিয়াও মানুহৰ দুৰ্গতিত মানুহৰ হৃদয় হাহাকাৰ কৰি উঠে। এতিয়াও সহায়ৰ হাত আগবঢ়াই দুৰ্গতজনৰ কাষত থিয় দিয়ে মানুহ। সৌ সিদিনা বেলতলা কাণ্ডত বিবস্ত্ৰা হোৱা যুৱতীৰ শালীনতা ৰক্ষাৰ বাবে এজন হ'লেও হৃদয়বান ওলোৱা নাছিল জানো ?

আজিৰ পৃথিৱীত সভ্যতাৰ শিখৰত উঠিছে মানুহ। শিক্ষিতৰ সংখ্যা বাঢ়িছে, অট্টালিকা, গাড়ী-মটৰ অভাৱনীয় ৰূপত বৃদ্ধি পাইছে। কম্পিউটাৰ, মোবাইল সুলভ হৈ পৰিছে। কিন্তু এই সকলোৱে উৰ্দ্ধত হেৰাই গৈছে মানুহৰ কাংক্ষিত শান্তি। অবাৰিত ভোগ-বিলাস, সহজ প্ৰাপ্তিৰ হুতাহ, যশ, মান, খ্যাতি আৰু ক্ষমতাৰ হুতাশন বুভুক্ষাই সৰ্বত্ৰ লুণ্ঠিত কৰিছে মানৱতাক। কিয় এনে হৈছে ?

এতিয়াও বহুজনৰ মুখত মানৱতাৰ গান ধ্বনিত হয়। কোনোৱাই অন্ততঃ এদিনৰ বাবে হ'লেও মানুহ হোৱাৰ আহ্বান জনায়। যুগে যুগে মানুহে দানৱীয় শক্তিক, দুষ্কৃতিক পৰাভূত কৰি পৃথিৱীত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। বাৰে বাৰে জয় হৈছে মানৱতাৰেই।

আমি আশাবাদী। এতিয়াও মানুহৰ শ্ৰেষ্ঠ সম্পদ মনুষ্যত্বৰেই জয় হ'ব। মতিছন্ন মানুহে আকৌ গাব পাহৰি যোৱা সুন্দৰৰ গান। পিশাচৰ ঠিকনা এৰি মানুহে আকৌ উভতি আহিব নিজৰ শাশ্বত আলোকময় ঠিকনালৈ। শান্তিৰে উশাহ লব মানুহে। পৃথিৱীৰ বুকুত জীয়াই থাকিব অকুতোভয় মানুহ। কবিতাৰ ভাষাত তাকেই গৰ্ব কৰি কৈ গৈছে চৈয়দ আব্দুল মালিকে —

*আমাক কোনে মাৰে ?*
*এই কথাকে*
*দৰ্প কৰি গৰ্ব কৰি মহাকালে সোধে বাৰে বাৰে*
*আমাক কোনে মাৰে ?*

**আলোচনী প্ৰসংগত** — চাৰিওফালে ভোগবাদৰ আখৰা। মানুহৰ দৌৰা-দৌৰি, ঘৰ-গাড়ী, নাৰী-মদ আদিয়েই যেন জীৱন জোখাৰ একক। এক অন্ধ বিলাসত মানুহ মতলীয়া। আমাৰ কলেজীয়া মনো টকাৰ লালসাই আচ্ছন্ন কৰি ৰাখিছে। বাহ্যিক জাকজমকতাত আমি ভোল গৈছোঁ। জীৱনৰ গভীৰতাত সোমাবলৈ যেন কৰো আগ্ৰহ নাই। এনে স্থলত **'কলেজ আলোচনী', কলেজত সাহিত্য চৰ্চাৰ পৰিবেশ** আদি কথাবোৰ যেন ''আউট্‌ডেটেড্‌'' কাৰবাৰ হৈ পৰিছে।

কলেজ আলোচনীৰ সাৰ্থকতা নিৰ্ভৰ কৰে কলেজখনৰ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহৰ ওপৰত । আমাৰ বন্ধু-বান্ধৱীসকলৰ তেনে কোনো আগ্ৰহ পৰিলক্ষিত নহ'ল। অৰ্থাৎ কব পাৰি ডিগবৈ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ পৰিবেশ উন্নত নহয়। বৰং দিনক দিনে নিম্নগামীহে হোৱাৰ উপক্ৰম ঘটিছে। তাৰ মাজত কিছুসংখ্যক বন্ধু-বন্ধৱীৰ আন্তৰিকতাই আমাক উৎসাহিত কৰিছে। আমি ভাবো সাহিত্যানুৰাগী বন্ধু-বন্ধৱীসকলৰ বাবে মহাবিদ্যালয় আলোচনীখন তেওঁলোকৰ সাহিত্যিক যাত্ৰাৰ প্ৰাৰম্ভিক খোজ। মহাবিদ্যালয় আলোচনীত ভেঁজা দি পৰৱৰ্তী কালত সাহিত্যৰ বহল পথাৰত প্ৰৱেশ কৰা লোকৰ সংখ্যা কম নহয়।

২০০৬-০৭ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয় আলোচনীৰ বাবে যিকেইটা বিষয় মূল প্ৰতিবন্ধক হিচাপে থিয় দিছিল, সেয়া হৈছে লেখাৰ অভাৱ আৰু ছাত্ৰ একতা সভাৰ সদস্য সকলৰ অসহযোগী মনোভাৱ। লেখাৰ অভাৱে প্ৰথমতে আমাক বিমোৰত পেলাইছিল। ছাত্ৰ-ছাত্ৰীসকলক জোৰ কৰি লেখাসমূহ গোটোৱা হৈছে বুলি ক'লেও অত্যুক্তি নহ'ব। এনে স্থলত আলোচনীৰ মানদণ্ড উন্নত হোৱা বুলি নিজ মনে স্বীকাৰ কৰিবলৈ টান পাইছোঁ। কিন্তু এই ক্ষেত্ৰত আমাৰ আন্তৰিকতাৰ সামান্যতমো হীন দেটি হোৱা নাই। আলোচনীখনৰ গুণাগুণৰ বিচাৰ সাহিত্যানুৰাগী পাঠকৰ হাততে তুলি দিলোঁ।

**কৃতজ্ঞতাৰ শৰাই** — ২০০৬-০৭ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে প্ৰথমেই সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। নিৰ্বাচনত বিজয়ী হোৱাৰ পিচতেই যিহেতু দায়িত্বৰ কথা আহিল, ভাবিছিলো তাক ভালদৰে পালন কৰিম। কিন্তু ভবা মতে নহ'ল। দায়িত্বজ্ঞানহীনতা নামৰ অসুখ এটাই খেদি ফুৰিলে গোটেই বছৰ। অ. আ. ক. খ. নজনাকৈ বাক্য লিখিবলৈ যোৱাটো হয়তো ইয়াৰ প্ৰধান কাৰণ আছিল। কিন্তু আলোচনী এখন প্ৰকাশ কৰি উলিওৱাৰ প্ৰবল হেঁপাহ এটাই মোক ৰোগমুক্ত কৰে। মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ, জ্যেষ্ঠসকলৰ পৰামৰ্শ আৰু বন্ধু-বন্ধৱীৰ সহায় সহযোগিতা তথা সাহস আৰু প্ৰেৰণাৰ ফলত আলোচনীখনৰ প্ৰকাশ সহজ হৈ উঠিল। এই ক্ষেত্ৰত মই বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো মোৰ মা-দেউতা আৰু তত্বাৱধায়ক শ্ৰীযুত অচ্যুত শইকীয়া ছাৰলৈ যাৰ অবিহনে আলোচনীখন প্ৰকাশ কৰাটো অসম্ভৱ হ'লহেতেন। সম্পাদনা সমিতিৰ মাননীয় সদস্য সকলৰ পূৰ্ণ সহযোগিতাও কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ ইতিবাচক দৃষ্টিভংগী আৰু দিহা-পৰামৰ্শ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত প্ৰধান সহায়ক। তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়ালে শ্ৰীযুত পৱিত্ৰ ভৰালী ছাৰে। বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়ালে বন্ধু-বন্ধৱী মনোজ, পুলকেশ, কাবেৰী, জুলী, জুৰি, পপী, নিকু, স্মৃতি, জ্যোতি, ধনকুমাৰী, যুগমণি, ৰঞ্জিত, ৰবি, হোমনাথ দা- এই সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যিসকলৰ লেখাৰে এই সংখ্যাৰ আলোচনী সমৃদ্ধ হৈছে, সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। শুভেচ্ছাবাণীৰে কৃতাৰ্থ কৰাৰ বাবে লব্ধ প্ৰতিষ্ঠ সাহিত্যিক শ্ৰীযুত হোমেন বৰগোহাঞি, সাক্ষাৎকাৰ প্ৰদান কৰি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা সাহিত্যিক শ্ৰীযুত জয়কান্ত গন্ধীয়া ছাৰ আৰু কবি নীলিম কুমাৰলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। গুৱাহাটীৰ বন্ধু অমৃত কুমাৰ উপাধ্যায়ে বিভিন্ন দিশত কৰা সহায়েৰে মোক ঋণী কৰিলে। আৰু বহুজনে বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে সহায় কৰিলে। সেই সকলোৰে নাম প্ৰকাশ কৰিব নোৱৰাৰ বাবে মই দুখিত। যিখিনি সহায় সুবিধাৰ বাবে আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হ'লো, তাৰবাবে মই ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা সমূহ শিক্ষাগুৰুলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কম সময়ৰ ভিতৰতে ছপাৰ কাম সুন্দৰকৈ কৰি দিয়াৰ বাবে তিনিচুকীয়াৰ The Assam computerৰ কৰ্মীবৃন্দৰ শলাগ ললোঁ।

*জয়তু ডিগবৈ মহাবিদ্যালয়।*
*জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।*

**ৰঞ্জিত গুৱাগাহ**
আলোচনী সম্পাদক





# সূচীপত্ৰ









**প্ৰবন্ধ**

জয়তু ডিগবৈ মহাবিদ্যালয় সমৰেন্দ্ৰ ভাগৱতী /০১

মৃত্যুবৰণ কৰিও অমৰ হ'লা, কল্পনা চাওলা ! /গোলাপ কলিতা /০৬

মহাকাশ ঃ প্ৰকৃতিৰ এক বিস্মিত মনোমোহা সৃষ্টি /ড° অৰুণ চন্দ্ৰ শৰ্মা /০৮

গোলকীয় উষ্ণতা বৃদ্ধি ঃ পৰিণাম ভয়াবহ /টুলুমনি বৰগোহাঁই /১১

Attitude and Environment /Mamoni Sharma /১৩

পতঙ্গৰ সঙ্গীত /অনু বৰগোহাঁই /১৬

অসমীয়া ৰামায়নী সাহিত্য আৰু মাধৱ কন্দলী /ৰাজীৱ গগৈ /১৮

মহাপুৰুষ মাধৱদেৱৰ শ্ৰেষ্ঠকৃতি ঃ নামঘোষা /মণিতা গগৈ /২২

The Wolfman and Flesh-woman : Power nature and the.... /Pabitra Bharali /২৫

য়েচে দৰজে ঠংচিৰ উপন্যাস ঃ বিষকন্যাৰ দেশত /জুলী কোঁচ /২৮

বিশ্বায়নৰ সাম্প্ৰতিক ৰূপ আৰু বিকল্প বিশ্বৰ সন্ধান /মদন মোহন চৌধুৰী /২৯

Impact of Terrorism on the Politics of Assam /Jitu Borah /৩১

Moral Development in children /Dr. Itu Das /৩৫

Challenges before college education in Assam /Paban Gogoi /৩৮

সফলতাৰ বাবে প্ৰয়োজনীয় ৫টা 'C' /লক্ষ্যজ্যোতি গগৈ /৪০

Convert obstacles into opportunities /Ranjit Kr. Ram /৪১

অসমীয়া লোকজীৱনত বাঁহ /পৰিস্মীতা চমুৱা /৪২

মিচিংসকলৰ পৰম্পৰাগত কৃষি উৎসৱ ঃ আলি আই লৃগাং /পুলকেশ দাং /৪৩

Teehar /Mukul Dhungana /৪৪

লোকসাহিত্যৰ অনন্য উপাদান ঃ নিচুকণি গীত /বাৰলী দহোটীয়া /৪৬

ভাৰতৰ গ্ৰন্থাগাৰ, বিজ্ঞানৰ পিতৃ ঃ ড° এচ.আৰ.ৰংগনাথন /অজিত কুমাৰ ফুকন /৪৭

সপ্ত আশ্চৰ্য /হৃদয়া শইকীয়া /৪৯

বুৰঞ্জী ৰচনাৰ ঐতিহ্য /গৌতম ভৰালী /৫১

Computer : A gift of science /Raj Sonar /৫৩

Story of Indian perfumes /Sarita Chetry /৫৪

Human Body /S. Deepak Rao /৫৫

নৈপৰীয়া সুহৃদ মোৰ /ধৰণী লাহন /৫৬

# সূচীপত্ৰ


সাক্ষাৎকাৰ

কবি নীলিম কুমাৰৰ মনৰ খবৰ /৫৯

চুটি গল্প

হেৰুৱা সুবাস দিতিমনি চেতিয়া /৬১

সপোন /কুশ তামুলী /৬২

আশীৰ্বাদ মাধৱ খনিকৰ /৬৩

সাক্ষাৎকাৰ

লোক সংস্কৃতিৰ গৱেষক, সাহিত্যিক জয়কান্ত গন্ধীয়াৰ সৈতে মুখামুখি /৬৪

কৱিতা

হাঁহি /বিকাশ শইকীয়া /৬৭

এবাৰ যদি ক'লাহেঁতেন /জ্ঞানদীপ সোনোৱাল /৬৭

হেৰাই যাম /হৰিকান্ত চেতিয়া /৬৮

সাহিত্যিকৰ উপাধি /নীলোৎপল দত্ত /৬৮

মোক এটা চোলা চিলাই দিয়া /অমৃত কুমাৰ উপাধ্যায় /৬৯

Despotic time /Alka Chetri /৬৯

One Day with Nature /Partha Lochan Buragohain /৭০

Beginning A new /Aparajita Kakoty /৭১

My Mother /Arup Das /৭১

Our College /Debojani Gogoi /৭১

লেখক পৰিচিতি /৭২

Secretarial Report... /৭৩

Our Faculty Members.... /৭৭

আমাৰ প্ৰাক্তন আলোচনী সম্পাদকসকল /৭৯




















# প্ৰবন্ধ...

“মই মাটিৰ গড় বান্ধিম খহিব, কাঠৰ গড় বান্ধিম পচিব। মই কথাৰ গড় বান্ধি দিছোঁ — প্ৰাণ পৰিভুগী হ'ব।”

— অসম বুৰঞ্জী।

# জয়তু ডিগবৈ মহাবিদ্যালয়

◻ সমৰেন্দ্ৰ ভাগৱতী

*ছাত্ৰ-ছাত্ৰীসকল সদায়েই মোৰ প্ৰিয় । মই যেনেদৰে ছাত্ৰ-ছাত্ৰীসকলক শাসন কৰিছিলো সেইদৰে তেওঁলোকক মৰমো কৰিছিলো, তেওঁলোকৰ সুখ-দুখৰ সমভাগী হৈছিলো । মই কলেজত যোগদান কৰাৰ পিছত জানিব পাৰিলো যে কলেজত ছাত্ৰ একতা সভা এখন আছে আৰু ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকল ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰাই নিৰ্বাচিত হয়, কিন্তু ছাত্ৰ-একতা সভাৰ কোনো লিখিত সংবিধান নাই । ১৯৭৩-৭৪ চনত শ্ৰীপ্ৰদীপ দাসে ৰসায়ন বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে । ছাত্ৰ-একতা সভাৰ সংবিধান সম্পৰ্কে তেওঁৰ লগত আলোচনা কৰি অধ্যক্ষ ভূঞা চাৰৰ পৰামৰ্শমতে সংবিধান প্ৰণয়নৰ কাম হাতত লোৱা হ'ল । অধ্যক্ষই এখন সংবিধান প্ৰণয়ন কমিটি গঠন কৰি দিয়ে ।*



ডিগবৈৰ ব্যস্ততাপূৰ্ণ কোলাহলৰ পৰা কিছু আঁতৰত গছ-গছনিৰে পৰিবেষ্টিত কাব্যিক পৰিৱেশত, সৰু টিলাৰ ওপৰত ডিগবৈ মহাবিদ্যালয় অৱস্থিত । দ্বীজেশ চন্দ্ৰ দেৱশৰ্মা, মেহৰাজ হুছেইন, কৃষ্ণপ্ৰসাদ বৰুৱা আদি সমাজ সচেতন, শিক্ষাপ্ৰেমী, উদ্যমী ব্যক্তিৰ উদ্যোগত আৰু ডিগবৈৰ ৰাইজৰ সহযোগত ১৯৬৫চনৰ ১৫ জুলাই তাৰিখে ডিগবৈ মহাবিদ্যালয় প্ৰতিষ্ঠিত হয় । পূবে বৰডুমচা, পশ্চিমে ভাদৈ পাঁচআলি, উত্তৰে টিংৰাই-মামৰণি আৰু দক্ষিণে অৰুণাচল প্ৰদেশ সামৰি এই বৃহৎ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাত ডিগবৈ মহাবিদ্যালয় ব্ৰতী হয় । এই সুবিশাল অঞ্চলৰ জনজীৱনৰ সকলো দিশতে, বিশেষকৈ আৰ্থ-সামাজিক আৰু বৌদ্ধিক ক্ষেত্ৰত ডিগবৈ মহাবিদ্যালয়ে অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে । ডিগবৈ মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় ভাগেই চৰকাৰী আৰু বেচৰকাৰী খণ্ডত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ্মসংস্থান লাভ কৰি ডিগবৈ, মাৰ্ঘেৰিটা, লিডু অঞ্চলৰ উন্নয়ণত অৰিহণা যোগাইছে । উপেন বৰঠাকুৰৰ দৰে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যিক, ডম্বৰুধৰ শৰ্মাৰদৰে শিক্ষাবিদ, বিমল সিংহ, যোগেশ বৰুৱা, লক্ষ্মীনন্দন গগৈ আদিৰ দৰে প্ৰশাসনিক বিষয়া, সুকেশ চৌধুৰীৰ দৰে আয়কৰ বিভাগৰ উচ্চ পদস্থ বিষয়া, চিত্ত গিৰিৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ উচ্চ পদবীধাৰী, সুৰেশ জাচ্ছাছাৰিয়া, অতনু বৰকটকীৰ দৰে বিদেশত চাকৰি কৰা ইঞ্জিনিয়াৰ বিষয়া, ৰুদ্ৰ শৰ্মা, অৰুণ নাথৰ দৰে ইঞ্জিনিয়াৰ, অপূৰ্ব জীৱন বৰুৱাৰ দৰে আৰক্ষী বিষয়া, অমিতাভ মিশ্ৰ, অপূৰ্ব নাথৰ দৰে অসম তেল সংমণ্ডলৰ উচ্চ পদস্থ বিষয়া, চিত্ৰলেখা বৰা, গুৰুবন্ধু চক্ৰৱৰ্ত্তী, কল্যাণ চক্ৰৱৰ্ত্তীৰ দৰে কৃতি শিক্ষক, কমলেশ চক্ৰৱৰ্ত্তীৰ দৰে এড্‌ভোকেট, অৱদেশ সাহী, নানক বৰুৱাৰ দৰে ব্যৱসায়ী আদি লিখি শেষ কৰিব নোৱৰা অনেক ছাত্ৰ-ছাত্ৰীক ডিগবৈ মহবিদ্যালয়ে গঢ়ি তুলিছে । ডিগবৈ মহবিদ্যালয় তথা ডিগবৈবাসী ৰাইজৰ বাবে ই অতি গৌৰৱৰ বিষয় ।

মই ভাবো অন্য পদবীৰ বিষয়া-কৰ্মচাৰী হোৱাতকৈ শিক্ষক হোৱাটো অতি কঠিন । কাৰণ শিক্ষকে মানুহ গঢ়ে, মানৱ সম্পদ তৈয়াৰ কৰে । এজন ভাল উপযুক্ত শিক্ষক হ'বলৈ হ'লে কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ প্ৰয়োজন । শিক্ষক হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ আদৰ্শ । তেওঁ বন্ধু আৰু পথ প্ৰদৰ্শক । শিক্ষকে বিশেষকৈ মহাবিদ্যালয়ত, ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰম শেষান্ত পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি তোলাৰ উপৰিও তেওঁলোকক কৰ্মসংস্থানৰ আৰু ভৱিষ্যতৰ বাস্তৱ জীৱনৰ প্ৰস্তুতিৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিব লাগে । ছাত্ৰ-ছাত্ৰীৰ মাজত সদ্‌ভাৱ আৰু সম্প্ৰীতিৰ এনাজৰীডাল যাতে অক্ষুন্ন থাকে তাৰবাবেও শিক্ষা দিব লাগে ।

হাইস্কুলত পঢ়ি থকা সময়ৰপৰাই কলেজত শিক্ষকতা কৰাৰ হাবিয়াস আছিল । সেই হাবিয়াস পূৰণ হ'ল যেতিয়া মই ১৯৭০ চনৰ চেপ্তেম্বৰ মাহৰ ২১ তাৰিখে ডিগবৈ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰোঁ । মোৰ শুভাকাঙ্খী বহুতেই তেতিয়া মোক মহাবিদ্যালয়ত যোগদান কৰিবলৈ মানা কৰিছিল, কাৰণ সেই সময়ত মই অৰুণাচলত, তেতিয়াৰ নেফাত (NEFA – North East Frontier Agency) ৰাজপত্ৰিত বিষয়া

(Gazetted Officer) হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিলো। কিন্তু এজন শিক্ষক হোৱাৰ সংকল্প লৈ আৰু এটা নিকা জীৱন-যাপন কৰাৰ উদ্দেশ্যেৰে পদবী আৰু আৰ্থিক সুচলতাৰ মোহ এৰি ডিগবৈ মহাবিদ্যালয়ত 'অৰ্থনীতি'ৰ প্ৰবক্তা হিচাপে কামত যোগদান কৰিছিলোঁ। সুদীৰ্ঘ ৩৩ (তেত্ৰিশ) বছৰ শিক্ষকতা কৰি ২০০৩ চনৰ অক্টোবৰ মাহৰ ৩১ তাৰিখে অৱসৰ গ্ৰহণ কৰোঁ। শিক্ষকতা কৰি মই অকণো ভুল কৰা নাই, কাৰণ শিক্ষক হিচাপে মই যি সুখ, শান্তি, আনন্দ, মৰম আৰু সন্মান লাভ কৰিছোঁ — ৰাজপত্ৰিত বিষয়া হিচাপে মই সেই সুখ, শান্তি, আনন্দ, মৰম আৰু সন্মান কেতিয়াও লাভ কৰিব নোৱাৰিলোহেঁতেন।

বিভিন্ন ধৰ্ম, ভাষা, জাতি-উপজাতিৰ ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ ডিগবৈ মহাবিদ্যালয়খন শিক্ষা জগতৰ এক আদৰ্শ। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল কোনোদিনেই উচ্ছৃংখল নাছিল। তেওঁলোক পঢ়া-শুনাৰ প্ৰতি যেনেদৰে আছিল অতি আগ্ৰহী, তেনেদৰে কলা-সংস্কৃতি আৰু খেলা-ধূলাৰ প্ৰতিও আছিল সমানে অনুৰাগী। ১৯৬৮, ১৯৬৯ আৰু ১৯৭০ চনত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত প্ৰবক্তা স্বদেশ সহায় ৰায়চৌধুৰীৰ তত্ত্বাৱধানত যোৱা ডিগবৈ মহাবিদ্যালয়ৰ দলটিয়ে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰাৰ উপৰিও 'শ্ৰেষ্ঠ সু-শৃংখল দল' হিচাপে যেনেদৰে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছিল তেনেদৰে ১৯৭৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় সঙ্গীত-নাটক প্ৰতিযোগিতাত মোৰ নেতৃত্বত যোৱা দলটিয়ে দ্বীপ নাটকৰ বাবে 'শ্ৰেষ্ঠ দল'ৰ পুৰস্কাৰ বুটলি অনাৰ লগতে মহম্মদ আবু হুছেইনে 'শ্ৰেষ্ঠ নিৰ্দেশক'ৰ সন্মানেৰে পুৰস্কৃত হৈ মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিছিল। সেইদৰে ১৯৭০, ১৯৭১, ১৯৭২, ১৯৭৩ চনত ৰফিক হুছেইনৰ তত্ত্বাৱধানত আৰু ১৯৮৭ চনত চেনী চন্দ্ৰ বৰুৱাৰ তত্ত্বাৱধানত ডিগবৈ মহাবিদ্যালয়ে ডিঃবিঃ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে পুৰস্কৃত হোৱাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ বিচিত্ৰ দাসে অসমৰ ভিতৰতে দুবাৰকৈ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। সত্তৰ আৰু আশীৰ দশকত ডিঃবিঃৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ভিতৰত ডিগবৈ মহাবিদ্যালয় এখন জাকত জিলিকা মহাবিদ্যালয় হিচাপে সকলোৰে দ্বাৰা সমাদৃত হৈছিল। ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিকতা, সৎআচৰণ, উদ্যমী প্ৰচেষ্টা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অনুপ্ৰেৰণা ভৰা শিক্ষাদানৰ বাবে ই সম্ভৱ হৈ উঠিছিল। আজিকালি ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ গ্ৰহণ কৰাৰ আগ্ৰহ যথেষ্ট হ্ৰাস পাইছে। পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ ভৰ্তি কৰাৰ পিছত খুব কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে পাঠ গ্ৰহণ কৰিবলৈ মহাবিদ্যালয়লৈ আহে। কিন্তু নৱৈৰ দশকৰ আগলৈকেতো মই নিজে ফাইনেল পৰীক্ষা আৰম্ভ হোৱাৰ আগদিনাও শ্ৰেণীকোঠা ভৰ্ত্তি ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিছিলো। আনহাতে খেলা-ধূলা, সংগীত-নাটক আদিতো ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আছিল অসীম। মহাবিদ্যালয় সপ্তাহত নিশা ১০-১১ বজালৈকে প্ৰতিযোগিতা চলিছিল, একাঙ্কিকা নাট প্ৰতিযোগিতাত ১৫-১৬ খন নাটক মঞ্চস্থ হৈছিল। খেল-ধেমালিত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰাৰ উপৰিও ইয়াক উপভোগ কৰা ছাত্ৰ-ছাত্ৰীৰে খেলপথাৰ ভৰি পৰিছিল। শিক্ষক সকলো পিছ পৰি থকা নাছিল। মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ সাংস্কৃতিক অনুষ্ঠানত প্ৰতিবছৰে আমি শিক্ষকসকলে নাটক মঞ্চস্থ কৰিছিলো।

আজিকালি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষামূলক ভ্ৰমণলৈ (Excursion) যোৱাৰ মানসিকতা হ্ৰাস পাইছে। আগতে কিন্তু এনে নাছিল। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলেও প্ৰায় প্ৰতি বছৰে শিক্ষামূলক ভ্ৰমণলৈ গৈছিল। ১৯৭৩ চনত তেনে দল এটিৰ দায়িত্ব অধ্যক্ষ প্ৰফুল্ল কুমাৰ ভূঞাই মোৰ আৰু মোৰ সহধৰ্মিনী তথা সহকৰ্মী শ্ৰীমতী মুকুল ভাগৱতীৰ ওপৰত অৰ্পণ কৰিছিল। ১৪ (চৈধ্য) জন ছাত্ৰ আৰু ৮ (আঠ) গৰাকী ছাত্ৰীৰে গঠিত দলটিৰ ভ্ৰমণৰ মধুৰ স্মৃতি আজিও প্ৰতিজনৰ মনত বিৰিঙি আছে। সেই ভ্ৰমণৰ বিশেষত্ব আছিল — আমাৰ প্ৰতিজনৰে ইজনে সিজনৰ প্ৰতি থকা সদ্‌ভাৱ আৰু বিশ্বাস। প্ৰতিদিনেই নিশা খাই-বৈ উঠি দলটিৰ আটায়ে মিলি আমি আলোচনা কৰিছিলো কিমান টকা খৰছ হ'ল, পিছদিনাখন ক'ত কেনেদৰে যাম, বৰ্তমান হাতত কিমানটকা জমা আছে, ইত্যাদি। ইয়াৰ ফলত আমাৰ আটাইৰে মনত বিশ্বাস আৰু প্ৰীতিৰ মনোভাৱ গঢ়ি উঠিছিল। ফলস্বৰূপে ভ্ৰমণৰ শেষ পৰ্যায়ত আমি যেতিয়া গুৱাহাটী পাওঁ, আলোচনাকালত আমি দেখিলো যে আমাৰ কিছু ধন ৰাহি হৈছে আৰু আমাৰ হাতত কেইঘণ্টামান সময়ো আছে, কাৰণ আমাৰ যাবলগীয়া ট্ৰেইন গধূলিহে। গতিকে আমাৰ ভ্ৰমণৰ আঁচনিত অন্তৰ্ভুক্ত নোহোৱা সত্বেও আমি ছাত্ৰ-ছাত্ৰীসকলক গুৱাহাটীৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি দেখুৱালো। এই ভ্ৰমণৰ স্মৃতি ইমানেই মধুৰ আছিল যে আজিও মই যদি সেই দলৰ কোনোবা ছাত্ৰ-ছাত্ৰীক হঠাৎ লগ পাওঁ, কথা প্ৰসঙ্গত সেই ভ্ৰমণৰ কথা ওলাবই।

ছাত্ৰ-ছাত্ৰীসকল সদায়েই মোৰ প্ৰিয়। মই যেনেদৰে ছাত্ৰ-ছাত্ৰীসকলক শাসন কৰিছিলো সেইদৰে তেওঁলোকক মৰমো কৰিছিলো, তেওঁলোকৰ সুখ-দুখৰ সমভাগী হৈছিলো। মই কলেজত যোগদান কৰাৰ পিছত জানিব পাৰিলো যে কলেজত ছাত্ৰ একতা সভা এখন আছে আৰু ছাত্ৰ একতা সভাৰ বিষয়-বৰীয়াসকল ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰাই নিৰ্বাচিত হয়, কিন্তু ছাত্ৰ-একতা সভাৰ কোনো লিখিত সংবিধান নাই। ১৯৭৩-৭৪ চনত শ্ৰীপ্ৰদীপ দাসে ৰসায়ন বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে। ছাত্ৰ-একতা সভাৰ সংবিধান সম্পৰ্কে তেওঁৰ লগত আলোচনা কৰি অধ্যক্ষ ভূঞা চাৰৰ পৰামৰ্শমতে সংবিধান প্ৰণয়নৰ কাম হাতত লোৱা হ'ল। অধ্যক্ষই এখন সংবিধান প্ৰণয়ন কমিটি গঠন কৰি দিয়ে। মই যদিও সেই সংবিধান প্ৰণয়ন কমিটিত লিখিতভাৱে নাই তথাপি মই সংবিধান প্ৰণয়ন কৰাত যথা সম্ভৱ সেৱা আগবঢ়াও। দুদিন ধৰি সংবিধানৰ খছৰা কাকতৰ ওপৰত আলোচনা কৰিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সংবিধানৰ খছৰা কাকতৰ ওপৰত হোৱা আলোচনাত বিশেষকৈ তাত থকা ধাৰা-উপধাৰা সমূহৰ ব্যাখ্যা আগবঢ়োৱাত প্ৰদীপ দাস, মদন মোহন চৌধুৰী আৰু মই বিশেষভাৱে সক্ৰিয় অংশ গ্ৰহণ কৰো। অৱশেষত অধ্যক্ষ প্ৰফুল্ল কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত ছাত্ৰ-ছত্ৰীৰ সাধাৰণ সভাই দুদিন ধৰি হোৱা আলোচনাৰ অন্তত ১৯৭৪ চনৰ ৪ (চাৰি) ডিচেম্বৰ তাৰিখে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ

সংবিধানখন সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে।

কালক্ৰমত দেখা গ'ল যে ছাত্ৰ একতা সভাৰ সংবিধানখনে কিছুমান সমস্যাৰ সমাধান কৰিব নোৱাৰে। তদুপৰি সংবিধানখন অসমীয়াত লিখি উলিওৱাৰ আৱশ্যক হৈ পৰে। সেয়েহে সংবিধান সংশোধন আৰু তাৰ অসমীয়া ৰূপান্তৰৰ বাবে মোক আহ্বায়ক আৰু ৰফিক হুছেইন, হিতেন্দ্ৰ নাথ শৰ্মা, তৰুণ চন্দ্ৰ হাজৰিকা আৰু ছাত্ৰনেতা তুলসী বড়াক সদস্য হিচাপে লৈ এখন সংবিধান সংশোধন কমিটি গঠন কৰা হয়। অৱশেষত ২৯-১১-১৯৮৬ তাৰিখে অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ সাধাৰণ সভাই সংবিধান সংশোধনী ঘটাই সংশোধিত ৰূপত সংবিধানখন গ্ৰহণ কৰে। তেতিয়াৰ পৰাই আজিলৈকে এই সংশোধিত সংবিধানখনেই ছাত্ৰ একতা সভাই গ্ৰহণ কৰি আহিছে। কিন্তু মই জনাত আজিলৈকে এই সংবিধানখন ছপা ৰূপত প্ৰকাশ পোৱা নাই। মই কৰি অহা ৫-৬ টা টাইপ কপিৰেই এতিয়াও কাম চলাই আছে। তদুপৰি অতি পৰিতাপৰ কথা যে আমি বিশেষকৈ হিতেন্দ্ৰনাথ শৰ্মা আৰু মই অতি কষ্টেৰে সংবিধানখনৰ অসমীয়া ৰূপান্তৰ কৰিলো যদিও আজিও সি টাইপৰ বা ছপাশালৰ মুখ নেদেখিলে। সংবিধানখনৰ অসমীয়া ভাঙনিৰ আৰম্ভনিতে লিখি উলিওৱা খছৰাৰ টুকুৰা-টুকুৰ কাগজবোৰ মই অতি সযতনে ৰাখি থোৱা অৱস্থাত এতিয়াও আছে।

যদিও ডিগবৈ মহাবিদ্যালয়ে ১-৯-১৯৬৯ তাৰিখৰ পৰাই ঘাটি মঞ্জুৰী অনুদান লাভ কৰিছিল, তথাপি এশ-এবুৰি সমস্যা আছিল। অহা-যোৱা কৰা পথটো (তেতিয়া মূল পথটোহে আছিল) বাৰিষা হৈ পৰিছিল দুৰ্গম। বহুতো ছাত্ৰ-ছাত্ৰী, আনকি আমাৰ শিক্ষক-শিক্ষয়িত্ৰীয়েও বাৰিষা এই পথছোৱাত পিচলি পৰিছিল। প্ৰেক্ষাগৃহৰ চিলিংখন খহি মূৰতে পৰো পৰো অৱস্থা, ছাত্ৰ-ছাত্ৰীৰ কমনৰুম নাই, বিজ্ঞানাগাৰৰ অৱস্থা দুখলগা। ছোৱালী হোষ্টেলটো ১৯৭০ চনৰ পৰাই অৰ্ধনিৰ্মিত অৱস্থাত পৰি আছে। খোৱা পানীৰ সু-ব্যৱস্থা নাই। পানীভাৰী চূড়ামনিৰ পানীৰ টিনত প্ৰায়েই লালুকী ওলায়। খেলপথাৰ নাই, পাঠদান কৰা কোঠাৰ অভাৱ। এই আটাইবোৰ সমস্যাৰ বিষয়ে নৱাগত আদৰণী সভাত নৱাগত সকলৰ মুখত প্ৰায়েই শুনা যায়। এই সমস্যা সমূহ সমাধান কৰাৰ বাবে 'ডিগবৈ কলেজ এইড ক্লাৱ' (Digboi College Aid Club) আছিল যদিও আৰু এই ক্লাৱৰ বেনাৰত দুখনমান ভ্ৰাম্যমান থিয়েটাৰ মঞ্চস্থ কৰা হৈছিল যদিও তাৰপৰা বিশেষ লাভ নহ'ল।

আমি এটা কথা উপলব্ধি কৰিছিলো যে মহাবিদ্যালয়খনৰ উন্নয়ন সাধিবলৈ হ'লে নিস্বাৰ্থভাৱে কাম কৰা এটা টীম বা গ্ৰুপৰ দৰ্কাৰ। ডিগবৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সেৱা আগবঢ়াবলৈ প্ৰস্তুত যদিও তেওঁলোকৰ সেৱা সঠিকভাৱে তেতিয়াহে পোৱা যাব যেতিয়া এটি নিঃস্বাৰ্থ টীমে আগভাগ লৈ উন্নয়নৰ কামত অগ্ৰসৰ হ'ব। আশীৰ দশকৰ শেষ আৰু নব্বৈৰ আৰম্ভনিৰ কথা। ডা: মহেন্দ্ৰনাথ গগৈ তেতিয়া কলেজ পৰিচালনা সমিতিত। তেখেতে ডিগবৈ কলেজ এইড্ ক্লাৱ নতুনকৈ গঠন কৰিলে। ডা: মহেন্দ্ৰ নাথ গগৈ সভাপতি, ৰফিক হুছেইন সম্পাদক, মহেন্দ্ৰ ভৰালী বৰুৱা কোষাধ্যক্ষ আৰু মই সহকাৰী সম্পাদক হিচাপে নিৰ্বাচিত হ'লো। লগত থাকিল তৰুণ চন্দ্ৰ হাজৰিকা, গোলাপ কলিতা আদি। আমি কাম হাতত ল'লো। ডিগবৈ কলেজ এইড্ ক্লাৱৰ সাহায্যাৰ্থে এখন এখনকৈ তিনিখন থিয়েটাৰৰ পৰা মুঠতে লাভ পোৱা হ'ল দুই লাখতকৈ অধিক টকা। সেই সময়ত দুই লাখ টকাৰ প্ৰকৃত মূল্য বৰ্ত্তমানতকৈ বহুত বেছি আছিল। এই লাভৰ ধনেৰে ছোৱালীৰ জিৰণী কোঠা, ল'ৰাৰ জিৰণী কোঠা আৰু বিজ্ঞানাগাৰ নিৰ্মাণ কৰা হ'ল। ডিগবৈ মহাবিদ্যালয়ৰ অৱয়বৰ আজিৰ ছবিখনৰ আৰম্ভনি সেই তেতিয়াই এনেদৰে আৰম্ভ হ'ল।

সেই সময়লৈকে ডিগবৈ মহাবিদ্যালয়ৰ উন্নয়নত অসম তেল সংস্থাগুলে বিশেষ বৰঙণি আগবঢ়োৱা নাছিল। শ্ৰীৰঞ্জিত কুমাৰ দত্ত যেতিয়া অসম তেল সংস্থাগুলৰ কাৰ্যবাহী সঞ্চালক (Executive Director) হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে তেতিয়া আমাৰ এই গ্ৰুপটোৱে তেখেতক সাক্ষাৎ কৰি স্মাৰক পত্ৰৰ যোগে কলেজৰ বিভিন্ন দিশৰ উন্নয়নৰ বাবে তেখেতৰ সহায় বিচাৰিলো। মহাবিদ্যালয়ৰ শিক্ষকসকলে থিয়েটাৰ আনি ৰাহি হোৱা টকাৰে মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম কৰাৰ বিষয়ে শ্ৰীদত্তই জানিব পাৰিলে। আমি তেখেতৰ আস্থাভাজন হ'লো। ফলত অসম তেল সংস্থাগুলে মহাবিদ্যালয়ৰ পথটো সম্পূৰ্ণ নিৰ্মাণ কৰি দিলে আৰু মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো পুনৰ্নিৰ্মাণ কৰিলে। অসম তেল সংস্থাগুলৰ ফালৰ পৰা ইঞ্জিনিয়াৰ শ্ৰীপি.চি. বৰুৱাই এই কামৰ তদাৰক কৰিলে। মহাবিদ্যালয়ৰ ৰূপ সলনি হ'ল।

১৯৭০ চনৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসটো অৰ্ধনিৰ্মিত অৱস্থাত পৰি আছিল। সেই সময়ৰ পৰাই মহাবিদ্যালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা (U.G.C.) এক পইচাও সাহায্য বা অনুদান লাভ কৰা নাই। পুৰণি ফাইল খুচৰি জানিব পৰা গ'ল যে বিশ্ববিদ্যালয় অনুদান আয়োগে ছাত্ৰীবাস নিৰ্মাণৰ বাবদ যি অনুদান আগবঢ়াইছিল তাক নিৰ্মাণ কাৰ্যত খৰছ কৰা হ'ল ঠিকেই কিন্তু তাৰ লগে লগে মহাবিদ্যালয়ৰ ফালৰ পৰা বাধ্যতামূলকভাৱে যিখিনি ধন ছাত্ৰীবাস নিৰ্মাণত খৰছ কৰিব লাগিছিল সেয়া খৰছ কৰা নহ'ল আৰু ইয়াৰ হিচাপ-নিকাচ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত দাখিল কৰা নহ'ল। ফলস্বৰূপে, সকলো ধৰণৰ অনুদানেই বছৰ বছৰ ধৰি বন্ধ হৈ ৰ'ল। আমি পুনৰ শ্ৰীৰঞ্জিত দত্ত ডাঙৰীয়াক লগ ধৰি স্মাৰকপত্ৰ যোগে সকলো কথা বুজাই ক'লো। আমাৰ অনুৰোধ মৰ্মে শ্ৰীদত্তৰ নিৰ্দেশত ইঞ্জিনিয়াৰ শ্ৰীপি.চি. বৰুৱাই ছাত্ৰীবাসৰ পুনৰ্নিৰ্মানৰ খৰছ কম পক্ষেও ১৪-১৫ লাখ টকা হ'ব বুলি জনায়। আমি তেতিয়া জনাও যে অসম তেল সংস্থাগুলৰ ঠিকাদাৰৰ পৰিৱৰ্তে আমাক সাজিবলৈ দিলে আমি দুমহলীয়া ছাত্ৰীবাসটো ৯ (ন) লাখ টকাতেই পুনৰ্নিৰ্মাণ কৰিব পাৰিম। তেনে ক্ষেত্ৰত অসম তেল সংস্থাগুলৰ প্ৰতিনিধিয়ে আমাৰ নিৰ্মাণ কাৰ্য তদাৰক আৰু পৰ্যবেক্ষণ কৰিব। আমিও সম্পূৰ্ণ খৰছৰ হিচাপ ভাউচাৰ সহ তেল সংস্থাগুলৰ ওচৰত মাহে মাহে দাখিল কৰিম। শ্ৰীযুত দত্তই আমাৰ এই উদ্যমক প্ৰশংসা কৰিলে আৰু কিস্তি হিচাপত ৯ লাখ টকা দিবলৈ প্ৰতিশ্ৰুতি দিলে। আমি অৰ্থাৎ ৰফিক হুছেইন, মহেন্দ্ৰ ভৰালী বৰুৱা, তৰুণ হাজৰিকা, গোলাপ কলিতা আৰু মই নতুন উদ্যমেৰে কামত লাগিলো। কম খৰছত ভাল বস্তু কিনিবৰ বাবে ইটাৰ ভাটাই ভাটাই, বালিৰ মহলে মহলে, চিমেণ্ট-লোহাৰ দোকানে দোকানে কিমানযে

ঘূৰিছিলো তাক ভাবিলে এতিয়াও আচৰিত লাগে। এবাৰ ভৱালী আৰু মই বালিৰ মহল বিচাৰি বিচাৰি ডুমডুমা পোৱাৰ আগত ৰেল লাইনৰ পৰা নামি নদীৰ বালি মহললৈ যাওতে যি দুৰ্গন্ধময় লেতেৰা ঠাইৰ মাজেৰে যাবলগীয়া হৈছিল তাক ভাবিলে এতিয়াও ঘৃণাত নাক কোচ খাই যায়। সি যি কি নহওক সময়মতেই ছাত্ৰীবাস সম্পূৰ্ণ হৈ উঠিল। সেই টকাৰেই আমি হিচাপত (estimate) অন্তৰ্ভুক্ত নোহোৱা অৰ্থাৎ উপৰঞ্চিভাৱে ছাত্ৰীবাসৰ গ্ৰাউণ্ড ফ্ল'ৰৰ বাৰাণ্ডাত লোহাৰ গ্ৰীল দিয়াৰ উপৰিও ৫০ হাজাৰ টকা ইটা কিনি ৰাখিলো। আমাৰ কাম দেখি শ্ৰীদত্তই আমাক প্ৰশংসা কৰিলে। ১৯৯৪ চনৰ ১৪ নবেম্বৰ তাৰিখে শ্ৰীৰঞ্জিত কুমাৰ দত্তৰ দ্বাৰা ছাত্ৰীবাসৰ দ্বাৰ মুকলি কৰা হ'ল। ছাত্ৰীবাস সম্পূৰ্ণ কৰাৰ প্ৰমাণ হিচাপে ফটোসহ সকলো নথি বিশ্ববিদ্যালয় অনুদান আয়োগলৈ পঠোৱা হ'ল। তাৰ পিছৰ পৰাই ডিগবৈ মহাবিদ্যালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদান সময়মতে লাভ কৰিবলৈ সমৰ্থ হ'ল। শ্ৰীদত্ত ডাঙৰীয়াই আমাক আৰু এটি মূল্যবান বস্তু উপহাৰ দিলে। শ্ৰীহিতেন্দ্ৰ নাথ শৰ্মাৰ অনুৰোধত তেখেতৰ নিৰ্দেশত অসম তেল সংমণ্ডলে ডিগবৈ কলেজ লাইব্ৰেৰীলৈ English Encyclopadia খন দান কৰে।

ডা: মহেন্দ্ৰ নাথ গগৈ পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত তেখেতৰ সহযোগত কেইটামান সুদূৰ প্ৰসাৰী পদক্ষেপ আমি গ্ৰহণ কৰিলো। ডিগবৈ কলেজৰ শিক্ষক গোটৰ সভাত মহাবিদ্যালয়ৰ আৰ্থিক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ বিষয়ে আলোচনা কৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ ওচৰত কেইটামান পৰামৰ্শ আগবঢ়োৱা হয়। তাৰ ফলস্বৰূপে পৰিচালনা সমিতিৰ দ্বাৰা গঠিত হ'ল — বিল্ডিং এণ্ড প্ৰজেক্ট চাব্ কমিটি, পাৰ্চেজ কমিটি, ফাইনান্স কমিটি, পৰীক্ষা পৰিচালনা বোৰ্ড ইত্যাদি। অধ্যক্ষক সভাপতি আৰু শিক্ষক-কৰ্মচাৰীক সদস্য হিচাপে লৈ এই কমিটি সমূহ গঠন হোৱাৰ ফলত কাম-কাজত স্বচ্ছতা আৰু শৃঙ্খলাবদ্ধতা অহাৰ লগে লগে সময়, বুদ্ধি, দক্ষতা আৰু অৰ্থৰ সদ্ব্যৱহাৰ হ'ল। আজিও এই কমিটিসমূহে সুচাৰুভাৱে কাম-কাজ চলাই আছে।

ডিগবৈ মহাবিদ্যালয়ত প্ৰধানতঃ তিনিটা ডাঙৰ অনুষ্ঠান ইতিমধ্যে অনুষ্ঠিত হৈছে। সেই কেইটা হ'ল — মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ পালন, অসম কলেজ শিক্ষক সন্থাৰ বাৰ্ষিক অধিবেশন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ যুৱ মহোৎসৱ। বছৰজোৰা বিস্তৃত কাৰ্যসূচীৰে সমৃদ্ধ ৰূপালী জয়ন্তী উৎসৱ পালনৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে মুখ্য অতিথিৰ আসন অলঙ্কৃত কৰিছিল। তেখেতৰ সহধৰ্মিনী শ্ৰীযুতা হেমপ্ৰভা শইকীয়াও সভাত উপস্থিত থাকি আমাক উৎসাহিত কৰিছিল। মুখ্যমন্ত্ৰী শইকীয়াদেৱে সভাতেই আমাৰ মহাবিদ্যালয়লৈ ৫ (পাঁচ লাখ) টকাৰ অনুদান আগবঢ়াইছিল। সেই সভাতেই অসম তেল সংমণ্ডলৰ কাৰ্যবাহী সঞ্চালক শ্ৰীৰঞ্জিত কুমাৰ দত্তদেৱক আৰু ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত শিক্ষক শ্ৰীউপেন বৰঠাকুৰদেৱক মহাবিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হৈছিল। এই মুকলি সভাখন ইমানেই গাম্ভীৰ্যপূৰ্ণ আৰু সুন্দৰ হৈছিল যে ডিগবৈৰ ৰাইজে এইবাৰে আমাক ভূয়সী প্ৰশংসা কৰিছিল। অসম কলেজ শিক্ষক সন্থাৰ ৪২ তম বাৰ্ষিক অধিবেশন ১৯৯৩ চনৰ ২৬ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। ইমান ডাঙৰ এটি অনুষ্ঠান ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাটো আমাৰ মহাবিদ্যালয় তথা ডিগবৈবাসী ৰাইজৰ বাবে অতি গৌৰৱৰ বিষয় হৈ পৰিছিল। সুদূৰ ধুবুৰীৰ পৰা শদিয়ালৈ অসমৰ আটাইকেইখন মহাবিদ্যালয়ৰ প্ৰতিনিধিৰ আগমণত ডিগবৈ মহাবিদ্যালয় হৈ পৰিছিল বিদ্বত সমাজৰ এক পবিত্ৰ মিলন ক্ষেত্ৰ। ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত অসম কলেজ শিক্ষক সন্থাৰ ৪২ তম অধিবেশন আমাৰ বাবে বিশেষ আনন্দৰ আৰু গৌৰৱৰ বিষয় হোৱাৰ অন্যতম কাৰণ আছিল এইটোৱেই যে ইয়াতেই আমাৰ সতীৰ্থ শ্ৰীহিতেন্দ্ৰ নাথ শৰ্মা অসম কলেজ শিক্ষক সন্থাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে সভাপতি নিৰ্বাচিত হৈছিল।

আন এটা বৃহৎ অনুষ্ঠান ডিগবৈ মহাবিদ্যালয়ে অনুষ্ঠিত কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহক সামৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ (১৯৯৫-৯৬ বৰ্ষ) ১৯৯৫ চনৰ ১০, ১১ আৰু ১২ নবেম্বৰ তাৰিখে অতি উৎসৱমুখৰ পৰিবেশত বিশেষ সফলতাৰে ডিগবৈ মহাবিদ্যালয়ত সম্পন্ন হয়। শ্ৰীৰফিক হুছেইনক সভাপতি, মোক সাধাৰণ সম্পাদক আৰু শ্ৰীমহেন্দ্ৰ ভৱালী বৰুৱাক কোষাধ্যক্ষ হিচাপে লৈ গঠিত শক্তিশালী অভ্যৰ্থনা সমিতিয়ে দিনে-ৰাতিয়ে অশেষ কষ্ট কৰি সেৱা আগবঢ়োৱাৰ বাবেহে যুৱ মহোৎসৱটি সফলতাৰে অনুষ্ঠিত কৰিব পৰা গ'ল। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ অন্তৰ্গত ৩৫ (পয়ত্ৰিছ) খন মহাবিদ্যালয়ৰ পৰা অহা এক অভিলেখ সংখ্যক ৫৩৯ (পাঁচশ উনচল্লিছ) জন ছাত্ৰ-ছাত্ৰী আৰু ৫০ (পঞ্চাছ) জন ভাৰপ্ৰাপ্ত অধ্যাপকে অংশগ্ৰহণ কৰা যুৱ মহোৎসৱটি ইমানেই প্ৰাণোজ্জ্বল আৰু সফল হৈছিল যে এই বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ সঞ্চালক শ্ৰীথানেশ্বৰ শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ যুটীয়া সম্পাদক শ্ৰীবিজন দত্ত প্ৰমুখ্যে যুৱ মহোৎসৱত অংশগ্ৰহণকাৰী কেইবাগৰাকী ভাৰপ্ৰাপ্ত অধ্যাপকে আমালৈ প্ৰশংসাবাণী প্ৰেৰণ কৰিছিল।

ডিগবৈ মহাবিদ্যালয়ৰ ভৱিষ্যতত সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিব পৰা আৰু এটি গুৰুত্বপূৰ্ণ বিষয় আছিল ৰাষ্ট্ৰীয় মূল্যায়ন আৰু মূল্যাঙ্কন পৰিষদৰ (NAAC : NATION ASSESSMENT AND ACCREDITATION COUNCIL) পিয়েৰ টীমৰ (PEER TEAM) দ্বাৰা কলেজ পৰিদৰ্শন। মহাবিদ্যালয়ৰ বৰ্তমান স্থিতি আৰু মান কেনেধৰণৰ NAAC আৰু ভৱিষ্যতে ইয়াৰ মান কেনেদৰে উন্নত কৰিব পাৰি তাক নিৰ্ণয় কৰিব NAAC ৰ ৰিপ'ৰ্টৰ ওপৰত। অৰ্থাৎ কলেজখনৰ ভৱিষ্যত নিৰ্ণয় হ'ব NAAC ৰ ৰিপ'ৰ্টৰ ওপৰত। সেই উদ্দেশ্যে গঠিত হোৱা ষ্টিয়াৰিং কমিটি (Steering committee)ৰ মুখ্য সমন্বয়ক (Chief Co-ordinator) হিচাপে মোক মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে নিৰ্বাচিত কৰে। মোৰ লগত থাকি মোক সহায় কৰিব আন দুগৰাকী সমন্বয়ক ক্ৰমে ড° অমৃত ডেকা আৰু শ্ৰীভূষিত কুমাৰ সান্যালে। অধ্যক্ষ মনেশ্বৰ বৰ্মনৰ দিনত আৰম্ভ হোৱা প্ৰক্ৰিয়াই পূৰ্ণ গতি লাভ কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীস্বদেশ সহায় ৰায়চৌধুৰীৰ দিনত। কলেজখনৰ প্ৰতিটো দিশ, প্ৰতিটো বিভাগতে নতুন প্ৰাণ সঞ্চাৰ কৰিব লগীয়া হ'ল। প্ৰতিটো বিভাগৰ বাবে ভিন্ন ভিন্ন কোঠা, আলমাৰী, নতুন প্ৰশাসনিক ভৱন, ল'ৰা আৰু ছোৱালীৰ বাবে

বেলেগ বেলেগ খেলপথাৰ, ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাৰ উন্নয়ন, কলেজৰ সৌন্দৰ্য বৰ্দ্ধন, কাৰ্যালয় আৰু লাইব্ৰেৰীত কম্পিউটাৰ প্ৰয়োগ, বিজ্ঞানাগাৰৰ উন্নয়ন, যথাস্থানত নামফলক স্থাপন, গছ-গছনিৰ চিনাক্ত কৰণ ফলক, স্ব-বিত্তীয় আঁচনি, মাষ্টাৰ প্লেন, কলেজৰ সকলো ৰেকৰ্ড আপ-টু-ডেট কৰা, ল'ৰা হোষ্টেলৰ আধাৰশিলা স্থাপন, ছাত্ৰ একতা সভাৰ ৰিপ'ৰ্ট সম্পূৰ্ণ কৰা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কমিটি গঠন, কলেজত অনুষ্ঠিত হোৱা সকলো অনুষ্ঠানৰেই ৰেকৰ্ড, কলেজ স্থাপনৰ ৰেকৰ্ড, কলেজৰ নিজস্ব ভূমিৰ নথিপত্ৰ, শ্ৰেণী কোঠাৰ সংখ্যা, Self Study Report ৰ বাবে থকা বিভিন্ন গ্ৰুপৰ ৰিপ'ৰ্ট আৰু এই সকলো সামৰি Self Study Report তৈয়াৰ কৰা – কিমান যে কাম। প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাই দিনৰ পিছত দিন ধৰি সেৱা আগবঢ়াই আহিছে। Self Study Report তৈয়াৰ কৰি লিখি উলিওৱাটো হ'ল এক অতি জটিল আৰু কষ্টকৰ কাম। কাৰণ Self Study Report হ'ল কলেজখনৰ হুবহু প্ৰতিচ্ছবি। এইবাবে কলেজত আৰু কলেজৰ বাহিৰতো দিনৰ ভাগত ঘণ্টাৰ পিছত ঘণ্টা ধৰি কাম কৰাৰ উপৰিও মোৰ বাসভৱনত মোৰ লগত ড° অমৃত ডেকা, তুষিত কুমাৰ সান্যাল, মহেন্দ্ৰ ভৰালী বৰুৱা, গোলাপ কলিতা, গুৰুপদ ভট্টাচাৰ্য, জয়ন্ত সন্দিকৈ, ড° অৰুণ শৰ্মা, চেনী চন্দ্ৰ বৰুৱা আদি সহকৰ্মীয়ে নিশা ১১-১২ বজালৈকে কাম কৰে। এই সকলো কাম সঠিক ৰূপত আগবঢ়াই নিয়াত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীস্বদেশ সহায় ৰায় চৌধুৰীয়ে পথ প্ৰদৰ্শন কৰে। ইয়াৰ মাজতেই আন এটা সমস্যা আহি পৰিল। মই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰো ২০০৩ চনৰ ৩১ অক্টোবৰ তাৰিখে, অথচ NAAC ৰ Peer Team আহিব ডিচেম্বৰ বা জানুৱাৰী মাহত। গতিকে পৰিচালনা সমিতিয়ে প্ৰস্তাৱ যোগে মই অৱসৰ গ্ৰহণ কৰাৰ পৰৱৰ্তী সময়ত NAAC ৰ Peer Team ৰ মূল্যায়ন নোহোৱা পৰ্যন্ত মোক মুখ্য সমন্বয়ক হিচাপে সেৱা আগবঢ়াই যাবলৈ লিখিতভাৱে জনায়। পৰিচালনা সমিতিৰ এই প্ৰস্তাৱৰ প্ৰতি সম্মান জনায় Peer Team য়েও মোক মুখ্য সমন্বয়ক হিচাপে স্বীকৃতি দিয়ে। ২০০৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ১১ আৰু ১২ তাৰিখে আন্নামালায় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীপি.ভি বৈদ্যনাথন আৰু বৰ্দ্ধমান বিশ্ববিদ্যালয়ৰ ৰসায়নবিভাগৰ মূৰব্বী অধ্যাপক শ্ৰীঅৰবিন্দ দাসেৰে গঠিত Peer Team এ ডিগবৈ মহাবিদ্যালয় পৰিদৰ্শন (visit) কৰে। তেখেতসকলে আমাৰ কাম-কাজ দেখি আমাক প্ৰশংসা কৰে। 'Nothing is false here' এয়া আছিল উপাচাৰ্য বৈদ্যনাথনৰ মন্তব্য। NAAC ৰ মূল্যায়নত ডিগবৈ মহাবিদ্যালয়ে ৭৪.৫ পইণ্ট (point) লাভ কৰি সম্মানীয় B+ গ্ৰেড লাভ কৰে। মাত্ৰ ১.৫ পইণ্ট কম পোৱা বাবে আমি B++ গ্ৰেড লাভ কৰিব নোৱাৰিলো। আমাৰ এজন স্থায়ী অধ্যক্ষ আৰু এটি ছাত্ৰাবাস থকাহেঁতেন আমি হয়তো B++ গ্ৰেড লাভ কৰাৰ পৰা বঞ্চিত নহলোহেঁতেন। NAAC ৰ ৰিপৰ্টত আমাক পুথিভঁৰালটো সম্পূৰ্ণ কম্পিউটাৰাইজ কৰা আৰু এটা 'জিম' প্ৰস্তুত কৰাৰ পৰামৰ্শ আগবঢ়ায় আৰু ইয়াৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে আৱশ্যকীয় ধনো অনুদান হিচাপে আগবঢ়োৱাৰ কথা জানিবলৈ দিয়ে।

ডিগবৈ কলেজ শিক্ষক সন্থাই (DCTC) ডিগবৈ মহাবিদ্যালয়ৰ উন্নয়নত অভূতপূৰ্ব্ব অৰিহণা আগবঢ়াই আহিছে। ডিগবৈ মহাবিদ্যালয়ত যোগদান কৰাৰ দিনৰ পৰাই মই ডিগবৈ কলেজ শিক্ষক সন্থালৈ সাধ্যানুসাৰে সেৱা আগবঢ়াই আহিছো। ডিগবৈ কলেজ শিক্ষক সন্থাৰ লিখিত নিয়মাৱলী বা সংবিধান মোৰ প্ৰচেষ্টাত আৰু সদস্য-সদস্যা, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত মোৰ কাৰ্যকালৰ অন্তিম দিনত ৩১-১০-২০০৩ তাৰিখে মোৰেই সভাপতিত্বত অনুষ্ঠিত সভাই সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে। পিছত ইয়াক অসম কলেজ শিক্ষক সন্থাই (ACTA) অনুমোদন জনায়। সেইদৰে শিক্ষক-কৰ্মচাৰীৰ বিত্তীয় অনুষ্ঠান 'ডিগবৈ কলেজ ষ্টাফ বেনিফিট ফাণ্ড'ৰ (Digboi College Staff Benefit fund) লিখিত নিয়মাৱলীও মই প্ৰস্তুত কৰি উলিয়াও আৰু তাক মহেন্দ্ৰ ভৰালী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত ৩০-০৭-২০০০ তাৰিখৰ সাধাৰণ সভাই সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে।

মোৰ দৃষ্টিত ডিগবৈ কলেজ শিক্ষক সন্থাৰ (DCTC) নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ বাবেহে ডিগবৈ মহাবিদ্যালয় শৈক্ষিক তথা কায়িক উন্নয়ন সম্ভৱ হৈছে। ডিগবৈ মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়নত যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে আৰু যি সকল শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ উন্নয়নৰ প্ৰচেষ্টালৈ নিঃস্বাৰ্থ, সক্ৰিয় সহযোগিতা আগবঢ়াই আহিছে এওঁলোক আটায়ে ডিগবৈ কলেজ শিক্ষক সন্থাৰ (DCTC) সদস্য-সদস্যা। গোট হিচাপেও ডিগবৈ কলেজ শিক্ষক সন্থাই সময়ে সময়ে এই ক্ষেত্ৰত দিহা-পৰামৰ্শ আৰু কাৰ্যকৰী সমৰ্থন আগবঢ়াই আহিছে। গতিকে ডিগবৈ কলেজ শিক্ষক সন্থাৰ সক্ৰিয় ভূমিকাৰ বাবেহে ডিগবৈ মহাবিদ্যালয়ৰ উন্নয়ন সম্ভৱ হৈ উঠিছে।

ডিগবৈ মহাবিদ্যালয় মোৰ অতি প্ৰিয়, মোৰ অতি মৰমৰ। ডিগবৈ মহাবিদ্যালয় মোৰ প্ৰাণ স্বৰূপ। ই মোৰ অন্তৰ্জগতৰ সুখ-শান্তিৰ উৎস আৰু বহিঃজগতৰ মান-সম্মানৰ সৌধ। তদুপৰি ডিগবৈ মহাবিদ্যালয় হ'ল মোৰ শিক্ষা-জগতৰ গৱেষণাগাৰ (laboratory)। জয়তু ডিগবৈ মহাবিদ্যালয়। ■

> এই জীৱনত তোমাৰ আটাইতকৈ বেছি প্ৰয়োজনীয় বস্তু দুটা হ'ল তোমাৰ অজ্ঞতা সম্পৰ্কে জ্ঞান আৰু তোমাৰ আত্মবিশ্বাস। এই দুটা বস্তুৰেই হ'ল সফলতাৰ চাবি-কাঠী।
>
> — মাৰ্ক টোৱেইন।

# মৃত্যুবৰণ কৰিও অমৰ হ'লা... কল্পনা চাওলা !

□ গোলাপ কলিতা

২০০৩ চনৰ ১ ফেব্ৰুৱাৰী দিনটো সমগ্ৰ বিশ্বৰ লগতে ভাৰতবাসীৰ বাবে আছিল এক অতি অভিশপ্ত দিন। আমেৰিকাৰ নাছাৰ (NASA) দ্বাৰা প্ৰেৰণ কৰা কলম্বিয়া মহাকাশ যানখনৰ মহাকাশচাৰীসকলে বহিঃবিশ্বত এপষেক কাল প্ৰদক্ষিণ কৰি বিজ্ঞানৰ অলেখ অমূল্য সম্পদ বুটলি আনি টেক্সাছত অৱতৰণ কৰিবলৈ মাথোন ১৬ মিনিট থাকোঁতে বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিলে কলম্বিয়া যানখনৰ ভগ্নাৱশেষৰ অগ্নিবৰষা ধূসৰ বৃষ্টিপাত। চকুৰ পচাৰতে সাতগৰাকী প্ৰতিভাৱান মহাকাশচাৰীৰ দেহ চূৰ্ণ-বিচূৰ্ণ হ'ল। ভাৰতৰ জীয়াৰী প্ৰথম গৰাকী মহিলা মহাকাশচাৰী কল্পনা চাওলাই ভাৰতবাসীক কন্দুৱাই অনন্ত ধামলৈ গতি কৰিলে। কিন্তু এই কৰুণ মৃত্যুক আকোঁৱালি লৈয়ো তুমি অমৰ হ'লা কল্পনা ! বিশ্বৰ মহাকাশ ইতিহাসত খোদিত হ'ল তোমাৰ যুগজয়ী কালযাত্ৰাৰ মৰ্মন্তুদ কাহিনী। ১৯৮৬ চনতো চেলেঞ্জাৰ নামৰ যানখনৰ বিস্ফোৰণ ঘটি সাতগৰাকী মহাকাশচাৰীৰ অমূল্য জীৱনৰ অন্ত পৰিছিল একেদৰেই।

১৯৬১ চনৰ ১ জুলাইত ভাৰতৰ হাৰিয়ানা প্ৰদেশৰ কাৰনেল নামৰ ঠাইত বানাৰসীলাল আৰু সংযোগীতা চাওলা দম্পতিৰ পৰিয়ালত চতুৰ্থ সন্তানৰূপে এটি কন্যাশিশু ভূমিষ্ঠ হৈছিল। মাক-দেউতাকে সঠিক ভাৱেই নাম ৰাখিছিল কল্পনা-কল্পনা চাওলা। প্ৰচুৰ কল্পনাশক্তিৰ অধিকাৰী কল্পনাই সৰুৰেপৰাই অতি মেধাশক্তিৰ পৰিচয় দিছিল। কলা-সংস্কৃতিৰ প্ৰতি ৰাপ থকা কল্পনা ভাৰত নাট্যমতো অতি পাৰদৰ্শী আছিল। বিজ্ঞানৰ মডেল সাজি ভালপোৱা কল্পনাই যেতিয়াই ছবি আঁকিছিল তেতিয়াই সাধাৰণতে এৰ'প্লেনৰ ছবি এখনহে আঁকিবলৈ ভাল পাইছিল। এৰ'প্লেনৰ প্ৰতি দুৰ্বাৰ হেঁপাহ থকাৰ বাবে দেউতাকে মাজে মাজে হ্ৰস্ব দূৰত্বৰ আকাশী যাত্ৰা কৰাইছিল। অষ্টমশ্ৰেণীত পঢ়ি থাকোঁতেই অভিযন্তা হোৱাৰ সপোন দেখা কল্পনাই একাদশ শ্ৰেণীত এৰ'নটিকেল ইঞ্জিনিয়াৰ হ'বলৈ দৃঢ়ভাৱে মনস্থ কৰিছিল। পঞ্জাৱৰ অভিযান্ত্ৰিক কলেজত নাম ভৰ্ত্তি কৰাৰ সময়ত মাক-দেউতাকে বাধা দিছিল যদিও কল্পনাৰ জ্যেষ্ঠা ভগ্নীদ্বয়ে তেওঁক উৎসাহিত কৰিছিল। সেই সময়ত কলেজখনত কেৱল সাতগৰাকী ছোৱালীয়েহে অভিযান্ত্ৰিক পাঠ্যক্ৰমত যোগদান কৰিছিল। আশ্বৰ্য্যজনকভাৱে এৰ'নটিকেল বিভাগৰ মুৰব্বীজনেও কেৱল ছোৱালী হোৱাৰ বাবেই কল্পনাক উক্ত বিভাগটোৰ প্ৰতি নিৰুৎসাহ কৰিছিল। কিন্তু দৃঢ়মনা কল্পনাই তেনে বাধা আওকান কৰি উক্ত পাঠ্যক্ৰমত ভৰ্ত্তি হ'ল আৰু ভাৰতীয় নাৰীসকললৈ তেওঁৰ কৃতকাৰ্য্যতাৰ যোগেদি শুভবাৰ্ত্তা প্ৰেৰণ কৰিলে। কল্পনা প্ৰথম হৈ উত্তীৰ্ণ হ'ল। গুণীৰ গুণ বুজি পোৱা আমেৰিকাই লগে লগে নিমন্ত্ৰণ জনালে উচ্চশিক্ষাৰ বাবে। টেক্সাছ বিশ্ববিদ্যালয়ৰপৰা মাষ্টাৰ ডিগ্ৰী আহৰণ কৰি ১৯৮৭ চনত বিমান চালকৰ অনুজ্ঞাপত্ৰ পাবলৈ সক্ষম হ'ল। ১৯৮৮ চনত কল'ৰাডো বিশ্ববিদ্যালয়ৰপৰা এৰ'নটিকেল ইঞ্জিনিয়াৰিঙত ডক্টৰেট ডিগ্ৰীও লাভ কৰে। ১৯৯৩ চনৰপৰা ১৯৯৭ চনলৈ মহাকাশ যানৰ কঠিন পৰিক্ৰমা সহজেই অতিক্ৰম কৰি বিভিন্ন কাৰিকৰী শিক্ষা আহৰণ কৰে। তেওঁৰ কৃতিত্ব দেখি STS-87 মহাকাশ যানখনৰ মহাকাশচাৰীৰূপে তেওঁক নিৰ্বাচিত কৰা হয়। ১৯৯৭ চনৰ ১৯ নৱেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ ৩৭৬ ঘণ্টা ৩৪ মিনিট মহাকাশত কটাই অলেখ তথ্যৰ ভাণ্ডাৰ সংগ্ৰহ কৰি কেপ্ কেনেভেৰেলত নিৰাপদে অৱতৰণ কৰে আৰু প্ৰথমগৰাকী ভাৰতীয় মহিলা মহাকাশচাৰীৰূপে অভিলেখ সৃষ্টি কৰিলে। প্ৰথম মহাকাশ যাত্ৰাৰ অন্তত কৃতিত্বৰ স্বীকৃতি হিচাপে নাছাই কল্পনাক Astronaut Office's Crew Systems and Habitability খণ্ডৰ বিশেষ পাৰদৰ্শী ব্যক্তিৰ দায়িত্ব অৰ্পণ কৰে। ২০০৩ চনৰ ১৭ জানুৱাৰীত পুনৰাই কল্পনাই কলম্বিয়া মহাকাশ যানত মহাকাশলৈ যাত্ৰা কৰিলে। লক্ষ্য বহিঃবিশ্বৰ অধিক ৰহস্য ভেদ কৰি বিশ্ববাসীলৈ নতুন নতুন তথ্য বুটলি আনিব। কিন্তু কালৰ কুটিল গ্ৰাসত পৰিল কল্পনা। কল্পনাৰ কৃতিত্বক যেন নিয়তিয়েও সহ্য কৰিব পৰা নাছিল। বিশ্বৰ এক উজ্বল ভোটা তৰা মহাশূন্যত বিলীন হৈ গ'ল। কিন্তু বিশ্ব ইতিহাসত ৰচি গ'ল এক সোণালী যুগমীয়া অধ্যায়।



বিশ্ববাসীৰ মনত কিন্তু সন্দেহ আৰু অসন্তুষ্টিৰ এক বীজ থাকি গ'ল। সঁচাকৈয়ে এই দুৰ্ঘটনা এৰাই চলিব পৰা নহ'লহেঁতেন নে ? বিজ্ঞানীসকলে একো আগতীয়া উমান পোৱা নাছিল নে ? নিয়ন্ত্ৰণ কক্ষৰ পৰা উদ্ধাৰকাৰী অন্য এখন যান পঠাব পৰা নহ'লহেঁতেন নেবা কলম্বিয়া যানখনে কক্ষ পৰিৱৰ্তন কৰিব পৰা অৱস্থাত নাছিল নে ? তেনে কেতবোৰ প্ৰশ্নই

বহুতকে আমনি কৰি আছে এতিয়াও। মনক প্ৰত্যয় নিয়াব পৰা নাই বহুজনে।

মহাকাশ যাত্ৰা এক অতি জটিল আৰু বিপদ সঙ্কুল প্ৰক্ৰিয়া। মহাকাশচাৰীসকলে মুহূৰ্তে মুহূৰ্তে বেলেগ বেলেগ বিপদৰ সম্মুখীন হ'ব লগাত পৰে। মহাকাশ যান বিস্ফোৰণৰ কাৰক বহুতো হ'ব পাৰে। তীব্ৰবেগ অৰ্থাৎ শব্দৰ দুগুণ বেগেৰে আহি থকা, যানখনে লগত লৈ ফুৰা অতি চাপত ৰখা ইন্ধন আৰু জাৰক পদাৰ্থসমূহৰ সম্ভাৱনীয় বিস্ফোৰণ, যান্ত্ৰিক বিজুতি ঘটি কম্পিউটাৰ বিকল হোৱা, পৃথিৱীৰ বায়ুমণ্ডললৈ প্ৰত্যাৱৰ্তন কৰোঁতে সম্মুখীন হ'ব লগা উচ্চ উষ্ণতাক (প্ৰায় ১৫৬০ ডিগ্ৰী চেলছিয়াছ) প্ৰতিহত কৰিবলৈ ৰখা ঢাকনিখনৰ ক্ষয়-ক্ষতি হোৱা, উল্কাপিণ্ডৰ লগত হোৱা সংঘৰ্ষ আদি অনেক কাৰণত মহাকাশ যান বিস্ফোৰিত হ'ব পাৰে। কোনো কোনো বিশেষজ্ঞৰ মতে পৃথিৱীৰ বায়ুমণ্ডলত পুনৰ প্ৰৱেশ কৰোঁতে ভুল কক্ষপথেৰে সোমাইছিল আৰু এনে তীব্ৰবেগী যান এবাৰ সোমোৱাৰ পিছত তাৰ গতিপথ সলনি কৰাটো অতি জটিল। আনকি বায়ুমণ্ডলত ওপঙি থকা মাৰ্বল আকৃতিৰ এটা সৰু পেলনীয়া আবৰ্জনাৰ টুকুৰাইয়ো ধ্বংস ঘটাব পাৰে। এই শোকাবহ ঘটনাটোৰ আচল কাৰণ পৰিস্কাৰকৈ জানিব পৰা হোৱা নাই যদিও যানখনৰ তাপ প্ৰতিৰোধকাৰী ঢাকনিখনত বিজুতি ঘটাৰ বাবেই ধ্বংসপ্ৰাপ্ত হ'ল বুলি বিশেষজ্ঞসকলে মতপোষণ কৰিছে। যানখনৰ বহিৰ্ভাগৰ তাপ কু-পৰিবাহী ফ'ম এডোখৰ সুলকি পৰাৰ বাবে তাপ প্ৰতিৰোধক টাইলচৰ ক্ষতিসাধন হয়। যানখন যাত্ৰা কৰাৰ আগদিনা এক সৰু বিসংগতি দৃষ্টিগোচৰ হৈছিল যদিও সেইটোৱেই কাল হ'ব বুলি ভবা নাছিল। তাপ কু-পৰিবাহী ফ'ম (foam) হৈছে অতি পাতল, ঠুনুকীয়া পলিইউৰেথেন। এইবোৰ ইন্ধনকক্ষৰ বাহিৰফালে স্প্ৰে কৰা হয় আৰু এইবোৰ শুকাই যোৱাৰ লগে লগে অতি কঠিন হৈ ষ্টাইৰ'ফ'মলৈ ৰূপান্তৰিত হয়। বাহিৰফালে থকা ইন্ধনকক্ষত তৰল হাইড্ৰ'জেন আৰু তৰল অক্সিজেন অতি নিম্ন উষ্ণতাত ৰখা থাকে। এইবোৰৰ ওপৰফালে যাতে বৰফ সৃষ্টি হ'ব নোৱাৰে তাৰবাবে কু-পৰিবাহী ফ'মবোৰ ব্যৱহাৰ কৰা হয়। এই ফ'মবোৰত থকা অতি ক্ষুদ্ৰ ছিদ্ৰবোৰত বায়ুকণা সোমাই থাকে আৰু কেনেবাকৈ তাপ পালে এই কণাবোৰৰ আয়তন বৃদ্ধি পায়, ফলত ফ'মবোৰ স্থানচ্যুত হ'ব পাৰে। এই ফ'মৰ এডোখৰ আঁতৰি আহিলেই তাপ প্ৰতিৰোধকাৰী টাইলচ্‌বোৰৰ বিস্তৰ ক্ষতিসাধন হ'ব পাৰে। কলম্বিয়া যানখনৰ বেলিকা খুব সম্ভৱ এই ফ'মৰ আকৃতি কিছু ডাঙৰ আছিল (প্ৰায় এক কিলোগ্ৰাম) আৰু তাৰ ওপৰত বৰফ জমা হৈছিল। বৰফৰ ওজন বৃদ্ধি পোৱাৰ বাবে নিক্ষেপকটো গধুৰ হৈ পৰাৰ বাবেই অধিক ক্ষতিকাৰক হৈ পৰিছিল। যানখনৰ তলৰ ফালেও চিলিকাৰ ক'লা গ্লাছযুক্ত ঠুনুকীয়া টাইলচ্ লগোৱা থাকে। যেতিয়া মহাকাশ যান পৃথিৱীৰ বায়ুমণ্ডললৈ প্ৰত্যাৱৰ্তন কৰে তেতিয়া প্ৰায় ১৬৫০ ডিগ্ৰী চেলছিয়াছ উষ্ণতাৰ সম্মুখীন হয়। এই টাইলচবোৰে সেই অধিক উষ্ণতা শোষণ কৰি কেইবাঘণ্টাৰ পিছত নিৰ্গত কৰে আৰু উষ্ণতা প্ৰায় ১৫৭ ডিগ্ৰীৰ অধিক হ'বলৈ নিদিয়ে। এখন যানত প্ৰায় ৩০,০০০ এনে টাইলচ থাকে।

কলম্বিয়া যানখন ধ্বংসপ্ৰাপ্ত হোৱাৰ ৭ মিনিট আগতে পোৱা চিগনেলমতে এনে টাইলচৰ আৱৰণযুক্ত বাওঁফালৰ চকৰিটোৰ উষ্ণতা সোঁফালৰটোতকৈ প্ৰায় ৩০ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছিল (১৬ দিনৰ আগতে যানখন পৃথিৱী এৰাৰ আগমুহূৰ্তত ঠিক সেই দিশতে ফ'মৰ টুকুৰা এটাৰ বিসংগতিয়ে দেখা দিছিল)। ক্ষন্তেক পিছতে এই উষ্ণতা ৬০ ডিগ্ৰীলৈ বৃদ্ধি পোৱা দেখুৱাইছিল আৰু তাৰপিছতে নিয়ন্ত্ৰণ কক্ষৰ লগত যোগাযোগ বিচ্ছিন্ন হৈছিল। এনেদৰে উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে যানখনে নিয়ন্ত্ৰণ হেৰুৱাই বেলেগ কক্ষলৈ বিচ্যুতি হৈ ধ্বংসপ্ৰাপ্ত হৈছিল।

কল্পনা, তোমাৰ স্বপ্নভঙ্গ হ'ল ঠিকেই, কিন্তু তোমাৰ প্ৰেৰণাকে সম্বলৰূপে গ্ৰহণ কৰি মাথো সৌ সিদিনা ভাৰতীয় মূলৰ জীয়াৰী সুনীতা উইলিয়ামছে আটলাণ্টিছ মহাকাশযানেৰে বহিৰ্বিশ্বত ছমাহৰো অধিক কাল প্ৰদক্ষিণ কৰি বিশ্বৰ ভিতৰতে প্ৰথমগৰাকী মহিলা মহাকাশচাৰী হোৱাৰ অভিলেখ সৃষ্টি কৰিলে। মহাকাশত পদচালনা (Space walk) আৰু মাৰাথন দৌৰ সম্পূৰ্ণ কৰি সোঁ শৰীৰেৰে পৃথিৱীলৈ ঘূৰি আহি আন এক বিশ্ব ইতিহাস সৃষ্টি কৰিলে আৰু তোমাৰ অপূৰ্ণ আশা বাস্তবায়িত কৰিলে। কল্পনা, ভৱিষ্যতৰ মহাকাশ বিজ্ঞানীৰ বাবে তুমি হৈ ৰ'বা এক গভীৰ প্ৰেৰণাৰ উৎস আৰু ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে হৈ ৰলা অত্যুচ্চ আদৰ্শ।

কল্পনাই প্ৰথমবাৰ মহাকাশলৈ যাওঁতে মহাকাশচাৰীয়ে লগত নিব পৰা মুঠ ১০ বিধ সামগ্ৰীৰ ভিতৰত আছিল তেওঁৰ আই-মাতৃ (alma mater) স্বৰূপ বিদ্যালয়খনে উপহাৰ দিয়া টি-চাৰ্টটো, য'ত খোদিত কৰা আছিল 'Tagoreans proud of Kalpana'। কল্পনাই সফলতাৰে মহাকাশ ভ্ৰমণ কৰি আহি মন্তব্য কৰিছিল — "সকলোৱে তেনে এক ভ্ৰমণ কৰাৰ যেন সৌভাগ্য ঘটে। তেতিয়া বুজিব পাৰিব আমি বাস কৰা পৃথিৱীখন কিমান ধুনীয়া আৰু মোহনীয়া। তেহে পৃথিৱীখনক প্ৰতিপালন কৰিবলৈ সকলোৰে তীব্ৰ বাসনা জাগি উঠিব।" কল্পনাৰ শিক্ষাগুৰুসকলৰ প্ৰতি আছিল অসীম ভক্তি আৰু সদায়েই যথোচিত সন্মান জনাইছিল। সেয়েহে বিশ্বব্যাপী তেনে এক বাৰ্তা প্ৰেৰণ কৰাৰ মানসেৰে শেষৰ মহাকাশ যাত্ৰাত তেওঁ এখন বগা পাটৰ কাপোৰৰ বেনাৰ লগত লৈ গৈছিল, য'ত অংকিত কৰা আছিল এজনী ছোৱালীয়ে সভক্তিৰে এজন শিক্ষাগুৰুক মূৰ দোঁৱাই প্ৰণাম কৰি আছে আৰু শিক্ষাগুৰুজনে তাইৰ মূৰৰ ওপৰত হাত থৈ আশীৰ্বাদ জনাইছে।

কল্পনাই কলম্বিয়া মহাকাশ যানখনৰপৰা পঞ্জাৱৰ অভিযান্ত্ৰিক কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকললৈ প্ৰেৰণ কৰা সৰ্বশেষ ই-মেইল বাৰ্তাটো আছিল — "The path from dreams to success does exist. May you have the vision to find it, the courage to get on to it and the perseverance to follow it"। ভাবাৰ্থ হ'ল — "স্বপ্নদ্ৰষ্টাসকলৰ বাবে কৃতকাৰ্য্যতাৰ পথ মুকলি হৈ আছে। এই পথ লাভ কৰিবলৈ তোমালোকে যেনে তেনে অন্তৰ্দৃষ্টি লাভ কৰা। সেই লক্ষ্যত উপনীত হ'বলৈ সাহস আৰু অধ্যৱসায়েৰে অনুসৰণ কৰা যেন।"■



# মহাকাশ

## প্ৰকৃতিৰ এক বিস্মিত মনোমোহা সৃষ্টি

□ ড° অৰুণ চন্দ্ৰ শৰ্মা

নীল বৰণীয়া আকাশখনৰ লগত আমাৰ পৰিচয় জন্ম-লগ্নৰে পৰা। এই বিনন্দীয়া আকাশৰ সীমাহীন বিশালতা যাক 'মহাকাশ' বুলি কোৱা হয়, ই অতীতৰে পৰাই মানুহৰ মনত কৌতূহলৰ সৃষ্টি কৰি আহিছে। এই 'মহাকাশ' শব্দটোৱে বিভিন্ন ব্যক্তিৰ বাবে বিভিন্ন ভাবাৰ্থৰ সৃষ্টি কৰে। এজন শিল্পীৰ তুলিকাত মহাকাশ হৈছে এখন মুক্ত শূন্য ঠাই, য'ত সূৰ্যৰ আঁঠোটা গ্ৰহৰ পৰিয়াল, অসংখ্য জোতিষ্ক আৰু তাৰকা ৰাজ্যবোৰে অভূতপূৰ্ব ৰঙীণ দৃশ্যৰ সৃষ্টি কৰি আছে। এজন কবিৰ ভাষাত মহাকাশ হৈছে এখন অজ্ঞেয় আৰু অনাবিষ্কৃত জগত, এজন যুৱকৰ বাবে ই হৈছে নক্ষত্ৰৰ যুদ্ধ (star wars) ; এজন মহাকাশ বিজ্ঞানীৰ বাবে ই হৈছে এটা প্ৰকাণ্ড প্লাজমা (পদাৰ্থৰ এটা অতি আয়নীয় অৱস্থা য'ত মুক্ত ইলেক্ট্ৰন আৰু আয়ন থাকে) গৱেষণাগাৰ, য'ত চকুৰে নেদেখা এটা অধিক ক্ষমতা সম্পন্ন বলে ক্ৰিয়া কৰি আছে ; এজন বতৰ বিজ্ঞানীৰ দৃষ্টিত মহাকাশে এটা শক্তিৰ ভঁড়াল হিচাবে কাম কৰিছে, যিটোৱে সৌৰশক্তিক বতৰ আৰু পৰিৱেশ শক্তিলৈ ৰূপান্তৰিত কৰি আছে। এজন বিশ্বতত্ব অধ্যয়নকাৰীৰ দৃষ্টিত বহিঃজগতৰ পৰা অহা মহাকাশ জাগতিক ৰশ্মিৰ কণাবোৰে তাৰকাৰাজ্যৰ পদাৰ্থৰ বিষয়ে আভাস দিছে আৰু তৰাসমূহৰ গঠন আৰু তাত থকা মৌলসমূহৰো সন্ধেদ দিছে ; এজন মৌলিককণা পদাৰ্থবিদৰ মতে পৃথিৱীৰ নিম্ন বায়ুমণ্ডলৰ লগত মহাজাগতিক কণাবোৰৰ বিক্ৰিয়াৰ ফলস্বৰূপে পৃথিৱীৰ অন্তঃভাগৰ বিষয়ে বহুতো তথ্য জনা হৈছে।

খৃঃপূঃ ৩৪০ ত গ্ৰীক দাৰ্শনিক, বিজ্ঞানী এৰিষ্টট'লে পৃথিৱীখনযে ঘূৰণীয়া এই তথ্য দাঙি ধৰে। কিন্তু তেখেতে পৃথিৱীখন স্থিৰ বুলিহে যুক্তি দিছিল। ১৫১৪ চনত নিকোলাছ ক'পাৰনিকাছে পোন প্ৰথমবাৰৰ বাবে স্থাপন কৰিলে যে সূৰ্যহে স্থিৰ, পৃথিৱী গতিশীল। সৌৰজগতৰ ধাৰণাটোও তেৱেঁই দিছিল। বিজ্ঞানী কেপলাৰে সিদ্ধান্তলৈ আহিল যে গ্ৰহসমূহৰ কক্ষপথবোৰ উপবৃত্তাকাৰ। ১৭২৮ চনত বৃটিছ বিজ্ঞানী জেমছ্ ব্ৰেডলিয়ে নক্ষত্ৰৰ পোহৰৰ বিপথন (Aberration of star light) নিৰীক্ষণ কৰি পৃথিৱীখন যে গতিশীল তাৰ নিৰ্ভুল প্ৰমাণ দাঙি ধৰে।

অত্যাধুনিক দূৰবীক্ষণ যন্ত্ৰৰ আৱিস্কাৰ, ৰেডিঅ', দূৰদৰ্শন, দূৰ-সংযোগ, কৃত্ৰিম উপগ্ৰহ আদি ব্যৱস্থাৰ উন্নতি, মহাকাশযান প্ৰেৰণ আৰু কম্পিউটাৰ প্ৰযুক্তি কৌশল আদিৰ জৰিয়তে মহাকাশ তথা বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে মানুহৰ জ্ঞান দিনকদিনে বাঢ়ি গৈ আছে।

পৃথিৱীৰ উপগ্ৰহ চন্দ্ৰকে ধৰি বিভিন্ন উপগ্ৰহেৰে পৰিৱেষ্টিত সৌৰজগতৰ গ্ৰহবোৰে নিজ নিজ কক্ষপথত সূৰ্যৰ চাৰিওফালে অনবৰতে ঘূৰি আছে। এইদৰে গ্ৰহবোৰৰ চাৰিওফালে উপগ্ৰহবোৰ আৰু সূৰ্যৰ চাৰিওফালে গ্ৰহবোৰ এটা বিশেষ কাৰণত ঘূৰি আছে। আমি জানো যে পৃথিৱী আৰু সূৰ্যই পৰস্পৰে পৰস্পৰক এক প্ৰৱল মহাকৰ্ষণ বলেৰে আকৰ্ষণ কৰি আছে। পৃথিৱীৰ ভৰ সূৰ্যতকৈ সহস্ৰগুণে কম বাবে পৃথিৱীখন সূৰ্যৰ বুকুত বিলীন হ'ব লাগিছিল। কিন্তু পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে নিৰ্দিষ্ট বেগত ঘূৰি থাকি সূৰ্যত বিলীন হোৱাৰ পৰা নিজকে ৰক্ষা কৰি আছে। পৃথিৱী সৃষ্টিৰ সময়ত সংঘটিত ঘটনাপ্ৰৱাহৰ পৰিণাম স্বৰূপে পৃথিৱীয়ে সূৰ্যৰপৰা এনে এটা দূৰত্বত অৱস্থান কৰি ইয়াৰ চাৰিওফালে ঘূৰিবলৈ লাগিল যে সূৰ্যই পৃথিৱীৰ ওপৰত প্ৰয়োগ কৰা মহাকৰ্ষণ বলৰ মান পৃথিৱীক বৃত্তীয় পথত ঘূৰিবৰ বাবে প্ৰয়োজন হোৱা অভিকেন্দ্ৰিক বলৰ (Centripetal force) মানৰ সমান হয়। ইয়াৰ পৰা সূৰ্যৰ মহাকৰ্ষণ বল অন্য কাৰ্যত ব্যৱহৃত হ'ল অৰ্থাৎ সমতা স্থাপন হ'ল আৰু পৃথিৱীও তিষ্ঠি থাকিল। কিন্তু যদি পৃথিৱীখন ক্ষন্তেক সময়ৰ বাবেও ৰৈ যায় তেন্তে তৎমুহূৰ্ততে ই সূৰ্যত জাহ যাব। গতিকে দেখা যায় যে মহাকাশৰ প্ৰতিটো বস্তুৰ বৃত্তীয় গতি হৈছে সিহঁতৰ নিজস্ব অস্তিত্ব ৰক্ষাৰ বাবে অহৰহ কৰি থকা সংগ্ৰামহে।

বিশ্বৰ পৰিসৰ বিশাল হোৱাৰ বাবেই বহুতো কথা আজিও মানৱজাতিয়ে জানিব পৰা নাই। কুৰিশতিকাতহে বিশ্ব সম্পৰ্কে বহুতো নতুন তত্ত্ব মানুহৰ জ্ঞানৰ পৰিসীমা বঢ়াই দিছে। ১৯২৪ চনত মাৰ্কিন জ্যোৰ্তিবিজ্ঞানী এডৱিন পি. হাববলে (Edwin P. Hubble) পৰ্যৱেক্ষণৰ দ্বাৰা সিদ্ধান্তলৈ আহিল যে আমি বাস কৰা হাতীপটি তাৰকাৰাজ্য (Milkyway Galaxy) খনেই বিশ্বত একমাত্ৰ তাৰকাৰাজ্য নহয়। ইয়াৰ উপৰিও অগণন তাৰকাৰাজ্য আছে।

আমি পৃথিৱীত বাস কৰিছোঁ, পৃথিৱীখন মহাকাশত ঘূৰি ফুৰিছে। আমাৰ হাতীপটিটো মহাকাশৰ সাপেক্ষে গতিশীল। হাতীপটিৰ প্ৰায় দহ হেজাৰ কোটি তৰাৰ মাজত সূৰ্যও প্ৰতি ছেকেণ্ডত ২৫০ কিঃমিঃ বেগেৰে হাতীপতিৰ কেন্দ্ৰৰ চাৰিওফালে ঘূৰি আছে। হাতীপটিৰ কেন্দ্ৰৰ পৰা সূৰ্যৰ দূৰত্ব প্ৰায় ৩২,০০০ পোহৰবৰ্ষ (১ পোহৰবৰ্ষ = পোহৰৰ বেগ X এবছৰকাল = ৩ X ১০$^{৫}$ X ৩৬৫ X ২৪ X ৬০ X ৬০ = ৯.৪৬ X ১০$^{১২}$ কিঃমিঃ)। গতিকে সূৰ্যই তীব্ৰ বেগেৰে হাতীপটিৰ কেন্দ্ৰৰ চাৰিওফালে এপাক মাৰোতে প্ৰায় ২৫ কোটি বছৰ সময় লয়। এই সময়ক এক মহাজাগতিক বছৰ (cosmic year) বোলা হয়। পৃথিৱীৰ চাৰিওফালে চন্দ্ৰই প্ৰায় ২৭$^{১}$/$_{২}$ দিনত এপাক মাৰে। হাতীপটি তাৰকাৰাজ্য দীঘে প্ৰায় একলাখ পোহৰ বছৰ। ইয়াৰ মাজভাগত প্ৰায় ঘূৰণীয়া ১৬,০০০ পোহৰ বছৰ ব্যাসৰ এটা নিউক্লিয়াছ আৰু ইয়াৰ বাহিৰলৈ কিছুমান বাহু আগবাঢ়ি আছে। এনেকুটা এটা বাহুতে আমাৰ সৌৰজগত অৱস্থিত।

অন্ধকাৰ ৰাতি নিৰ্মেঘ আকাশত অগণন তৰা বা নক্ষত্ৰ দেখা যায়। জ্যোতিৰ্বিজ্ঞানী কুইপাৰৰ মতে অনন্ত বিশ্বত প্ৰায় ২০০ বিলিয়ন (১ বিলিয়ন = ১০০ কোটি) তৰা আছে। তাৰে ১২% ভাগত আমাৰ সৌৰজগতৰ নিচিনা গ্ৰহজগত আছে। একোটা তাৰকা ৰাজ্যৰ প্ৰায় ৯৮% ভাগেই নক্ষত্ৰ, বাকী ২% ভাগ গেছ আৰু ধূলি। নক্ষত্ৰৰ উষ্ণতাৰ ওপৰত নিৰ্ভৰ কৰি বৰণ বেলেগ বেলেগ হয়। সূৰ্য মধ্যমীয়া উষ্ণতাৰ বাবে ই হালধীয়া। তৰাবোৰৰো বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে জন্ম আৰু মৃত্যু হয়। তৰাৰ বাৰ্ধক্য অৱস্থাক ৰঙা দৈত্য (Red giant) বোলা হয় আৰু তাৰপৰা শ্বেত বা ক'লাবামনত (white or Black Dwarf) পৰিণত হৈ মৃত্যু হয়। এই সময়ত তাৰপৰা পোহৰ নোলায়। দুটা বা ততোধিক তৰাৰ একোটা থুপক নক্ষত্ৰপুঞ্জ বা নক্ষত্ৰমণ্ডল বোলে। নক্ষত্ৰমণ্ডলৰ তৰাবোৰ ইটোৱে সিটোৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থাকে। ৰাশিচক্ৰৰ ৰাশিবোৰ যেনে — মেষ, বৃষ, মিথুন, কৰ্কট... ইত্যাদি একোটা নক্ষত্ৰমণ্ডল।

কিছুমান তৰাৰ বিস্ফোৰণ ঘটি নোভা (Nova) আৰু চুপাৰনোভা (Supernova)ত পৰিণত হয়। তৰা এটাৰ ভৰ সূৰ্যৰ ভৰৰ ১.৪ গুণতকৈ বেছি হ'লেহে ই চুপাৰনোভাত পৰিণত হোৱাৰ সম্ভাৱনা থাকে। চুপাৰনোভা এটা বিস্ফোৰিত হ'লে ইয়াত থকা পৰমাণুবোৰ প্ৰচণ্ড শক্তিৰে পৰস্পৰে পৰস্পৰৰ ওচৰ চাপি আহে আৰু ইয়াৰ ইলেক্ট্ৰনবোৰ চাপৰ প্ৰভাৱত নিউক্লিয়াছত প্ৰৱেশ কৰে আৰু নিউট্ৰন উৎপন্ন কৰে। তেতিয়া তৰাটো কেৱল নিউট্ৰনেৰে গঠিত গোলক এটাত পৰিণত হয়। এই নিউট্ৰনৰ গোলকটোকে নিউট্ৰন নক্ষত্ৰ বোলে। কিছুমান নিউট্ৰন নক্ষত্ৰই নিয়মীয়া স্পন্দনত ৰেডিঅ' তৰংগ এৰি দিয়ে। এইবোৰকে স্পন্দনী তৰা বা পালছাৰ (Pulsar) বোলে। তৰা এটাৰ মৃত্যুৰ কালছোৱাতে কৃষ্ণকুপৰ (Black hole) জন্ম হয়। তৰা এটাই যেতিয়া আত্মমহাকৰ্ষণীয় (self gravitational) বলৰ সহায়ত পাৰমাণৱিক তথা কোৱাণ্টাম শক্তিৰ বাধা সমূহ ওফৰাই নিজৰ আয়তনটো সংকুচিত কৰি গৈ এটা জ্যামিতিক বিন্দুলৈ ৰূপান্তৰিত হ'বলৈ যাত্ৰা কৰে তেনেকুৱা অৱস্থাটোকে তৰাটোৰ কৃষ্ণকুপ বা কৃষ্ণগহ্বৰ বোলে। তৰাৰ ভৰ সূৰ্যৰ ভৰৰ তিনিগুণতকৈ বেছি হ'লে আত্ম-মহাকৰ্ষণ শক্তি ইমান প্ৰৱল হ'ব যে আনকি তাৰপৰা পোহৰো বাহিৰ হৈ আহিব নোৱাৰিব।

গ্ৰহাণু (Asteriods) বা সৰু সৰু গ্ৰহৰ (Minor planets) বিষয়ে বিজ্ঞানীয়ে নতুন নতুন তথ্য আৱিষ্কাৰ কৰি আহিছে। তেওঁলোকৰ মতে আমাৰ সৌৰজগতখন দহলাখতকৈয়ো অধিক গ্ৰহাণুৰ বাসস্থান। ইয়াৰে বহুতো সৰু-বৰ গ্ৰহাণু, উল্কা বা পপীয়া তৰা হিচাপে ছেকেণ্ডত ১২ৰ পৰা ৯০ কিলোমিটাৰ বেগেৰে পৃথিৱীলৈ নামি আহে। তাৰে বেছি ভাগেই বায়ুমণ্ডলত সোমাই বায়ুৰ লগত ঘঁহনি খাই পুৰি যায়; দুই-এটাহে আহি পৃথিৱীত পৰে। বিজ্ঞানীসকলৰ মতে এতিয়াৰ পৰা প্ৰায় ৬ কোটি ৫০ লাখ বছৰৰ আগতে এনে এটা উল্কাৰ সংঘৰ্ষৰ ফলতে পৃথিৱীৰ জলবায়ুৰ পৰিবৰ্তন হোৱাত বৃহৎ সৰীসৃপ ডাইন'চৰবোৰ পৃথিৱীৰ পৰা বিলুপ্ত হৈছিল।

আমাৰ সৌৰজগতৰ বাসিন্দা ধূমকেতুবোৰক এসময়ত মানুহ আৰু পৃথিৱীৰ দুৰ্ভাগ্যৰ সম্ভাৱনা বহন কৰি অনা অমংগলীয়া জ্যোতিষ্ক বুলি ভবা হৈছিল। বহুতো বিজ্ঞানীয়ে প্ৰতিপন্ন কৰিছে যে ১ কিঃমিঃ ব্যাসৰ এনে এটা ধূমকেতুৱে পৃথিৱীৰ লগত সংঘৰ্ষ কৰিলে পৃথিৱীৰ পৰিবেশৰ এনে পয়মাল ঘটাব যে সি মানৱ সভ্যতা তিষ্ঠি থকাটোৱেই অসম্ভৱ কৰি তুলিব। বৃহস্পতি গ্ৰহৰ আকৰ্ষণৰ বাবেই শুমেকাৰ লেভি-৯ নামৰ ধূমকেতুৰ খুন্দাৰ পৰা ১৯৯১ চনত পৃথিৱীখন কথমপি ৰক্ষা পৰে।

**গ্ৰহাণু (Asteriods) বা সৰু সৰু গ্ৰহৰ (Minor planets) বিষয়ে বিজ্ঞানীয়ে নতুন নতুন তথ্য আৱিষ্কাৰ কৰি আহিছে। তেওঁলোকৰ মতে আমাৰ সৌৰজগতখন দহলাখতকৈয়ো অধিক গ্ৰহাণুৰ বাসস্থান। ইয়াৰে বহুতো সৰু-বৰ গ্ৰহাণু, উল্কা বা পপীয়া তৰা হিচাপে ছেকেণ্ডত ১২ ৰ পৰা ৯০ কিলোমিটাৰ বেগেৰে পৃথিৱীলৈ নামি আহে। তাৰে বেছি ভাগেই বায়ুমণ্ডলত সোমাই বায়ুৰ লগত ঘঁহনি খাই পুৰি যায়; দুই-এটাহে আহি পৃথিৱীত পৰে।**

অনন্ত মহাকাশৰ সুদূৰত কিছুমান প্ৰকাণ্ড জোতিষ্ক আৱিষ্কাৰ হৈছে। সাধাৰণ জ্যোতিষ্কতকৈ এইবোৰৰ পোহৰ বিকিৰণ কৰা প্ৰক্ৰিয়াটো বেলেগ। এই জ্যোতিষ্কবোৰক 'কোৱাচাৰ' (Quasar) বোলা হয়। ইহঁত বৰ ডাঙৰ। এটা কোৱাচাৰৰ পৰা প্ৰতি ছেকেণ্ডত যিমান শক্তি বিকিৰণ হয়, তাৰে পৃথিৱীৰ এহেজাৰ বছৰৰ চাহিদা পূৰাব পাৰিব। কোৱাচাৰত H, He, O, Si আদি

উপাদান পোৱা যায়।

এডিনবাৰ্গ (Edinburg) বিশ্ববিদ্যালয়ৰ মহাকাশ বিজ্ঞানী এলাম হেভেনৰ (Alam Heavens) নেতৃত্বত এদল গৱেষকে গৱেষণা কৰি পাইছে যে বিশ্বব্ৰহ্মাণ্ডখনে ইতিমধ্যে ইয়াৰ কেঁচুৱা অৱস্থাৰ পৰা ৬ বিলিয়ন বছৰ অতিক্ৰম কৰিছে আৰু ইয়াৰ বয়স বেছি হৈ যোৱাৰ লগে লগে নতুন নতুন নক্ষত্ৰৰ জন্মৰ হাৰ প্ৰায় ৩০ ভাগ কমি গৈছে। এলাম হেভেনৰ মতে বিশ্বখন দিনক দিনে অনুজ্জ্বল হৈ গৈছে আৰু নক্ষত্ৰৰ সংখ্যাও কমি গৈছে। ফলস্বৰূপে ৫ ৰ পৰা ১০ বিলিয়ন বছৰৰ ভিতৰত বিশ্বখনক অন্ধকাৰে আগুৰি ধৰিব। 'নেচাৰ' নামৰ আলোচনীখনে প্ৰকাশ কৰিছে যে গৱেষক দলটোৱে বেলেগ বেলেগ বয়সৰ প্ৰায় ৪০,০০০ তাৰকা ৰাজ্যৰ পৰা অহা পোহৰৰ তৰংগদৈৰ্ঘ্য তুলনা কৰি উৎপত্তি হোৱা তৰাৰ সংখ্যা আৰু তৰাৰ বয়সৰ সীমা নিৰ্ণয় কৰিছিল।

বৰ্তমান বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃত ৰূপটোনো কেনেকুৱা সেইটো আমি সঠিকভাৱে নেজানো বা জনাৰ উপায় নাই। ইয়াৰ বাবে প্ৰধান দোষী হ'ল পোহৰকে ধৰি বিদ্যুৎ চুম্বকীয় তৰংগবোৰৰ মন্থৰ গতি। শূন্যত এই তৰংগবোৰৰ বেগ প্ৰতি ছেকেণ্ডত ৩ লাখ কিলোমিটাৰ। দৈনন্দিন জীৱনৰ যিকোনো বেগৰ তুলনাত এই বেগ অকল্পনীয়ভাৱে বেছি। কিন্তু বিশ্বব্ৰহ্মাণ্ডৰ বিশাল বিস্তৃতিৰ বিষয়ে জানিবলৈ যি বেগৰ প্ৰয়োজন তাৰ তুলনাত এই বেগ তেনেই কম। দূৰৰ নক্ষত্ৰ এটাই প্ৰেৰণ কৰা বিদ্যুৎ চুম্বকীয় তৰংগবোৰ আহি আমাৰ ওচৰ পাবলৈ যিমান সময় লাগে সিমান সময়ৰ আগৰ নক্ষত্ৰটোৰ সংবাদহে এই তৰংগবোৰৰ পৰা আমি পাওঁ। উদাহৰণ স্বৰূপে, সূৰ্যৰ পৰা পোহৰ আহি পৃথিৱী পাবলৈ সময় লাগে ৮ মিনিট। গতিকে আমি যি মুহূৰ্তত সূৰ্যটোৰ পিনে চাওঁ সেই মুহূৰ্তৰ সূৰ্যটো আমি দেখা নাপাওঁ। তাৰ ৮ মিনিটৰ আগৰ সূৰ্যটোহে দেখিবলৈ পাওঁ। ঠিক সেই মুহূৰ্তত সূৰ্যটোৰ অৱস্থিতি কি সেইটো জনাৰ উপায় আমাৰ হাতত নাই। ইয়াৰ কাৰণ হ'ল এতিয়ালৈকে জানিব পৰা মতে কোনো সংকেতেই শূন্যৰ মাজেদি পোহৰতকৈ অধিক বেগত গতি কৰিব নোৱাৰে। কোৱাচাৰবোৰৰ পৰা পোহৰ আহি পৃথিৱী পাবলৈ সময় লাগে প্ৰায় ১০০ কোটি বছৰ, গতিকে আজি দূৰবীক্ষণ যন্ত্ৰত যিটো কোৱাচাৰ দেখা গৈছে সেইটো ১০০ কোটি বছৰৰ আগৰহে কোৱাচাৰ। গতিকে গভীৰ দুখ আৰু হতাশাৰে আমি মানি ল'বলৈ বাধ্য হৈছো যে বিশ্বব্ৰহ্মাণ্ডৰ ৰূপ সঠিকভাৱে জনাৰ কোনো উপায় আমাৰ হাতত নাই। ■

চৰম দুখৰ মুখামুখি হ'বলৈ সাহস গোটাই থ'বা, ক্ষুদ্ৰ দুশ্চিন্তাৰ বাবে হ'বা ধৈৰ্য্যশীল আৰু তোমাৰ দৈনন্দিন জীৱনৰ কামখিনি সুন্দৰকৈ সমাপন কৰি গভীৰ নিদ্ৰাত ঢলি পৰিবা। তোমাৰ কাৰণে ভগৱান সাৰে থাকিব।

— *ভিক্টৰ হিউগো।*

# গোলকীয় উষ্ণতা বৃদ্ধি : পৰিণাম ভয়াবহ

□ টুলুমনি বৰগোহাঁই

*গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰকৃত কাৰণ সম্বন্ধে বিশ্বৰ বহুকেইজন আগশাৰীৰ বিজ্ঞানীয়ে অতি স্পষ্ট আৰু বিজ্ঞানসন্মত যুক্তি আৰু বিশ্লেষণেৰে প্ৰতীয়মান কৰিছে যে জীৱ-জগত আৰু প্ৰকৃতি ৰাজ্যক বিপন্ন কৰি ধ্বংসৰ মুখলৈ ঠেলি দিছে 'জীৱশ্ৰেষ্ঠ মানুহ' আৰু মানুহৰ সীমাহীন কু-কাৰ্যই। বিশ্বজুৰি জলবায়ু পৰিবৰ্তনৰ কু-ফলৰ প্ৰমাণ দৃষ্টিগোচৰ হ'বলৈ ধৰিছে। বিভিন্ন কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা কাৰ্বন-ডাই-অক্সাইড গেছে বায়ু দূষিত কৰিছে। ..... সেউজগৃহ পৰিঘটনা এক প্ৰাকৃতিক পৰিঘটনা। যাৰবাবে পৃথিৱীৰ ভূ-পৃষ্ঠ গৰম / চেঁচা হৈ থাকে। সূৰ্যৰ পোহৰ সেউজগৃহ আৱৰণ ট্ৰপস্ফিয়াৰৰ মাজেদি পাৰ হৈ আহি ভূ-পৃষ্ঠত পৰে আৰু পৃথিৱীৰ পৃষ্ঠই ইয়াক পুনৰ প্ৰতিফলিত কৰি পঠাই দিয়ে ... ।*



পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক বিপৰ্যয়ৰ ভিতৰত অন্যতম হ'ল গোলকীয় উষ্ণতা বৃদ্ধি বা ভূ-পৃষ্ঠৰ উত্তাপ বৃদ্ধি। গোলকীয় উষ্ণতা বৃদ্ধি আৰু ইয়াৰ পৰিণামত সৃষ্টি হোৱা জলবায়ুৰ পৰিবৰ্তনে মানুহ প্ৰমুখ্যে সমস্ত জীৱকূল আৰু এই সকলোবোৰ বৰ্তি থকা ধৰাতলৰ পৰিবেশৰ প্ৰতি চৰম প্ৰত্যাহ্বানস্বৰূপ হৈ থিয় দিছে। কাৰ্বন-ডাই-অক্সাইড গেছেই প্ৰধানতঃ গোলকীয় উষ্ণতা বৃদ্ধি পৰিঘটনাটোৰ বাবে দায়ী। কাৰ্বন-ডাই-অক্সাইডৰ লগত মানৱ আৰু প্ৰাকৃতিক পৰিঘটনা যেনে, ইন্ধন দহন, উদ্যোগীকৰণ, বনানী ধ্বংস আদিৰ ফলত আমাৰ বায়ুমণ্ডলত $CO_2$ গেছৰ পৰিমাণৰ মাত্ৰা প্ৰচুৰ পৰিমাণে বৃদ্ধি পাইছে।

ইতিমধ্যে ভূ-গোলকীয় উত্তাপ বৃদ্ধিয়ে বিজ্ঞানী তথা সচেতন লোকৰ মনত আতংকৰ সৃষ্টি কৰিছে। বহুকেইখন দেশে ইতিমধ্যে ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই সকলোবোৰ ব্যৱস্থা অৰ্থহীন হৈ পৰিব, যদিহে এই বিষয়ে জনসাধাৰণ সচেতন নহয়। গতিকে এই সন্দৰ্ভত থুলমূল আলোচনা কৰা হ'ল —

**গোলকীয় উষ্ণতা (Global warming) কি ?**

আমাৰ পৃথিৱীখনৰ উষ্ণতা প্ৰতিদিনে বৃদ্ধি পাই আহিছে। এক তথ্যমতে যোৱাটো শতিকাত পৃথিৱীৰ গড় উষ্ণতা 0.50 বাঢ়িছে। এই উষ্ণতা বৃদ্ধিয়ে পৃথিৱীৰ জলবায়ুৰ পৰিবৰ্তন ঘটাইছে। বৰ্ধিত উষ্ণতাৰ ফলত বৰষুণৰ পৰিমাণৰ তাৰতম্য ঘটিব পাৰে, সাগৰপৃষ্ঠৰ উষ্ণতা বৃদ্ধি, জীৱ-জন্তু আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। এই উষ্ণতা বৃদ্ধিকেই গোলকীয় উষ্ণতা বৃদ্ধি বোলে।

গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰকৃত কাৰণ সম্বন্ধে বিশ্বৰ বহুকেইজন আগশাৰীৰ বিজ্ঞানীয়ে অতি স্পষ্ট আৰু বিজ্ঞানসন্মত যুক্তি আৰু বিশ্লেষণেৰে প্ৰতীয়মান কৰিছে যে জীৱ-জগত আৰু প্ৰকৃতি ৰাজ্যক বিপন্ন কৰি ধ্বংসৰ মুখলৈ ঠেলি দিছে 'জীৱশ্ৰেষ্ঠ মানুহ' আৰু মানুহৰ সীমাহীন কু-কাৰ্যই। বিশ্বজুৰি জলবায়ু পৰিবৰ্তনৰ কু-ফলৰ প্ৰমাণ দৃষ্টিগোচৰ হ'বলৈ ধৰিছে। বিভিন্ন কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা কাৰ্বন-ডাই-অক্সাইড গেছে বায়ু দূষিত কৰিছে। যান-বাহনৰ পৰা ওলোৱা ধোঁৱায়ো বায়ু দূষিত কৰিছে। এনে দূষিত বায়ুৱে পৃথিৱীৰ উষ্ণতা অপ্ৰয়োজনীয়ভাৱে বৃদ্ধি কৰি তুলিছে।

অন্য এক সেউজগৃহ (Green House) গেছে গোলকীয় উষ্ণতা বৃদ্ধি কৰিছে। মিথেন ($CH_4$) এই উষ্ণতা বৃদ্ধিত প্ৰায় 18 শতাংশ বৰঙণি আগবঢ়াইছে। এই গেছৰ উৎসসমূহ হৈছে পশুধনৰ পাচন প্ৰক্ৰিয়া, পেলনীয়া জাবৰ, খাৰুৱা তেলৰ খনন আৰু শোধন আদি। জলবায়ুৰ উষ্ণতা বৃদ্ধিত মিথেন গেছ $CO_2$ তকৈ 25 গুণ বেছি শক্তিশালী। মিথেনৰ উপৰিও ক্ল'ৰফ'ৰ কাৰ্বন (CFC) নাইট্ৰাছ অক্সাইড ($N_2O$) আদি সেউজ গৃহ গেছসমূহে অত্যাধিক পৰিমাণে বায়ুমণ্ডললৈ নিৰ্গত হৈ গোলকীয় উষ্ণতা বৃদ্ধিত অৰিহণা যোগাইছে।

**সেউজগৃহ পৰিঘটনা (Green House Effect) কি ?**

পৃথিৱীয়ে হৈছে একমাত্ৰ গ্ৰহ য'ত জীৱৰ সূত্ৰপাত সম্ভৱপৰ হৈছে। ইয়াৰ অন্যতম

প্ৰধান কাৰণ হ'ল জীৱকূল বৰ্তি থকাৰ বাবে প্ৰয়োজনীয় উষ্ণতা ৰক্ষা কৰি আহিছে আৰু প্ৰধানতঃ নাইট্ৰজেন (78%), অক্সিজেন (21%) আৰু সামান্য পৰিমাণে থকা কাৰ্বন-ডাই-অক্সাইড (0.03%) গেছেৰে গঠিত ইয়াৰ বায়ুমণ্ডল, য'ত জীৱ বৰ্তি থকাৰ বাবে প্ৰয়োজনীয় মিথেন, নাইট্ৰিক অক্সাইড আৰু অজ'ন গেছৰ এক অতুলনীয় সমাহাৰ ঘটিছে, যাক সেউজ গৃহ গেছ বোলা হয়। সেউজ গৃহ পৰিঘটনা (Green House Effect) শব্দটো প্ৰথমে বিজ্ঞানী F. Fourier এ 1827 চনত প্ৰৱৰ্তন কৰিছিল। এই পৰিঘটনাটোক বায়ুমণ্ডলৰ গোলকীয় উষ্ণতা বৃদ্ধি সমস্যা বুলি জনা যায়।

সেউজগৃহ পৰিঘটনা এক প্ৰাকৃতিক পৰিঘটনা। যাৰবাবে পৃথিৱীৰ ভূ-পৃষ্ঠ গৰম / চেঁচা হৈ থাকে। সূৰ্যৰ পোহৰ সেউজগৃহ আৱৰণ ট্ৰপস্ফিয়াৰৰ মাজেদি পাৰ হৈ আহি ভূ-পৃষ্ঠত পৰে আৰু পৃথিৱীৰ পৃষ্ঠই ইয়াক পুনৰ প্ৰতিফলিত কৰি পঠাই দিয়ে। এই তাপখিনি পুনৰ ষ্ট্ৰেট'স্ফিয়াৰত খুন্দা খাই আৰু কিছু পৰিমাণৰ তাপ পৰিবেশত থাকি যায় আৰু ইয়াৰ বাবে সমগ্ৰ বায়ুমণ্ডল সঠিক মাত্ৰাত উষ্ণ হৈ থাকে আৰু এই পৰিঘটনাকে সেউজগৃহ পৰিঘটনা বোলে।

ষ্ট্ৰেট'স্ফিয়াৰত থকা কাৰ্বন-ডাই-অক্সাইডেও সমগ্ৰ ঘটনাটো পৰিচালিত কৰে। যিহেতু ষ্ট্ৰেট'স্ফিয়াৰত থকা কাৰ্বন-ডাই-অক্সাইডে এক বিশেষ পৰিমাণৰ তাপ শোষণ কৰিলেহে পৃথিৱীখন সামগ্ৰীকভাৱে বসবাসৰ উপযোগী উষ্ণতাত থাকিব।

**গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিণাম —**

উদ্যোগীকৰণ, বনানী ধ্বংস আদিৰ ফলত সেউজগৃহ গেছসমূহৰ বৃদ্ধি পাইছে। ইয়াৰ ফলত জলবায়ু পৰিবৰ্তনৰ কু-ফলৰ প্ৰভাৱ পৰিছে।

গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত তলত আলোচনা কৰা ধৰণৰ ফলাফলসমূহ দেখিবলৈ পোৱাৰ আশংকা আছে —

(ক) বৰ্তমান সময়ত সেউজগৃহ গেছবিলাক অত্যাধিক পৰিমাণে বৃদ্ধি পালে পৃথিৱীৰ গড় উষ্ণতা এই শতিকাৰ অন্তত উষ্ণতাৰ পৰিমাণ 4.5 ছেলচিয়াছ পৰ্যন্ত বাঢ়িব। ইয়াৰ ফলত মেৰু অঞ্চল আৰু হিমালয়কে ধৰি উচ্চ অঞ্চলৰ হিমবাহ আৰু বৰফ বৰ্ধিত হাৰত গলিবলৈ ধৰিব যাৰ ফলত সাগৰপৃষ্ঠৰ উত্থান ঘটিব। সাগৰৰ কাষৰীয়া অঞ্চল এই পৰিঘটনাৰ ফলত বিপদগ্ৰস্ত হ'ব। তদুপৰি মালদ্বীপ, বাৰ্মা আদি দেশ পানীত ডুবি নাইকিয়া হোৱাৰ আশংকা আছে। বাংলাদেশৰ 18% ভূমি পানীত ডুব যাব।

(খ) গোলকীয় উষ্ণতা বৃদ্ধিয়ে কৃষিৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাইছে। ইয়াৰফলত বহুকেইবিধ শস্যৰ উৎপাদন ইতিমধ্যে হ্ৰাস পাইছে। খৰাং বতৰ আৰু বানপানীয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে।

(গ) গোলকীয় উষ্ণতা বৃদ্ধিয়ে জলবায়ুৰ ওপৰতো প্ৰভাৱ পেলাইছে। বনাঞ্চল ধ্বংসৰ ফলত মৌচুমী চক্ৰৰ ওপৰতো যথেষ্ট প্ৰভাৱ পৰি সমস্যাৰ সৃষ্টি কৰিছে। শীত বা গ্ৰীষ্ম উভয় ক্ষেত্ৰত অত্যাধিকভাৱে বৃদ্ধি পাব। জলবায়ুৰ প্ৰাকৃতিক সমতুল ভাৰসাম্য নাইকিয়া হ'ব। যোৱা বছৰ অসমত এনে এক খৰাং বতৰে কৃষিক্ষেত্ৰত বিস্তৰ ক্ষতি সাধন কৰিছে। কিন্তু এইবছৰ ভয়াবহ বানপানীয়ে অসমকে ধৰি বিভিন্ন ৰাজ্যত কৰা ধ্বংসলীলাই চিন্তিত কৰি তুলিছে। তদুপৰি সাগৰপৃষ্ঠৰ উষ্ণতা বৃদ্ধিৰ বাবেই সঘনাই বা-মাৰলি, ঘূৰ্ণী বতাহ আদিৰ সৃষ্টি হ'ব পাৰে বুলি অনুমান কৰা হৈছে।

(ঘ) গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত জৈৱ বৈচিত্ৰতা হ্ৰাস হ'ব বুলি ধাৰণা কৰা হৈছে। বনাঞ্চলসমূহ ধ্বংসৰ ফলত বহুতো জীৱ-জন্তু পৃথিৱীৰ বুকুৰপৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে।

(ঙ) গোলকীয় উষ্ণতা বৃদ্ধিয়ে মানুহৰ স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পেলাইছে। ভূ-পৃষ্ঠৰ উষ্ণতা বৃদ্ধিৰ লগে লগে উষ্ণ পৰিবেশত মাৰাত্মক বীজাণুৱে বংশ বৃদ্ধি কৰে। যেনে — মেলেৰিয়া, এনকেফেলাইটিছ। তদুপৰি ছালৰ আৰু শ্বাস-জনিত ৰোগৰ বৃদ্ধি পাব।

গোলকীয় উষ্ণতা বৃদ্ধি ৰোধ কৰিবৰ বাবে কিছুমান প্ৰচেষ্টা হাতত ল'ব লাগিব। তাৰবাবে প্ৰয়োজন হ'ব পৰিকল্পনা, অসীম প্ৰচেষ্টা, সহযোগ আৰু দৃঢ়তা।

গোলকীয় উষ্ণতা বৃদ্ধি ৰোধ কৰিবৰ বাবে প্ৰথমে জনসাধাৰণ সজাগ হ'ব লাগিব। জনসাধাৰণ সজাগ নহ'লে চৰকাৰে গ্ৰহণ কৰা আইন সমূহ সফল হ'ব নোৱাৰিব।

গোলকীয় উষ্ণতা বৃদ্ধিৰ মুখ্য কাৰণ হ'ল $CO_2$ গেছ। বৃক্ষৰোপন আঁচনি সফল কৰিব পাৰিলে বায়ুমণ্ডলত এই গেছ হ্ৰাস পাব। কাৰণ সেউজীয়া উদ্ভিদে $CO_2$ গেছ শোষণ কৰি উষ্ণতা বৃদ্ধিত বাধা প্ৰদান কৰে।

পৰিবেশ দূষিত কৰা প্লাষ্টিক, পলিথিন ইন্ধন দহন আদিয়ে পৰিবেশ নষ্ট কৰে। সেয়ে পলিথিনৰ প্ৰচলন বন্ধ কৰা, যথে-মধে ইন্ধন দহন কৰাতো নিয়ন্ত্ৰণ কৰিব লাগে। এনেদৰে নিয়ন্ত্ৰণ কৰিলে বায়ুমণ্ডল প্ৰদূষণ ৰোধ কৰাত সামান্য হ'লেও অৰিহণা যোগাব আৰু ই গোলকীয় উষ্ণতা বৃদ্ধি নিয়ন্ত্ৰণ কৰাতো সহায়ক হ'ব।

অৱশেষত ক'ব পাৰি যে, গোলকীয় উষ্ণতা বৃদ্ধিৰ সন্দৰ্ভত সমাজৰ সকলোলোকৰ মাজত দায়িত্ব আৰু সজাগতা থাকিব লাগিব। নহ'লে গুৰুত্বপূৰ্ণ সমস্যা সমাধানত বাধা আহি পৰিব। প্ৰত্যেকেই এই ক্ষেত্ৰত সচেতন হৈ আনকো সচেতন কৰি তুলিব পাৰিলে সমস্যা সমাধান হ'ব। শুদ্ধ পৰিকল্পনা আৰু সামূহিক প্ৰচেষ্টাই মানৱ সমাজ তথা প্ৰকৃতি জগতক দুৰ্যোগৰ পৰা ৰক্ষা কৰিব পাৰিব। ■

*প্ৰসঙ্গ পুথি সমূহ ঃ*

*১) স্নাতক দ্বিতীয় বৰ্ষৰ পৰিবেশ বিজ্ঞান।*

*২) 'সম্ভাৰ' আলোচনী, ২০০৫-০৬ চন।*

*৩) 'প্ৰতিদিন' কাকত।*

# Attitude and Environment

□ **Mamoni Sharma**

*Thus consciousness among people can do a lot for controlling environmental pollution. Such consciousness should be created at the very beginning of childhood. Children should be taught to give due regards to the nature. In ancient Indian society, the worshiped which indicated love, respect & care to the nature. Such rituals devised by religion often protect the environment & natural resources even if such protection is entirely unintentional.*



As society moves into the path of development, it faces one of its greatest challenges – to protect & preserve the earth's resources. Development of agriculture & industry has been accompanied by development and expansion of infrastructure, increasing use of transport & communication, more and more exploitation of natural resources etc. Due to the lack of proper planning & in many cases because of over and faulty exploitation of natural resources, our physical environment is degraded. For this environmental degradation we sometimes blame the planners & policy makers. But an individual itself is responsible for protecting the environment from anthropogenic pollutants, which are human induced, including all the residuals associated with the processes of consumption & production.

There is a general tendency among the people to protect and preserve private goods. But in case of public goods their attitude is not the same. The 'environmental quality' can be considered as a public good. In common parlance, environmental quality means pollution free air, water & land. But in a pure sense, the absence of all pollution cannot be achieved in modern society. Hence a more rational perception of environmental quality is that it represents a reduction in anthropogenic contamination to a level that is acceptable to society. In the context of environmental public goods, like clean air, clean ground water, the property right of the goods is undefined. Since no one owns the environment, there is the lack of right attitude among the people to protect it, though its degradation ultimately results in a decline in society's welfare. The excessive use of motor vehicles, use & disposal of non-degradable goods to land & water, cigarettes smoking, excessive dependence on ground water etc. create negative externality that damages environmental public goods & reflect the attitude of our people towards such goods. Due to the absence of property rights of the environmental public goods there is the lack of sufficient incentives among the people to protect these resources .

**Attitude & Environmental :**

The behaviour of a consumer is correlated with environmental problems. The protection of environment is always side-lined & downgraded by the consumers. Most of the consumers in our society,

whether literate or illiterate, are not adequately conscious about the 'environmental safety' of the goods purchased by them. Thus in the words of Lorne Manly, "It does not pay to go green when consumers are seeing red."

A study made to establish the relationship between household tobacco/alcohol consumption & its impact on child health in India has found that three-fourths of Indian households (from all socio-economic strata) have atleast one member consuming tobacco/alcohol. This in turn, is responsible for 7% of the nation's infant mortality. Moreover, in the process of consumption of some other goods, the disposal of hazardous waste like non-degradable packaging, polythene carry bags, non-degradable disposable glass etc. pose a greater & longer term risk to society & to the ecology. Our consumers, even the educated one, are not much concerned with it & hence it is very common to find hips of garbage in disordered manners at every nook & corner of urban areas. As a generator of solid waste, a person may have two options-one, to dispose of the waste safely in a regulated facility which is socially desirable & easy to monitor, second to dispose of illegally in the midnight which is socially undesirable & difficult to monitor. The midnight or illegal dumping of solid waste is not uncommon in our society which is a moral hazard. The increase in the numbers of consumers with population growth & changing pattern of consumption due to increase in income & technological change as well as the lack of public awareness are the causes for increasing volume of solid waste & environmental degradation.

**Need of Public Awareness :**

Awareness among the people of various stages about the dangers inherent in various activities polluting the environment is essential for maintaining ecological balance. Both in developed & developing countries of the world there is the evidence of such cases where people's participation plays leading role in checking environmental degradation.

In India, 'Chipko Movement' was initiated under the leadership of Chandiprasad Bhatt & Sundarlal Bahuguna to check the indiscriminate felling of trees in Garowan area of Uttaranchal. While the govt. permitted the contractors for cutting trees, the local people protested it & with the active participation of female members of that locality the forest area of the region could be protected. Thus consciousness among people can do a lot for controlling environmental pollution. Such consciousness should be created at the very beginning of childhood. Children should be taught to give due regards to the nature. In ancient Indian society, the nature was worshipped which indicated love, respect and care to the nature. Such rituals devised by religion often protect the environment & natural resources even if such protection is entirely unintentional. The need to protect the environment was felt even in the ancient time which was reflected in Gandhian Philosophy also. It has its relevance in the present socio-economic condition of India where natural resources have been over exploited by the people to pursue some self-interest. Depletion of ground water, decline in rainfall etc. are the evil consequences of over exploitation of natural resources. By realising the importance of such resources for the welfare of both present and future generations, awareness should be created for the sustainable use of natural resources.

**Change in Attitude & Protection of Environment:**

Environmental policy, management & implementation are the manifestation of attitude towards the environment. In recent years the attitude has changed from the early attitude of "End of the pipe, treatment of pollution" to modern attitude of "Preventive environmental management". Development of environmentalism, Environmental Economics and management, are the results of this change. The change in attitude also led to new concepts like Eco-efficiency, Eco-label, extended producer responsibility, Pigouvian tax, ISO 14000 standards etc. The estimation of externalities, the need to find marginal social cost of production are the major changes that have been noticed in recent years. The introduction of new courses in environmental studies for students as well as for teacher, organization of environmental awareness camp, emphasising on the prospect of eco-tourism etc. are positive effects of attitudinal change. In developed countries, the demand for accurate 'green' labelling and scepticism about advertised ecological promises have been

increasing with growing consumers' awareness of environmental issues. In India also, various non-governmental organizations like 'Doseli Gram Swarajya Mandal, 'Kalpabrikha' which initiated 'Narmada Bachao Movement', 'Bombay Natural History Society', World wide fund for Nature , India', 'Assam Science Society' etc. have been making some efforts for the preservation of environment.

Various laws /acts, both at international and national levels have been passed after the realization of environmental problems. The UN conference on the human environment was held at Stockholm in 5th June, 1972, to discuss about the preservation of environment. Moreover, efforts at various levels are made in developing environmental education, as for example, workshop on environmental education at Belgrade (1975), International Conference at Tbilisi (1977) organized by UNEP & UNESCO. According to the Act 51 (A) of Indian Constitution, it is the fundamental duty of the citizen of India to protect and develop the natural environment including forest, animals, water. Thus, implementation of environmental protection Act (1986), Forest conservation Act (1980), Air (Preservation & Control of pollution) Act (1981), Water (Prevention & control of pollution) Act (1974), Wild life protection Act (1972), etc. are the manifestation of change in attitude at Govt. level. But to change the attitude at individual level various steps are to be taken :-

1. Encouragement of community participation in the implementation of environmental policy for conservation of energy, resources & bio-diversity through mass media like News papers, Radio, Television etc.
2. Holding of seminar, training awareness programme among the people to make them aware of the danger of the non-degradable products, chemical fertilizer, insecticide, pesticide etc. & to popularize eco friendly goods like bio-fertilizer, bio-pesticide, bio-herbicide etc.
3. Participation of NGOs., voluntary organizations & local bodies in the programmes for environmental protection, which can mobilize people at grass root level.
4. Spread of education & public information as a continuous process of bringing about desirable change in attitude .
5. Popularization of traditional practice of collection & use of rain water & micro irrigation technique.
6. Instead of considering natural resources as social goods to be provided at free of cost, a mentality should be developed from early childhood, to consider them as scarce resources that should be managed as an economic asset necessary for sustainable development.

## CONCLUSION :-

To combat the growing environmental problem, environmental education through proper curricula development on the basis of the framework defined with local context will considerably yield fruitful return in streamlining the attitude of people towards the preservation environment. Nevertheless, our country has the attitudinal problem in implementing environmental protection policy. So environmental education programme should be designed to deal with man's interaction /interrelationship with the nature & man-made surroundings and to study the factors influencing our eco system, mental and physical health. The inclusion of environmental studies as a compulsory subject in the university curriculum, following the direction of Supreme Court (Dec. 2003), would help to create sensitivity about environmental issues, to understand the challenges and to imbibe a right attitude for environment. The success depends upon our ability to percolate down the message to every member of the society so as to bring desired feedback. Environmental awareness is the impact of environmental education which helps to achieve knowledge, ability, skill & attitude to solve environmental problems. ■

**References:-**

1. Challan Scott J., Thomas Janet M., Environmental Economics and Management.
2. Head Jhon G., Public Goods and Public Policy, Duke University Press, 1974.
3. Dasgupta Partha, The Environment as a commodity, Cambridge, Blackwell Publisher, 1991.
4. Dutta Bordoloi N., Paribesh Adhyayan, 2005, Good luck Printers, Kolkata.
5. Down to Earth. February 28, 2003.

# পতঙ্গৰ সঙ্গীত

□ অনু বৰগোহাঁই

পৃথিৱীৰ বুকুৰ একশ্ৰেণী উল্লেখযোগ্য আৰু বিস্ময়কৰ প্ৰাণী হ'ল পতঙ্গ। আজিৰ পৰা প্ৰায় ৩৫ কোটি বছৰৰ আগতেই পৃথিৱীত পতঙ্গৰ উৎপত্তি হৈছিল। উৰণীয়া প্ৰাণী বুলিলে যদিও চৰাইৰ কথাহে আমাৰ মনলৈ আহে তথাপি পৃথিৱীত আৱিৰ্ভূত প্ৰথম উৰণীয়া জীৱ আছিল পতঙ্গ। পৃথিৱীত মানুহ উৎপত্তি হোৱাৰ বহু বছৰৰ আগতেই পূৰ্ণ বিকশিত ৰূপত পতঙ্গই সমগ্ৰ পৃথিৱী অধিকাৰ কৰিছিল।

পৃথিৱীত ইমান বেছি পতঙ্গ আছে যে প্ৰকৃতাৰ্থত আমি যেন এখন পতঙ্গৰ জগততহে বাস কৰিছোঁ। আমাৰ ঘৰে-চোতালে বাস কৰা নানাবিধ পৰুৱা, উঁই, ভোমোৰা, মৌ-মাখি, কুৎসিৎ অদ্ভুত গুবৰুৱা, জিঞা, ফৰিং, জোনাকী পৰুৱাকে আদি কৰি কিমানবিধ যে পতঙ্গ আছে তাৰ লেখ-জোখ নাই। হাবি-বননি, পৰ্বত-পাহাৰ, নৈ, বিল, খাল, পিতনি, পথাৰ-সমাৰ, উদ্ভিদ, জীৱদেহ আনকি আমাৰ মানুহৰ দেহতো পতঙ্গ আছে। পৃথিৱীত থকা দহ লাখৰো অধিক পতঙ্গ চিনাক্ত কৰি বৈজ্ঞানিক নামকৰণ কৰা হৈছে যদিও সমসংখ্যক পতঙ্গ আজিও চিনাক্ত কৰা হোৱা নাই বুলি তথ্যবিজ্ঞ মহলে ক'ব বিচাৰে। গতিকে সিহঁতৰ জীৱন-ধাৰণ প্ৰক্ৰিয়া যে কিমান বিচিত্ৰ হ'ব, ভাবিলে নিশ্চয় আচৰিত নহৈ নোৱাৰি।

পতঙ্গৰ জীৱনৰ যিটো দিশলৈকে চকু দিওঁ প্ৰতিটো দিশেই আমালৈ অপাৰ বিস্ময় কঢ়িয়াই আনে। সিহঁতৰ দেহৰ কাৰুকাৰ্য তথা কাৰ্যবিধিয়ে চিন্তাৰ উদ্ৰেক কৰে। আজিৰ আলোচনাৰ শিৰোনাম 'পতঙ্গৰ সঙ্গীত' নামটো শুনাত আচহুৱা যেন লাগিলেও প্ৰকৃততে কীট-পতঙ্গই বিভিন্ন সময়ত সুৰ ধৰি মতা, গুণ্‌গুণাই থকা সেই মাতৰ কথাই আচলতে কোৱা হৈছে। আমি ডাঙৰ ডাঙৰকৈ চেও ধৰি মতা জিলিৰ মাত যেতিয়া শুনো, কুমতিৰ চি-চিয়াঁনি, মৌ-মাখিৰ গুণ-গুণনি শুনো, আমাৰ ধাৰণা হয় পতঙ্গবোৰ যেন অতি হুলস্থূলীয়া প্ৰাণী; কিন্তু সৰহভাগ পতঙ্গই ইয়াৰ ব্যতিক্ৰম। পতঙ্গ জগতৰ বহুতো পতঙ্গই নিমাত বিধৰ। পতঙ্গৰ এনে স্বৰ সৃষ্টিৰ বাবে কোনো কোনো স্বৰযন্ত্ৰী (vocal cord) নাথাকে; অন্য বিশেষ বিশেষ কৌশল অৱলম্বন কৰিহে শব্দ বাহিৰ কৰে।

কীট-পতঙ্গৰ বিভিন্ন স্বৰবিলাক প্ৰকৃততে পৰস্পৰে পৰস্পৰৰ প্ৰতি কৰা ভাব-বিনিময়হে। নিশাৰ নিৰ্জনতা ভঙা বেছিভাগ কীট-পতঙ্গৰ মাত যৌনাকৰ্ষনৰ আকুল আহ্বানৰ বাহিৰে আন একো নহয়। তাৰে কিছুমান প্ৰতিপক্ষৰ প্ৰতি আক্ৰমণাত্মক বা বিপদ সংকেটবাহক। পৰস্পৰে পৰস্পৰৰ এনে ভাষাবোৰ বুজি পায়। পতঙ্গৰ শব্দ উৎপন্নৰ বিভিন্ন কৌশলসমূহ হ'ল পতঙ্গৰ উৰণ ক্ৰিয়া, যেনে — দ্ৰছ'ফিলা, ম'হ, মৌ-মাখিৰ পাখি কোবোৱাৰ দ্বাৰা, কাকতি ফৰিঙৰ দ্বাৰা, উদৰাংশ আৰু বক্ষৰ বিশেষ স্বৰযন্ত্ৰত ঠেঙেৰে কোবোৱা অৰ্থাৎ দেহৰ দুই অংগৰ ঘৰ্ষণ, কম্পমান, চৰ্ম বা আৱৰণ আৰু দৈহিক ক্ৰিয়াৰ দ্বাৰা। এনে গুণ-গুণনিবোৰ পতঙ্গৰ প্ৰজাতিভেদে ২৫০-৫০০০ বাৰ প্ৰতি ছেকেণ্ডত কোবোৱা পাখিৰ কম্পনাংকৰ বাবে হয়।

বহুতো পতঙ্গই দুয়োখন পাখিৰে এখনে আনখনক ঘঁহাই বা ঠেঙেৰে পাখিত বা টান আৱৰণ বা এলিট্ৰা (elytra) খনত ঘঁহি শব্দ বাহিৰ কৰে। এখন এলিট্ৰা আনখনৰ লগত

*মতা কুমতিয়ে পাখিবোৰ ঘঁহাই ঘঁহাই পাখিৰ আৱৰণত থকা খাঁজকটা, মিস্ত্ৰিয়ে সাধাৰণতে ব্যৱহাৰ কৰা ফাইল আকৃতিৰ অঙ্গ-সঞ্চালনৰ দ্বাৰাই শব্দ সঞ্চাৰ কৰে। এই শব্দবোৰ তাপৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক থকা, সেয়ে প্ৰতি মিনিট সময়ত কৰা শব্দৰ সাংখ্যিক গণনা কৰি উত্তাপ নিৰ্দ্ধাৰিণো কৰিব পৰা যায়। কুকুৰে ভৰিৰ নখেৰে মাটিত আঁচোৰাৰ দৰে কিছুমান ফৰিঙে মাটিত সিহঁতৰ পিছ ঠেঙেৰে আঁচুৰি শব্দ সৃষ্টি কৰে। মতা ফৰিঙে সংগমকালত মাইকী ফৰিঙৰ সাহচাৰ্য বিচাৰি আকাশত মাইকী ফৰিংজনীৰ ওপৰত উৰি পাখিযোৰ সুন্দৰকৈ ঘূৰাই ঘূৰাই (clicking) অতি বৈশিষ্টপূৰ্ণভাৱে শব্দ কৰি আকৰ্ষণৰ প্ৰক্ৰিয়া চলায়। ই একপ্ৰকাৰ সংগমৰত স্বৰধ্বনি।*



ওপৰা-ওপৰিকৈ জাপ খাই থকা অৱস্থাত কাষৰ ফাললৈ দুয়োখন অগাপিছাকৈ এনেদৰে লৰচৰ কৰে যাতে পাখিৰ আৱৰণখনত কম্পনাঙ্কৰ দ্বাৰা শব্দ উৎপন্ন হয়। এনেদৰে উৎপন্ন হোৱা শব্দবোৰ কিছুমান কুমতিৰ ক্ষেত্ৰত অতি মৃদু কম্পনাঙ্কৰ (অৰ্থাৎ ২-১০ প্ৰতি ছেকেণ্ডত কিল চক্ৰ); আৰু টেটিগনিডৰ (Tattigonide) ক্ষেত্ৰত প্ৰায় ২-৫০ কিল চক্ৰ / ছেকেণ্ড। মতা কুমতিয়ে পাখিবোৰ ঘঁহাই ঘঁহাই পাখিৰ আৱৰণত থকা খাঁজকটা, মিস্ত্ৰিয়ে সাধাৰণতে ব্যৱহাৰ কৰা ফাইল আকৃতিৰ অঙ্গ-সঞ্চালনৰ দ্বাৰাই শব্দ সঞ্চাৰ কৰে। এই শব্দবোৰৰ তাপৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক থকা, সেয়ে প্ৰতি মিনিট সময়ত কৰা শব্দৰ সাংখ্যিক গণনা কৰি উত্তাপ নিৰ্দ্ধাৰণো কৰিব পৰা যায়। কুকুৰে ভৰিৰ নখেৰে মাটিত আঁচোৰাৰ দৰে কিছুমান ফৰিঙে আকৌ মাটিত সিহঁতৰ পিছ ঠেঙেৰে আঁচুৰি শব্দ সৃষ্টি কৰে। মতা ফৰিঙে সংগমকালত মাইকী ফৰিঙৰ সাহচাৰ্য বিচাৰি আকাশত মাইকী ফৰিংজনীৰ ওপৰত উৰি পাখিযোৰ সুন্দৰকৈ ঘূৰাই ঘূৰাই (clicking) অতি বৈশিষ্টপূৰ্ণভাৱে শব্দ কৰি আকৰ্ষণৰ প্ৰক্ৰিয়া চলায়। ই একপ্ৰকাৰ সংগমৰত স্বৰধ্বনি।

এবিধ অতি ডাঙৰ জাতৰ জিলি (Locust) বা কাকতি ফৰিঙে গ্ৰীষ্মকালৰ খেতিৰ সময়ত ধান গছত বা অন্য সেউজীয়া গছত পৰি দেহত থকা বিশেষ কম্পমান আৱৰণখনৰ দ্বাৰা সৃষ্টি কৰা শব্দৰ প্ৰাবল্য বহু দূৰৰ পৰাই শুনা যায়। পতঙ্গই সৃষ্টি কৰা এনে সুৰীয়া শব্দবোৰ প্ৰজাতিভেদে বেলেগ বেলেগ। নিম'বিয়াচ (Nemobius)ৰ এনে সুৰ প্ৰায় ৮ মিটাৰৰ পৰা টেটিগনিয়া (Tettigonia) এশমিটাৰ আৰু কুমতি জাতীয় প্ৰাণী, যেনে – গ্ৰাইল'টেল্পাৰ (Gryllotalpa) প্ৰায় ৩৫০ মিটাৰ দূৰত থাকিও শুনা যায়। শব্দ সৃষ্টিকাৰী পৰ্দাখন প্ৰাণীটোৰ বক্ষদেহৰ বহিঃকঙ্কালতন্ত্ৰত অৱস্থিত। কঙ্কালতন্ত্ৰটো যেতিয়া উদৰাংশৰফালে উঠানমা কৰে, পৰ্দা সংলগ্ন কোঠাটোৱে শব্দযন্ত্ৰী কোঠালি অৰ্থাৎ ৰিজনেঞ্চ হিচাপে কাম কৰে আৰু পৰ্দাখনত হোৱা কম্পনাঙ্কৰ ফলত শব্দ বাহিৰ হয়। ডেথ ৱাচ্ বিটল (Death watch beetle) নামৰ এজাতি গুবৰুৱাই মূৰ অংশটো দেৱালত ঘঁহাই কৰা শব্দ আচলতে মিলন সংকেটহে। ঠিক তেনেদৰে লেচাৰ ডেথ ৱাচ্ (lesser death watch) নামৰ পতঙ্গবিধে আকৌ উদৰ অংশটো বাহ্যিক কোনো বস্তুত ঘঁহাই শব্দ উৎপন্ন কৰে অৰ্থাৎ শব্দ সৃষ্টিকাৰী অংগটো প্ৰাণীভেদে দেহৰ বিভিন্ন ঠাইত অৱস্থিত।

উৰণৰ সময়ত হোৱা পাখিৰ কম্পনাঙ্কৰ দ্বাৰাও বহুতো পতঙ্গই গুণ-গুণকৈ শব্দ কৰে। এই গুণ-গুণণি (pitch) পাখিৰ কম্পনাঙ্কৰ ওপৰত নিৰ্ভৰ কৰে। ভোমোৰাৰ ভুন-ভুন, মৌ-মাখিৰ গুণ-গুণবোৰ এনেদৰে হোৱা পাখিৰ কম্পনাঙ্কৰ ফলশ্ৰুতিহে। মৌ-মাখিৰ এনে শব্দবোৰ উত্তাপৰ তাৰতম্য অনুসাৰে সুৰ-সঞ্চালনো বেলেগ বেলেগ হয়। মৌ-মাখিয়ে প্ৰতি ছেকেণ্ডত প্ৰায় ২৬০ বাৰকৈ পাখি কোবায়। সেইবাবেই আমি এনে সুৰীয়া শব্দবোৰ মৌ-মাখিৰ গুণ-গুণণি বা সুৰীয়া সঙ্গীত বুলি একেষাৰে কব পাৰোঁ। মৌপালকে এই গুণ-গুণণি হাৰৰ গতিবেগ বুজি-মেলি মৌজাকে বাঁহৰ ভিতৰত ব্যস্ত নে উৰণ প্ৰক্ৰিয়াৰ বাবে সাজু তাক ঠাৱৰ কৰিব পাৰে। বৰ্তমান গৱেষণাৰ দ্বাৰা এইটোও জনা গৈছে যে পূৰ্ণযৌৱনা ম'হ এজনীৰ উৰণ কালত হোৱা পাখিৰ শব্দই বিপৰীত লিঙ্গৰ ম'হক প্ৰলোভিত কৰি কাষ চপাই আনিব পাৰে; কিন্তু অপৈনত স্ত্ৰী ম'হৰ পাখিৰ শব্দৰ দ্বাৰা মতা ম'হ আকৰ্ষিত নহয়। ঠিক তেনেকৈ মাখিৰ উৰণেও সৃষ্টি কৰা এনে শব্দৰ প্ৰাবল্যত উভয়ে উভয়ৰ প্ৰতি আকৰ্ষিত হৈ কাষ চাপিব পাৰে।

উঁই পৰুৱাই উঁইৰ বাহত কোনোবা শত্ৰুৰ আগমণ বা অনাহুত বিপদৰ উমান পালে বিশেষ শব্দৰে বিপদ সংকেত দি লগৰীয়াসকলক বা সদস্যক সজাগ কৰি তোলে। কেতিয়াবা এক সুৰীয়া বিশেষ গীত জুৰি সতৰ্কবাণী শুনায়। অৱশ্যে গোটেই উঁই পৰুৱা সমাজখনৰ বাবে ই সতৰ্ক সংকেট হয়নে নহয় জনা নাযায়। কেতিয়াবা আকৌ বিপদৰ আগজাননী পালে সিহঁতৰ মাজতে কোনো এটা সদস্যই মাজ ঠেঙত ভৰ দি উলমি বিপদ সংকেট দিয়ে আৰু সেই সময়তেই সমূহ উঁই পৰিয়াল গৃহত্যাগ কৰি নিৰাপদ ঠাইলৈ দ্ৰুত পলায়ন কৰে। ৰাতিৰ নিৰৱতাত আমাৰ কৰ্ণগোচৰ হয় হুইচেল মৰাৰ দৰে ধাৰাবাহিকভাৱে কৰা গুঞ্জনবোৰ। ইয়ো প্ৰাণীকূলৰ বিভিন্ন বাৰ্তাবাহক।

বেছিভাগ পতঙ্গ নিমাত বিধৰ যদিও ম'হৰ ভিতৰত এক'ৰণ্টিয়া (Acherontia) নামৰ একমাত্ৰ মহ'বিধে এনে সুৰ সঞ্চাৰ বা শব্দ সৃষ্টি কৰিব পাৰে। ইয়াৰ স্বৰ সৃষ্টি কৌশলো অলপ বেলেগ ধৰণৰ। ম'হবিধে সিহঁতৰ গ্ৰাসনলীটো বেলুনৰ দৰে ফুলাই দি মুখেৰে পাৰ্যমানে বায়ু গ্ৰাস কৰি লয়। ভিতৰলৈ সোমোৱা বায়ুৱে টেঁটুক কঁপাই তুলি এক মৃদু গুঞ্জন কৰে আৰু এই কম্পনাঙ্ক প্ৰতি ছেকেণ্ডত ২৮০ বাৰকৈ সম্পন্ন হয়। এই পদ্ধতিৰে বায়ু নিৰ্গমনৰ দ্বাৰা ডাঙৰ শব্দৰ সৃষ্টি কৰে।

পতঙ্গই দেহৰ দুই অংশৰ মাজত ঘঁহাঘঁহি কৰি যি শব্দৰ সৃষ্টি কৰে, শুনিবলৈ ঠিক ফণী এখনত নখেৰে ঘঁহিলে হোৱা শব্দৰ দৰে। কম-বেছি পৰিমাণে গুবৰুৱা, উঁইচিৰিঙা, ফৰিং আদিয়ে এনে শব্দ কৰে। ঘৰ্ষণৰ দ্বাৰা সৃষ্টশব্দবোৰ সময়ভেদে বা লেঠাৰি নিছিগাকৈ কৰা বাবে নিৰ্জনতাত এক ছন্দোৱদ্ধ বা নিৰ্দিষ্ট তালত কৰা সুৰ সমলয় যেন অনুভৱ হয়। এনে ছন্দোময় শব্দসঞ্চাৰ প্ৰাণীভেদে বা প্ৰজাতিভেদে বেলেগ বেলেগ হয়।

সামৰণিত এষাৰ কথাৰে মুখনি মাৰিব বিচাৰিছোঁ। আমাৰ মাজত সঙ্গীত শুনি বেয়া পোৱা মানুহ নিশ্চয় নাই। কাৰিকৰী তথা উন্নত প্ৰযুক্তিৰে উচ্চ স্থানত থকা জাপানীসকলৰ সঙ্গীতপ্ৰীতি এই ক্ষেত্ৰত আৰু এখোপ চৰা। জাপানৰ ব্যক্তি বিশেষে আমাৰ ঘৰবোৰত সজাত চৰাই পোহাৰ দৰে বিভিন্ন সুৰ সঞ্চাৰী পতঙ্গ সজাত ভৰাই ঘৰত ৰাখে। আনকি সৰু-ডাঙৰ বহুতো বজাৰ জাপানত এনেবোৰ পতঙ্গ কিনা-বেচাৰ বাবেই গঢ়ি উঠিছে। অতি আমোদজনক কথা যে জীৱনক উপভোগ কৰিব জনা জাপানীসকলে আনকি 'বাৰ্ষিক পতঙ্গ সঙ্গীত উৎসৱো' (Festival of the singing insects) ধুমধামেৰে আয়োজন কৰে। পতঙ্গৰ গৰাকীৰ মাজত প্ৰতিযোগিতা হয়। অতি আমোদজনক নহয়নে ? আমি এই ক্ষেত্ৰতত পিছ পৰি আছো নেকি ? ■

# অসমীয়া ৰামায়ণী সাহিত্য আৰু মাধৱ কন্দলী

□ ৰাজীৱ গগৈ

প্ৰাচীন কালৰে পৰা ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত ৰামায়ণ আৰু মহাভাৰতে বিশেষ স্থান অধিকাৰ কৰি আহিছে। ভাৰতীয় প্ৰাদেশিক ভাষাবোৰৰ তুলনামূলক আলোচনা কৰিলে দেখা যায় যে আন ভাষাবোৰৰ তুলনাত অসমীয়া ভাষাত এই দুই মহাকাব্যৰ অনুবাদ বেছি পৰিমাণে হৈছিল। নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ সময়তো এই দুই মহাকাব্যই বিশেষৰূপে সহায় কৰিছিল।

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাপক শ্ৰীমন্ত শংকৰদেৱৰ বহু আগতেই মাধৱ কন্দলীয়ে ৰামায়ণ কাব্য প্ৰচাৰ কৰিছিল। বৈষ্ণৱ যুগত বৈষ্ণৱ কবিসকলে ৰামায়ণত ভাগৱতী কথা মিশ্ৰণ কৰিলে আৰু ইয়াক কৃষ্ণভক্তি শাখাৰ ভিতৰুৱা কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উপযোগী কৰি তুলিলে। আনহাতে ৰামৰ মানৱ-সুলভ আৰু আদৰ্শমূলক ব্যক্তিত্বই মানুহৰ মন এনেভাৱে আকৃষ্ট কৰিছিল যে কবিসকলে গদ্যে-পদ্যে বিভিন্ন আৰ্হিৰে ভিন-ভিন সংস্কৰণ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে।

অসমীয়া ভাষালৈ কেইবাটাও ৰীতিৰে বাল্মীকিৰ ৰামায়ণ অনুদিত হোৱা দেখা যায়। অসমীয়া ভাষাত বৰ্তমানলৈকে পোৱা ৰামায়ণৰ অনুদিত ৰীতিসমূহ হ'ল — পদ ৰামায়ণ, কথা ৰামায়ণ, গীতি ৰামায়ণ, কীৰ্তনীয়া ৰামায়ণ।

পদ ৰামায়ণ ৰচনা কৰা সকলৰ ভিতৰত - মাধৱ কন্দলী, অনন্ত কন্দলী, শংকৰদেৱ আৰু মাধৱদেৱৰ নাম উল্লেখযোগ্য। আনকেইটা ৰীতিৰ ৰচক সকল হ'ল —

*কথা ৰামায়ণ* — ৰঘুনাথ মহন্ত

*গীতি ৰামায়ণ* — দুৰ্গাবৰ

*কীৰ্তনীয়া ৰামায়ণ* — অনন্ত ঠাকুৰ।

উল্লেখযোগ্য যে এই চাৰিপ্ৰকাৰৰ ৰামায়ণৰ বাহিৰেও ৰামায়ণৰ আখ্যান অৱলম্বন কৰি কিছুমান নাট ৰচনা কৰা হৈছিল। যেনে —

শংকৰদেৱৰ — *ৰাম বিজয়*

মাধৱদেৱৰ — *ৰাম ভাওনা*

অনন্ত কন্দলীৰ — *সীতাৰ পাতাল প্ৰৱেশ।*

প্ৰাচীন অসমীয়া সাহিত্যৰ এক বিশাল অংশ ৰামায়ণী সাহিত্যই দখল কৰি আছে। অসমীয়া ৰামায়ণী সাহিত্যত যিমানবোৰ কবি-লেখক পোৱা যায় এই আটাইবোৰৰ ভিতৰত মাধৱ কন্দলীৰ নাম সকলোৰে আগত। এই আটাইবোৰ ৰচনাৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণখনেই জিলিকি আছে। শংকৰদেৱ আৰু মাধৱদেৱে কন্দলীৰ ৰামায়ণৰ লুপ্ত অংশ দুটি সংযোগ কৰি ইয়াৰ সৌন্দৰ্য আৰু বৃদ্ধি কৰিছে।

মাধৱ কন্দলীৰ জন্মৰ স্থান আৰু ৰচনা কাল সম্বন্ধে মতভেদ দেখা যায়। কন্দলীৰ ৰামায়ণৰ বিষয়ে বহুতো আলোচনা-বিলোচনা হৈছে যদিও বৰ্তমানলৈকে প্ৰকৃত জন্মস্থান আৰু ৰচনা কাল সম্পৰ্কে জনা নাযায়। কন্দলীয়ে ৰামায়ণৰ যিবোৰ ঠাইত ভণিতা পেলাইছে বা আত্ম-পৰিচয় দাঙি ধৰিছে তাতো কবিৰ জন্মস্থান আৰু ৰচনাকাল সম্পৰ্কে কোনো তথ্য

*পণ্ডিত, আলোচকসকলে মহামাণিক্য আৰু তেওঁৰ লগত মাধৱ কন্দলীৰ সম্পৰ্কৰ বিষয়ে আলোচনা আগবঢ়াইছে। মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰথম সম্পাদক মাধৱ চন্দ্ৰ বৰদলৈয়ে কৈছে — "বৰাহী বুলি পৰিচয় দিয়া কছাৰী ৰাজবংশই খ্ৰীঃ ১২ শ শতিকাৰ পৰা ১৪ শ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল জয়ন্তাপুৰ, বৰ্তমান নগাঁও জিলালৈকে বিস্তৃত ৰাজ্যত। মহামাণিক্য এই বৰাহী ৰাজবংশৰে ৰজা। তেওঁৰ ৰাজত্ব কাল আনুমানিক ১৪ শ শতিকাৰ আদিভাগ। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে (হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলীত) 'মাধৱ কন্দলী' শিতানত তেওঁৰ মত আগবঢ়াইছে এইদৰে — 'মহামাণিক্য ১৪ শ শতিকাৰ মধ্যভাগৰ ৰজা।"*

*ড° বাণীকান্ত কাকতিয়ে মাধৱ কন্দলীৰ ৰচনাকাল ভাষাতাত্ত্বিক দিশৰ পৰা বিচাৰ কৰি কৈছে — 'মাধৱ কন্দলীৰ ৰামায়ণ খ্ৰীষ্টীয় ১৪ শ শতিকাৰ ৰচনা।*

পোৱা নাযায়। মাধৱ কন্দলীয়ে তেওঁৰ ৰামায়ণত নিজৰ পৰিচয় দিছে এনেকৈ —

(এক)

*''কবিৰাজ কন্দলী যে আমাকেসে বুলিৱয়*
*মাধৱ কন্দলী আৰো নাম।*
*সপোনে সচিতে মঞি জ্ঞান কায় বাক্য মনে*
*অহর্নিশে চিন্তো ৰাম ৰাম।।''*

*(দুই)*

*''কবিৰাজ কন্দলী যে আমাকেসে বুলিৱয়*
*কৰিলোহো সৰ্ব্বজন বোধে।*
*ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে*
*বৰাহৰাজাৰ অনুৰোধে।।''*

**(লঙ্কা কাণ্ড)**

*(তিনি)*

*''বাল্মীকি যে মহাঋষি ৰামায়ণ প্ৰকাশিলে*
*সংসাৰত স্ৰজিল অমৃত।*
*০০০*
*মাধৱ কন্দলী বিপ্ৰে তাহান চৰণ স্মৰি*
*কৰিলন্ত শ্লোক উদ্ধাৰ।।''*

**(সুন্দৰা কাণ্ডৰ শেষত)**

*(চাৰি)*

*এহিমানে কিষ্কিন্ধ্যাৰ ভৈলা সমাপতি*
*দ্বিজৰাজ মাধৱ কন্দলী নিগদতি।*

উল্লিখিত প্ৰথম আৰু দ্বিতীয় উদ্ধৃতিৰ পৰা জনা যায় — মাধৱ কন্দলী জনাজাত আছিল কবিৰাজ নামেৰেও। পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ স্বীকৃতি স্বৰূপে 'কবিৰাজ' উপাধিটো তেওঁ পাবৰ যোগ্য। বৰাহ ৰজা মহামাণিক্যৰ কথামতে সৰ্বসাধাৰণ লোকে জনাৰ কাৰণে ৰামায়ণ মহাকাব্য তেওঁ ছন্দৰ ৰূপত অসমীয়ালৈ ভাঙণি কৰে। বাকী দুটা উদ্ধৃতিত উল্লিখিত 'দ্বিজ' আৰু 'বিপ্ৰ' উক্তিৰ পৰা স্পষ্টভাৱে জানিব পাৰি যে তেওঁ এজন ব্ৰাহ্মণ আছিল।

পণ্ডিত, আলোচকসকলে মহামাণিক্য আৰু তেওঁৰ লগত মাধৱ কন্দলীৰ সম্পৰ্কৰ বিষয়ে আলোচনা আগবঢ়াইছে। মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰথম সম্পাদক মাধৱ চন্দ্ৰ বৰদলৈয়ে কৈছে — ''বৰাহী বুলি পৰিচয় দিয়া কছাৰী ৰাজবংশই খ্ৰীঃ ১২ শতিকাৰ পৰা ১৪ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল জয়ন্তাপুৰ, বৰ্তমান নগাঁও জিলালৈকে বিস্তৃত ৰাজ্যত। মহামাণিক্য এই বৰাহী ৰাজবংশৰে ৰজা। তেওঁৰ ৰাজত্ব কাল আনুমানিক ১৪ শ শতিকাৰ আদিভাগ।'' পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে (হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলীত) 'মাধৱ কন্দলী' শিতানত তেওঁৰ মত আগবঢ়াইছে এইদৰে — ''মহামাণিক্য ১৪ শ শতিকাৰ মধ্যভাগৰ ৰজা।'' ড° বাণীকান্ত কাকতিয়ে মাধৱ কন্দলীৰ ৰচনাকাল ভাষাতাত্ত্বিক দিশৰ পৰা বিচাৰ কৰি কৈছে — ''মাধৱ কন্দলীৰ ৰামায়ণ খ্ৰীষ্টীয় ১৪ শ শতিকাৰ ৰচনা। গতিকে মাধৱ কন্দলীৰ পৃষ্ঠপোষক জয়ন্তাপুৰৰ কছাৰী ৰজা মহামাণিক্যৰ ৰাজত্বকাল ১৪ শ শতিকা। কন্দলী বৰ্তমান নগাওঁ জিলাই সামৰি লোৱা মধ্য অসমৰ লোক আছিল।'

উল্লিখিত বিভিন্ন পণ্ডিত, সমালোচক সকলৰ মতামত অনুসৰি মাধৱ কন্দলীৰ ৰচনাকাল ১৪ শ শতিকা বুলি ক'ব পাৰি। তদুপৰি কন্দলী শংকৰদেৱৰ পূৰ্বৰ কবি বুলি কোৱাৰো অৱকাশ আছে। কাৰণ শংকৰদেৱে জীৱনৰ ভাটী বয়সত ৰচনা কৰা ৰামায়ণৰ 'উত্তৰাকাণ্ড'ত উল্লেখ আছে —

*''পূৰ্ব্বকবি অপ্ৰমাদী মাধৱ কন্দলী আদি*
*বিৰছিল পদে ৰাম কথা।*
*হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ*
*মোৰো তৈল তেহ্নয় অৱস্থা।।''*

ইয়াৰ পৰাও মাধৱ কন্দলী শংকৰদেৱৰ আগৰ প্ৰসিদ্ধ কবি বুলি প্ৰমাণ পোৱা যায়। উল্লেখযোগ্য যে কবিৰ জন্মস্থান, ৰচনাকাল আৰু পৃষ্ঠপোষক ৰজা মহামাণিক্যৰ ৰাজত্ব কালৰ বিষয়ে কোনো প্ৰমাণিত তথ্য কোনো গ্ৰন্থতে উদ্ধাৰ হোৱা নাই। তথাপি ভাষাতাত্ত্বিক দিশৰ পৰা আৰু শংকৰদেৱৰ পূৰ্বৰ কবি হিচাপে মাধৱ কন্দলীৰ ৰচনা কাল ১৪ শ শতিকা বুলি কোৱাই বেছি গ্ৰহণযোগ্য।

মাধৱ কন্দলীৰ ৰামায়ণ অসমীয়া সাহিত্যলৈ এক অপূৰ্ব দান। প্ৰকৃততে এই গ্ৰন্থখনি অসমীয়া সাহিত্যলৈ এক দানেই নহয় ই অসমীয়া ভাষা সাহিত্যৰ দৃঢ় ভেঁটি সংগঠক। লগতে ই অসমীয়া সাহিত্যৰ প্ৰকৃষ্ট ঘোষণা, অসমীয়া সমাজৰ শিক্ষা, সাধনা আৰু আদৰ্শৰ দাপোণ স্বৰূপ। সেয়ে মাধৱ কন্দলীৰ ৰামায়ণৰ বিশেষ মূল্য বুজিয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও তাৰ লুপ্ত অংশ দুটি সংযোগ কৰি ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিছিল।

মাধৱ কন্দলীৰ অনুবাদ ৰীতি অতি শক্তিশালী আৰু মনোৰম। কন্দলীয়ে বাল্মীকি ৰামায়ণৰ মূল কথা কোনোটিকে বাদ দিয়া নাই, কিন্তু বৰ্ণনাত দুই-এটি কথা সামান্য ইফাল-সিফাল হৈছে। বৰ্ণনাবোৰ বেছি স্পষ্ট কৰিবলৈ ঠায়ে ঠায়ে কিছুমান কথা সংযোগ কৰা হৈছে আৰু বেছি ক'ৰবাত হ্ৰাস কৰা হৈছে আৰু মনোগ্ৰাহী কৰিবলৈ ঘৰুৱা ভাৱ আৰু ভাষা অৱতাৰণা কৰিছে। কন্দলীয়ে ৰামায়ণৰ কেইবা ঠাইতো নিজৰ অনুবাদ ৰীতিৰ বিষয়ে উনুকিয়াই গৈছে। উদাহৰণস্বৰূপে —

*''আক শুনি হুয়ো সবে মনত সন্তোষ।*
*কিন্তু বঢ়া টুটা নধৰিবা গুণ দোষ।।*
*বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।*
*তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে।।*
*আপোনাৰ বুদ্ধি অৰ্থ যি মত বুজিলো।*
*সঙ্খেপ কৰিয়া তাক পদ বিৰছিলোঁ।।*
*সমস্ত ৰসক কোনে জানিবাক পাৰে।*
*পক্ষীসব উৰয় যেন পখা অনুসাৰে।।*
*কবিসব নিবন্ধয় লোক ব্যৱহাৰে।*
*কতো নিজ কতো লম্বা কথা অনুসাৰে।।''*

**(কিষ্কিন্ধা কাণ্ড)**

*'সাত কাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো*
*লম্ভা পৰিহৰি সাৰোদ্ধৃত।*
*মহা মানিক্যৰ বোলে কাব্যৰস কিছু দিলো*
*দুগ্ধক মথিলে যেন ঘৃত।।'*

**(লঙ্কা কাণ্ড)**

*ৰামায়ণী সাহিত্যত ৰামৰ সাধাৰণতে দুটা ঐশ্বৰিক আৰু মানৱীয়। মাধৱ কন্দলীয়ে বাল্মীকি বিৰচিত ৰামায়ণ অনুবাদ কৰোঁতে ৰসসৃষ্টি আৰু লোকমনৰ ওপৰত অধিক গুৰুত্বাৰোপ কৰি ৰামক বিষ্ণুৰ অৱতাৰ বুলি কোৱাতকৈ ৰাম চৰিত্ৰ মানৱীয় দিশসমূহৰ ওপৰত অত্যাধিক গুৰুত্ব দিছে। ৰামৰ মানৱীয় ব্যক্তিত্বক অসমীয়াৰ ৰূপত চিত্ৰিত কৰাও তেওঁৰ এক প্ৰধান উদ্দেশ্য আছিল বুলি ক'ব পাৰি। ৰামচন্দ্ৰই ৰামায়ণৰ কতো নিজকে ঈশ্বৰ বুলি ঘোষণা কৰা নাই।*

মাধৱ কন্দলীয়ে বাল্মীকিৰ ৰামায়ণখন অনুবাদ কৰোঁতে দুটা কথালৈ সততে দৃষ্টি ৰাখিছে — সৌন্দৰ্য আৰু পাঠকৰ ৰুচি। সাম্প্ৰদায়িক বা ধাৰ্মিক মতবাদ বা বৰ্ণ প্ৰাধান্য দি কাব্যোচিত সৌন্দৰ্যক কতো তল পেলাব বা হেঁচি ধৰিব খোজা নাই। এই কাৰণে চিত্ৰ ৰচনাৰ ক্ষেত্ৰত তেওঁৰ কল্পনা পঙ্গু কৰি ৰখা নাই। সেয়ে কন্দলীৰ ৰামায়ণ, বাল্মীকি ৰামায়ণৰ পৰা অনূদিত হ'লেও কোনো ক্ষেত্ৰতে কবিৰ মৌলিক প্ৰতিভা ম্লান বা দৃষ্টিকটু হৈ পৰা নাই। তেওঁৰ অনুবাদৰ আদৰ্শ তেওঁ নিজেই কৈছে —

*'দৈৱবাণী নুহি ইটো লৌকিক সে কথা'*

সকলো সুকবিৰে লক্ষ্য হ'ল যাৰ বাবে ৰচনা কৰিছে তেওঁলোকৰ ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰখাতো। কন্দলীয়েও অসমৰ সহজ-সৰল নিৰক্ষৰ শ্ৰোতাই যিবোৰ সহজে বুজি পাব বা আনন্দ পাব সেইবোৰ বহলাই ব্যাখ্যা কৰি অলাগতিয়ালখিনি ত্যাগ কৰিছে। সেয়ে তেওঁ লংকা কাণ্ডৰ শেষত কৈছে — *'সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ*
*লম্ভা পৰিহৰি সাৰোদ্ধৃত।'*

উল্লেখযোগ্য যে — ''সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ'' বুলি কন্দলীয়ে নিজেই কৈছে যদিও ৰামায়ণৰ আদি কাণ্ড আৰু উত্তৰাকাণ্ড শংকৰদেৱৰ দিনৰ পৰাই নাই। কেৱল মাজৰ পাঁচোটা কাণ্ডহে পোৱা গৈছিল। এনেস্থলত মাধৱ কন্দলীয়ে এই কাণ্ড দুটা ৰচনা কৰিছিলনে নাই সেই বিষয়ে এতিয়াও বিতৰ্কৰ অৱকাশ আছে। কন্দলীয়ে যদিহে সেই দুটা কাণ্ড ৰচনা কৰিছিল তেনেহলে যুদ্ধ-বিগ্ৰহৰ সময়ত বা দুৰ্যোগৰ সময়ত নষ্ট হৈছিল বুলিও ভাবিবৰ স্থল আছে। কন্দলীৰ ৰামায়ণখন ৰক্ষা কৰিবলৈ শংকৰদেৱে উত্তৰাকাণ্ড আৰু শংকৰদেৱৰ নিৰ্দেশত মাধৱদেৱে আদিকাণ্ড ৰচনা কৰি কন্দলীৰ ৰামায়ণৰ লুপ্ত অংশ দুটি সংযোগ কৰে।

মাধৱ কন্দলীয়ে বাল্মীকিৰ ৰামায়ণখন হুবহু অনুবাদ কৰা নাই। কন্দলীয়ে বাল্মীকি ৰামায়ণৰ মূলতঃ জঁকাটোহে গ্ৰহণ কৰিছে। ইয়াৰ তেজ-মঙহ কন্দলীয়ে দান কৰিছে। যিখিনি তেওঁ বাল্মীকিৰ পৰা গ্ৰহণ কৰিছে সেইখিনি প্ৰায়েই আক্ষৰিক আৰু শ্লোকানুবাদ অথচ তাৰ মাজতেই কবিৰ স্বতঃস্ফুৰ্ত কাব্য প্ৰতিভাই জিলিকনি তুলিছে।

পৰিবেশ বা অৱস্থা চিত্ৰণত, নৈসৰ্গিক শোভা বৰ্ণনাত কন্দলীয়ে যথেষ্টদক্ষতা প্ৰকাশ কৰিছে। অযোধ্যা কাণ্ডৰ প্ৰথম অধ্যায়ত থকা উৎসৱমুখী অযোধ্যাৰ চিত্ৰ, ৰাম বনলৈ যাওঁতে দশৰথৰ মানসিক অৱস্থা, প্ৰজাবিলাকে ৰামক অনুগমন কৰাৰ বিৱৰণ, ৰামে সীতাৰ আগত দিয়া বনবাসৰ ভয়াবহ চিত্ৰ, চিত্ৰকূট বনৰ নৈসৰ্গিক শোভা, প্ৰস্ৰৱণ গিৰিৰ বৰ্ষাকালীন সৌন্দৰ্য, লঙ্কাৰ বৰ্ণনা, বিকটাকাৰ ৰাক্ষসৰ বিস্ময়জনক চিত্ৰ, যুদ্ধৰ পুঙ্খানুপুঙ্খ বীৰত্ব ব্যঞ্জক বিৱৰণ — এই সকলোতে কন্দলীৰ কবি প্ৰতিভাৰ প্ৰকাশ হৈছে। চৰিত্ৰসমূহৰ শৰীৰৰ সৌষ্ঠৱ বা বিকৃতি আৰু মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া বৰ্ণনাতো কন্দলীয়ে কৃতিত্ব প্ৰদৰ্শন কৰিছে। কবিৰ মনোধৰ্মিতা গুণৰ স্পৰ্শত বৰ্ণনাবোৰ অন্তৰস্পৰ্শী হৈ উঠিছে। বিশেষকৈ চিত্ৰকূটৰ বৰ্ণনা কন্দলীৰ এটা উল্লেখনীয় সৃষ্টি। মূল ৰামায়ণৰ এটা মাৰ্গতে সীমিত এই বৰ্ণনাই কন্দলীৰ হাতত আহ্লাদজনক বিস্তৃত ৰূপ লৈছে। অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ ভাষাত — ''এই বৰ্ণনাত কেৱল গছ-লতা, ফুল-পাত, চৰাই-চিৰিকতিৰ নামবিলাকে ভৰাই থোৱা নাই। প্ৰত্যেক দৃশ্য প্ৰত্যেক বস্তুতে কবিৰ অন্তৰৰ অনুৰাগ ৰঞ্জিত হৈছে।''

স্থানীয় পৰিবেশ আৰু লৌকিকতাৰ সৃষ্টি কন্দলীৰ ৰামায়ণৰ এক উল্লেখযোগ্য বিশেষত্ব। কন্দলীৰ ৰামায়ণ অনুবাদমূলক হ'লেও তাত যিখন সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে সেইখন অসমৰ জাতীয় জীৱনৰ ছবি। ইয়াত চতুৰ্দশ শতিকাৰ অসমীয়া সমাজৰ বৰ্ণ, উপবৰ্ণ, বৃত্তি, বিভিন্ন ফুল-ফল বৃত্তিবাচক বৰ্ণ সমূহৰ আভাস পাওঁ। আনহাতে কন্দলীয়ে ৰামচন্দ্ৰক অসমীয়া সাজেৰে তেওঁৰ ৰামায়ণত প্ৰতিফলন ঘটাইছে। সেয়ে ৰামায়ণখন অসমীয়া মানুহে আপোন অনুভৱ কৰে। ৰামক বনবাসৰ পৰা উভতাই আনিবলৈ ভৰতৰ লগত যোৱা প্ৰজাসকলৰ বিৱৰণো উল্লেখনীয়।

''ক্ষত্ৰী বৈশ্যগণ কায়স্থসজ্জন নাটভাট তেলী ভান্তী
বণিয়া চমাৰ কমাৰ সূতাৰ ধোবা আৰু কুম্ভকাৰ
ইসব প্ৰমুখ্যে চলিল যতেক আদি অন্ত নাহি তাৰ।।''

সমসাময়িক অসমৰ কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু অসমৰ প্ৰকৃতি জগত তথা অসমৰ জাতীয় চৈতন্যই মাধৱ কন্দলীৰ ৰামায়ণত ভুমুকি মাৰিছে। ভাষাত জতুৱা ঠাঁচ, ফকৰা যোজনা আদিৰ প্ৰয়োগ অসংখ্য দেখা যায়। তলত তাৰে কিছুমান তুলি দিয়া হ'ল —

**অযোধ্যা কাণ্ড**

'ভোবকাৰ বেশ'
'জানিলোহো ইটো ভৰতৰ ভাৰি খাইছে'
'আমি ভেলো কৈকেয়ীৰ অষ্টমীৰ ছাগ'

**অৰণ্য কাণ্ড**

'চিলে যেন থাম্প দিয়া মাছক নিলেক।'
'মৰিবাক লাগি কোনে বাঘে হাল বায়।'
'চাটু বাটু কৰিয়া ৰামৰ লগে আইলে।'
'হেনয় স্বভাৱ নিদাৰুণ স্ত্ৰী জাতি।
ভাই ভাই বেলগাৱে মাজে দিয়া কাটি।'

সুন্দৰা কাণ্ড

'জোন এৰি সীতা তোৰ শলিয়াত গান্ধি ।।'
'তুলা নিবে নোৱাৰয় ভাৰ বান্ধে শিলে ।
গুন্দকুৰি পৰুৱায়ে হাতী গোট গিলে ।।'
'ঢোল হেন ডিমা পাৰে চুঙ্গাৰ বাদুলি ।
পিপিয়া চটকে পৰ্বত লৱে তুলি ।।'

লঙ্কাকাণ্ড

'সৰমাৰ বোলে শোক গুচিল সকলে ।
খৰ লাগা ধন যেন বৰিষণ জলে ।।'
'অলপ পানীৰ সল দদৰা দদৰি ।'
'ষান্তে ধান খাইলেক তান্তিৰ কাটে বাটি ।
আনে চুৰি কৰিলে আনৰ চুল কাটি ।।'

তদুপৰি মাধৱ কন্দলীৰ ৰামায়ণত সমসাময়িক ধৰ্মৰ প্ৰভাৱো নপৰাকৈ থকা নাই। তেওঁৰ ৰামায়ণত শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰভাৱ কোনো কোনো ঠাইত স্পষ্ট হৈ আছে। ৰামায়ণৰ ভালেমান ঠাইত 'পাৰ্বতী', 'কৈলাশ' আদি শব্দৰ প্ৰয়োগেৰে উপমা-তুলনা আদি কৰাত সমসাময়িক ধৰ্মৰে প্ৰভাৱ বুলি ক'ব পাৰি। যেনে —

'পূৰ্ব্বজন্মে নৰাধিলো পাৰ্বতি শংকৰ।
সি কাৰণে মোক পৰিহৰে প্ৰাণেশ্বৰ।।'

(অযোধ্যা কাণ্ড)

'তুমি সমে চিত্ৰকূটে হৈবো আমি থিত
গৌৰী মহাদেৱ যেন কৈলাশ গিৰিত।।'

(অযোধ্যা কাণ্ড)

শাক্ত ধৰ্মৰ প্ৰভাৱো কিছু কিছু ঠাইত লক্ষ্য কৰা যায়। যেনে —

'আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ চাগ।'
কলীয়া ছাগল আনি টেটু ভসাবিল।'

মাধৱন্দলীৰ ৰামায়ণত শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰভাৱতকৈ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বেছি। তদুপৰি হিন্দু সমাজত প্ৰচলিত কিছুমান আচাৰ-অনুষ্ঠান, ৰীতি-নীতিৰ বিষয়ে কন্দলীয়ে অসমীয়া সমাজৰ লগত খাপ খোৱাকৈ বৰ্ণনা কৰিছে।

মাধৱ কন্দলীয়ে তেওঁৰ ৰামায়ণত বিভিন্ন প্ৰকাৰৰ ৰস সৃষ্টি কৰি মূলৰো অধিক কবিত্ব আৰু পাণ্ডিত্যৰ পৰিচয় দিছে। পৰিস্থিতিৰ লগত খাপখোৱাকৈ শৃঙ্গাৰ বীৰ-হাস্য কৰুণাদি ৰস সৃষ্টিয়ে কন্দলী ৰামায়ণৰ লালিত্য আৰু মাধুৰ্য বৃদ্ধি কৰিছে। কন্দলীৰ অনুদিত ৰামায়ণখনত মূলতঃ (অযোধ্যা কাণ্ডৰ পৰা লঙ্কা কাণ্ডলৈ) কেৱল কৰুণ ৰসেহে ক্ৰিয়া কৰি আছে। তাৰ মাজতে তেওঁ শৃঙ্গাৰ, বীৰ, হাস্য ৰসৰ দক্ষতাৰে প্ৰতিফলন ঘটাই বিৰল কবি প্ৰতিভাৰ পৰিচয় দিছে। যেতিয়া ৰামচন্দ্ৰই চিত্ৰকূটত উপস্থিত হৈ আনন্দত উৎফুল্লিত হৈছে আৰু মনত ৰতি ভাৱ উত্তৱ হৈছে, তেতিয়া সীতাৰ আগত কৈছে —

*"মন্দাকিনী নদীত দেখিয়া পক্ষীগণ।*
*সীতাক সম্মুখি ৰামে বুলিলা বচন।।*
*ৰাজহংস দেখা সীতা তোমাৰ গমন।*
*চক্ৰবাক যুগল তোমাৰ দুই তন।।*
*কলহংস ৰাৱ কাঞ্চি নূপুৰৰ নাদ।*
*বদন কমল তোৰ দেখোতে আহ্লাদ।।*
*বদন উপৰে তোৰ নয়ন যুগলে।*
*খঞ্জন দুতয় যেন চলয় কমলে।।*
*জনকৰ জীৱ দেখ নদী মন্দাকিনী।*
*তোমাৰ সদৃশ্য সুশোভিত মধ্যখিনি।।"*

তদুপৰি কন্দলীয়ে ৰামায়ণৰ দুখ-বিষাদ সমৰাদি ঘটনা বৈচিত্ৰ্যপূৰ্ণ বৰ্ণনাৰ মাজতে হাস্য ৰস সৃষ্টি কৰিছে। কুজী মন্থৰাৰ কদৰ্থনা, হনুমন্তৰ লঙ্কা প্ৰৱেশ, কুম্ভকৰ্ণক টোপনিৰ পৰা জগাবলৈ ৰাক্ষসবোৰৰ চেষ্টা আদি কবিৰ মৌলিক সৃষ্টি আৰু এইবোৰ হাঁহি কৌতুকৰ বাবে কবিয়ে স্থান বিশেষে প্ৰয়োগ কৰিছে।

অসমৰ কালিদাস আখ্যা দিয়া মাধৱ কন্দলীয়ে ৰামায়ণৰ আদিৰ পৰা অন্তলৈকে অলংকাৰেৰে ভৰাই থৈছে। প্ৰতিটো বৰ্ণনাৰ ক্ষেত্ৰত ছবি অঁকাৰ দৰে ৰূপক, উৎপ্ৰেক্ষা, উপমাদি অলংকাৰে কাহিনী স্পষ্ট কৰি তুলিছে। এই বিভিন্ন অলংকাৰৰ মাজত কবিৰ সুক্ষ্ম দৃষ্টি, শাস্ত্ৰ জ্ঞান, সৌন্দৰ্যবোধৰ লৌকিক জ্ঞান আদি পৰিস্ফুট হৈছে।

মাধৱ কন্দলীৰ ৰামায়ণৰ আন এটা বিশেষত্ব হ'ল ৰামায়ণৰ অধিকাংশ কথাই অনুষ্টুভু পদছন্দত ৰচনা কৰাটো। দুলড়ী, ছবি, ঝুমুৰি ছন্দৰ বহুল প্ৰয়োগেও ৰামায়ণৰ সৌন্দৰ্য বৃদ্ধি কৰিছে।

ৰামায়ণী সাহিত্যত ৰামৰ সাধাৰণতে দুটা ৰূপ ঐশ্বৰিক আৰু মানৱীয়। মাধৱ কন্দলীয়ে বাল্মীকি বিৰচিত ৰামায়ণ অনুবাদ কৰোঁতে ৰসসৃষ্টি আৰু লোকমনৰ ওপৰত অধিক গুৰুত্বাৰোপ কৰি ৰামক বিষ্ণুৰ অৱতাৰ বুলি কোৱাতকৈ ৰাম চৰিত্ৰৰ মানৱীয় দিশসমূহৰ ওপৰত অত্যাধিক গুৰুত্ব দিছে। ৰামৰ মানৱীয় ব্যক্তিত্বক অসমীয়াৰ ৰূপত চিত্ৰিত কৰাও তেওঁৰ এক প্ৰধান উদ্দেশ্য আছিল বুলি ক'ব পাৰি। ৰামচন্দ্ৰই ৰামায়ণৰ কতো নিজকে ঈশ্বৰ বুলি ঘোষণা কৰা নাই। মাধৱ কন্দলীয়ে ৰামৰ কৰ্ম, আদৰ্শ সাধাৰণ মানুহৰ দৰেই ৰামায়ণত চিত্ৰিত হৈছে।' গুণবান, বীৰ্যবান, ধৰ্মজ্ঞ, কৃতজ্ঞ, সত্যবাদী, দৃঢ়ব্ৰতী, চৰিত্ৰৱান আত্মসংযমী ব্যক্তিত্বৰ অধিকাৰী বাবে ৰামক কোনোৱে দেৱতা, কোনোৱে পৰম পুৰুষ আৰু কোনোৱে বিষ্ণুৰ অৱতাৰ বুলি আখ্যা দিয়ে। মাধৱ কন্দলীৰ ৰাম আদৰ্শ মানৱ। তেওঁৰ কোনো বৰ্ণনাতে ৰামৰ অসাধাৰণ কাৰ্য ফুটি উঠা নাই।

উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণখনেই প্ৰচীনতম। মাধৱ কন্দলীৰ ৰামায়ণ ৰচনাৰ প্ৰায় এশ-ডেৰশ বছৰৰ পাছতহে হিন্দী, বঙালী, উড়ীয়া আদি ভাষালৈ ৰামায়ণ অনূদিত হয়। কিন্তু ইমান প্ৰচীন হ'লেও মাধৱ কন্দলীৰ ভাষা আৰু বৰ্ণনা শৈলীত ভাৱ প্ৰকাশৰ অক্ষমতা বা দুৰ্বলতা দেখা নাযায়। বৰং তেওঁৰ সবল আৰু নিভাঁজ ভাষাত আৰু ৰচনাভংগীত পূৰ্ণবিকশিত সাহিত্যৰ ঠাঁচ এটাৰ নিদৰ্শনহে পোৱা যায়।■

# মহাপুৰুষ মাধৱদেৱৰ শ্ৰেষ্ঠ কৃতি 'নামঘোষা'

□ মনিতা গগৈ

*মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো*
*ৰসময়ী মাগোহোঁ ভকতি।*
*সমস্ত-মস্তক মণি নিজ ভকতৰ বশ্য*
*ভজো হেন দেৱ যদুপতি ।।*

অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদৰ স্থান অধিকাৰ কৰা অন্যতম সৃষ্টি হ'ল মাধৱদেৱৰ 'নামঘোষা'। নামঘোষাৰ দাৰ্শনিক ভিত্তি বেদান্ত আৰু ই 'সমস্ত বেদান্তৰ সাৰ' ভাগৱতৰ সত্য তত্বক প্ৰকাশ কৰিছে। 'নামঘোষা' গুৰুজনাই ভক্তিপ্ৰাণ মনক অভিভূত কৰা কিছুমান সংস্কৃত শাস্ত্ৰৰ শ্লোকৰ লগত নিজৰ ভাবাবেগেৰে একেডালি সূতাৰে বন্ধা এটা সুকোমল কবিতা, যাৰ পংক্তিসমূহ বগৰীটোৰ দৰে ওপৰ অংশ কোমল কিন্তু বগৰীৰ গুটিটোৰ দৰে টান। সাম্প্ৰদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি থৈ কোচবিহাৰ অন্তৰ্গত ভেলাডোৱাৰত সত্ৰ পাতি থাকোতে মহাপুৰুষজনাই জীৱনৰ শেষ ভাগত 'নামঘোষা' পুথিখন ৰচনা কৰে।

গুৰুজনাৰ অনুভূতি আৰু প্ৰতিভাৰ পৰশত সুষম পটল-বিভাজনৰ যোগেদি মূলৰ প্ৰতিটো শ্লোকেই যেন নৱ জন্ম লাভ কৰিছে। ভক্তি নিৰূপক গ্ৰন্থ হিচাপে 'নামঘোষা' নিৰূপম। অৱতাৰবাদ, প্ৰসাদ (পুষ্টিবা পোষণ) বা অনুগ্ৰহবাদ, মায়া-তৰণৰ উপায় স্বৰূপে সকলো ধৰ্মৰ ভিতৰত, জ্ঞান-কৰ্মৰ ওপৰতো ভক্তিৰ অহৈতুকিতা বা অনিমিত্ততা, ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন প্ৰধানতা, সৎসঙ্গ মাহাত্ম্য, দাস্য, জড়ৰূপী অন্য দেৱসেৱা নিবাৰণ পূৰ্বক চৈতন্যস্বৰূপ একদেৱ আৰু এক নামৰ বিশ্বাসেৰে এক শৰণবাদ — মহাপুৰুষীয়া ধৰ্মৰ এই মূল সূত্ৰবোৰ 'নামঘোষা'ৰ নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে। 'নামঘোষা'ই প্ৰধানত তিনিটা ভাবৰ ধাৰাৰ সমাহাৰত এক বিশাল আনন্দ সাগৰৰ সৃষ্টি কৰিছে — পূণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য। হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিন ৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদীস্বৰূপে পৰিচিত হোৱাৰ দৰে এই ত্ৰিধাৰাৰ মূলতেই হ'ল গুৰুজনাৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ। সকলো ৰসৰ মূলতেই কৰুণ ৰস। 'নামঘোষা'ত ভক্তি ৰস আৰু শান্ত ৰস অনুভূত হয় যদিও সেই অনুভূতি প্ৰবাহিত হৈছে কাৰুণ্যৰ মাজেদি।

'নামঘোষা'ৰ প্ৰথম ভজনত সেইজন যদুপতি ভগবন্তৰ বন্দনা কৰিছে যিজন 'নিজ ভকতৰ বশ্য'। দশ অৱতাৰ ধাৰণ কৰোতা এই ভগৱন্ত মহেশ্বৰ। তেওঁ বাসুদেৱ আৰু তেওঁ নিৰাকাৰ যদিও সাকাৰ ৰূপেও অলেখ নাম। চৈধ্যসাক্ষীৰ ওপৰত তেওঁ সৰ্বসাক্ষী, গতিকে সমস্তৰে বুদ্ধি-চিত্তৰ দ্ৰষ্টা, অন্তৰ্যামীৰূপে তেওঁ জীৱৰ নিয়ামক। প্ৰতি জীৱৰ একোটা অংশ চৰাচৰ আত্মা আৰু মূল এই ভগৱন্ত পৰম ব্ৰহ্ম। জড় জগতৰ একমাত্ৰ চৈতন্য শক্তি যিয়ে 'ব্ৰহ্মা আদি কৰি যত জীৱ মায়া শয্যা মাজে ঘুমটি' গৈ থকাৰ পৰা জগাব পাৰে।

প্ৰকৃতিৰ দুইশক্তি আৱৰণ আৰু বিক্ষেপ। আৱৰণে অবিদ্যা নামলৈ প্ৰকৃতিয়ে জীৱৰ মনত অনাত্মা দেহত আত্মবুদ্ধি ঘটায়। বিক্ষেপ শক্তি হ'ল পাৰমেশ্বৰী মায়া। সেইদৰে

*গুৰুজনাৰ অনুভূতি আৰু প্ৰতিভাৰ পৰশত সুষম পটল-বিভাজনৰ যোগেদি মূলৰ প্ৰতিটো শ্লোকেই যেন নৱ জন্ম লাভ কৰিছে। ভক্তি নিৰূপক গ্ৰন্থ হিচাপে 'নামঘোষা' নিৰূপম। অৱতাৰবাদ, প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ, মায়া-তৰণৰ উপায় স্বৰূপে সকলো ধৰ্মৰ ভিতৰত, জ্ঞান-কৰ্মৰ ওপৰতো ভক্তিৰ অহৈতুকিতা বা অনিমিত্ততা, ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন প্ৰধানতা, সৎসঙ্গ মাহাত্ম্য, দাস্য, জড়ৰূপী অন্য দেৱসেৱা নিবাৰণ পূৰ্বক চৈতন্যস্বৰূপ একদেৱ আৰু এক নামৰ বিশ্বাসেৰে এক শৰণবাদ — মহাপুৰুষীয়া ধৰ্মৰ এই মূল সূত্ৰবোৰ 'নামঘোষা'ৰ নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে। 'নামঘোষা'ই প্ৰধানত তিনিটা ভাবৰ ধাৰাৰ সমাহাৰত এক বিশাল আনন্দ সাগৰৰ সৃষ্টি কৰিছে — পূণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য।*



পুৰুষো দুবিধ — প্ৰকৃতিৰ অধীন জীৱ আৰু প্ৰকৃতিক বশ কৰি সংসাৰৰ সৃজন কৰোতা ঈশ্বৰ।

*প্ৰকৃতি পুৰুষ দুইত কৰি পৰ*
*দুই হানো নিজ কাৰণ।*

গতিকে তেওঁ পৰমেশ্বৰ, পৰম ভজনীয়। তেৱেঁই নিৰ্গুণ কিন্তু সময় সাপেক্ষে গুণযুক্ত —

*তুমি প্ৰভু নিৰ্গুণ, গুণৰ সীমা নাই।*
*নিৰ্গুণ হোৱয় জীৱ সেহি গুণ গাই।।*

'নামঘোষা'ত এই নিৰ্গুণ, নিৰাকাৰ আৰু সাকাৰ উভয় ৰূপৰে অসংখ্য নামৰ যি অন্বয় আছে সেয়া বিশেষ বৈশিষ্ট্যপূৰ্ণ। ভক্ত কবি মাধৱদেৱৰ তত্ত্বদৰ্শী মনে প্ৰতিটো নামৰে অভিনৱ তাৎপৰ্য লোকচক্ষুৰ আগত দাঙি ধৰিছে। ছবি আৰু দুলড়ী ছন্দৰ নামান্বয়খণ্ড 'নামঘোষা'ৰ অন্যতম সম্পদ। অৰ্থৰ গভীৰতা আৰু প্ৰকাশ ভঙ্গীৰ স্বচ্ছন্দতা বা সংমিশ্ৰণত সদানন্দ পুৰুষোত্তমৰ প্ৰতিটো ৰূপেই ভক্তৰ মনত সৰলভাৱে ধৰা দিয়েহি।

একদেৱ সেৱা 'নামঘোষা'ৰ প্ৰধান বক্তব্য। যিহেতু কৃষ্ণহে একমাত্ৰ দুখহাৰী দেৱ গতিকে ই 'কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱনাহি আৰ'। ঈশ্বৰ নিৰ্ণয় খণ্ডত সৃষ্টি, স্থিতি, অন্তকাৰী দেৱৰূপে কৃষ্ণ বা বিষ্ণুক সমস্ত জগতৰ সাৰ বুলি নিৰ্ণয় কৰিছে। নামঘোষাত দাস্য ভক্তিৰ সুৰে এক অন্যতম বৈশিষ্ট্য বহন কৰিছে। দাস্যভক্তিৰ লগত মিশ্ৰিত গুৰুজনাৰ একান্ত আত্মসমৰ্পনৰ আকুতিয়ে নামঘোষাক হৃদয় পৰশা কৰি তুলিছে। কৃষ্ণ কিংকৰৰ দাস হ'ব পৰাটোও মহাভাগ্য, তাৰ পুণ্যফল তীৰ্থব্ৰততকৈয়ো বেছি।

*দান্তে তৃণ তুলি ধৰো যিমতে সেৱাত ৰহো*
*দিয়া মোক সেহি উপদেশ।*

মায়াৰ সহায়ত এক পৰম শক্তিয়ে চৰাচৰ স্ৰজন আৰু পালন কৰিছে। সংসাৰ সৃষ্টিৰ আহিলাৰূপে মায়াক স্ৰজন কৰে পৰমব্ৰহ্মই। বহল অৰ্থত মায়া অনন্ত, ব্ৰহ্মাৰ দৰেই বিনাশহীন। যেতিয়া ভক্তই পৰমতত্ব উপলব্ধি কৰে, ব্ৰহ্মাৰ স্বৰূপ সম্পৰ্কে অৱগত হয় তেতিয়াই তেওঁ মায়াক জয় কৰে। জন্ম-মৃত্যুৰ চক্ৰত জীৱ অবিৰাম আৱৰ্তিত। ব্ৰহ্মোপলব্ধি নোহোৱালৈকে বাৰে বাৰে জন্মলৈ জীৱই নিকাৰ ভূঞে। ক্ষুদ্ৰ সুখে বহু আশা কৰি, ঐহিক তৃপ্তিকে চৰম সুখ বুলি ভাবি জীৱই তুচ্ছ আনন্দত কাল পাত কৰে। স্বপ্ন বা প্ৰপঞ্চৰ দৰে অলীক মানৱ জীৱনৰ মাজত ভ্ৰমবশতঃ সত্য বিচাৰি পোৱা অজ্ঞান জীৱ মায়া বা অবিদ্যাৰ হাতৰ পুতলা। মায়া দূৰ হ'লেহে জীৱ সংসাৰৰ অনিত্যতা সম্পৰ্কে সচেতন হয় আৰু নিজকে ব্ৰহ্মৰ অংশৰূপে উপলব্ধি কৰে। ইয়েই হৈছে পৰম জ্ঞান। হৰি বিমুখতাত যি নিগ্ৰহ, হৰিত আত্মসমৰ্পনতেই তাৰ সমাপ্তি। সেয়ে কোৱা হৈছে —

*নমো নমো নাৰায়ণ প্ৰসন্ন হয়োক হৰি*
*কৰিয়োক মায়াৰ নিৰ্যাণ।*
*আপোনাৰ মহিমাক আপুনি বেকত কৰি*
*জীৱক কৰিয়ো পৰিত্ৰাণ।।*

শৰীৰ ত্যাগৰ পিছত লাভ কৰা মুক্তি হৈছে বিদেহ মুক্তি। সাষ্টি, সালোক্য, সামীপ্য আৰু সাযুজ্য মুক্তিৰ প্ৰতিটোৱেই যদিও পৰম আদৰণীয়, নামঘোষাত কিন্তু মুক্তিতকৈ ভক্তিক বেছি প্ৰাধান্য দিয়া হৈছে। পুথিখনৰ আদিতে থকা ঘোষাফাকিৰ পৰাই অনুমান কৰিব পাৰি যে মুক্তিতকৈ ভক্তিৰ সোৱাদ বেছি। ভক্তি উৎপাদনৰ বাবে হৰিকথা চৰ্চা আৰু শ্ৰৱণ প্ৰশস্ত উপায়। তাৰবাবে প্ৰয়োজন সন্তজনৰ সঙ্গ। একান্ত ভক্তই 'নকৰে কামনা ভকতিক তেজি আন' — সেয়ে হৈছে ভাগৱতী ভক্তি। ভক্তি যেতিয়া ঐকান্তিক হয়, ভক্তৰ মনত তেতিয়া ভগবন্তৰ বাহিৰে অন্য চিন্তা নাথাকে। তেওঁৰ সমগ্ৰ অনুৰক্তি থুপ খায়গৈ ইষ্টদেৱতাৰ চৰণত। সকলো চিন্তা আৰু সংকোচ আঁতৰাই কৃষ্ণ প্ৰেমত মগ্ন হ'ব পৰাই হৈছে প্ৰকৃত ভক্তি।

'নামঘোষা'ৰ 'আত্মউপদেশ' অধ্যায়ত মাধৱদেৱে অন্তবেন্দ্ৰিয় মন, চিত্ত, বুদ্ধি, অহংকাৰ আৰু জ্ঞানেন্দ্ৰিয় জিহ্বা আৰু কৰ্ণৰ বিষয়ে যি উক্তি কৰিছে তাৰ মাজেদি তেওঁৰ ঐকান্তিক ভক্তিৰ গাঢ়তা ফুটি উঠিছে। কৃষ্ণনাম পৰম মঙ্গল বুলি সংকল্প কৰি সেই অমৃতময় নাম শ্ৰৱণ-কীৰ্ত্তন আৰু উপলব্ধি কৰিবলৈ তেওঁ আপোনা ইন্দ্ৰিয় সমূহক আহ্বান কৰিছে। যি গুৰু-গম্ভীৰ আৰু ঈষৎ কৰুণ সুৰত 'নামঘোষা'ৰ ঘোষাসমূহে ৰূপ লৈছে, তাৰ মাজত ব্যতিক্ৰম হ'ল পুথিখনৰ 'নিন্দা' অংশ। হৰিবিমুখ আৰু শঙ্কৰ বিৰোধী সকলৰ প্ৰতি এই অংশত মাধৱ দেৱৰ বক্তব্য তীক্ষ্ণ আৰু মৰ্মভেদী। যিজন গুৰুক তেওঁ ভগবানৰ আসনত বহুৱাইছে, সেই পিতৃ প্ৰতীম শংকৰদেৱৰ বিৰোধে কাৰোবাৰ কটু মন্তব্য শুনিলে মাধৱদেৱৰ মন তিক্ত-বিৰক্ত হৈ উঠে। শান্ত সমাহিত ভক্ত মাধৱ নিমিষতে পৰিণত হয় যুক্তিৰ বাণেৰে বিপক্ষক ধৰাশায়ী কৰিব পৰা নিপুণ ধৰ্ম প্ৰচাৰকলৈ।

*'নামঘোষা'ৰ 'আত্মউপদেশ' অধ্যায়ত মাধৱদেৱে অন্তৰেন্দ্ৰিয় মন, চিত্ত, বুদ্ধি, অহংকাৰ আৰু জ্ঞানেন্দ্ৰিয় জিহ্বা আৰু কৰ্ণৰ বিষয়ে যি উক্তি কৰিছে তাৰ মাজেদি তেওঁৰ ঐকান্তিক ভক্তিৰ গাঢ়তা ফুটি উঠিছে। কৃষ্ণনাম পৰম মঙ্গল বুলি সংকল্প কৰি সেই অমৃতময় নাম শ্ৰৱণ-কীৰ্ত্তন আৰু উপলব্ধি কৰিবলৈ তেওঁ আপোনা ইন্দ্ৰিয় সমূহক আহ্বান কৰিছে।*

বহুতো লুকা-ভাকুৰ পিছত বিচৰাজনক ওচৰত পালে এৰি দিবলৈ মন নকৰা কোমল প্ৰাণৰ গুৰুজনাই কাতৰ কণ্ঠে কৈ উঠিছে —

*ইবাৰ কৰুণাময় হৰি কমলাপতি*
*মোৰে নছাড়িবা নাৰায়ণ।*
*অৰুণ চৰণ তলে হৰি কমলাপতি*
*সত্যে সত্যে পশিলো শৰণ।।*

এই 'মোক নছাড়িবা' সুৰটোৱে 'নামঘোষা'ৰ ঘাই আকৰ্ষণ সৃষ্টি কৰিছে। ভক্ত কবি, সাধক বা ৰহস্যবাদী সকলে বেলেগে বেলেগে ভগবানক কামনা কৰে। কোনোৱে বিচাৰে প্ৰিয়ৰূপে, কোনোৱে কামনা কৰে

স্বামীৰূপে, কোনোৱে আকৌ বিচাৰে প্ৰিয়াৰ মাজতে তেওঁৰ ৰূপ। মাধৱদেৱৰ সেই চিৰবাঞ্চিত ৰূপ হ'ল 'প্ৰিয় আত্মা সখা ইষ্ট গুৰু'। স্থানবিশেষে 'তুমি প্ৰিয় আত্মা পৰম দেৱতা' আৰু 'বান্ধৱ মাধৱ' বুলিও তেওঁ ভগবানক সম্বোধন কৰিছে।

'নামঘোষা'ৰ কাব্যিক সৌন্দৰ্যও আলোচনাৰ যোগ্য। ছন্দৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য ভাৱৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তিকাতৰা কৰুণ মূৰ্তিত। আজীৱন কৌমাৰ্যব্ৰতী এইজনা ভক্ত কবিৰ মায়াময় সংসাৰৰ প্ৰতি বিৰক্তি আৰু ভগবানৰ অৰুণ চৰণত আসক্তিৰ একান্ত আকুল সুৰ কৰুণ সুৰত প্ৰকাশ পাইছে। মাধৱদেৱৰ আড়ম্বৰহীন কবিতাসমূহো ঠাই বিশেষে উপমা অলংকাৰেৰে শোভিত হৈছে। সংস্কৃত বাক্যৰীতিৰ আৰ্হিতেই তেওঁৰ ইষ্ট দেৱতাৰ ৰূপ ধাৰণ কৰিছে। তেওঁৰ ইষ্টদেৱতা নয়ন, চৰণ হস্ত আদি সকলো পঙ্কজসদৃশ। এই গতানুগতিক উপমাতে তেওঁৰ মৌলিকতা সু-স্পষ্ট।

*কৃপাৰসে তিতি অৰুণ বৰুণ*
*চৰণ ভৈল তোমাৰ।*

ৰূপক অলংকাৰৰ প্ৰয়োগেও 'নামঘোষা'ক সুন্দৰ কৰি তুলিছে। হৰিভক্তি দান কৰা সন্তোষৰ বিষয়ত সেয়ে কোৱা হৈছে —

*হৰি ভক্তি সৰোবৰে সন্তোষ অমৃত জলে*
*কৃষ্ণ পাদপদ্ম প্ৰকাশয়।*
*ৰাম নাম ৰাজহংসে ছানিয়া আৰাৱ কৰে*
*শুনি আতি কৌতুক মিলয়।।*

মাধৱদেৱে তেওঁৰ সুহৃদ দেৱতাৰ লগত জড়িত প্ৰতিটো বস্তুতে অমৃত সন্ধান পায়। তেওঁৰ বাবে 'ৰাম নামেসে অমিয়া জুৰে', 'মায়াৰ ৰচনা আশানদী মাজে মজিয়া নপাইলো পাৰ' নাইবা 'ভৱকূপে জীৱ আছে পৰি, কালসৰ্পে দংশি হৰিল চেতন তাৰ' আদি ৰচনাবোৰ স্বভাৱজাত উপমাৰ প্ৰয়োগেৰে সুন্দৰ আৰু অৰ্থবহ।

এনেভাৱে মাধৱদেৱে ভক্তি আদৰ্শ আৰু গুৰু শংকৰদেৱ অঙ্কিত বৃত্তৰ পৰিধিৰ মাজত আপোন প্ৰতিভাৰ সুষমা আৰু সৌন্দৰ্য্যৰে অসমীয়া সমাজ-সাহিত্য আৰু সংস্কৃতিৰ ইতিহাস বোলাই থৈ গৈছে। শৰৎ কালত চিৰপৰিচিত গিৰি, নৈ, বন-উপবন আদিয়ে বিমল কান্তি ধাৰণ কৰাৰ দৰে, চন্দ্ৰ-কিৰণৰ মৃদু পোহৰত চিৰপৰিচিত নৈৰ পানীৰ ওপৰত অপৰূপ জেউতি পৰাৰ দৰে ৰসময়ী ভক্তিৰ নিয়ৰত তিতা নানান মুলৰ পৰা সংগৃহীত 'নামঘোষা'ৰ পাদপুঞ্জৰ ওপৰত এক অভিনৱ সৌন্দৰ্যৰ বৃষ্টি হৈছে। ■

**(সহায় লৈ)**

অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্পগুণ কৰয় বিস্তাৰ।।
— মাধৱদেৱ।

## The Wolfman and the Flesh-woman

# *Power-Nature and the Question of Humanity*

□ **Palitra Bharali**

*The basic theme in "Kukurnechia manuh" is the plight of the rootless man. In the introduction to the play, the dramatist himself says, ".... attempt is to make the wolf boy represent the minority community in the world .... also to present the condition of the rootless man when they become a minority. A man once rootless, is very difficult to be re-established as he is not a welcome in the newland, and even if he chances to return to the origin, his voice is always repressed".*

Prof. Ashok Choudhury catches a wolf-boy in Ramsang forest, brings him home and sears with his own daughter Reema. He sends this wolf-boy whom he names Romu to the reputed great Heart school with a view to make him a perfect human being. Afterwards due to the complaints from guardians and opposition from the managing board headed by MP Nripati Baruah, Romu is taken away from school and taught at home by Prof Choudhury. Romu and Reema acquire maturity in age and in learning. Romu became a co-researcher in the private laboratory of Prof. Choudhury. He enjoys Reema's presence when he is alone in the laboratory. Meanwhile Nripati Baruah engages his son Dilip, an M.Sc, as a co-researcher in Prof. Choudhury's lab. Following it is the marriage arranged between Reema and Dilip. Though Dilip cannot help much in the research, Romu works hard to complete the project and make it a wedding gift to Reema. Romu becomes successful one night. Of course, Dilip was absent that night. The success of the project is reported in the next day's newspaper. Prof. Choudhury is shocked to find that only Dilip's photo is published and only Dilip has been credited for the discovery and to win the national award. It is all the doing of Nripati Baruah. Prof. Choudhury wants to protest but can't because Reema is engaged to Dilip. Aggrieved Romu takes hold of the piece of stone he brought with him at the moment Prof Choudhury caught him.

Jaisingh Jadav is a journalist in an english daily at Delhi. Having report of women-auction, he goes to Luhardaga Bazaar in Bihar and buys a flesh-woman called Kamala for two hundred and fifty rupees. He presents her at a press conference to prove his former report that women-auction is a reality. Kakasaheb, uncle of Sarita, Jaisingh's wife, who himself a senior journalist and owner of a vernacular (Marathi) daily, is critical of the sensationalism and mercenary motive in Jaisingh's journalism. Jaisingh retires to his bed, but Sasita stays back and is sleepless. Kamala, she too being sleepless, comes out of the

bedroom. The two woman have a talk. Thinking that she will remain in that house for good, Kamala makes a pact with Sarita with a view to serve the master the best. Next morning the report of Kamala's presentation at the press conference comes out. As buying Kamala in an auction is a criminal offence, Jaisingh arranges a 'Women Home' and puts her there inspite of Kamala's unwillingness to leave his house, and also, inspite of Sarita's insistence of on keeping Kamala back in the house. In the evening, Jaisingh goes to a party. His colleague Jain comes and informs Sasita that Jaisingh has been dismissed from job due to pressure on the proprietor from some 'very big people'. Jaisingh is called back home and informed of the mishappening. He losses control and collapses on to the sofa Sarita promises to stop being a slave. Of course, she sympathises with Jaisingh his misfortune.

These are the contents of two notable Indian dramas one Assamese – named "Kukurnechia manuh" (1965) (The wolfman) and the other Marathi entitled "Kamala" (1981). The first is the work of Arun Sharma, acclaimed as a great talent in modernist Assamese drama while the second is the product of Vijay Tendulkar, regarded as one of the four great dramatists (the other three being Mohan Rakesh in Hindi, Badal Sircar in Bengali and Girish Karnad in Kannada) to bring modernity into the sphere of Indian drama and theatre in 1960s.

The basic theme in "Kukurnechia manuh" is the plight of the rootless man. In the introduction to the play, the dramatist himself says, ".... attempt is to make the wolf boy represent the minority community in the world .... also to present the condition of the rootless man when they become a minority. A man once rootless, is very difficult to be re-established as he is not welcome in the newland, and even if he chances to return to the origin, his voice is always repressed".

Tendulkar's "Kamala" on the otherhand deals with sensationalism in contemporary journalism. Jaisingh risked buying Kamala for professional gains and so he does not stop to think about the aftermath of her expose at the press conference. Presenting Kakasaheb, Tendulkar brings in the contrast between true ideals of journalism and modern sensationalism of the press. Jaisingh's English paper because of its sensationalism and elitist nature becomes the butt of attack.

Thematically , then the dramas under discussion are incompatible. They are more so from the technical point of view, because while Sharma's play is experimental[2], Tendulkar's is naturalistic[3]. Of course, there are certain things, particularly the ironic representation of power-nature and the humanitarian concern / vision, that apply to both, for which, it seems, they can be clubbed together.

To start with the texts, both Romu – the wolfboy / man, and Kamala-the flesh-woman, are the stepping stones for achievement of the privileged class. Prof. Choudhury had good intention of making Romu a perfect human being, but he gets defeated and Dilip gets the credit of the findings of the research completed by Romu. In Tendulkar's play, Jaisingh was to be promoted because of Kamala who was presented at the press conference in all her attired state. Romu and Kamala are art-objects exploited by universal colonisers.

*Secondly*, both the plays can be called studies on power - mechanisms. It is politics that has the pull of control. The report of the discovery of a new scientific theory crediting only Dilip and depriving Romu was all the doing of the politician Nripati Baruah. Shocked at the report, Prof. Choudhury asks Baruah :

**Choudhury** : But why is Romu not in picture ?

**Baruah** : I am sorry. I couldn't help Romu.

**Choudhury** : Help Romu ? How could Romu need your help ?

**Baruah** : This publicity in the press-in the newspapers-helping for the national award-I had to do all-all these.

In 'Kamala,' though Jaisingh was to be promoted for unfolding truth, he is dismissed from job due to pressures on the proprietor from 'some very big people' involved in the flesh racket. These big people are either politicians or persons with political backing. These aspects in the plays establish the fact that the so-called fourth pillar of democracy has political involvement and hence the unreliability of the press.

Both the plays present gentle and dominated women (Notably, both the dramatists have represented the other class women too-i.e. the assertive or the new women, as

Ibsen said. This assertive women is represented by Nandini in 'Sri Nivaran Bhattacharya' and 'Agnigarh', Aditi in 'Aditir Atmakatha', 'Hiramoni in 'Purush' of Arun Sharma ; and by Champa in 'Sukharam Binder' , Manik in 'The Vultures'/ 'Gidhade', Vijaya in 'Encounter in Umbugland / Dambadwipcha Mukabala', Sumitra / Mitra in 'A friend's story / Mitrachi Goshta'of Vijay Tendulkar etc. etc.) Reema is tender and considerate towards Romu, but she is too tender to rebel against patriachal decisions. She has no say in the marriage arranged. She meekly accepts the decisions of her father, her fiance and the fiance's father.

Kamala is just a doll in Jaisingh's hand. He bought her, presented at the press conference, directed her behaviour and then put her in a 'Women Home' inspite of her unwillingness to leave his home. This unwillingness is not to assert her position but to serve the master. Sarita's position is no better than Kamala. She is an object that provides physical enjoyment, social companionship and domestic comfort to Jaisingh. Kamala's entry into the household opens her eyes and she realises her insignificant position. When Kakasaheb, observing the sensational drama of Jaisingh, says, "Kamala is just a pawn in his game of chess", Sarita immediately says, "Not just Kamala, kakasaheb. Me too...me too."[5] Though Sarita does not have the spirit to rebel, she promises to stop being a slave. Of course, being a devoted wife, She tries to soothe , and so remains with Jaisingh when the latter has been treacherously deprived of his job. In Sharma's play , Reema too cannot rebel ; she feels helpless ; like Sarita to some extent, she tries to soothe the agonized Romu by granting him to call her Atlanta, the name with which Romu wanted to christen her. Of course unlike in Sarita, there is no moral awakening in Reema. Sarita stays with the 'unfortunate' 'innocent' husband ; Reema is getting married to a prosperous , morally depraved family.

Both the dramas focus on the humanitarian concerns of the dramatists. The value system of modern success-oriented society is such that it is ready to sacrifice human values even in the name of humanity itself. Human plight is a reality. Rootless or uprooted, dalits like Romu, Sarita, Kamala, Reema, suffer always. The dramatists make the characters realise it. Nripati, Dilip, the 'very big people' referred to in "Kamala" enjoying the top-most place in the mercenary society are the killers of humanity and are, therefore, criticised by the dramatists. Prof. Choudhury and Jaisingh are both the killers and the killed. Painfully for the audience, Prof. Choudhury is also a character with double-standard. Romu says to Prof. Choudhury," ... you are selfish...you are a very intelligent, a very kind person... but you lack the courage to plunge into the conflict to establish the real human right putting the selfish interests of the racists at bay".[6] Likewise, about Jaisingh Sarita says, "He doesn't consider a slave a human being-just a useful object".

Thus both the dramatists are humanitarian in their approach. They want to present that human-culture suffer due to power-nature. Humanity is at stake. When power is at the hands of the dark forces, the need is a revolution. Romu's determination to keep and make use of the piece of stone and Sarita's promise not to remain a slave are indicative of this revolution. ■

*References :-*


1] Arun Sarmar Nirbachita Natak, Natasurya Memorial Celebration Committe, 2001.Page – 166. Translation is mine.
2] Mohendra Bora – Sahitya Aru Sahitya, Banalata, Dibrugarh, 1988. Page – 214.
3] Arundhati Banerjee – Introduction to "five plays" (1992), reproduced in "collected plays in Translation" OUP, 2005.
Page – 580.
4] Arun Sarma – The wolf man. Translated from Assamese, by Protim Sharma in "Indian Literature" No 213, Jan-Feb, 2003. Page – 127.
5] Vijay Tendulkar – Kamala. Translated by Priya Adarkar in "Collected plays in Translation, OUP – 2005 Page– 43.
6] Arun Sarma ; Page – 133.
7] Vijay Tendulkar ; Page – 46.

# য়েছে দৰজে ঠংচিৰ উপন্যাস : বিষকন্যাৰ দেশত

□ জুলী কোঁচ

য়েছে দৰজে ঠংচি অসমীয়া উপন্যাস সাহিত্যৰ এটা প্ৰতিষ্ঠিত নাম। অৰুণাচলী হৈয়ো তেওঁ যে অসমীয়া ভাষাৰ এজন ব্যতিক্ৰমী আৰু শক্তিশালী লেখক তাত কোনো সন্দেহ নাই। তেওঁ লিখা প্ৰতিখন উপন্যাসেই অসমীয়া উপন্যাস সাহিত্যত উল্লেখযোগ্য স্থান দখল কৰি আছে। ২০০৫ চনত 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ভাৰতীয় সাহিত্য অকাডেমী বঁটা কঢ়িয়াই আনি নিজকে তেওঁ সফলতাৰ শীৰ্ষত প্ৰতিষ্ঠিত কৰিলে। 'চনম', 'মই আকৌ জনম লম', 'মৌন ওঁঠ মুখৰ হৃদয়', 'শৰ কটা মানুহ', 'বিষকন্যাৰ দেশত' আদি তেওঁৰ আটাইকেইখন উপন্যাসেই জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। নিজৰ মাতৃভাষা চেৰদুকপেন হোৱা সত্বেও অসমীয়া ভাষাত সৰলতা আৰু স্বচ্ছন্দতাৰে কাহিনী উপস্থাপন কৰে, তালৈ লক্ষ্য কৰিলে এনে লাগে যেন তেওঁ হাড়ে-হিমজুৰে এজন প্ৰকৃত অসমীয়া।

অলপতে তেওঁৰ 'বিষকন্যাৰ দেশত' শীৰ্ষক উপন্যাসখন পঢ়ি আপ্লুত হ'লো। তেওঁৰ আটাইকেইখন উপন্যাসতে জনজাতীয় লোকৰ অথবা সমাজৰ প্ৰভাৱ পৰিছে। 'বিষকন্যাৰ দেশত'ও ইয়াৰ ব্যতিক্ৰম নহয়। উপন্যাসখনৰ মাজেৰে জনজাতীয় সমাজত প্ৰচলিত অন্ধবিশ্বাসবোৰ অতি বাস্তৱ ৰূপত প্ৰতিফলিত হৈছে। উপন্যাসখন পৰম্পৰাধৰ্মী।

পাংচেনপাসকলৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত অন্ধবিশ্বাস আৰু অপসংস্কাৰৰ ছবিখন অতি সুন্দৰ আৰু সাৱলীল ভাষাৰে তেওঁ উপন্যাসখনত বৰ্ণনা কৰিছে। তেওঁ লিখিছে — "ঘৰখনত সেই সময়ত জামচুৰ উপৰিও তেওঁৰ সুন্দৰী পত্নীৰ লগতে গাভৰু বয়সৰ ছোৱালী দুজনীও আছিল। তেওঁ মোৰ লগত পত্নী আৰু ছোৱালী কেইজনীক পৰিচয় কৰায়ো দিছিল। কিন্তু জামচুৰ পত্নী আৰু ছোৱালী দুজনীয়ে আমাক আপ্যায়ন কৰিবলৈ কোনো যো-জা নকৰিলে। তেওঁলোক ভিতৰতে থাকি অন্য কামত ব্যস্ত হৈ পৰিল আৰু সেয়া দেখি মই আচৰিত হ'লো। "....মই দেখি আচৰিত হ'লো যে ভাত বঢ়াৰ আগতে ঘৰৰ তিৰোতাসকল শাৰী পাতি ঘৰৰপৰা ওলাই গ'ল আৰু আমাৰ খোৱা শেষ হোৱাৰ পাছতহে তেওঁলোক পুনৰ ঘৰলৈ উভতি আহিল।"

আৰু এঠাইত তেওঁ উপন্যাসখনৰ নায়িকা টাচিয়োদনৰ মুখেৰে কোৱাইছে — "..... আমাৰ হাতৰ পৰা কোনো পৰপুৰুষে একো খাব নাপায়, আনকি আমাৰ সমুখতো কোনো পৰপুৰুষে একো খাব নাপায়। খালে বোলে আমাৰ পাংচেনপা তিৰোতাৰ চকু লাগে আৰু খাওঁতাজনৰ খোৱা বস্তু বিহ হৈ যায়। খাওঁতাজনৰ লাহে লাহে বেমাৰ হ'বলৈ আৰম্ভ কৰে আৰু অৱশেষত মৰি যায়।" "...... আমি পাংচেনপা তিৰোতাসকলে খাওঁতে সদায় তলমূৰ কৰি খাব লাগে। নহ'লে আমাৰ চকুৰ পৰা ওলোৱা লালসাই অন্য খাওঁতাজনৰ অন্যায় কৰিব পাৰে। সেই কাৰণে তলমূৰ কৰি খোৱা মোৰ অভ্যাস হৈ গ'ল।"

উপন্যাসখনৰ ঠায়ে ঠায়ে প্ৰকাশ পোৱা এনে বৰ্ণনাই অন্ধবিশ্বাসত জৰ্জৰিত সেই সমাজখনৰ এক স্পষ্ট প্ৰতিচ্ছবি আমাৰ সমুখত দাঙি ধৰাত সহায় কৰিছে।

শ্ৰদ্ধেয় ঠংচিয়ে যিখন সমাজৰ কথা উপন্যাসখনত বৰ্ণনা কৰিছে সেই সমাজখনৰ তিৰোতাসকলেই 'বিষকন্যা'। সেয়ে তেওঁলোকৰ এনে আচৰণৰ মূল কাৰণ হ'ল বিষকন্যা। নাৰীৰ প্ৰতি পোষণ কৰা অন্ধবিশ্বাস। ঔপন্যাসিকে সমাজৰ এই অন্ধবিশ্বাসৰ ছবিখন স্বচ্ছক্ষে প্ৰত্যক্ষ কৰিছিল। সেয়ে তেওঁৰ বৰ্ণনাই উপন্যাসখনত অধিক বাস্তৱৰূপ লাভ কৰিবলৈ সক্ষম হৈছে।

ঔপন্যাসিকে সমাজৰ এই অন্ধবিশ্বাসবোৰ কেৱল বৰ্ণনা কৰিয়েই ক্ষান্ত হোৱা নাই, তেওঁ নায়িকাৰ স'তে মিলি এই অন্ধবিশ্বাসবোৰ দূৰ কৰাৰ প্ৰচেষ্টাও চলাইছে আৰু এই প্ৰচেষ্টাত তেওঁলোক সফলো হৈছে। সেয়ে উপন্যাসখন পঢ়ি এনে লাগে যেন ঔপন্যাসিকে সমাজৰ এই অন্ধবিশ্বাসবোৰ দূৰ কৰাৰ বাবে উপন্যাসখন মাধ্যম হিচাপেহে প্ৰস্তুত কৰিছে। অন্ধবিশ্বাস আৰু অপসংস্কাৰে কোঙা কৰা জনজাতীয় এই সমাজখন নিকাকৈ গঢ়াৰ এক বিৰল প্ৰচেষ্টা চলাইছে ঔপন্যাসিকে এই ঔপন্যাসখনৰ জৰিয়তে।

উপন্যাসখনত নায়ক-নায়িকা দুয়োৰে কৰ্মময় জীৱনটোও অতি সুন্দৰকৈ ফুটি উঠিছে। তেওঁলোকৰ কৰ্মদক্ষতাত সমাজৰ সকলো লোকে আপ্লুত হৈছে আৰু সমাজৰ উন্নতিৰ স্বাৰ্থত তেওঁলোকে যি অৱদান আগবঢ়াইছে তাৰবাবে সকলোৰে আশীৰ্বাদৰ পাত্ৰ হৈ উঠিছে তেওঁলোক। শেষত প্ৰেমৰ পৰিণতিস্বৰূপে দুয়োৰে মিলন হৈছে। তথাপি তেওঁলোক নিজৰ স্থিতিৰপৰা আঁতৰি যোৱা নাই। বৰং দুয়োৰে মিলি সমাজৰ বাবে আৰু অধিক কাম কৰিবলৈ প্ৰেৰণাহে পাইছে। এনেবোৰ দিশে উপন্যাসখন অধিক মনোগ্ৰাহী কৰি তুলিছে।

মুঠতে ঠংচিৰ 'বিষকন্যাৰ দেশত' উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যত এখন উল্লেখযোগ্য উপন্যাসস্বৰূপে পৰিগণিত হৈ ৰ'ব।■

# বিশ্বায়নৰ সাম্প্ৰতিক ৰূপ আৰু বিকল্প বিশ্বৰ সন্ধান....

□ মদন মোহন চৌধুৰী

পুঁজিবাদৰ প্ৰবক্তাসকলে যি বিশ্বায়নৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ কৰিছে ইয়াৰ মূল লক্ষ্যই হ'ল পুঁজিবাদ-সাম্ৰাজ্যবাদৰ সম্প্ৰসাৰণ, বিশ্বত এককেন্দ্ৰীভূত অৰ্থনৈতিক ব্যৱস্থা। নেতৃত্বত থাকিব আমেৰিকান সাম্ৰাজ্যবাদ। এই ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু আধিপত্য থাকিব মুষ্টিমেয় কেইখনমান দেশৰ বৃহৎ বহুজাতিক নিগম বোৰৰ হাতত। এওঁলোকৰ লক্ষ্যই হ'ল বিশ্বৰ বজাৰ দখল কৰা আধিকতম মুনাফা অৰ্জন কৰা। ইয়াৰ বাবে উদ্ভাৱন কৰা হ'ল নানান অৰ্থনৈতিক তত্ব আৰু অভিনৱ কিছুমান কূট কৌশল। সৃষ্টি কৰা হ'ল কিছুমান নতুন নতুন আন্তৰ্জাতিক সংগঠনৰ। আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ, বিশ্ব বেঙ্ক, বিশ্ব বাণিজ্য সন্থা ইত্যাদি হ'ল ইয়াৰ উদাহৰণ। প্ৰবৰ্ত্তিত হ'ল নতুন অৰ্থনৈতিক নীতি, উদাৰীকৰণৰ নীতি।



বিশ্বায়ন কুৰি শতিকাৰ শেষভাগৰপৰা বহু চৰ্চিত হৈ পৰা এটি অতি গুৰুত্বপূৰ্ণ বিষয়। বিশ্বায়নৰ প্ৰায়োগিক দিশৰ সফলতা আৰু সংশয়কলৈ সমগ্ৰ বিশ্বতে অবিৰতভাৱে চলি আছে যুক্তিতৰ্ক। বিশ্বায়নৰ ধাৰণা কিন্তু বহু পুৰণি। এই সম্পৰ্কে এচাম সমাজবিদ, অৰ্থনীতিবিদ, শিল্পী-সাহিত্যিকে গভীৰভাৱে বিচাৰ বিশ্লেষণ কৰিছিল বহুবছৰৰ আগেয়ে। তেওঁলোকৰ চিন্তা-চৰ্চাৰ প্ৰসাৰৰ মাজেৰে সাধাৰণ মানুহক বিশ্বায়ন সম্পৰ্কে এক মধুৰ ৰচনাত্মক ধাৰণা জাগৃত হৈছিল। কাৰণ এই ধাৰণাই এখন শোষণমুক্ত, বৈষম্যহীন, সমানাধিকাৰৰ ভিত্তিত গঢ়ি উঠা সমাজবাদী সমাজৰ ধাৰণা জাগৃত হৈছিল। মহান সমাজতাত্বিক কাৰ্লমাৰ্ক্স আৰু মহামতি লেনিনৰ সৰ্বহাৰাৰ আন্তৰ্জাতিকতাবাদ বিশ্বায়নৰেই এক ৰূপ। বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ, সংগ্ৰামী শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা, সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা আদি বিভিন্ন জনৰ লিখনিতো আমি বিশ্ব মানৱতাৰ কথাকেই পাওঁ। এই আদৰ্শৰ আধাৰতেই অঙ্কুৰিত হৈছিল ১৯১৭ চনত ছোভিয়েট ইউনিয়নৰ আৰু অতি কম সময়ৰ ভিতৰতে বিশ্বৰ এক তৃতীয়াংশ দেশে এই ধাৰণালৈ গঢ়ি তুলিছিল এক নতুন শোষণহীন মুক্ত সমাজ — এখন দ্বিতীয় বিশ্ব। আমাৰ দেশতো এচাম ৰাজনীতিবিদ, সমাজ তাত্বিক, শিল্পী-সাহিত্যিক এই ধ্যান ধাৰণাৰে সমৃদ্ধহৈ নিজ নিজ কৰ্মক্ষেত্ৰত ইয়াৰ প্ৰসাৰৰ ব্যৱস্থা কৰিছিল।

কিন্তু কুৰিশতিকাৰ শেষৰ ভাগত বিশেষকৈ ছোভিয়েট ইউনিয়ন আৰু পূৰ্ব্ব ইউৰোপৰ দেশ কিছুমানত সমাজবাদী ব্যৱস্থাৰ পতন হোৱাৰ লগে লগে বিশ্বায়নৰ প্ৰায়োগিক অৰ্থতো আমুল পৰিবৰ্ত্তন ঘটে। পুঁজিবাদৰ প্ৰবক্তাসকলে যি বিশ্বায়নৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ কৰিছে ইয়াৰ মূল লক্ষ্যই হ'ল পুঁজিবাদ-সাম্ৰাজ্যবাদৰ সম্প্ৰসাৰণ, বিশ্বত এককেন্দ্ৰীভূত অৰ্থনৈতিক ব্যৱস্থা। নেতৃত্বত থাকিব আমেৰিকান সাম্ৰাজ্যবাদ। এই ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু আধিপত্য থাকিব মুষ্টিমেয় কেইখনমান দেশৰ বৃহৎ বহুজাতিক নিগমবোৰৰ হাতত। এওঁলোকৰ লক্ষ্যই হ'ল বিশ্বৰ বজাৰ দখল কৰা আৰু আধিকতম মুনাফা অৰ্জন কৰা। ইয়াৰ বাবে উদ্ভাৱন কৰা হ'ল নানান অৰ্থনৈতিক তত্ব আৰু অভিনৱ কিছুমান কূট কৌশল। সৃষ্টি কৰা হ'ল কিছুমান নতুন নতুন আন্তৰ্জাতিক সংগঠনৰ। আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ, বিশ্ব বেঙ্ক, বিশ্ব বাণিজ্য সন্থা ইত্যাদি হ'ল ইয়াৰ উদাহৰণ। প্ৰবৰ্ত্তিত হ'ল নতুন অৰ্থনৈতিক নীতি, উদাৰীকৰণৰ নীতি। অনুন্নত আৰু উন্নয়নশীল দেশবোৰক মুক্ত অৰ্থনীতিৰ মায়াজালেৰে বান্ধি পেলোৱা হ'ল আৰু বাধাহীনভাৱে সোমাই পৰিল বিদেশী লগ্নীপুঁজি।

ইতিমধ্যে বিশ্বব্যাপী প্ৰবৰ্ত্তিত হোৱা পুঁজিবাদী বিশ্বায়ন ব্যৱস্থাই প্ৰকট কৰি তুলিছে ধন আৰু আয়ৰ বৈষম্যক। ধনীক শ্ৰেণী দ্ৰুতগতিত অধিক

ধনী হৈ গৈছে আৰু গৰীব শ্ৰেণী অধিক গৰীব হৈ গৈছে। সমগ্ৰ বিশ্বৰ মুঠ আয়ৰ ৫৪ শতাংশ হস্তগত কৰি ৰাখিছে বিশ্ব জনসংখ্যাৰ আটাইতকৈ ধনী মাত্ৰ ১০ শতাংশ মানুহে। বিশ্বৰ আটাইতকৈ ধনী মাত্ৰ ৫০০ ব্যক্তিৰ মুঠ আয় হৈছে গৰীব ৪১ কোটি ৬০ লাখ মানুহৰ সন্মিলিত আয়ৰ সমান। ১০০ কোটি মানুহ হৈছে দাল-দৰিদ্ৰ। ইয়াৰ মুখ্য কাৰণ হ'ল বিশ্বায়নৰ প্ৰধান বৈশিষ্ট্যই হৈছে লগ্নীপুঁজিৰ অভুতপূৰ্ব্ব প্ৰাধান্য আৰু লক্ষ্য হৈছে চূড়ান্ত লাভকল্পী। ফলত শ্বেয়াৰ বজাৰ, মুদ্ৰা বাণিজ্যৰ বজাৰ ইত্যাদিত জুৱা বৃত্তিৰ জৰিয়তে অতি দ্ৰুত আৰু সীমাহীন মুনাফাৰ বাবে ব্যৱহৃত এই পুঁজি হৈছে অনুৎপাদনশীল, ই সৃষ্টি নকৰে কৰ্মসংস্থাপনৰ, সৃষ্টি নকৰে কোনো নতুন কল কাৰাখানাৰ। কোনো দেশৰ জাতীয় সম্পদো বৃদ্ধি নকৰে এই ব্যৱস্থাই। আনহাতে উৎপাদনশীল পুঁজিৰ ওপৰত ই প্ৰচণ্ড প্ৰভাৱ বিস্তাৰ কৰি শিক্ষা, স্বাস্থ্য আদিকে ধৰি সামাজিক ক্ষেত্ৰত ব্যাপকভাৱে বেচৰকাৰীকৰণ আৰু বাণিজ্যিকৰণৰ ব্যৱস্থা কৰে। কল্যানকামী ৰাষ্ট্ৰ হিচাপে দুখীয়া-দ্ৰৰিদ্ৰ জনগণৰ প্ৰতি দিয়া সকাহ সমূহো ৰদ কৰিবলৈ ৰাষ্ট্ৰবোৰক বাধ্য কৰায়। নিয়ন্ত্ৰন কৰিব বিচাৰে ৰাষ্ট্ৰবোৰৰ জাতীয় সম্পদ সমূহো। বিশ্বায়নৰ অগ্ৰগতিৰ লগে লগে আন্ত:ৰাষ্ট্ৰীয় বিশ্ব অৰ্থনীতিৰ চৰিত্ৰৰো ৰূপান্তৰ ঘটিব ধৰিছে। একাধিক ৰাষ্ট্ৰীয় সম্পৰ্কৰ পৰিবৰ্ত্তে গঢ়ি উঠিব ধৰিছে এটি সুসংহত বিশ্বায়িত অৰ্থনীতি। এই অৰ্থনীতিয়ে ক্ৰমাগতভাৱে জাতি ৰাষ্ট্ৰৰ ধাৰণাত লগত সংঘাটত লিপ্ত হ'ব — আক্ৰান্ত হ'ব জাতি ৰাষ্ট্ৰ, অৱদামিত হব মৰ্য্যদা। প্ৰত্যাহ্বান আহিব জাতিৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতি।

আমেৰিকা, কানাডা, জাপান, ইংলেণ্ড আদি উন্নত ধনতান্ত্ৰিক দেশত পঞ্জীয়নভুক্ত প্ৰায় ৫০০ টা বহুজাতিক নিগমে বিশ্বৰ মুঠ উৎপাদনৰ ৫০ শতাংশ আৰু প্ৰত্যক্ষ বিদেশী নিয়োগৰ ৯৫ শতাংশ নিয়ন্ত্ৰন কৰে। তৃতীয় বিশ্বৰ দেশবোৰ এই বহুজাতিকবোৰৰ হাতোৰাত ইতিমধ্যে সোমাই পৰিছে। আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ, বিশ্ববেঙ্ক, বিশ্ব বাণিজ্য সন্থা আদিৰ জৰীয়তে বিশ্বৰ পিচপৰা আৰু ভাৰতবৰ্ষকে ধৰি উন্নয়নশীল দেশবোৰক উদাৰিকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়িতকৰণ ব্যৱস্থা প্ৰৰ্বত্তন কৰিবলৈ বাধ্য কৰোৱা হৈছে। এই ব্যৱস্থাই দেশবোৰ অৰ্থনীতিৰ ৰাজহাড় ভাঙি দিয়াই নহয় দেশৰ ৰাজনীতি, সমাজনীতি, শিক্ষা-সংস্কৃতি আদি সকলো দিশতেই কু-প্ৰভাৱ বিস্তাৰ কৰিছে। সৃষ্টি কৰিছে এখন কুৰুচিপূৰ্ণ ভোগসৰ্বস্ব অনৈতিক সমাজ ব্যৱস্থা, অৱনমিত হৈছে মানৱীয় মূল্যবোধ। আক্ৰান্ত হৈছে সৰ্ব্বাধিক জনসধাৰণ। দুনীতি, ভ্ৰষ্টাচাৰ, শোষণ, বঞ্চনা, দমন-পীড়নত জৰ্জৰিত মানুহ হতাশাগ্ৰস্ত হৈ জন্ম দিছে উগ্ৰবাদৰ, গঢ়ি তুলিছে ধৰ্মীয় মৌলবাদ, পুনৰুত্থান আৰু পৃথকত্বৰ দাবীৰ। পাব বিচাৰিছে পৰিত্ৰাণ। অৱনমিত হৈছে গণতান্ত্ৰিক প্ৰমূল্যবোধ।

ইতিমধ্যে বিশ্বায়নে কৰা ক্ষয়ক্ষতিৰ উমান আমাৰ দেশৰো সৰ্বস্তৰতে সহজতে অনুভুত হয়। মুক্ত অৰ্থনীতিৰ গয়না লৈ ইতিমধ্যে বৃহৎ বহুজাতিক নিগমবোৰে আমাৰ দেশৰ বজাৰ দখল কৰি সৰ্বসাধাৰণ মানুহক নাকনি কাননি কৰিছে। মূল্য বৃদ্ধি চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ গৈছে। অধিক মুনাফা অৰ্জনেই হ'ল নিকায়বোৰৰ একমাত্ৰ লক্ষ্য। ব্যক্তিগতকৰণ ব্যৱস্থাই অকল অৰ্থনীতিতেই নহয় শিক্ষা, স্বাস্থ্য, সংস্কৃতি আদিৰ ক্ষেত্ৰত প্ৰৱল আঘাত হানিছে। আৰু এই সকলোবোৰেই হৈছে পণ্য সামগ্ৰী। মানৱতাবোধ আজি ভূ-লুন্ঠিত। কৰ্মসংস্থান বিলুপ্ত। সৰ্বস্তৰতে দুনীতি, ভ্ৰষ্টাচাৰ। হত্যা, সন্ত্ৰাস, ধৰ্ষণ আদি সামাজিক ব্যাধিয়ে বিপৰ্য্যস্ত কৰিছে জনজীৱন। দিশহাৰা সাধাৰণ শ্ৰমিক, কৃষক ৰাইজ। নিৰুপায় অসহায় হাজাৰ হাজাৰ কৃষকে ইতিমধ্যে আত্মহত্যাৰ পথ বাছি লৈছে। ভোগসৰ্বস্ব লালসাই বিপথগামী কৰিছে নৱ প্ৰজন্মক। বৃদ্ধি হৈছে উগ্ৰবাদ, সন্ত্ৰাসবাদৰ। দ্ৰুত গতিত পশ্চিমীয়া অপসংস্কৃতিয়ে গ্ৰাস কৰি আনিছে নৱ প্ৰজন্মক। চৰম আঘাত হানিছে দেশৰ থলুৱা সংস্কৃতি, শিক্ষা ব্যৱস্থা আৰু মানৱীয় মূল্যবোধৰ ওপৰত। সমাজ হৈছে 'যোগ্য ভোগ্য বসুন্ধৰা'। ধনী দুখীয়াৰ ব্যৱধান অধিক প্ৰকট হৈ পৰিছে। বিলুপ্ত হৈছে দেশৰ কল্যানকামী চৰিত্ৰ। ভোগবাদে আচ্ছন্ন কৰিছে নৱ প্ৰজন্মক।

আনহাতে সন্মিলিত ৰাষ্ট্ৰসংঘৰ দৰে মানৱ কল্যানৰ হকে, বিশ্ব শান্তিৰ হকে, দলিত-বঞ্চিত সকলৰ হকে কামকৰাৰ প্ৰত্যয়লৈ সৃষ্টি হোৱা আন্তৰ্জাতিক সংগঠনবোৰো আজি অৰ্থহীন হৈ পৰিছে এই ব্যৱস্থাৰ প্ৰভাৱত।

**বিকল্প বিশ্বৰ সন্ধান:**

পুঁজিবাদী বিশ্বায়নে বিশ্বৰ এমুঠিমান মানুহৰ বাবে অভাৱনীয়, অকল্পনীয় আৰু অবিশ্বাস্যভাৱে সমৃদ্ধি কঢ়িয়াই আনিলেও কঙাল কৰিছে অতি সংখ্যাগৰিষ্ঠ জনগণক। সেয়ে দেশে দেশে গঢ়ি উঠিছে শক্তিশালী প্ৰতিবাদী সংগঠন। প্ৰৱল বিৰোধী হৈছে বিশ্বায়নী ব্যৱস্থাৰ। উদাহৰণস্বৰূপে আমি উল্লেখ কৰিব পাৰো যে লেটিন আমেৰিকাৰ ৩৬.৫০ কোটি মানুহৰ ৩০ কোটিয়েই বিশ্বায়ন বিৰোধী সংগ্ৰামত নামি পৰিছে। ফ্ৰান্সত শ্ৰমিক শ্ৰেণী আৰু ছাত্ৰ সমাজৰ ঐক্যবদ্ধ সংগ্ৰামে তীব্ৰতা লাভ কৰিছে। ইৰাক আৰু পেলেষ্টাইনত আমেৰিকাৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে দুৰ্জয় প্ৰতিৰোধ গঢ়ি উঠিছে। খোদ আমেৰিকাৰ আৰু ইউৰোপৰ উন্নত দেশবোৰতো আজি শান্তিকামী ৰাইজে যুদ্ধৰ বিৰুদ্ধে, বৰ্ণবৈষম্যৰ বিৰুদ্ধে, বিশ্বশান্তিৰ হকে গঢ়ি তুলিছে প্ৰৱল প্ৰতিৰোধী সংগ্ৰাম। বিকল্প বিশ্ব সম্ভৱ বুলি প্ৰত্যয়লৈ গঢ়ি উঠিছে 'বিশ্ব সামাজিক মঞ্চ' world social forum। অতিকম সময়ৰ ভিতৰতে বিশ্বৰ দেশে মহাদেশে গঢ়ি উঠিছে ইয়াৰ শাখা প্ৰশাখা। কোটি কোটি দলিত বঞ্চিত শোষিত মানুহৰ আপোচহীন সংগ্ৰামী মানুহৰ, মহামিলনৰ তীৰ্থস্থল হৈ পৰিছে এই সামাজিক মঞ্চ। কঢ়িয়াই আনিছে আশাৰ বতৰা প্ৰসাৰিত হৈছে মানৱ মুক্তিৰ আকাঙ্খা। হিলদল ভাঙি উদ্দাম আৰু উত্তাল জনস্ৰোত বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি প্ৰতিবছৰে মিলিত হয়হি এই মঞ্চৰ দ্বাৰা আয়োজিত মহামিলনৰ তীৰ্থ ভূমিত। হিয়া উজাৰি ব্যক্ত কৰে মনৰ ক্ষোভ আৰু বেদনা। প্ৰতিজ্ঞা কৰে সন্মিলিত প্ৰতিৰোধী সংগ্ৰাম গঢ়াৰ। এই সন্মিলিত শক্তিৰ সন্মুখত জনস্বাৰ্থ বিৰোধী অৰ্থপিপাসু হাৱনাৰূপী শোষক আৰু তেওঁলোকৰ দালালসকল আজি নহয় কালি পৰাভূত হ'বলৈ বাধ্য। ■

# Impact of Terrorism
# *on the Politics of Assam*

□ **Jitu Borah**

*Unfortunately neither the Government of India nor the state Government help the people in causing out the worries and fears of the people. Besides, serious annilires and fears started to grow in the minds of the tribal and non-tribal people of the state due to unchecked influx of foreign nationals into the state. Both the tribals & non-tribals would release that this unchecked flow of foreign national and their conscious attempt to enlist their names in the voter's list will make the indigenous Assamese people minority in their own homeland and will destroy their way of life status, language and culture.*



Terrorism is not a new phenomenon. It has existed in all ages in one form or the other. But since 1960, terrorism has grown in enormous proportion in many countries of the world. Japanese Red Army, Popular front for the Liberation of Palestine, Red Brigade of Italy, Iris Republican Army of North Island, LTTE in Sri Lanka are some of the terrorist organisations that sprang up during 1960. Year after year the number of terrorist organisation grew larger and larger.

In the Indian scenario the problem of terrorism has been experienced since Independence. Soon after independence the Naga National Council under the leadership of Z-A-phizo declared Nagaland as an Independent state. The extremist group of N N C started arm-rebellion from 1954. By 1960 another terrorist movement started at Naxalbari (West Bengal). In 1966 terrorism gain momentum in Mizoram under the leadership of Mizo National Front chief Lal Denga. The Telengana movement also turned to it terrorist movement in 1969. In 1980 Kashmir issue also turned into a terrorist movement. Punjab issue also turned into a terrorist movement from the same year i.e. 1980. The Bodo movement in Assam was started in 1967 and this movement was turned into a terrorist movement since Oct. 1988. In April, 1977 a small underground organisation namely United Liberation front of Assam was formed by a few Assamese youths at the premise of Ranghar, Sivasagar with the objective of liberating Assam from the Colonial Clutches of Indian Nationalism. Gradually, this organisation swelled in size when more educated unemployed youths were attracted to it and by 1990 this organisation turned in to a terrorist organisation.

In India, terrorism developed in different parts for different regions. In Jammu and Kashmir and also in Punjab terrorism developed mainly for religious causes. While in Nagaland and in Mizoram ethnic and cultural identity were the main causes. In Telengana and Naxalbari, it was Economic backwardness for which terrorist movement grew up. In Assam the ULFA movement originated due to economic deprivation and threat of cultural identity.

Terrorism in Bodo movement is caused by threat to their ethnic and cultural identity. Thus, it is not due to a single cause but a multiply of each causes mixed together in a complicated manner that help terrorism to raise its head in different parts of India.

Assam is the longest state in North-east India with the area of 78,438 sq. k.m. and with a population (2001) 2,66,38,807. The Density of population is about 340 per sq k.m. Broadly speaking the contributors to this population can see divided into tribals and non-tribals. The non-tribal population again has various elements like – SC, OBC, MOBC, kalita, Koch, Keot, Brahmin, Baniya, Nath etc. Besides, there are migrants community from different parts of India. In addition to this, the foreign Nationals who have entered to this state illegally from neighbouring country like Bangladesh and Nepal also contribute a portion of this population.

Although a kin to Indian culture, Assam was not a part of India till 1826. As a province in the eastern most limit on the map of India, Assam was a little known to the rest of the people of India both during British period and after independence. The state could create new mostly where some part of the state went up in flames or sank under water as it deal every monsoon without fail.

After independent little was done to develop industry, transport, and communications, Banking, Agriculture etc. The amount of Industrial investment were negligible in comparison to other states of India.

Assam is rich in natural resources. But these resources had been exploited by the people and agencies from outside the region. Thus, due to intrusion of outsiders and the control of state's economy by the migrants and Business community, Assam still remains economically underdeveloped in comparison to other states of India.

The employment potentialities of the state is not encouraging due to industrial backwardness. Whatever employment is there in the Central Government and industrial sectors Assamese speaking personels are out numbered by non-Assamese.

> ***Thus the situation forced him to submit to New Delhi's directives to make way for the unified command operation to restore peace and order in the state. By doing so the Government to Assam takes a policy of ad-hoc solution to stop terrorism. But a lasting solution to such a problem cannot be obtain unless the causes of such terrorism are removed.***

The Assamese peasantry tends to believe that they are being threatened by a centralised political authority. Their aspiration for a peasant Government in the rural areas lead by Assamese peasantry has become a distant star.

The Assamese middle class find itself as an unequal and unfair competition in the field of business profession and to some extent in the State Government Jobs also. They find themselves encircled from all sides in a province that is their own but an economy that is not.

All these factors mentioned above are responsible for the growth of a feeling of discontenment and frustration and thus a process of alienation started to grow in the minds of the people of Assam. Unfortunately neither the Government of India nor the State Government help the people in causing out the worries and fears of the people. Besides, serious anxieties and fears started to grow in the minds of the tribal and non-tribal people of the state due to unchecked influx of foreign nationals into the state. Both the tribals & non-tribals would realise that this unchecked flow of foreign national and their conscious attempt to enlist their names in the voter's list will make the indigenous Assamese people minority in their own homeland and will destroy their way of life status, language and culture. Not a single national political party should a sympathy to the people of Assam by raising their voices to this alarming situation. Losing faith on the national political parties the people installed a regional political party at the seat of Government in the state. But that too growth to be a futile effort.

All these above factors lead a section of youth to adopt extremist method to solve their problems and in this way the ULFA was born with a cry for succession of Assam from the Indian union. The uprising of the Bodo's are generally abrupted to State Governments

apathetic attitude to tribal interest, exploitation and injustice meted out to them by the non-tribal people and for lagging behind in spheres of language, culture etc. Bodo agitation turned violent since Oct. 1988 when a section of Bodo youth resorted to extremist activities with a demand for a separate homeland for the Bodo's.

To speak frankly the bad days in Assam were started since 1983. The voter's lists for 1983 elections contains the names of foreign national in large number. The people of Assam under the leadership of AASU decided to boycott this election. The Government adopted strong armistice to hold the election. As a result of this some antisocial elements took the advantage of creating communal clashes in different part of Assam. Several hundred of innocent people lost their lives in communal clashes. In spite of all this development the Government completed the election at Gunpoint. Majority of the indigenous people restrain themselves from their casting vote by considering this election as illegal. All though the Congress (I) under the leadership of Hiteshwar Saikia won the election. The people could not accept this Government as their own Government realising the pulsh of the people of Assam. The Central Government decided to hold a formal talk with the AASU leader. Finally on August 15,1985 an agreement was signed between the Assam movement leaders and the Central Government which is popularly known as Assam Accord. As a result of this Accord a Fresh Election to the state assembly was held in 1985 in which a new reform regional political party namely Assam Gana Parishad came to power with Mr. P. K. Mahatma as the leader of the party and the Government.

*"ঘুমটি যায়োৰে ওৰে কানাই*
*ছৰে কাণখোৱা আসে।*
*সকল শিশুৰ কাণ খাই খাই*
*আসয় তোহাৰ পাসে।"*

মহত্বপূৰ্ণ এইসমূহ নিচুকনি গীতৰ বাহিৰেও সন্তানক খোজ কঢ়োৱাবলৈ, আঙুলিৰ ব্যৱহাৰ শিকাবলৈ, টোপনিৰপৰা জগাবলৈ আদি বিভিন্ন কাৰণত নিচুকনি গীতৰ প্ৰয়োগ লোকসাহিত্যত দেখা যায়। যিবোৰে শিশুসকলক কিছুমান বস্তুৰ প্ৰতি ধাৰণা এটা আনি দিয়ে। ইয়াৰ উপৰিও গীতবোৰে শিশু উপযোগী গুণাৱলীৰ নিৰ্দেশ দিয়াৰ লগতে লোক শিক্ষামূলক ব্যৱস্থাৰ এখন ছবিও দাঙি ধৰে। এই গীতবোৰ শিশুৰ দৰে সুকোমল, নিৰ্মল আৰু মনোৰম। গতিকে যেতিয়ালৈকে শিশুৱে কান্দিব আৰু মাকে নিচুকাব তেতিয়ালৈকে এই গীতবোৰ জনসমাজত প্ৰচলিত হৈ থাকিব।■

# ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ

# ড° এচ.আৰ. ৰংগনাথন

□ অজিত কুমাৰ ফুকন

*১৯২৮ চনত ৰংগনাথনে মাদ্ৰাজ লাইব্ৰেৰী এচচিয়েচন প্ৰতিষ্ঠা কৰি প্ৰায় ২০ বছৰ কাল ইয়াৰ সচিব পদত আছিল। এই সংস্থাৰ যোগেদি আয়োজন কৰা গ্ৰন্থাগাৰ বিজ্ঞানৰ প্ৰশিক্ষণ শ্ৰেণীসমূহে সেই সময়ৰ সমগ্ৰ ভাৰতবৰ্ষতে বিপুল জনপ্ৰিয়তা লাভ কৰিছিল। ১৯৫২ চনত তেওঁ সেই সংস্থাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৫ চনৰপৰা কিছুবছৰৰ বাবে ৰংগনাথনে বেনাৰস বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে। দিল্লী বিশ্ববিদ্যালয়ত তেওঁৰ যত্নতে 'বি লিব' আৰু 'এম লিব' পাঠ্যক্ৰমৰ লগতে গ্ৰন্থাগাৰ বিষয়ৰ ওপৰত 'ডক্টৰেট' উপাধি লোৱাৰ ব্যৱস্থা কৰে।*



যি গৰাকী অনন্য প্ৰতিভাসম্পন্ন ব্যক্তিক আমি ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ হিচাপে জানো সেইগৰাকী ব্যক্তি হ'ল ড° এচ. আৰ. ৰংগনাথন।

ড° এচ. আৰ. ৰংগনাথনৰ সম্পূৰ্ণ নাম আছিল শিৱালী ৰামামৃত ৰংগনাথন আয়াৰ। ১৮৯২ চনৰ ১২ আগষ্টত তামিলনাডুৰ টানজুৰ জিলাৰ শিৱালী নামৰ ঠাইত ৰংগনাথনৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল ৰামামৃত আয়াৰ আৰু মাতৃৰ নাম আছিল সীতালক্ষ্মী। প্ৰায় ৬ বছৰ বয়সতে পিতৃহীন হোৱা ৰংগনাথনে প্ৰাথমিক শিক্ষা সাং কৰি ১৯০৯ চনত এচ. মুদালিয়াৰ হিন্দু হাইস্কুলৰপৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। মাদ্ৰাজ খ্ৰীষ্টিয়ান কলেজৰ পৰা ১৯১১ চনত প্ৰথম বিভাগত ইন্টাৰ মিডিয়েট আৰু সেইখন কলেজৰ পৰাই ১৯১৩ চনত তেওঁ প্ৰথম বিভাগতে বি.এ. ডিগ্ৰীও লাভ কৰে। ১৯১৬ চনত ৰংগনাথনে প্ৰথম শ্ৰেণী অধিকাৰ কৰি অংক শাস্ত্ৰত এম. এ. ডিগ্ৰী অৰ্জন কৰে। উচ্চ শিক্ষাৰ অন্তত অংক শাস্ত্ৰৰ এজন বিদগ্ধ পণ্ডিতৰূপে সেই সময়ৰ মাদ্ৰাজৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানত ৰংগনাথনে শিক্ষক জীৱন আৰম্ভ কৰে। মাদ্ৰাজ খ্ৰীষ্টিয়ান কলেজ, প্ৰেচিডেন্সি কলেজ আদিতো অংক আৰু পদাৰ্থ বিজ্ঞানৰ ওপৰত প্ৰদান কৰা অতি উচ্চ খাপৰ বক্তৃতাই অতি কম দিনৰ ভিতৰতেই তেওঁক জনপ্ৰিয় কৰি তুলিছিল।

১৯০৭ চনত মাত্ৰ ১৫ বছৰ বয়সতে ৰংগনাথনে ৰুক্মিণী নামৰ এগৰাকী মহিলাৰ লগত বিবাহপাশত আৱদ্ধ হয়। ১৯২৮ চনত এক পথ দুৰ্ঘটনাত ৰুক্মিণীৰ অকাল বিয়োগ ঘটাত তেওঁ সাৰদা ৰংগনাথনক পুনৰ বিয়া কৰায়। এই দুয়োগৰাকী বিদূষী পত্নীৰ প্ৰেৰণাই ৰংনাথনৰ জীৱন আলোকিত কৰি ৰখা বুলি জনা যায়।

১৯২৪ চন, ড° ৰংগনাথনৰ বাবেই নহয়, সমগ্ৰ ভাৰতৰ গ্ৰন্থাগাৰ আন্দোলনৰ ইতিহাসতো ই এক স্মৰণীয় বছৰ। ১৯২৪ চনৰ ৪ জানুৱাৰীত সেই সময়ৰ ইংৰাজ চৰকাৰে তেওঁক মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী ভাৰতীয় গ্ৰন্থাগাৰিক ৰূপে নিযুক্তি দিয়ে। কিন্তু সেই সময়ৰ এজন গ্ৰন্থাগাৰিকে সন্মুখীন হোৱা নিঃসংগ অৱস্থাই ৰংগনাথনক এনেভাৱে অতিষ্ঠ কৰি তুলিছিল যে মাদ্ৰাজ বিশ্ববিদ্যালয়ত যোগদান কৰাৰ এসপ্তাহ নৌহওঁতেই তেওঁ পুনৰ প্ৰেচিডেন্সি কলেজলৈ উভতি যোৱাৰ সিদ্ধান্ত লয়। কিন্তু প্ৰেচিডেন্সি কলেজৰ মহানুভৱ অধ্যক্ষ মি: ডুনিয়ানে অভয় প্ৰদান কৰি ৰংগনাথনক গ্ৰন্থাগাৰ বিজ্ঞানৰ বিভিন্ন দিশ পৰ্য্যবেক্ষণ কৰিবলৈ ইংলেণ্ডলৈ যোৱাৰ পৰামৰ্শ দিয়ে। সেই বছৰতে ৰংগনাথন ইংলেণ্ড পায়গৈ আৰু তাৰ প্ৰখ্যাত প্ৰখ্যাত গ্ৰন্থাগাৰসমূহ পৰিদৰ্শন কৰে। ইংলেণ্ডত ৰংগনাথনে মহান গ্ৰন্থাগাৰিক ডব্লিউ ডি বাৰউইক আৰু অন্যান্য গ্ৰন্থাগাৰিকসকলৰ সান্নিধ্য লাভ কৰি প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰে। এই সান্নিধ্যই ৰংগনাথনৰ জীৱনলৈ ব্যাপক পৰিৱৰ্তন আনি দিয়ে। প্ৰেচিডেন্সি কলেজলৈ উভতি গৈ অধ্যাপনা কৰাৰ পৰিৱৰ্তে তেওঁ নিজকে গ্ৰন্থাগাৰ সেৱাত বিলাই দিয়াৰ সকল্প লয়। অৱশ্যে সেই সময়ৰ ইংলেণ্ডত প্ৰচলিত গ্ৰন্থাগাৰ পদ্ধতিসমূহে ৰংগনাথনক আকৃষ্ট কৰিব পৰা নাছিল। সেয়ে প্ৰায় এবছৰৰ পিছত দেশলৈ উভতি আহি মাদ্ৰাজ

বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ ওপৰত সূক্ষ্ম গৱেষণাত ব্ৰতী হয়। ইয়াৰ ফলশ্ৰুতিতেই ১৯৩১ চনত বিশ্ববিখ্যাত গ্ৰন্থ ''Five Laws of Library Science'' প্ৰকাশ পায়।

প্ৰায় দুটা দশক জুৰি চলোৱা নেৰানেপেৰা গৱেষণাৰ ফলত মাদ্ৰাজ বিশ্ববিদ্যালয়ত থকা কালছোৱাত তেওঁ গ্ৰন্থাগাৰ বিজ্ঞানৰ অন্যতম শ্ৰেণীকৰণ পদ্ধতি 'Colon Classification' উদ্ভাৱন কৰে। ১৯৩৩ চনত ইয়াৰ প্ৰথম সংকলন প্ৰকাশ পায়। Library Cotalogue আৰু Classified Catalogue Code পদ্ধতিৰ ক্ষেত্ৰতো ৰংগনাথনে বিশ্বৰ গ্ৰন্থাগাৰ বিজ্ঞানলৈ বৈপ্লৱিক পৰিবৰ্তন আনে।

১৯২৮ চনত ৰংগনাথনে মাদ্ৰাজ লাইব্ৰেৰী এচচিয়েচন প্ৰতিষ্ঠা কৰি প্ৰায় ২০ বছৰ কাল ইয়াৰ সচিব পদত আছিল। এই সংস্থাৰ যোগেদি আয়োজন কৰা গ্ৰন্থাগাৰ বিজ্ঞানৰ প্ৰশিক্ষণ শ্ৰেণীসমূহে সেই সময়ৰ সমগ্ৰ ভাৰতবৰ্ষতে বিপুল জনপ্ৰিয়তা লাভ কৰিছিল। ১৯৫২ চনত তেওঁ সেই সংস্থাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৫ চনৰ পৰা কিছুবছৰৰ বাবে ৰংগনাথনে বেনাৰস বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে। দিল্লী বিশ্ববিদ্যালয়ত তেওঁৰ যত্নতে 'বি লিব' আৰু 'এম লিব' পাঠ্যক্ৰমৰ লগতে গ্ৰন্থাগাৰ বিষয়ৰ ওপৰত 'ডক্টৰেট' উপাধি লোৱাৰ ব্যৱস্থা কৰে। বিশ্বৰ প্ৰায়বোৰ প্ৰসিদ্ধ গ্ৰন্থাগাৰ পৰিদৰ্শন কৰা ড° ৰংগনাথনে Visiting Professor হিচাপে ইংলেণ্ড, কানাডা, জাপান প্ৰভৃতি বিদেশী ৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়সমূহতো বহুজন সমাদৃত তেজস্বী বক্তৃতা প্ৰদান কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰুচ আদি দেশত অনুষ্ঠিত হোৱা আন্তৰাষ্ট্ৰীয় আলোচনাচক্ৰবোৰতো তেওঁৰ Colon Classification এ বিপুল জনপ্ৰিয়তা লাভ কৰিছিল।

*.... ১৯৫২ চনত UNESCO ৰ সহযোগিতাত ৰংগনাথনে ভাৰতবৰ্ষতে INSDOC (Indian National Scientific Documentation Centre) প্ৰতিষ্ঠা কৰে। ভাৰতৰ তামিলনাড়ু, অন্ধ্ৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, মণিপুৰ, মিজোৰাম আদি ৰাজ্যত যি 'গ্ৰন্থাগাৰ সেৱাবিধি' আইনৰ ব্যৱস্থা আছে, সেই ব্যৱস্থাৰ বাটকটীয়া ব্যক্তিজন আছিল — ড° ৰংগনাথন।*

১৯৫২ চনত UNESCOৰ সহযোগিতাত ৰংগনাথনে ভাৰতবৰ্ষতে INSDOC (Indian National Scientific Documentation Centre) প্ৰতিষ্ঠা কৰে। ভাৰতৰ তামিলনাড়ু, অন্ধ্ৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, মণিপুৰ, মিজোৰাম আদি ৰাজ্যত যি 'গ্ৰন্থাগাৰ সেৱাবিধি' আইনৰ ব্যৱস্থা আছে, সেই ব্যৱস্থাৰ বাটকটীয়া ব্যক্তিজন আছিল— ড° ৰংগনাথন। ১৯৬৫ চন মানতে ৰংগনাথনে অসমৰ বাবেও এখন পাবলিক লাইব্ৰেৰী বিলৰ খচৰা প্ৰস্তুত কৰি ৰাজ্যখনৰ গাওঁ-চহৰ উভয়তে গ্ৰন্থাগাৰ সেৱাৰ বিকাশত গুৰুত্ব দিবলৈ পৰামৰ্শ আগবঢ়াইছিল। সেইবাবে ভাৰতৰ গ্ৰন্থাগাৰ সেৱাবিধি আন্দোলনৰো ৰংগনাথনক 'জনক' আখ্যা দিয়া হয়।

এই গৰাকী বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিক ১৯৪৮ চনত দিল্লী বিশ্ববিদ্যালয়ে আৰু ১৯৬৪ চনত পেঞ্চিল ভেনিয়াৰ পিটিচ্ বাৰ্গ বিশ্ববিদ্যালয়ে সন্মানীয় 'ডি-লিট' উপাধি প্ৰদান কৰে। ১৯৩৫ চনত 'ৰাওচাহিব' উপাধি লাভ কৰা এচ. আৰ. ৰংগনাথনক ১৯৫৭ চনত ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধিৰে বিভূষিত কৰে। আমেৰিকান লাইব্ৰেৰী এচচিয়েচনে ১৯৭০ চনত তেওঁক 'Margaret Mann Citation' উপাধি প্ৰদান কৰে। একেদৰে The Mark Twain Society of America ই তেওঁক 'Great Xnight of Peace' উপাধি দি সন্মান যাচিছিল। গ্ৰন্থাগাৰ বিজ্ঞানলৈ আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে ভাৰত চৰকাৰে এই গৰাকী ব্যক্তিক National Research Professor ৰূপে স্বীকৃতি প্ৰদান কৰে।

ড° ৰংগনাথনে Five Laws of Library Science (1931), Classified Catalogue Code (1934), Prolegmena of classification (1937), Reference Service (1938), Library Manual (1939) আদি ৬০ খন অমূল্য গ্ৰন্থ আৰু ২০০ ৰো অধিক জ্ঞানগৰ্ভ প্ৰবন্ধ ৰচনা কৰিছিল। এইগৰাকী অনন্য প্ৰতিভাৰ ১৯৭২ চনৰ ২৮ চেপ্তেম্বৰত বাংগালোৰত মৃত্যু হয়। অসীম ত্যাগ আৰু দৃঢ়তাৰে জীৱনৰ অৰ্দ্ধশতিকা কাল ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ বিকাশ আৰু প্ৰসাৰৰ বাবে জীৱন উছৰ্গা কৰা এইগৰাকী ভীষ্ম পুৰুষক সেই বাবেই ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ আখ্যা দিয়া হয়। ■

মোৰ কিতাপবোৰেই মোক জুৱাৰীৰ আড্ডা, মদপীৰ সংগ আৰু ধোদৰ-পছলা নিষ্কৰ্মাবোৰৰ মেলৰ পৰা আঁতৰাই ৰাখে। যি মানুহে পোপ আৰু এডিছনৰ সান্নিধ্য পাইছে, যি মানুহে মিল্টন আৰু শ্বেইক্‌ছপীয়েৰৰ নীৰৱ কিন্তু মহৎ চিন্তাধাৰাৰ অংশ লোৱাৰ সুযোগ পাইছে, তেওঁ নিশ্চয় অসৎ আৰু হীন সংসৰ্গ কেতিয়াও সহ্য কৰিব নোৱাৰে।

*— টমাছ হুদ।*




# সপ্ত আশ্চৰ্য

□ হৃদয়া শইকীয়া

প্ৰায় দুহেজাৰ বছৰৰ পূৰ্বে গ্ৰীক পণ্ডিতসকলে বিশ্বৰ সপ্ত-আশ্বৰ্য নিৰ্ধাৰণ কৰিছিল। বিশ্বৰ নতুন সপ্ত আশ্চৰ্য নিৰ্ধাৰণৰ বাবে চুইজাৰলেণ্ডৰ বাৰ্নড বেৱাৰ নামৰ লোকজনৰ নেতৃত্বত এটা বেচৰকাৰী সংগঠনে প্ৰচেষ্টা লৈছিল। চুইজাৰলেণ্ডৰ এই ব্যক্তিগত সংস্থাটোৱে চলোৱা ‘দ্যা নিউ চেভেন ৱণ্ডাৰ্ছ’ অভিযানৰ অধীনত বিশ্বৰ সাতটা আচৰিত বস্তু নতুনকৈ নিৰ্ধাৰণ কৰিবৰ বাবে পৃথিৱীৰ চুকে-কোণে জোৰদাৰ প্ৰচাৰ চলোৱা হৈছিল। প্ৰায় দুশ নিৰ্বাচিত বস্তুৰ পৰা বিভিন্ন লোকৰ মতৰ ভিত্তিত ১৫ টা বস্তুৰ চূড়ান্ত তালিকা প্ৰস্তুত কৰা হৈছিল। তালিকাত স্থান পোৱা বস্তুবোৰৰ সমৰ্থনত বিভিন্ন লোকে ইণ্টাৰনেট, এছ.এম.এছ., ফোনেৰে ভোট দি সাতটা আচৰিত বস্তুৰ স্থান নিৰূপণ কৰে। জনসাধাৰণৰ ভোটৰ ভিত্তিত নিৰূপণ কৰা এই সপ্ত আশ্বৰ্য হৈছে —

**তাজমহল :**

তাজমহল হৈছে প্ৰেমৰ প্ৰতীক। মোগল সম্ৰাট ছাহজাহানে নিজৰ প্ৰিয়তমা পত্নী মমতাজৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ বাবে এই বিতোপন সৌধটো নিৰ্মাণ কৰিছিল। ছাহজাহান-মমতাজৰ প্ৰেমৰ সাক্ষী তাজমহল এতিয়াও বিশ্বৰ প্ৰথম আশ্বৰ্য। তাজমহলৰ নিৰ্মাণকাৰ্য্য আৰম্ভ হৈছিল ১৬৩২ চনত আৰু সম্পূৰ্ণ হৈছিল ১৬৪৮ চনত। তাজমহলৰ নিৰ্মাণ আৰু নক্সাপ্ৰস্তুতকাৰী সম্পৰ্কে বিভিন্ন বিতৰ্ক শুনা যায়। ইতিহাসে কোৱা মতে তাজমহলৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত সম্ৰাটে তাজমহলৰ প্ৰধান নক্সাকাৰৰ হাত দুখন কাটি দিছিল। স্থপতিবিদসকলক অন্ধ কৰি দিয়া হৈছিল যাতে তেওঁলোকে ভৱিষ্যতলৈ কেতিয়াও তাজমহলৰ সমকক্ষ দ্বিতীয় এটা সৌধ নিৰ্মাণ কৰি উলিয়াব নোৱাৰে। অধিকাংশ স্থপতিবিদৰ মতে তাজমহলৰ মুখ্য কাৰিকৰজন আছিল ওস্তাদ আহমেদ লাহোৰী।

**ৰোমান কল’ছিয়াম :**

দ্বিতীয় স্থানত থকা ৰোমৰ কল’ছিয়াম ৰোম চহৰৰ




মাজভাগত অৱস্থিত। ইয়াৰ প্ৰকৃত নাম হৈছে ফ্লেবিয়ান এম্পিথিয়েটোৰ। এসময়ত ইয়াত গ্লেডিয়েটসকলে যুঁজ-বাগৰ কৰিছিল আৰু একেলগে ৫০ হাজাৰ লোকে চাৰিওফালে বহি চাব পাৰিছিল। সম্ৰাট ভেছপাছিয়ানৰ দিনত ৭০ আৰু ৭২ খ্ৰীষ্টাব্দৰ মাজভাগত ইয়াৰ নিৰ্মাণ আৰম্ভ হৈছিল আৰু সম্ৰাট টিটাছৰ দিনত ৮০ খ্ৰীষ্টাব্দত ইয়াৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হয়।

**চিচ্ছেন ইটজা :**

চিচ্ছেন ইটজা বিশ্বৰ সপ্ত আশ্বৰ্যৰ তালিকাত তৃতীয় স্থানত আছে। মেক্সিকোৰ 'দ্যা পিৰামিড অৱ চিচ্ছেন ইটজা' হৈছে মায়া সভ্যতাৰ স্থাপত্য। হেজাৰ হেজাৰ বছৰ পুৰণি এই চিচ্ছেন ইটজা আজিও আশ্বৰ্যজনক সম্পদ। প্ৰত্নতাত্ত্বিক তথ্য অনুসৰি প্ৰাচীন কালত বৰ ভয়ংকৰভাৱে এই স্থাপত্য ধ্বংস হৈছিল আৰু ইয়াত জ্বলি-পুৰি যোৱাৰো চিন আছে।

**মাচ্চু পিচ্চু :**

মাচ্চু পিচ্চু পেৰুৰ কাচকোৰ পৰা প্ৰায় ৭০ কিলোমিটাৰ আঁতৰৰ উৰুবাম্বা উপত্যকাত অৱস্থিত। ৰুবী প্ৰভঘটৰ দ্বাৰা স্থাপিত এই প্ৰাক্ কলম্বিয়ান চহৰখন সাগৰ পৃষ্ঠৰ পৰা ৭,৯৭০ ফুট উচ্চতাত পাৰ্বত্য অঞ্চলত অৱস্থিত।

**ক্ৰাইষ্ট ৰিডিমাৰ :**

ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিঅ' চহৰত থকা যীশুখ্ৰীষ্টৰ প্ৰকাণ্ড মূৰ্ত্তিটো এটা ওখ পাহাৰত অৱস্থিত। ১৯৩১ চনৰ ১২ অক্টোবৰত মূৰ্ত্তিটো উন্মোচন কৰা হয়। আধৰুৱা মূৰ্ত্তিটোৰ চূড়ান্ত নক্সা প্ৰস্তুত কৰিছিল কাৰ্লোচ অছৱাল্ড আৰু ফৰাচী স্থপতিবিদ পল লে গুৱস্কিয়ে। সপ্ত আশ্বৰ্যৰ তালিকাত পঞ্চম স্থান লাভ কৰা এই মূৰ্ত্তিটো ২০০২ চনত পুনৰ মেৰামতি কৰা হয় আৰু তেতিয়াৰ পৰা ইয়াত যন্ত্ৰচালিত খট্‌খটীৰ ব্যৱস্থা কৰা হয়।

**পেট্ৰা :**

ষষ্ঠস্থানত থকা জৰ্ডানৰ পেট্ৰা হৈছে আৰবাৰ পাৰ্বত্য অঞ্চলৰ মাজত থকা এটা ঐতিহাসিক স্থাপত্য। পেট্ৰা হৈছে ডেড ছিৰ পৰা আকাবা উপসাগৰলৈকে ব্যাপ্ত এক বিশাল উপত্যকা। এই উপত্যকাতে শিলত কটা বহুতো স্থাপত্য-ভাস্কৰ্য আছে। ইয়াক প্ৰথমে আৱিস্কাৰ কৰে ছুইজাৰলেণ্ডৰ অভিযাত্ৰী জোহান লাডউইগ বাৰ্কহাৰ্ডে। জন উইলিয়াম বাৰ্গনে ইয়াক 'এ ৰ'জ-ৰেড চিটি হাফ এজ অল্ড টাইমছ' বুলি এটা কবিতাত উল্লেখ কৰিছিল।

**চীনৰ প্ৰাচীৰ :**

সপ্ত আশ্বৰ্যৰ তালিকাত অন্তিম স্থানত আছে 'গ্ৰেট ৱাল অৱ চাইনা'। চীনৰ উত্তৰ সীমান্তত অৱস্থিত এই দেৱাল নিৰ্মাণ কৰিছিল চীনৰ প্ৰথম সম্ৰাট কিন শ্বি হোৱাঙে ২২০ ৰ পৰা ২০০ খ্ৰীষ্টপূৰ্বত।■

# বুৰঞ্জী ৰচনাৰ ঐতিহ্য

□ গৌতম ভৰালী

*অসমৰ বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যৰ এক বিশিষ্ট শাখা। আহোমসকলে বুৰঞ্জীৰ চৰ্চা আৰু বুৰঞ্জীৰ পঠন-পাঠন শিক্ষাৰ অপৰিহাৰ্য অংগ হিচাপে গ্ৰহণ কৰিছিল। বুৰঞ্জী সাহিত্য যথাৰ্থতে ভাৰতীয় ভাষা সমূহৰ ভিতৰতে একক আৰু অতুলনীয়। এই বুৰঞ্জীসমূহ সত্যবাদিতাৰ এক ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত। সিবিলাকত সাধাৰণতে এই নৈৰ্ব্যক্তিক নিৰপেক্ষতা বৰ্তমান। এখন বুৰঞ্জীয়ে আন এখনক বিৰোধ কৰাতকৈ অধিক সমৰ্থন কৰাহে দেখা যায়। ঘটনাৰ বিৱৰণ দিওঁতে দিন-বাৰ আনকি ক'তো ক'তো প্ৰহৰ দণ্ডলৈকে উল্লেখ কৰা হৈছে। লগতে ৰাজসভাৰ আলোচনা আৰু দেশপ্ৰাণ ডাঙৰীয়া, ফুকন আদিৰ প্ৰত্যক্ষ উক্তি উদ্ধৃতিয়ে বাস্তৱবাদী দেশাত্মবোধেৰে কোনো কোনো বৰ্ণনা অনুপ্ৰাণিত কৰিছে। ৰাজনৈতিক ঘটনাৰ শুকান বৰ্ণনাতে ক্ষান্ত নাথাকি দুই-এখন বুৰঞ্জীৰ লেখকে তেওঁলোকৰ বাস্তৱবাদলক্ষিত ৰচনাত মানৱীয় অনুভূতিৰ বহণ বোলাবৰ যত্ন কৰিছে।*

আহোমসকল অসমলৈ আহোঁতেই অৰ্থাৎ ত্ৰয়োদশ শতাব্দিত পোন প্ৰথমে বুৰঞ্জী লিখাৰ প্ৰথা আৰম্ভ হয়। আহোম সকল তীৰ্ব্বতীয় বৰ্মান জাতিৰ এটা অংগ। আহোমৰ দৰে চীন আৰু জাপানী জাতিও তাৰে এটা অংগ আৰু এই জাতিৰ ভিতৰতো বুৰঞ্জী লিখাৰ দস্তৰ অতি পুৰণি কালৰ পৰা প্ৰচলিত। আহোমবিলাক অসমলৈ অহাৰ আগতে বুৰঞ্জী বা ইতিহাস ৰচনা কৰা প্ৰচলন নাছিল। কিন্তু আহোম ৰাজত্ব আৰম্ভ হোৱাৰ পৰা ধাৰাবাহিক ইতিহাস আমি পাওঁ। আহোমৰ প্ৰথম ৰজা চুকাফাই পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিয়েই সকলো গুৰুত্বপূৰ্ণ ঘটনা লিপিবদ্ধ কৰি যাবলৈ লগত অহা মহন বাইলুঙক নিৰ্দেশ দিছিল। ইয়াৰ ৰা অনুমান কৰিব পাৰি যে বুৰঞ্জী লিখা প্ৰথাটো আহোম সকলৰ জাতিগত প্ৰথা আছিল আৰু সম্ভৱতঃ আদি বাসস্থান থাইলেণ্ডৰ পৰাই কঢ়িয়াই আনিছিল।

'বুৰঞ্জী' শব্দটো এটা আহোম শব্দ। আহোম ভাষাত ইয়াৰ অৰ্থ হ'ল, 'মুৰ্খৰ শিক্ষাৰ বা জ্ঞানৰ ভড়াল'। প্ৰথমাৱস্থাত এই বুৰঞ্জীসমূহ টাই ভাষাত ৰচনা কৰা হৈছিল। আহোমসকলে অসম অধিকাৰ কৰাৰ বহু পাছত অসমীয়া ভাষাক যেতিয়া ৰাজ্যভাষাৰূপে ব্যৱহাৰ কৰিলে তেতিয়াৰ পৰাই বুৰঞ্জী অসমত লিপিবদ্ধ কৰা হ'ল। অৱশ্যে দুই-এটা ফৈদে যে তেওঁলোকৰ ভাষাতে বুৰঞ্জী ৰচনা কৰিছিল তাক অস্বীকাৰ কৰিব নোৱাৰি। হেমচন্দ্ৰ গোস্বামীয়ে বুৰঞ্জীৰ বহলভাব প্ৰকাশ কৰি কৈছিল ''আমাৰ বুৰঞ্জী সাহিত্যও এটা তুলনা নাইকীয়া সম্পত্তি। ভাৰতবৰ্ষৰ কোনো দেশীয় ভাষাই আমাৰ দেশৰ বুৰঞ্জীৰ নিচিনা সাহিত্যৰ গৌৰৱ কৰিব নোৱাৰে। এই দেশত আহোম ৰাজ্যৰ প্ৰতিষ্ঠা তেৰ শতিকাত হয়। তেতিয়াৰে পৰা এই দেশত ধাৰাবাহিক ৰূপে ঐতিহাসিক ঘটনাবিলাক লিখি ৰখা দস্তৰ আৰম্ভ হয়।''

এইখিনিতে উল্লেখযোগ্য যে, 'পুৰণি অসম বুৰঞ্জী' নামেৰে হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত বুৰঞ্জী আৰু 'বাহগড়ীয়া আতন বুঢ়াগোহাঁইৰ বুৰঞ্জী' এই দুখনেই বৰ্তমান পাব পৰা বুৰঞ্জীৰ ভিতৰৰ আটাইতকৈ পুৰণি বুলি অনুমান কৰা হয়। পুৰণি কালত ইতিহাস বা বুৰঞ্জী বৰ ডাঙৰ অৰ্থত প্ৰয়োগ কৰা হৈছিল। ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিবিধ পুৰুষাৰ্থৰ বিষয়ে উপদেশ দিবৰ নিমিত্তে যিবোৰ পুৰণিকলীয়া কথা ব্যৱহাৰ কৰিছিল সেইবোৰকে ইতিহাস বা বুৰঞ্জী বোলা হৈছিল। মহাভাৰতেও এই কথাৰে ইঙ্গিত দিয়ে —

*'ধৰ্ম্মৰ্থাকামমোক্ষানামুদেশ সমন্বিতম্।*
*পূৰ্ব্ববৃত্তকথাযুক্তমিতিহাস প্ৰচক্ষতে।।'*

আগৰ দিনত আৰ্যবিলাকে সংসাৰৰ যেই সেই ঘটনাকে ইতিহাসত ঠাই নিদি যিবোৰ ঘটনাক আশ্ৰয় কৰি মানুহক ধৰ্ম, অৰ্থ, কাম, আৰু মোক্ষ বিষয়ে শিক্ষা দিব পাৰিছিল সেইবোৰকহে ইতিহাস বুলি ধৰিছিল। অদৃষ্টবাদী ভাৰতীয় আৰ্য বিলাকে সংসাৰ চক্ৰৰ সকলো ঘটনাতে পুৰুষকাৰৰ বাহিৰেও দৈৱৰ হাত ফটফটীয়াকৈ দেখিবলৈ পাইছিল।

তেওঁলোকে এখন যুদ্ধৰ জয়-পৰাজয়ত যেনেকৈ সেনাপতিৰ সৈন্য চালনাৰ কৌশল, অস্ত্র-শস্ত্র, বল আৰু সেনা বিলাকৰ শৌৰ্য-বীৰ্যৰ আৱশ্যকতা বুজিছিল, তেনেকৈ শেষ ফলৰ নিমিত্তে সদায় দৈব্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেনেস্থলত তেওঁবিলাকে কিছুমান যুঁজ-বাগৰৰ বিৱৰণ আৰু ৰজা কিছুমানৰ নাম লিখি ৰখা, জাতীয় গৌৰৱৰ কথা বুলি নভবাটো একো আচৰিত কথা নহয়।

*মিষ্টাৰ গেইট্‌ৰ এই উক্তি অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ যি লেখকে বুৰঞ্জী লিখিছিল তেওঁবিলাক সংঘটিত ঘটনাৰ সমসাময়িক আছিল। তদুপৰি তেওঁলোক ৰজাঘৰীয়া সকলো ভিতৰুৱা কথাৰ সন্তেদ পোৱা মানুহ আছিল। লেখক সকলে বিভিন্ন সময়ত (ভাত খোৱাৰ সময়ত, ৰাজসভাৰ আলোচনা আদিত) ৰজাৰ পৰা পোৱা উক্তি বা কথা সমূহ সংগ্ৰহ কৰি বুৰঞ্জীৰ পটত সন্নিবিষ্ট কৰিছিল।*

অসমৰ বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যৰ এক বিশিস্ত শাখা। আহোমসকলে বুৰঞ্জীৰ চৰ্চা আৰু বুৰঞ্জীৰ পঠন-পাঠন শিক্ষাৰ অপৰিহাৰ্য অংগ হিচাপে গ্ৰহণ কৰিছিল। বুৰঞ্জী সাহিত্য যথাৰ্থতে ভাৰতীয় ভাষা সমূহৰ ভিতৰতে একক আৰু অতুলনীয়। এই বুৰঞ্জী সমূহ সত্যবাদিতাৰ এক ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত। সিবিলাকত সাধাৰণতে এই নৈব্যক্তিক নিৰপেক্ষতা বৰ্তমান। এখন বুৰঞ্জীয়ে আন এখনক বিৰোধ কৰাতকৈ অধিক সমৰ্থন কৰাহে দেখা যায়। ঘটনাৰ বিৱৰণ দিওঁতে দিন-বাৰ আনকি ক'তো ক'তো প্ৰহৰ দণ্ডলৈকে উল্লেখ কৰা হৈছে। লগতে ৰাজসভাৰ আলোচনা আৰু দেশপ্ৰাণ ডাঙৰীয়া, ফুকন আদিৰ প্ৰত্যক্ষ উক্তি উদ্ধৃতিয়ে বাস্তৱবাদী দেশাত্মবোধেৰে কোনো কোনো বৰ্ণনা অনুপ্ৰাণিত কৰিছে। ৰাজনৈতিক ঘটনাৰ শুকান বৰ্ণনাতে ক্ষান্ত নাথাকি দুই-এখন বুৰঞ্জীৰ লেখকে তেওঁলোকৰ বাস্তৱবাদলক্ষিত ৰচনাত মানৱীয় অনুভূতিৰ ৰহণ বোলাবৰ যত্ন কৰিছে। ঠায়ে ঠায়ে উপকথা, প্ৰবাদ আদি সন্নিবেশ কৰাত বিৱৰণ ৰসাল হৈ পৰিছে আৰু এনেবোৰ স্থানত ৰাজনৈতিক বুৰঞ্জীয়ে সাহিত্যিক আস্বাদ দাঙি ধৰিছে। ড° সূৰ্যকুমাৰ ভূঞাদেৱৰ ভাষাত ''বুৰঞ্জীৰ কথা শুকান হাড়-ছাল নহয়, তাত ভাবৰ সমাৱেশ আৰু আৱেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেইদেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ আংগীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সংগম বৃটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যত দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।''

বুৰঞ্জী লেখকৰ দৃষ্টিভংগী আৰু ৰচনা পদ্ধতিত ব্যক্তি নিৰপেক্ষতা আৰু বৰ্ণনাৰ পুংখানুপুংখতা এটি মন কৰিবলগীয়া বিশেষত্ব। ব্যক্তিগত ৰুচি-অভিৰুচি, বিৰাগ-আসক্তি বিসৰ্জন দি নিৰপেক্ষ দৃষ্টিৰে ৰাজনৈতিক সকলো কথা পুংখানুপুংখভাৱে বুৰঞ্জী লেখকে বৰ্ণনা কৰে। এই বুৰঞ্জী বিলাকৰ সত্যতাৰ বিষয়ে মিষ্টাৰ গেইট্টে তেওঁৰ 'The History of Assam' কিতাপৰ এঠাইত লিখিছে —

"The history of these Burunjis is proved not only by the way in which they support each other but also by the comparison which is afforded by the Mahammedan writers, whenever they are available for comparison. Their chronology is further supported by the dates on various records."

মিষ্টাৰ গেইট্‌ৰ এই উক্তি অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ যি লেখকে বুৰঞ্জী লিখিছিল তেওঁবিলাক সংঘটিত ঘটনাৰ সমসাময়িক আছিল। তদুপৰি তেওঁলোক ৰজাঘৰীয়া সকলো ভিতৰুৱা কথাৰ সন্তেদ পোৱা মানুহ আছিল। লেখক সকলে বিভিন্ন সময়ত (ভাত খোৱাৰ সময়ত, ৰাজসভাৰ আলোচনা আদিত) ৰজাৰ পৰা পোৱা উক্তি বা কথা সমূহ সংগ্ৰহ কৰি বুৰঞ্জীৰ পটত সন্নিবিষ্ট কৰিছিল। লগতে বিভিন্ন ৰজাৰ চিঠি-পত্ৰও বুৰঞ্জী লেখকৰ মূল্যবান সম্পত্তি তেওঁলোকে মাজে মাজে বুৰঞ্জীত চিঠি কিছুমানৰ স্পষ্ট উল্লেখো কৰিছিল।

সদৌ শেষত, অসমীয়া বুৰঞ্জী সমূহ বিস্তৃত আৰু ভাৰতৰ কোনো জাতিয়ে অসমীয়াৰ দৰে বুৰঞ্জী সাহিত্যৰ গৌৰৱ কৰিব নোৱাৰে বুলি একেষাৰে ক'ব পাৰি। কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ চেষ্টাত এতিয়ালৈকে ডেৰশৰো অধিক বুৰঞ্জী উদ্ধাৰ হৈছে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী দাহ কাৰ্য মান-মৰাণৰ অত্যাচাৰ, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে ধ্বংস কৰাৰ পিছতো ইমানখিনি বুৰঞ্জী অৱশিষ্ট থকা কথাই বুৰঞ্জী-সাহিত্যৰ প্ৰাচুৰ্য্যৰ আভাস দাঙি ধৰে। তদুপৰি বহুতো বুৰঞ্জী উদ্ধাৰ নোহোৱা আৰু মানুহৰ ঘৰে ঘৰে থকা (উদ্ধাৰ নোহোৱা) বুৰঞ্জী উল্লেখনীয় সি যিকি নহওঁক সমগ্ৰ অসমতে থকা উদ্ধাৰ হোৱা আৰু নোহোৱা বুৰঞ্জীসমূহে আহোম সকলৰ অৱদান আৰু অসমীয়া জাতিৰ সমগ্ৰতাকে আত্মপ্ৰকাশ কৰিছে। ই কম ডাঙৰ কথা নহয়। ■

---

**উক্ত ৰচনাটি যুগুত কৰোঁতে সহায় লোৱা কিতাপসমূহ হ'ল ঃ—**


ক) কথা চয়নিকা ঃ সংকলন, *সম্পাদক — ড° মহেন্দ্ৰ বৰা।*

খ) অসমীয়া সাহিত্যৰ ৰূপৰেখা — *ড° মহেশ্বৰ নেওগ।*

গ) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — *ড° সত্যেন্দ্ৰ নাথ শৰ্মা।*

# Computer : *A Gift of Science...*

Raj Sonar

*There are many courses of studying computer subject. Two such types of courses are Hardware and software courses. There are many softwares of computer. Windows 95 windows 98, windows NT, windows 2000 and windows XP vista. There are many parts of the computer, some of them are CPU (Central Processing Unit) Mouse (Optical, Scroll), VDU (Visual Display or Unit) monitor, UPS (Uninterrupted Power Supply) Printer (Inkjet and Dot Matrix) and scanner.*



Computer is the Futuristic development of the 20th century. The origin of the basic computers can be traced back to Mr. Blaise Pascal of the 17th century. However the origin of the present day Computers can be traced back to the decade of 30s of the 20th century. But in 1946, the all electronic computer called ENIAC, was invented and the credit goes to the engineers of the university of Pennsylvania, USA. Again Mr. Thomas Harroit came up with a further improved model in 1950, called EDVAC. At present, the fifth generation computers are being used in almost all the fields. The first generation of computers have been discarded for their limitation of activities and speed of processing.

Generally, computers are the electronic machine which accepts data, and information. They are most accurate in calculations. In computers we can play games and can see movies. Most of the computers are of professional use. It will be a great profit if one knows how to operate it. There are two main types of computers depending on its size, main frame and Personal computer (PC).

There are many courses of studying computer subject. Two such types of courses are Hardware and software courses. There are many softwares of computer. Windows 95, windows 98, windows NT, windows 2000 and windows XP vista. There are many parts of the computer, some of them are CPU (Central Processing Unit) Mouse (Optical, Scroll), VDU (Visual Display or Unit) monitor, UPS (Uninterrupted Power Supply) Printer (Inkjet and dot Matrix) and scanner. There are the external parts and the internal parts include SMPS (Switch, mode Power Supply), Hard disk, CD-drive, floppy drive, motherboard, processor, modems, LAN card etc. The motherboard consists of many micro-chips which are very sensitive to electricity.

The computers are now being used in all most all fields of human activities. The main uses are in business application, agriculture and flood control, medical science and surgery, sports and games, architecture and printing industries etc. But the main function of a computer is data collection and processing.

Computers are very accurate in their work. They never make a mistake, unless there are some instrumental failure in them. They are very loyal slave to the human being. We should never use them for any destructive purpose. We should take advantage of their enormous power to the benefit of mankind.■

# *Story of Indian Perfumes*

Sarita Chetry

*Today, the only Indian city that still pursues that ancient art is Kanauj, about 75km. off Kanpur in Uttar Pradesh. The town is now known as the "perfume capital of India". Harsha vardhana, the 7th century emperor is said to have founded the historic city of Kanauj on the Ganges river. A conspicuous feature of the place was the mild climate with abundance of flowers, herbs, and roots. At that time sweet smelling sandalwood surrounded Kanauj, making it a natural centre of perfume production.*



The story of Indian perfumes is as old as civilisation itself. People belonging to times long past, especially before the fall of the Roman empire, offered flowers, herbs and resins to the forces of nature, like wind and rain, asking for help. When burned, some plants released strong sweet smell and the scented smoke-fires became part of the ritualistic offerings. The rulers of Persia in South – Western Asia were known to use attars over 5000 years ago.

**Preparation of perfumes :–** In courses of time, scented oils were taken out by pressing, pulverising and distilling fragrant and spicy vegetable and animal products. Such process led to the development of alchemy – an early form of chemistry, after mixed with magic. The earliest indications of alchemy are available from the perfume jars and terracatta containers of the Indus Valley civilisation.

Today, the only Indian city that still pursues that ancient art is Kanauj, about 75km. off Kanpur in Uttar Pradesh. The town is now known as the "perfume capital of India". Harsha Vardhana, the 7th century emperor is said to have founded the historic city of Kanauj on the Ganges river. A conspicuous feature of the place was the mild climate with abundance of flowers, herbs, and roots. At that time sweet smelling sandalwood surrounded Kanauj, making it a natural centre of perfume production. Attar oil is a specific type of fragrant product derived from natural product extracts and blended while some varieties are individual oils, that are fragrant enough like amber, Sandalwood and eucalyptus. The usual sweet smell of attar is derived from condensing vapours directly into a base oil of sandalwood since its own pleasant smell is easily replaced by other scents. Moreover, sandalwood oil does not easily get spoiled and serves as a good preservative. Attars do not contain any alcohol and so are popular among Muslims. One of the most expensive attars is Ood made from the bark of a tree found in Assam. Agarwood which helps to make attar is also cultivated. ■




# *Human Body*

□ S. Deepak Rao

Your Amazing Body

**Blood** – An adult man's body contains about 5 litres of blood. A woman's body contain about 4.3 litres. The blood travels a long 100,000 km of blood vessels which is equal to going 2.5 times round the equator. It contains 25,000,000,000 to 30,000,000,000 red cells. The life span of red cells is only about 120 days and 1,200,000 to 2,000,000 of them are made every second. In a human lifetime you will make 0.5 tonne of red cells. Red cells are made and destroyed at a rate of 2-3 million per second.

**Brain** – You lose 100,000 brain cells every day ! Luckily you have 100 billion altogether.

**Breathing** – The average person inhales 6 litres of air per minute or 8,640 litres per day. You take 13-17 breathes per minute when sitting still and upto 80 during vigorous exercise.

**Cells** – There are 50 trillion cells in your body and 3 billion of them die every minute (4,320,000,000,000 a day ) you make 10 billion new white blood cells each day. You have a total of 1,000,000,000,000 white cells which help fight germs and infections.

**Chemicals** – There is enough carbon in your body to fill 900 pencils, enough fat to make 75 candles, enough phosphorus to make 220 match heads and enough iron to make a 7.5 cm nail.

**Digestive system** – Your stomach produces up to 2 litres of hydrochloric acid a day, strong enough to dissolve metals, but it does not have time to damage the stomach walls because 500,000 cells in your stomach lining are replaced every minute.

**Eyes** – You blink about 20,000 times a day.

**Gas** – On average you will release 2 litres of gases from your intestines today as burps or facts.

**Heart beats** – Your heart pumps 13,640 litres of blood around your body in a day enough to fill nearly 40,000 drink cans. An average heartbeat pumps 59 cc of blood.

**Mouth** – You will produce about 37,800 litres of saliva in your lifetime.

**Nerves** – There are about 13,000,000,000,000 nerve cells in your body, transmitting message at a speed of 290 km/hr. as fast as the world's speediest road cars.

**Nose** – Your sneezes can travel at 160 km/hr – as fast as a train.

**Sleep** – In 7.5 hours of sleep, you will sleep lightly for 60 percent of the time and deeply for 18 percent of the time. You will dream for 20 percent of the time.

**Sweat** – You lose about 0.5 litres of water a day through 3,000,000 sweat glands. In hot climates you may lose as much as 13.5 litres a day.

**Urine** – You will pass between 400 and 2,000 millilitres of urine every day, depending on how old are you, your body size and the outside conditions especially temp$^{r}$.

**Nails** - Your finger nails grow 0.05 cm a week, which is four times faster than your toenails. ■

বাসনাক সন্তুষ্ট কৰি নহয়, তাক সীমাবদ্ধ কৰিহে মই সুখৰ সন্ধান কৰোঁ। বাসনাক লেকাম লগাব নোৱাৰাজনৰ পক্ষে পৃথিৱীখনৰ ক'তোৱে শান্তি নাই।

— *মিল।*

# নৈপৰীয়া সুহৃদ মোৰ...

□ ধৰণী লাহন

পৃথিৱীৰ আটাইতকৈ ধুনীয়া নদীখনৰ নাম কি বাৰু ? মাজে মাজে এটা কথা গৌৰৱ কৰিবলৈ মন যায় মোৰ। অসমৰ বিভিন্ন ঠাইৰ মাজেৰে বৈ থকা নদীবোৰ, নদীবোৰৰ নাম পৃথিৱীৰ কোনো নদীৰ নামৰ লগত তুলনা নহয়। কিমান যে ধুনীয়া, কিমান যে সুন্দৰ অসমৰ নদীবোৰৰ নাম। সোৱণশিৰি, ধনশ্ৰী, দিখৌ, দিচাং, কপিলী, জাঁজী, দিহিং, আই, পুঠিমাৰী, জীয়াভৰলী, ভোগদৈ, আদি কাব্যিক নামৰ নদী পৃথিৱীৰ আটাইতকৈ ধুনীয়া নামৰ নদীখন কেৱল অসমতে আছে। কিমান কোমল ভোগদৈ নামটো ! কিমান কোমল সোৱণশিৰি, জীয়াভৰলী, কলং, কপিলী, জাঁজী আদি নামবোৰ ! সুন্দৰ, অনন্য সুন্দৰ অসমৰ নদীবোৰৰ নাম ! নদীৰ নামবোৰ যেন অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ অনুপম আকৰ।

নদীৰ পাৰত মানুহ বাস কৰে।

নদীয়ে গঢ়ে সভ্যতা-সংস্কৃতি। নদীৰ পাৰত বাস কৰা মানুহে পায় নৈপৰীয়া বিশেষণ। অসমৰ প্ৰায়বোৰ নদীয়ে সৃষ্টিশীল লেখকৰ ৰচনাত উজ্বলি উঠা দেখা যায়। সোৱণশিৰিয়ে সৃষ্টি কৰিছে জংকী-পানৈৰ অনুপম প্ৰেমৰ কাহিনী। আব্দুল মালিকৰ ৰচনাত সৌন্দৰ্যৰ আকৰ হৈছে ধনশ্ৰী নদী। দিচাংমুখৰ পৰা ওলাই আহিছে অনেক কবি-সাহিত্যিক। শৈশৱৰ কুঁহিপাতত পঢ়া ভোগদৈৰ পাৰৰ মালৌ পথাৰে এতিয়াও আমাৰ দেহ-মন ৰোমাঞ্চিত কৰি ৰাখিছে। কপিলীপৰীয়া সাধুৰে হেজাৰ হেজাৰ পাঠকক মুগ্ধ কৰি গৈছে নৱকান্ত বৰুৱাই। এতিয়াও পাগলাদিয়াৰ পাৰত কবিতাৰ ছন্দ ! দিখৌমুখত ধ্বনিত হৈছে কবিতা কোমল শব্দৰ ঝংকাৰ। লখিমপুৰৰ কাকৈৰ পাৰত থাকি অহৰহ কলম চলাই গৈছে নতুন প্ৰজন্মৰ শক্তিশালী লেখক অৰবিন্দ ৰাজখোৱাই। হোমেন বৰগোহাঞিয়ে চাৰিকড়ীয়া নদীক দিছে অন্য এক মাত্ৰা। নৈপৰীয়া কৃষকৰ কৃষক জীৱনৰ কথকতা মূল বিষয়বস্তু হৈছে কবি-সাহিত্যিকৰ লেখাৰ সমল।

জীৱনৰ প্ৰাত্যহিকতাৰ মাজে মাজে ক'ৰবালৈ গুচি যাবলৈ মন যায়। মনে ডিঙা মেলে অৰঙে-দৰঙে। অসমৰ নদীবোৰৰ দুয়োপাৰ চাবলৈ মন যায় প্ৰায়ে। কি কৰে, কি কৰে সোৱণশিৰিয়া মানুহে ? কি কৰে ধনশ্ৰী, পাগলাদিয়া, ভোগদৈৰ পাৰৰ মানুহে ? উজনিৰ নদী দুখনৰ দুয়োপাৰৰ সৈতে কিয় মিল নাথাকে নামনিৰ নদী এখনৰ দুয়োপাৰৰ ? সৌন্দৰ্য ক'ত বেছি ? পাগলাদিয়াৰ পাৰত নে পুঠিমাৰীৰ পাৰত ? নে জাঁজী, দিখৌমুখ অথবা কলঙৰ পাৰত ? সৰিয়হ ফুলিলে কিমান ধুনীয়া হয় ধনশ্ৰীৰ দুয়োপাৰ ? বাৰিষা কালত কোনখন নদী ভয়ংকৰ হয় — সোৱণশিৰি নে জীয়াধল নে বুঢ়ীদিহিং ? কোনখন নদীৰ পাৰত বলা বতাহজাক আটাইতকৈ চেঁচা হিম-শীতল ?

জাঁজী নদীয়ে দুভাগ কৰিছে শিৱসাগৰ আৰু যোৰহাট জিলাক। এখন নদীৰ দুয়োপাৰে দুখন বেলেগ বেলেগ জিলাৰ মানুহ। শিৱসাগৰৰ জামুগুৰিৰ মানুহে উকিয়াই মাতিব পাৰে যোৰহাটৰ তামুলীছিগাৰ কোনোবা কমলা, তগৰ, ৰঞ্জন, মিতালীক। নদীৰ পাৰৰ বতাহে ইপাৰৰ চিঞৰটো সিপাৰত আনি মেলি দিয়েহি। জামুগুৰিৰ কপিলৰ ঘৰলৈ যাওঁতে ভবাই নাছিলো তামুলীছিগাৰ জিতুহঁতৰ ঘৰটো যে জাঁজীৰ সিপাৰে। আমি আটায়ে কটন কলেজত পঢ়োঁতে একেটা হোষ্টেলতে আছিলো। শিক্ষকতাৰ জীৱনৰ প্ৰথমটো গৰমৰ বন্ধত কপিলৰ ঘৰলৈ যাওঁতে কপিলে তাৰ স্কুটাৰৰ পিছফালে মোক বহুৱাই ল'লে। সন্ধিয়া বেলিকা। সি মোক লৈ গ'ল জাঁজীৰ পাৰে পাৰে থকা পকী ৰাস্তাটোৰে। নদীখনৰ ওপৰত থকা দলংখন পাৰ হৈয়ে সি তাৰ স্কুটাৰৰ বেগ কমাই দিলে। জাঁজীৰ পাৰতে সেইটো জিতুহঁতৰ ঘৰ। জিতুৰ খবৰ ল'লো, সি তেতিয়া ঘৰত নাই। অঞ্চলটোৰ অন্যতম উচ্চশিক্ষিত যুৱকজন তেতিয়াও পথাৰৰ কামত ব্যস্ত। খেতিৰ ভৰপক সময়। পুৱালৈ দুবিঘা মাটি ৰুবলৈ দিয়া কথা। সেয়ে সি সন্ধিয়া পৰ্যন্ত দুলীয়াগাওঁ পথাৰত আলি দি আছেগৈ। আন্ধাৰ ফালি ফালি আমাৰ স্কুটাৰ জাঁজীপৰীয়া দুলীয়া পথাৰলৈ আগবাঢ়িল। জিতুক দেখিলো — সি আলি কাটি আছে। কোৰৰ শব্দ হৈছে চবক...চবক...!

বাইহাটা চাৰিআলিৰ পৰা দগাওঁ চ'কলৈ বেছি দূৰ নহয়। মাঘ বিহুৰ সময়ত ৰাজেন্দ্ৰ ডেকাই তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ কৰি গৈছিল। গ'লো, লগত মুজাহিদ — মঙলদৈৰ ওচৰৰ ছিপাঝাৰ বৰদৌলগুৰিৰ আধুনিক মনৰ ল'ৰা



**ডিগবৈ কলেজত স্নাতক মহলা বন্ধুত্ব গাঢ় হৈছিল অজয় চেত্ৰী নামৰ নেপালী ল'ৰাজনৰ সৈতে। আমাৰ দলটোত আছিল ডুমডুমাৰ ওচৰৰ ফিল'বাৰীৰ পদ্মবিকাশ, ডিগবৈৰ ৰাজীৱ, দ্বিজুহঁত।**

**অজয় অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচাৰ মোমায়েকৰ ঘৰত থাকি পঢ়িছিল।**

**তাৰ আচল ঘৰ আছিল।**

সি। গুৱাহাটীলৈ ওভতাৰ আগে আগে ৰাজেন্দ্ৰ ডেকাই তেওঁৰ স্কুটাৰৰ পাছত মোক আৰু অনিলে তাৰ স্কুটাৰৰ পাছত মুজাহিদক বহুৱাই স্কুটাৰ চেকুৰাই দিলে। দগাওঁ চ'কৰ পৰা বাইহাটা হৈ এটা পথৰুৱা ৰাস্তাৰে স্কুটাৰ চেকুৰিল কলাজলৰ পাৰলৈ। কলাজল বাইহাটা চাৰিআলিৰ ওচৰৰ এখন সৰু নৈ। বিহুৰ বতৰ, তাতে শীতৰ প্ৰকোপ। সন্ধিয়া পৰত, বেলি ডুবাৰ আগে আগে কলাজলৰ দুয়োপাৰৰ হালধীয়া সৰিয়হবোৰে বিশাল পথাৰখনৰ সৌন্দৰ্য চৰাইছে। কলাজলৰ সিপাৰে সেইবোৰ ননৰাৰ গাভৰু। স্বভাৱগত উকিৰে বাইহাটাৰ ডেকা কেইজনমানে উকিয়াই উকিয়াই জোকবলৈ ধৰিছে গাভৰুজাকক। ৰাজেন্দ্ৰ অথবা অনিলো পিছ পৰি বোৱা নাই। নদীৰ দুয়োপাৰে থাকি এনেদৰে জোকোৱা দৃশ্যটোৱে মোক লৈ গৈছে ধেমাজিৰ মোৰ সেই নৈপৰীয়া জন্মঠাইখনলৈ। বাইহাটা চাৰিআলিৰ পৰা গৈ মোৰ মনটো লাইপুলীয়া নামৰ নদীখনৰ দুয়োপাৰে থকা দুখন গাওঁ সেউজীয়া পথাৰ আৰু বৰবাম গোহাঁই গাঁৱৰ মাজত ভুমুকিয়াই ফুৰিছেগৈ...।

...হয়...হয়... সৰুতে লাইপুলীয়া নামৰ নদীখনৰ এটা পাৰে থাকি, ঠিক তেনেকুৱা মাঘৰ বিহুৰ সময়তে মই, ভাই, পুতু, অকণ্টি, যদু, বুবুল, গুটিহঁতে গোহাঁই গাঁৱৰ চঞ্চলা গাভৰুজাকক জোকাইছিলো। নদীৰ পাৰত বহি আটায়ে আপোন পাহৰা হৈছিলো নিজৰ মাজত। কলৈ গ'ল, কলৈ গ'ল বাৰু সেইবোৰ দিন ? ভাই (পোচাকী নাম শুভ) ক'ত ? পুতু ক'ত আৰু মই ক'ত ? খবৰমতে, ভাই এতিয়া বিবাহিত, গাঁৱৰে খেতিয়ক। গুটি আৰু পুতুৱে কেৰালালৈ গৈ প্লাইউড ফেক্টৰীত ঠিকাদাৰৰ অধীনত কাম কৰি আছেগৈ। মই গুৱাহাটীতে থাকি কিবাকিবি কৰিছো, জীৱনটোৰ সৈতে ওলমি ফুৰিছো অহৰহ...!

ডিগবৈ কলেজত স্নাতক মহলা বন্ধুত্ব গাঢ় হৈছিল অজয় চেত্ৰী নামৰ নেপালী ল'ৰাজনৰ সৈতে। আমাৰ দলটোত আছিল ডুমডুমাৰ ওচৰৰ ফিল'বাৰীৰ পদ্মবিকাশ, ডিগবৈৰ ৰাজীৱ, দ্বিজুহঁত। অজয় অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচাৰ মোমায়েকৰ ঘৰত থাকি পঢ়িছিল। তাৰ আচল ঘৰ আছিল নাহৰকটীয়াৰ পৰা দহ কিলোমিটাৰমানৰ আঁতৰত থকা বুঢ়ীদিহিং নদীৰ পাৰৰ এখন গাঁৱত। এবাৰ আমাৰ দলটোক সিহঁতৰ নৈপৰীয়া ঘৰখনলৈ সি লৈ গৈছিল। নদীৰ বিধ্বস্ত ৰূপ বেছি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছিলো তাত। বুঢ়ীদিহিঙে জলা-কলা কৰিছিল সিহঁতক। বুঢ়ীদিহিংপৰীয়া সেই সুহৃদৰ স'তেও আজি বহুদিন ধৰি যোগাযোগ নাই। আকৌ কেতিয়া বুঢ়ীদিহিঙৰ পাৰৰ সিহঁতৰ ঘৰখনলৈ যাব পাৰিম সেয়া নাজানো। কিন্তু নিজানত বহিলে প্ৰায়ে অজয় চেত্ৰীৰ ঘৰৰ মানুহখিনিৰ, গাঁৱৰ মানুহবোৰৰ আন্তৰিকতাৰ ছবিখন মনলৈ আহে।

ঠিক এক বজাৰ লগে লগে এগাল যাত্ৰীৰে ভৰি থকা জলকুঁৱৰীৰ ইঞ্জিন ষ্টাৰ্ট হয়। ধপ্ ধপ্, ধপ্ ধপ্...। ক্ৰমশঃ জলকুঁৱৰীৰ সম্পৰ্ক পাৰৰ মাটিৰে সৈতে বিচ্ছিন্ন হৈ পৰে। পূজা ঘাটৰপৰা যাত্ৰী কঢ়িয়াই নিয়ে জলকুঁৱৰীয়ে। ব্ৰহ্মপুত্ৰৰ বুকু বিদাৰি, ঢৌ খেলা পানী ফালি আগবাঢ়ে জলকুঁৱৰী। লাহে লাহে জলকুঁৱৰীৰ গতি দ্ৰুত হয়। দ্ৰুতৰপৰা দ্ৰুততৰ। জলকুঁৱৰীক বিশ্বাস কৰি মানুহে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি ডিঙা মেলি দিয়ে।

এইখন ডিব্ৰুগড় চহৰ। ডিবৰুৰ পাৰৰ ডিব্ৰুগড় চহৰ। চহৰখনৰ সৌটো ফুল বাগান বাছষ্টেণ্ড। জহি-খহি যোৱা এটা পুৰণি আস্থান। আস্থানৰ কাষতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা উদ্যান। উদ্যানখনৰ সীমাত এটা মাথাউৰি। মাথাউৰিটোৰ গাতে লাগি থকা সৌটো পূজা ঘাট। এখন এখনকৈ কেইখাখনো ফেৰী শাৰী পতাই ৰখাই থোৱা হৈছে তাত। ফেৰীবোৰ দক্ষিণ পাৰৰপৰা উত্তৰপাৰলৈ যায়। কোনোবাখন চিচিকলঘৰলৈ, কোনোবাখন সোণাৰীঘাটলৈ, কোনোবাখন জোনাইলৈ, কোনোবাখন শদিয়ালৈ। বছৰ বছৰ ধৰি চিচিকলঘৰ আৰু ডিব্ৰুগড়ৰ মাজত ফেৰীৰ পোনপটীয়া যোগাযোগ চলি আছিছে। সপ্তাহৰ সাতোটা দিনৰ তিনিটা দিন সিপাৰলৈ, তিনিটা দিন এই পাৰলৈ ঘূৰি আহে জলকুঁৱৰী। দেওবাৰে যায়, সোমবাৰে আহে, মঙলবাৰে যায়, বুধবাৰে আহে। বৃহস্পতিবাৰে বন্ধ থাকে ফেৰীৰ চলাচল। পুনৰ শুকুৰবাৰে যায়, শনিবাৰে আহে। ডিব্ৰুগড় আৰু চিচিকলঘৰৰ মাজৰ ফেৰীৰ এই ব্যৱস্থাটোৰ আটাইকেইটা দিনৰ ভিতৰত শনিবৰীয়া যাত্ৰাটো চাবলগীয়া। চিচি কলঘৰকে আদি কৰি উত্তৰপাৰৰ নৈপৰীয়া কেইখাখনো ঠাইৰপৰা স্থানীয় ব্যৱসায়ীসকলে জাক জাক ছাগলী, গাহৰি, গৰু, হাঁহ-কুকুৰা বিক্ৰীৰ বাবে লৈ আনে ডিব্ৰুগড়লৈ। জলকুঁৱৰীৰ বুকুত মানুহ, জীৱ-জন্তু সকলো একেলগে একেখন ফেৰীতে যাত্ৰাৰ সহযাত্ৰী হয়। দেওবাৰে পুৱা ডিব্ৰুগড়ৰ বজাৰত সেইবোৰ বেচি ব্যৱসায়ীসকলে পুনৰ ঘৰমুৱা হয়। উত্তৰপাৰৰ বহু পৰিয়াল এনেকৈয়ে, এই ধৰণৰ ব্যৱসায়ৰ ওপৰত নিৰ্ভৰ কৰিয়ে চলি আছে। মই যেতিয়াই সুহৃদজনক বিচাৰি ইপাৰ-সিপাৰ হৈছোঁ, প্ৰতিবাৰেই যাত্ৰী হৈছো জলকুঁৱৰীৰ, প্ৰতিবাৰেই অনুভৱ কৰিছো দুয়োপাৰৰ অপৰূপ সৌন্দৰ্য। পাটকাই চাপৰি দেখিছো, বাউলি দেখিছো, দেখিছো শিয়ালমৰা-আমগুৰি, কাবেং আদি। ব্ৰহ্মপুত্ৰক সাৰথি কৰি জীয়াই থকা মানুহবোৰ দেখি কেতিয়াবা আবেগত আত্মহাৰা হৈছোঁ, কেতিয়াবা বিষাদত ডুবিছোঁ...। কিমানদিন যে জলকুঁৱৰীৰ বুকুত বহি আনমনা হৈছো মই...।

জলকুঁৱৰীয়ে নমাই দিয়েগৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ চিচিকলঘৰত। চিচিকলঘৰত মোৰ শৈশৱৰ ঠাই। এসময়ৰ ৰং-ৰূপ-ৰসেৰে পৰিপূৰ্ণ চিচিকলঘৰত এতিয়া আক্ষৰিত অৰ্থতে — এ লষ্ট ৱৰ্ল্ড। চিচিকলঘৰ কিয় লষ্ট ৱৰ্ল্ড হ'ল সেয়াও অন্য এক কাহিনী। এই কহিনী ব্যক্ত কৰাতো মোৰ লিখনিৰ উদ্দেশ্য নহয়। চিচিকলঘৰত মোৰ অনেক সুহৃদ আছে, আছে মোৰ আপোন মিছিং তাৰৈ-আমৈহঁত, আছে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ। মিছিং চাঙত বহি পুৰাং খোৱা, গাহৰি মঙহ পিঠাগুৰি অথবা ডিমৰু আগেৰে বন্ধা আঞ্জা খোৱাৰ স্মৃতি বৰপেৰাত সাঁচি থৈছোঁ। সেউজীয়া পথাৰ, প্ৰাথমিক বিদ্যালয়ত একেলগে শিক্ষাৰ বুনিয়াদ গঢ়া শৈলেন, বিমল, অশ্বিনী, কল্পনা, বৃন্দাহঁতৰ ঘৰ আছে ইয়াত। একো-একোটা অভাৱী পৰিয়ালৰ ল'ৰা আছিলো আমিবোৰ। আটাইৰে কথা মোৰ মানসপটত এতিয়াও ভাঁহি থাকে, তথাপি বেছিকৈ মনত পৰে শৈলেন পাইটলৈ। ডোমকটা নামৰ সৰু জান এটাৰ পাৰতে সিহঁতৰ চাং ঘৰটো আছিল। পঢ়া-শুনাত বেছ ভাল, ৰসাল আৰু বুদ্ধিদীপ্ত ল'ৰা আছিল শৈলেন। তাক আমাৰ স্কুলৰ ইংৰাজী পঢ়ুওৱা খগেন গোহাঁই ছাৰে বৰ ভাল পাইছিল। সপ্তম শ্ৰেণীতে তাৰ সৈতে বিচ্ছিন্ন হোৱাৰ পিছত যোগাযোগ নথকাৰ নিচিনা। বিদ্যালয়ৰ মজলীয়া স্তৰ শেষ কৰি আমি অষ্টম শ্ৰেণীত নাম লগাবৰ বাবে বেলেগ বেলেগ স্কুললৈ গৈছিলোঁ। তাৰ খবৰ খুব

কমেইহে পাইছিলো মই। এদিন হঠাৎ শুনিছিলো শৈলেনৰ দেউতাকৰ মৃত্যুৰ খবৰ। তাৰ বহুদিনৰ পিছত দেখিছিলো শৈলেন এজাক বনুৱাৰ লগ লাগিছে। আমাৰ ঘৰৰ পদূলিয়েদি অহা-যোৱা কৰা মাটি কটা বনুৱাজাকৰ সৈতে কামৰ সন্ধানত যোৱা শৈলেনক এতিয়াও প্ৰায়ে মনত পেলাও। সি বাৰু এতিয়াও হাঁহি আছেনে ? কেনে আছে সিহঁতৰ জানৰ পাৰৰ সেই সৰু চাংঘৰটো ?

দক্ষিণ কামৰূপৰ মফচলীয়া চহৰ পলাশবাৰীলৈ গৈছিলো কৰ্ম ব্যস্ততাৰ সাময়িক বন্ধৰ সুৰুঙা লৈ। পলাশবাৰীৰ সুহৃদ ৰঘুনাথ কুমাৰৰ মুখেৰে প্ৰায়ে শুনি থাকো ঠাইখনৰ অতীত ঐতিহ্যৰ কথা। পলাশবাৰীৰ এক গৌৰৱময় ঐতিহ্য আছিল। এসময়ত এখন ব্যস্ত চহৰ আছিল পলাশবাৰী। এসময়ৰ ব্যস্ত চহৰখনৰ বহু হেক্টৰ মাটি, বহু বাণিজ্যিক কেন্দ্ৰ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই গ্ৰাস কৰিলে। ৰঘুনাথ কুমাৰে কোৱা মতে গুৱাহাটীৰ বৰ্তমানৰ ব্যস্ত বাণিজ্যিক কেন্দ্ৰ হিচাপে বজাৰ গঢ় লৈ উঠাৰ আগেয়ে পলাশবাৰী আছিল ব্যৱসায়ৰ প্ৰধান ঘাটি। ঠাইখনৰ গাতে ব্ৰহ্মপুত্ৰ, ব্ৰহ্মপুত্ৰৰ সিটো পাৰে শুৱালকুছি। এসময়ৰ ব্যস্ত চহৰখন এতিয়া ৰোগশয্যাত পৰাৰ দৰে। গাওঁ গাওঁ লগা চহৰখনৰ বহু দোকানত এতিয়া তলা ওলমি আছে, কোনোবাখন একেবাৰে জাহ খহি গৈছে। এই পলাশবাৰীৰপৰাই এসময়ত বোলে অভাৱনীয়ভাৱে কাঠৰ ব্যৱসায়ো চলিছিল। হঠাতে এক নিৰ্দেশনা যোগে কেন্দ্ৰীয় চৰকাৰে সেই ব্যৱসায় বন্ধ কৰি দিয়াত পলাশবাৰীৰ ওপৰত দ্বিতীয়টো আঘাত পৰিল। সিদিনা যাওঁতে দেখিলো চহৰখনৰ শান্ত-সমাহিত-ধূসৰ ৰূপ ! ইমান নিমাও মাওনে এইখন চহৰ ? ব্ৰহ্মপুত্ৰৰ মাথাউৰিৰ ওপৰে ওপৰে খোজকাঢ়ি অন্যমনস্ক হৈ ঘূৰি ফুৰোঁতে মনটো বিষাদে আৱৰিছিল। লগতে যোৱা মুজাহিদ আলিৰো সেই একেই অৱস্থা। কৰুণ-শীতল দুয়োৰে মন-গহন। আগতে উকিয়াই মাতিব পৰা সিপাৰৰ শুৱালকুছিখনো গৰাখহনীয়াৰ কবলত পৰি বহু দূৰলৈ আঁতৰি গ'ল। এতিয়া কোনেও কাৰো উকি নুশুনে! শুৱালকুছিৰ মানুহে মৰা উকি পলাশবাৰীৰ মানুহে নুশুনে, পলাশবাৰীৰ মানুহে মৰা উকিটো শুৱালকুছি নাপায়গৈ...। দুয়োখন ঠাইৰ মাজত অহৰহ কল্ কল্ শব্দেৰে বৈ থাকে ব্ৰহ্মপুত্ৰ...।

তিনিচুকীয়া সদৰৰপৰা ডুমডুমা-ঢলা-ছৈখোৱাঘাট হৈ বিশাল ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ পিছত সেয়া শদিয়া। শদিয়ালৈ মাজে মাজে যাওঁ। ধান-চাউল, মাছে-মঙহে, শাকে-পাচলিয়ে এখন ভোগালী ঠাই শদিয়া। শদিয়াত থলুৱা উৎপাদিত বস্তু একোৰে অভাৱ নাই। শদিয়াৰ মানুহৰ আন্তৰিকতাও নিভাঁজ, হৃদয় পৰশা। শদিয়াৰ প্ৰাণ স্বৰূপ কুণ্ডিল নদীৰ পাৰৰ আঠমাইল ডোমপথাৰ গাঁৱৰ সন্তোষ কুমাৰ বাই এটা নেপালী ল'ৰা। সিয়ে প্ৰথমে লৈ গৈছিল শদিয়ালৈ, সিহঁতৰ গাঁৱৰ ঘৰলৈ। ইছলামপুৰৰ পৰা যিটো ৰাস্তা আঠমাইল কুকুৰামৰা হৈ পৰশুৰাম কুণ্ডলৈ গৈছে সেইটো ৰাস্তাৰ কাষতে কুণ্ডিল নদীৰ ওপৰৰ পকী দলঙখন পাৰ হোৱাৰ পিছৰ গাওঁখনত সিহঁতৰ ঘৰ। সিহঁতৰ ঘৰলৈ যাওঁতে ভাবি যোৱা নাছিলো ইমান মৰম, আন্তৰিকতা পাম বুলি। আলহী-অতিথিক তেওঁলোকে গ্ৰাম্য ভাষাত ঈশ্বৰ দেখাদি দেখে। নদীপৰীয়া অসীম সৰলতা তেওঁলোকৰ অন্তৰত চিৰ প্ৰবাহমান। কুণ্ডিল নৈখন যিদৰে শান্ত-সমাহিত সেইদৰে সন্তোষ অথবা তাৰ ঘৰৰ মানুহখিনিও শান্ত-সমাহিত। বাহিৰত আলহী বহি থাকিলে ভিতৰত থকা মানুহখিনিয়ে টানকৈ কথা এষাৰ নকয়, প্ৰাণ খুলি নাহাঁহে, হাই-উৰুমি নকৰে। জানোচা আলহীয়ে অসুবিধা পায় ! আলহীক লৈয়ে ব্যস্ত থাকে পৰিয়ালৰ প্ৰায় সকলোখিনি মানুহ ! নিভাঁজ আন্তৰিকতাৰ বাবে সন্তোষহঁতৰ ঘৰৰ মানুহখিনিলৈ মনত পৰি থাকে সদায়ে।

কঢ়া নদীৰ বিশালতা, ক্ষুদ্ৰতা, ভয়াবহতা, গতিময়তা, শান্ত-প্ৰফুল্লিত কায় বহুদিন দেখিলো। একেবাৰে চিনাকি মোৰ কঢ়া নদীখন, আৰু যে কিমান চিনাকি কঢ়া নদীৰ পাৰৰ মানুহবোৰ ! মাছখোৱাত থাকোঁতে ধেমাজিৰ সদৰলৈ চাইকেলেৰে সঘন আহ-যাহ কৰোঁতে দুখন নদী পাৰ হওঁ। লাইপুলীয়া আৰু কঢ়া। মিছিং মানুহৰ বসতিস্থল বেঙেনাগড়া আৰু কঢ়া তিনিআলিক দুভাগ কৰিছে কঢ়া নদীয়ে। কঢ়া তিনিআলিৰপৰা শিলৈপৰা, কেন্দুগুৰি, সৰু-আজোহা হৈ পশ্চিম ধেমাজিৰ সেই বৰ আজোহা, কাৰৈমাৰি, কলাকতা, বুঢ়া-ভকত আদি ভিতৰুৱা গাওঁবোৰলৈ এতিয়ালৈকে বহুবাৰ গ'লো। কঢ়া নদীৰ গাতে লাগি থকা বৰ আজোহা চাপৰিত আহোমৰ ঐতিহ্যমণ্ডিত হাবুং অঞ্চল আছিল বুলি বহু গৱেষক-পণ্ডিতে মত পোষণ কৰিছে। অৱশ্যে সেয়া অন্য এক বিতৰ্কিত কথা।

চাপৰি চাপৰি লগা কঢ়া নৈৰ পাৰৰ গাওঁখনত থকা মোৰ সুহৃদৰ সংখ্যা অনেক। মোমাইদেউ-মামীদেউ, মাহী-মহা, ভাই-ভনী, ককাইদেউ-বাইদেউ আদিৰে ভৰি আছে। কাষৰীয়া গাওঁবোৰৰ মানুহৰ স'তেও চা-চিনাকি, আন্তৰিকতা, আহ-যাহ আছে। শৈশৱত সঘনাই অহা-যোৱা কৰা নৈপৰীয়া গাওঁখনৰ ৰেহ-ৰূপ আগতে দেখাতকৈ বহুত সলনি হ'ল। দ্ৰুতগতিত সলনি হ'ল কঢ়া নদীৰ দৃশ্যপটো। বানে মানুহৰ ঘৰ-দুৱাৰ ধ্বংস নকৰিলেও বছৰি বছৰি খেতি-খোলা নষ্ট কৰি আহিছে। ঠেক বাট এটাৰে পানী গৈ থকা নদীখন দহ-বাৰ বছৰৰ ভিতৰত যে ইমান বহল হ'ব সেয়া ভাবিবই পৰা নাছিলোঁ। এতিয়া কঢ়া নদীখন খৰালি ৰজস্বলা তিৰোতাৰ দৰে হৈ পৰে। শুকান-নিস্তেজ। বৰ আজোহৰ মোৰ সুহৃদজনৰো সেই একেই ৰং-ৰূপ। যোৱা দুটা বছৰ গাওঁখনলৈ যোৱা নাই, কিন্তু শুনি আছোঁ কেনেকৈ গাঁৱৰ মানুহবোৰ কামৰ সন্ধানত চহৰমুখী হৈছে, কেনেকৈ গাঁৱতে নিৰ্মিত সুৱাই এচামৰ জীৱন অন্ধকাৰ কৰি আনিছে...। ■

*(উপসংহাৰ : অসমৰ নৈপৰীয়া সুহৃদসকলক ভিত্তি হিচাবে লৈ 'নৈ পৰীয়া সুহৃদ' শিৰোনামাৰে কিতাপ এখনি প্ৰস্তুত কৰাৰ পৰিকল্পনা কলেজত পঢ়ি থকা দিনৰেপৰা। সময়-সুবিধা মিলাই অসমৰ যিকোনো এখন নদীৰ পাৰৰ গাঁৱলৈ গ'লেই এনে লাগে যেন তাৰপৰা কিবা এটা বুটলি আনিম, সাঁচি থ'ম মোৰ মন-গহনত...। মনলৈ অহা এই ভাবৰ বাস্তৱ ৰূপ এটা দিব বিচাৰিছো এই ৰচনাৰ যোগেদি। অসমৰ বিভিন্ন নদ-নদী, জান-জুৰিৰ পাৰত বাস কৰা সহজ-সৰল মোৰ সুহৃদবোৰৰ অভাৱ, সমস্যা, আবেগ-অনুভূতি, প্ৰেম-ভালপোৱা, আতিথ্য-আন্তৰিকতা অথবা জীৱন-গাঁথা লিপিবদ্ধ কৰা হ'ব ইয়াত। এইখন ৰচনা ইয়াৰ আৱন্তণিৰ অংশ, গতিকে ই অসম্পূৰ্ণ। জীৱনৰ কোনোবা এটা দিনত নিশ্চয় এই ৰচনা সম্পূৰ্ণ হৈ উঠিব...।)*

# কবি নীলিম কুমাৰৰ মনৰ খবৰ

□ সাক্ষাৎ গ্ৰহণ : সম্পাদক

প্ৰ: নীলিমদা, অসমৰ আগশাৰীৰ কাকত-আলোচনীত আজিকালি আপোনাৰ কবিতা তেনেই কমকৈ পঢ়িবলৈ পাওঁ.......।

উ: হয়, আজিকালি কবিতা খুব কমকৈ লিখা হৈছে।

প্ৰ: আপোনাৰ নামটো ক'লেই বিতৰ্কৰ কথা মনলৈ আহে। নিমখ, কবিতাৰ স্কুল, অপ্ৰজনন আদি কবিতাক লৈ বিতৰ্কৰ অন্ত নাই। নিমখ কবিতাটি প্ৰকাশ হোৱাৰ পাছত অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক-সমালোচকে মন্তব্য কৰিছিল — "তেনেকুৱা কবিতা মই দিনত পাঁচোটা লিখিব পাৰো, তাকো বাওঁহাতেৰে।" এনেধৰণৰ আক্ৰোশমূলক মন্তব্যই আপোনাৰ কবি মনত কি ধৰণে প্ৰতিক্ৰিয়া কৰে ?

উ: পাৰে যদি তেওঁলোকেও লিখক। তেওঁলোকে ভাবে যে নিমখৰ দৰে ordinary বস্তু এটাক লৈ কবিতা হ'ব নোৱাৰে। নিমখ প্ৰকৃতিগত বস্তু; মানুহৰ জীৱনত ইয়াৰ প্ৰয়োজনীয়তা অপৰিসীম। গতিকে নিশ্চিতভাৱেই ইয়াক লৈ কবিতা লিখিব পাৰি। কবিতাটো হিন্দী, বঙালী, ইংৰাজী ভাষাত অনূদিত হৈছে আৰু প্ৰশংসিতও হৈছে।

প্ৰ: এগৰাকী বিশিষ্ট কবি হিচাপে আপোনাৰ পোষ্টমৰ্ডানিজম সম্পৰ্কে ধাৰণা কি ?

উ: পোষ্টমডাৰ্নিজম সম্পৰ্কে মোৰ সিমান ষ্টাডি নাই। ...... ই মানুহৰ জীৱন যাত্ৰাত স্বাভাৱিকতে আহি পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ ৰুচিবোধৰ পৰিৱৰ্তন ঘটিছে। মানুহৰ কাপোৰ-কানি, ঘৰ, গাড়ী আদি সকলোতে এই পৰিৱৰ্তন লক্ষ্য কৰা যায়। কিন্তু আমি ইয়াক ভোগবাদ সৰ্বস্ব বজৰুৱা বস্তু বুলি ভাবোঁ। ......আমি ইয়াক উলাই কৰিব নোৱাৰো। ইয়াক enjoy কৰিব পাৰিব লাগিব। তেতিয়াহে আমাৰ সাহিত্য-সংস্কৃতিয়েও সমৃদ্ধি লাভ কৰিব।

প্ৰ: আপোনাৰ নিজৰ কোনোবাটো কবিতাৰ প্ৰতি বিশেষ দুৰ্বলতা আছে নেকি ?

উ: হয়, শিয়াল, আত্মগাঁথা আদি কিছুমান কবিতাৰ প্ৰতি মোৰ দুৰ্বলতা আছে। কাৰণ এই বিলাকত নিজৰ involvement টো বেছি।

প্ৰ: অসমৰ নৱপ্ৰজন্মৰ কবিসকলৰ প্ৰতি আপোনাৰ মনোভাৱ কেনেকুৱা ?

উ: তেওঁলোকৰ প্ৰতিভা আছে। Change বা experimentৰ প্ৰতি তেওঁলোক সিমান আগ্ৰহী নহয়। সাহসেৰে তেওঁলোকে যুঁজিব পৰা নাই। বেছিভাগ কবিতাই একঘেয়ামিপূৰ্ণ। প্ৰেম, নষ্টালজিয়া আদিয়েই মূল বিষয়বস্তু। তেওঁলোকৰ বাবে কবিতা এক প্ৰকাৰ বিলাস।

প্ৰ: কবি হিচাপে আপুনি সুখীনে ?

উ: কবি কেতিয়াও সুখী নহয়। কবিতা লিখি একপ্ৰকাৰ relax পোৱা যায়। আনৰ পৰা সঁহাৰি পালে ভাল লাগে।

প্ৰ: আপোনাৰ কবিসত্বা আৰু সাংসাৰিক জীৱনৰ মাজত কিবা বিৰোধ সৃষ্টি হৈছে নেকি ?

উ: বিৰোধ সৃষ্টি হোৱা নাই। সংসাৰৰ কামত ব্যস্ত থাকি কেতিয়াবা কবিতাত ভালকৈ concentrate কৰিব নোৱাৰোঁ। কিন্তু ইয়ো এক প্ৰকাৰ অভিজ্ঞতা। যেনে ধৰা, মোৰ ছোৱালীজনীৰ অসুখ হ'ল। মই ব্যস্ত হৈ পৰিছোঁ। তেতিয়া মোৰ যিটো মানসিক অৱস্থা তাৰ পৰাও কবিতাৰ সৃষ্টি হ'ব পাৰে। মোৰ 'ফুটুকী' আৰু 'অ' মোৰ ছোৱালী' তেনে দুটি কবিতা।

প্ৰ: আপোনাৰ বহুত কবিতা শূন্যতাবোধৰ পৰা সৃষ্টি হোৱা। শূন্যতা আপোনাৰ বাবে বিলাস নে যন্ত্ৰণা ?

উ: বিলাস নহয়। ই এটা অনুভৱ। সাধাৰণতে ইয়াক লৈ গভীৰভাৱে ভবা নহয়। শূন্যতাক ব্যংগ কৰি মই কবিতাও লিখিছোঁ। ইয়াত মই শূন্যতা মোৰ স্ত্ৰী বুলি কৈছোঁ। বিষয়টো স্থূল কৰি পেলাইছোঁ। ই এক প্ৰকাৰ উচ্চ অনুভৱ, এক প্ৰকাৰ যোগ।

প্ৰ: কিবা বিশেষ ঘটনা আছে নেকি যিটোৱে আপোনাক শূন্য কৰি ৰাখে ?

উ: বিশেষ ঘটনা বুলি নাই। বিভিন্ন কাৰণত শূন্যতাবোধ আহে। প্ৰিয় মানুহৰ মৃত্যু হ'লে মোৰ তেনে ভাব মনলৈ আহে। ..... অলপতে মোৰ গাড়ীখন বিক্ৰী কৰি দিলো। এতিয়া গেৰেজটো খালী হৈ পৰি আছে। আনকি তাৰ ঠাইত বেলেগ বস্তুৰ আগমণ ঘটিলেও আগৰ শূন্যতাখিনি থাকি যায়।

প্ৰ: আপোনাৰ কবি জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তি কি ?

উ: লিখি আনন্দ পাওঁ। কবিতাৰ জৰিয়তে মই দেশ-বিদেশৰ বন্ধু লাভ কৰিছোঁ। তেওঁলোকে মোক বুজি পায়। বিভিন্ন সময়ত মই চিঠি-পত্ৰ, টেলিফোনৰ জৰিয়তে আক্ৰমণৰ বলি হৈছোঁ যদিও সেইবোৰে মোক balance ৰখাত সহায় কৰে।

প্ৰ: সেই আক্ৰমণকাৰীসকলক আপুনি কি ক'ব খোজে ?

উ: মই যি লিখিছোঁ সেয়া জাবৰ। মোৰ জন্মই জাবৰত। জাবৰত

ভাল-বেয়া সব থাকে। জাববত প্ৰীতি জিন্টা বা মহাত্মা গান্ধীৰ ফটোও পৰি থাকিব পাৰে, ভগবানৰ ফটো বা condom এটাও পৰি থাকিব পাৰে। এবাৰ 'কৌন বনেগা কড়োৰপতি'ৰ জৰিয়তে মিলন কুন্দেৰালৈকো এটা প্ৰশ্ন সুধিছিলোঁ যে — "জাববত কি নাথাকে ?"

**প্ৰ:** **বিশিষ্ট সমালোচকসকলৰ মুখত শুনিছোঁ "যিবোৰ কবিতা নীলিমে চমক সৃষ্টি কৰিবলৈ লিখিছে সেইবোৰ উৎকৃষ্ট হোৱা নাই..... ।"**

**উ:** প্ৰথম কথা, মই মহৎ সৃষ্টি কৰিব পৰা নাই। মই সমাজ পৰিৱৰ্তনৰ ঠিকাও লোৱা নাই। মোৰ অনুভূতিৰ স'তে খেলা কৰিছোঁ। এই ক্ষেত্ৰত কোনো compromise নকৰোঁ। অনুভূতিৰ উদ্‌যাপন কৰিছোঁ। ইয়াত চমক সৃষ্টিৰ কথা নাহে।

**প্ৰ:** **আপুনি কবিৰ সামাজিক দায়বদ্ধতা নাই বুলি ভাবে নেকি ?**

**উ:** কবিতাই সমাজ পৰিৱৰ্তন কৰিব নোৱাৰে। ৰাজনীতি বা অৰ্থনীতিৰ দৰে ই সমাজত পোনপটীয়াকৈ একো প্ৰভাৱ পেলাব নোৱাৰে। .... মই কবিতা লিখিছোঁ। অসমীয়া কবিতা বা সাহিত্যত এক নতুন ধাৰাৰ সৃষ্টি হৈছে। সাহিত্যই কিছু হ'লেও সমৃদ্ধি লাভ কৰিছে। সেইফালৰ পৰা মই নিশ্চিতভাৱেই সামাজিক দায়িত্ব পালন কৰিছোঁ।

**প্ৰ:** **বিতৰ্কই আপোনাৰ পাছ নেৰে। সেই সকলক আপুনি কি কয় যিসকলে আপোনাক লৈ বিতৰ্ক কৰে ?**

**উ:** এটা কথা প্ৰায়েই কওঁ, মই ভুল সময়ত, ভুল ঠাইত, ভুলকৈ জন্মগ্ৰহণ কৰিছোঁ। তোমালোকে মোক যি ভাবা ভাবা। ...... যেনেকৈ 'অপ্ৰজনন' কবিতাটো ইয়াত বিতৰ্কিত হৈছে তেনেকৈ বাহিৰত ইয়াক যথেষ্ট ভাল পাইছে। ইয়াত কবিতাটোক লৈ এনে হৈ-চৈ দেখি তেওঁলোক আচৰিতো হৈছে।

**প্ৰ:** **'কবিতাৰ স্কুল' স্থাপনৰ ক্ষেত্ৰত আপুনি সঁচাকৈ কিবা বাস্তৱ পদক্ষেপ লৈছিল নেকি ?**

**উ:** হয়, আগবাঢ়িছিলোঁ। আমাৰ ইয়াত experimentৰ সুবিধা নাই। গতিকে সফল নহ'ল।

**প্ৰ:** **ডিগবৈলৈ আপুনি বহুবাৰ গৈছে। ডিগবৈ বুলি ক'লে আপোনাৰ কি কথা মনলৈ আহে ?**

**উ:** ডিগবৈ এখন কবিতা কবিতা লগা ঠাই। ডিগবৈলৈ যোৱাৰ আগতেই মই ডিগবৈক লৈ কবিতা লিখিছোঁ। তাৰ টিলা, চাংঘৰ, বাংলোবোৰে মোক আকৰ্ষণ কৰে। .....

**প্ৰ:** **ডিগবৈ কলেজৰ আপোনাৰ গুণমুগ্ধ পাঠক বন্ধুসকলক কি message দিব ?**

**উ:** সাহিত্য সৃষ্টিত পাঠকৰো ভূমিকা থাকে। পাঠকৰ সঁহাৰি থাকিলে লেখকক কোনেও টলাব নোৱাৰে। সমালোচকসকলৰ দুৰ্বলতাৰ কথা মই জানো। তেওঁলোক বহু ক্ষেত্ৰত আনৰ বিবেকৰ দ্বাৰা পৰিচালিত হয়। পাঠকসকলক মোৰ ভাল লাগে, কাৰণ তেওঁলোক ইয়াৰ পৰা মুক্ত। ■

*(সাক্ষাৎকাৰ গ্ৰহণত সহায় কৰিলে প্ৰাক্তন ছাত্ৰ অমৃত কুমাৰ উপাধ্যায়)*

আমরা অন্তিম মূল্য পেতে চাই-প্রেমে ;
পৃথিবীর ভরাট বাজার ভরা লোকসান
লোভ পচা উদ্ভিদ কুষ্ঠ মৃত গলি আমিষ গন্ধ ঠেলে
সময়ের সমুদ্রকে বারবার মৃত্যু থেকে জীবনের দিকে যেতে বলে ॥

*— জীবনানন্দ দাশ।*

# চুটি গল্প

“.... যেন এটি পাখিলাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰপাচত উৰামাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৱে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।”

— মহেন্দ্ৰ বৰা।

# হেৰুৱা সুবাস

□ দিতিমনি চেতিয়া



প্ৰকাণ্ড লোহাৰ গেটখন কেকোজেকোকৈ খুলি কণমাণি পুতলা যেন লগা ছোৱালীজনী সোমাই আহিল। এহাতমান দীঘল চুলিকেইডাল দুফালে দুডাল বেণি গুঠি, কপালৰ মাজত সৰুকৈ ৰঙা ফোঁটটি লৈ তাই চুচুক চামাককৈ যেতিয়া মীনাৰ ওচৰত ৰৈছিলহি, মীনাই পঢ়ি থকা আলোচনীখন জপাই থৈ তাইৰ ফালে একেথৰে চাই ৰৈছিল। কণমানি মৰমলগা ছোৱালীজনী, যেন সৰগৰ কোনোবা পৰী।

পৰী, নামটো মীনাই দি লৈছিল। অম্লানে গাড়ীখন লৈ অফিচলৈ ওলাই যোৱাৰ পিছতে পৰী আহি মীনাৰ ওচৰ পায়হি। বিয়াৰ ছবছৰৰ পিছতো সন্তানৰ মুখ নেদেখা মীনাৰ প্ৰকাণ্ড ঘৰটোত এতিয়া আৰু অস্বস্তি অনুভৱ নহয়। দিনটোৰ বেছিভাগ সময় পৰী মীনাৰ লগত থাকে। মীনাহঁতৰ সন্মুখৰ ঘৰটোতে পৰীহঁত থাকে। ঘৰত ৰুগীয়া মাক আৰু দেউতাক। দেউতাক অফিচলৈ ওলাই যোৱাৰ পিছতে পৰী আহি মীনাৰ ওচৰ পায়হি। ৰুগীয়া মাকৰ লগত অকলশৰে থাকিবলৈ তাই টান পায়।

আজিকালি পৰী অবিহনে মীনাৰ বুকুখন উদং উদং লাগে। অকণমান অহা দেৰি কৰিলেই মীনাই পদূলিলৈ ওলাই গৈ পৰীহঁতৰ ঘৰৰ ফালে চাই থাকে। মীনাৰ এনে আচৰণত অম্লানে প্ৰথমতে আপত্তি দৰ্শাইছিল যদিও আজিকালি একো নকয় নিজেতো মীনাক সন্তান এটি উপহাৰ দিব নোৱাৰিলেই, পৰীৰ লগতে ব্যস্ত থাকক মীনা।

আজি তিনিদিন হ'ল, পৰী মীনাৰ ওচৰলৈ অহা নাই। এই তিনিদিন মীনাৰ অৱস্থা নাইকীয়া হৈছে। একোতে মন নবহা হৈছে। কি — বা হ'ল ছোৱালীজনীৰ কিবা অসুখ বিসুখেই হ'ল নেকি? নে মাক দেউতাকে তাইক মীনাৰ ওচৰলৈ অহাটো বন্ধ কৰি দিছে। মীনাৰ উৎপাতত অম্লানৰ শান্তি নোহোৱা হৈছে। সকলো সময়তে অকল পৰীৰ কথা।

সেয়ে অম্লানে তাৰ অনিচ্ছাসত্বেও আজি সন্ধিয়া পৰীহঁতৰ ভাড়াঘৰৰ বাৰান্দাত ভৰি দিলেগৈ। কিন্তু তাৰ সন্মুখত এয়া কি? পৰীৰ দেউতাক! অবিশ্বাস্য। সি নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। আজিৰ পৰা ছয় বছৰৰ আগেতে নিৰুদ্দেশ হোৱা তাৰ অন্তৰংগ বন্ধু ৰাজীৱ, পৰীৰ দেউতাক।

আহ্ অম্লান, ভিতৰলৈ আহ্! মই জানো, তই খুবেই আচৰিত হৈছ। ৰাজীৱৰ লগে লগে অম্লান ভিতৰলৈ গ'ল।

কিন্তু ৰাজীৱ.........অম্লানে আচৰিত হৈ সুধিলে। মই তোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিলো অম্লান। এদিন তয়েই কৈছিলি — তোৰ অবিহনে নীলাৰ দায়িত্ব মই ল'ব লাগিব। আৰু মই তাকেই কৰিলো।

কি? ৰাজীৱৰ কথাত অম্লান উচপ খাই উঠিল। অ' অম্লান, মই নীলাক বিয়া কৰালো। ঘৰৰ মানুহৰ প্ৰচণ্ড বাধা সত্বেও মই নীলাৰ দৰে এজনী পঙ্গু ছোৱালীক বিয়া কৰালো। সেয়ে সেই ঘৰ-চহৰ এৰি মই গুছি আহিলো।

অম্লানে নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলে। যিজনী নীলাক ডাক্তৰে চিকিৎসা কৰিব নোৱাৰি হাত দাঙি দিছিল, আজীৱন পঙ্গুত্বক আঁকোৱালী ল'ব লাগিব বুলি ঘোষণা কৰিছিল, সেইজনী নীলাক ৰাজীৱে বিয়া কৰালে।

অম্লানৰ ছবছৰৰ আগৰ দিনবোৰলৈ মনত পৰিল। অম্লান আৰু নীলা। কোনে নাজানিছিল সিহঁতৰ কথা। অম্লান য'ত, নীলা ত'ত। দুটি দেহৰ এটি মন। দুয়োটাৰে ঘৰৰ সমৰ্থনত অম্লানে এম.এচ.চি. পাছ কৰাৰ পিছতেই সিহঁতৰ বিয়া বন্দবস্ত হৈছিল। কিন্তু বিয়াৰ ঠিক এসপ্তাহৰ আগৰ সেই অভিশপ্ত ঘটনাটোৱে সকলো ধূলিসাৎ কৰি দিছিল। বিয়াৰ বজাৰ কৰিবলৈ যোৱা নীলাক এখন তীব্ৰবেগী মটৰচাইকেলে পিছফালৰ পৰা খুন্দিয়াই থৈ গৈছিল। কেইবাদিনো হস্পিটেলৰ বেডত মৃত্যুৰ সতে যুঁজি-যুঁজি নীলা অলপ সুস্থ হৈ উঠিছিল যদিও তাই চিৰজীৱনৰ বাবে পঙ্গুত্বক আঁকোৱালী লৈছিল। নীলাৰ অৱস্থাই অম্লানক অস্থিৰ আৰু উন্মাদ কৰি তুলিছিল যদিও মাক-দেউতাকৰ আদেশ আৰু ভৱিষ্যত চিন্তা কৰি অম্লান নীলাৰ পৰা আঁতৰি গৈছিল আৰু মীনাক নিজৰ কৰি লৈছিল আৰু সেই নীলাকে ৰাজীৱে ........।

ৰাজীৱে আকৌ কৈ গ'ল। প্ৰথম অৱস্থাত নীলাক লৈ বৰ অসুবিধাত পৰিছিলো। বহু ডাঙৰ ডাঙৰ ডাক্তৰৰ কাষ চাপিছিলো। কিন্তু একো নহ'ল। নীলায়ো তাইৰ ওচৰৰ পৰা আঁতৰি যাবলৈ মোক বহু অনুৰোধ কৰিছিল। কিন্তু নীলাক সেই অৱস্থাত এৰি থৈ যাবলৈ মই সাহস কৰা নাছিলো। অন্য নহ'লেও অন্ত:ত নীলাৰ গৰ্ভত লাহে-লাহে ডাঙৰ হৈ অহা সন্তানটিৰ পিতৃ পৰিচয়ৰ বাবেই মই নীলাৰ ওচৰৰ পৰা আঁতৰি আহিব নোৱাৰিলো।

কি! অম্লানে চিঞৰি দিলে। এৰা অম্লান। দুৰ্ঘটনাৰ সময়ত নীলাৰ গৰ্ভত তোৰ সন্তানে থিতাপি লৈছিল আৰু এইজনীযে পৰী, তাই তোৰেই সন্তান। সেয়ে তাইক তোৰ ঘৰলৈ যোৱাত বাধা নিদিওঁ।

অম্লানৰ আৰু একো শুনিবলৈ ধৈৰ্য্য নাছিল। ওচৰতে থিয় হৈ থকা পৰীক বুকুৰ মাজত সুমোৱাই লৈ সি হুকহুকাই কান্দি দিছিল। ■

হঠাৎ গাড়ীখন ৰৈ গ'ল। দেখিলো আগত পুলিচৰ চেক পোষ্টত এফালৰ পৰা গাড়ীবোৰ তালচী ল'বলৈ ধৰিছে। কিছুদিনৰ আগতে গাড়ীৰ ভিতৰত সংঘটিত হোৱা বোমা বিস্ফোৰণৰে এয়া পৰিণতি। সেইদিনাৰে পৰা পুলিচে আজি পৰ্যন্ত ৰাস্তাটোত অহা-যোৱা কৰা গোটেইবোৰ গাড়ী তন্ন তন্নকৈ চেক কৰিছে।

আমি উঠি অহা ইণ্ডিকা গাড়ীখনৰ আগত এখন যাত্ৰীবাহী বাছ। পুলিচে সেই বাছখনকে চেক কৰি আছে। চেক হৈ যোৱাৰ পিছত লাহে লাহে বাছখন আগবাঢ়িল। আমাৰ গাড়ীখন তালচী নোলোৱাকৈয়ে যাবলৈ দিয়া হ'ল। অথচ আমাৰ গাড়ীতে আছিল বিদেশত নিৰ্মিত পিষ্টল AK-47, গ্ৰেণেড আদি। মোৰ মনে মনে হাঁহি উঠি গ'ল আজিৰ প্ৰশাসন ব্যৱস্থাক লৈ। বেয়াও লাগিল আমাৰ জন্মভূমিলৈ। যিখন দেশৰ প্ৰজাই শান্তিত শুব পৰা নাই, শান্তিৰে খাব পৰা নাই, কেউফালে মাথো হাঁহাকাৰ। তথাপি শাসকদলে জহাই ফুৰিছে আমাৰ দেশত শান্তি প্ৰতিষ্ঠা হৈছে। যিয়ে ইয়াৰ প্ৰতিবাদ কৰে তাকেই সজোৱা হৈছে দেশদ্ৰোহী আৰু তেনে ব্যক্তিৰ বুকুত বুলেট সুমুৱাই ঠেলি দিয়া হৈছে মৃত্যুৰ মুখলৈ। আৰু সেই দেশদ্ৰোহী সকলৰ মাজৰ ময়ো এজন। মোৰ কাষতে বহি পাপুৱে গাড়ীখন চলাই নিছে। আমাৰ লগত ৰবীনো আছে। সি আমাৰ কামাণ্ডাৰ। আমি তিনিও একেটা পথৰে যাত্ৰী। আমি ওলাই আহিছো শান্তিৰ সন্ধানত। আমি গুচি আহিলো মা, দেউতা, দাদা, ভণ্টিহঁতৰ ওচৰৰ পৰা, কেৱল শান্তিৰ সন্ধানৰ বাবেই।

হঠাৎ এটা মৃদু জোকাৰণি তুলি গাড়ীখন ৰৈ গ'ল। দেখিলো আগত আৰু এটা চেক পোষ্ট। ৰবীন আৰু পাপুৰ ফালে চালো, দুয়ো নীৰৱ। কাৰো মুখত কোনো কথা নাই। আমাৰ চিন্তা মাথো এটাই কেনেকৈ আমি সুকলমে লক্ষ্যস্থান পাব পাৰো। কিছুসময়ৰ পাছত গাড়ীখন পুনৰ চলিল। গাড়ী অলপ দূৰ আগুৱাই ৰাস্তাৰ সোঁ-কাষে থকা এটা পাহাৰীয়া ৰাস্তাত সোমালগৈ।

গুৰুম্! হঠাৎ শুনিবলৈ পালো গুলীৰ আৱাজ। পিছফালে ঘূৰি চাই দেখিলো আমি আহি থকা ৰাস্তাটোৰ ওপৰত কেইখনমান পুলিচ গাড়ীয়ে আমাক অনুসৰণ কৰিছে। পাপুৱে গাড়ীৰ গতিবেগ বঢ়াই দিলে আমি পিষ্টল কেইটা সাজু কৰিলো। পুলিচে পিছফালৰ পৰা আমাৰ গাড়ীলৈ গুলিয়াইছে। আমিও ইয়াৰ প্ৰত্যুত্তৰ দিলো। কিন্তু গুলীয়ে কাকো আঘাট কৰিব পৰা নাই। হঠাৎ আমাৰ গাড়ীৰ টায়াৰ এটাত গুলী লাগিল। গাড়ীখন লুটিখাই পৰিল। আমি গাড়ীৰ পৰা কোনোমতে বাহিৰ হৈ দৌৰি পলাবলৈ ধৰিলো। পিছে পিছে আমাক পুলিচ বাহিনীয়ে খেদি আহিছে। আমিও পাহাৰৰ মাজে মাজে দৌৰি আছো। আমি তিনিও ভিন্ন পথ ললো। পিচে পিচে পুলিচ। অৱশেষত মই পুলিচৰ চকুত ধূলি মাৰি পলাবলৈ সক্ষম হ'লো। কিন্তু লগৰ দুজনৰ কথাহলে মই নাজানিলো।

পিছদিনা শুনিবলৈ পালো, ৰবীনক হেনো পুলিচে ধৰিলে কিন্তু পাপু পলাবলৈ সক্ষম হ'ল। ৰবীনৰ ভৰিত গুলী লগাত সি বাগৰি পৰিল আৰু পুলিচে তাক গ্ৰেপ্তাৰ কৰিলে। সেইদিনাই আবেলি শুনিবলৈ পালো ৰবীনৰ মৃতদেহ হেনো তাৰ ঘৰত চমজাই দিছে। ৰবীনৰ দেহত নানা ক্ষত চিহ্ন। গৰম লোহা, হাতৰ তলুৱাত গজাল মৰা, বুট জোতাৰ গোৰ ইত্যাদি ইত্যাদি...।

পিছদিনা বাতৰি কাকতত চকু ফুৰাওঁতেই ডাঙৰ ডাঙৰ আখৰেৰে লিখা দেখিলো "পুলিচ আৰু উগ্ৰপন্থীৰ মুখামুখি সংঘৰ্ষত উগ্ৰপন্থী সংগঠনৰ কামাণ্ডাৰ ৰবীন কোঁৱৰ ওৰফে ৰঞ্জন কাকতিৰ মৃত্যু।" ধন্য সংবাদ মাধ্যম। এই সংবাদ মাধ্যমবোৰেই মিছাক সঁচা কৰি আৰু সঁচাক মিছা কৰি বাতৰি প্ৰচাৰ কৰে কেৱল টকাৰ বাবে। বাতৰি কাকতখন হাতত লৈয়েই মই সশব্দে হাঁহিবলৈ ধৰিলো।

ঐ কুশ, কুশ, দুৱাৰ খোল। এই ৰাতিখন তই এনেদৰে হাঁহিবলৈ কি ওলাইছে। মাৰ চিঞৰত মই টোপনিৰ পৰা ধহমহাই উঠিলো আৰু চকু দুটা মোহাৰি মোহাৰি লাহেকৈ দুৱাৰখন খুলি দিলো।■

# সপোন

□ কুশ তামুলী



মোৰ মনে মনে হাঁহি উঠি গ'ল আজিৰ প্ৰশাসন ব্যৱস্থাক লৈ। বেয়াও লাগিল আমাৰ জন্মভূমিলৈ। যিখন দেশৰ প্ৰজাই শান্তিৰে শুব পৰা নাই, শান্তিৰে খাব পৰা নাই, কেউফালে মাথো হাঁহাকাৰ। তথাপি শাসকদলে জহাই ফুৰিছে আমাৰ দেশত শান্তি প্ৰতিষ্ঠা হৈছে।

# আশীৰ্বাদ

□ মাধৱ খনিকৰ

সঁচাই তাই ধুনীয়া কবিতা আবৃত্তি কৰিব জানে। তাই কালিতকৈ আজিহে বেছি ভালকৈ কবিতা আবৃত্তি কৰিলে। আবৃত্তিৰ শেষত তাইৰ প্ৰিয় সাহিত্যিকজনে তাইক মাতি নি ক'লে ''তুমি বৰ সুন্দৰ কবিতা আবৃত্তি কৰিব জানা। তুমি যদি চেষ্টা কৰা তেনেহ'লে ডাঙৰ হ'লে এগৰাকী ভাল আবৃত্তিকাৰ হ'ব পাৰিবা। মই আশীৰ্বাদ কৰিছো তুমি যাতে জীৱনত এগৰাকী আবৃত্তিকাৰ হোৱা।'' জোনে মনত বৰ আনন্দ পালে।

''জোন, কবিতা ললিনে ?'' মাকে জোনক সুধিলে।

''অ ল'লো'' — জোনে উত্তৰ দিলে আৰু সাজ-পোচাক পিন্ধি স্কুললৈ গ'ল।

আজি জোনহঁতৰ স্কুলত জিলা ভিত্তিত কবিতা আবৃত্তি প্ৰতিযোগিতা আছে। সেয়েহে প্ৰতিযোগিতাত ভাগ ল'বলৈ জোনে কবিতাটো ভালদৰে চাই গৈছে। জোন অতি শান্ত আছিল। তাই কবিতা খুউব ধুনীয়াকৈ আবৃত্তি কৰিব জানে। সেয়েহে স্কুলৰ বাকী ল'ৰা-ছোৱালীবোৰে জোনক আবৃত্তিকাৰ বুলিও মাতে, একমাত্ৰ ৰেখাৰ বাদে। কিয়জানো ৰেখাই জোনক ঈৰ্ষা বেয়া পায় !! জোনে যদি প্ৰতিযোগিতাত ভাগ ল'ব খোজে ৰেখাই কিবা প্ৰকাৰে হ'লেও জোনক বাধা দিয়েই। এই কবিতা আবৃত্তি প্ৰতিযোগিতাত জোনে ভাগ ল'বলৈ ওলোৱাত ৰেখাও ওলাইছে। কিন্তু জোনৰ মনত কোনোদিনে কাৰো প্ৰতি বেয়া ভাব জগা নাছিল। জোনে ৰেখাক বাকী ল'ৰা-ছোৱালীবোৰৰ দৰেই ভাল পাইছিল।

প্ৰায় ১১ মান বজাত প্ৰতিযোগিতা আৰম্ভ হ'ল। প্ৰথম প্ৰতিযোগী আছিল নিতুল বৰা। জোনে এইদৰে প্ৰতিযোগী সকলৰ কবিতা আবৃত্তি শুনি থাকোঁতেই মাইকত ঘোষণা কৰিলে, ''এইবাৰৰ প্ৰতিযোগী হ'ল জোন বৰা''। প্ৰথমে তাই নিজৰ নামটো শুনি থত্মত্ খালে। তাৰ পিছত তাই সাহস কৰি মঞ্চলৈ গ'ল আৰু কবিতা আবৃত্তি কৰিলে। তাই কবিতাটো আবৃত্তি কৰোঁতে অলপ উচ্চাৰণ ভুল হৈছিল। তাৰ পিছতে আছিল ৰেখাৰ নাম। ৰেখাই সেইদিনা ভালদৰে কবিতা আবৃত্তি কৰিলে। এইদৰে প্ৰায় ৩-৪ বজাত প্ৰতিযোগিতা শেষ হ'ল।

পিছদিনা জোন প্ৰায় ৯ মান বজাত স্কুললৈ গ'ল। স্কুলত সভা বহি আছিল। বহুতো বিশিষ্টলোক সভাত বহি আছিল। এফালে জোনৰ প্ৰিয় সাহিত্যিকজন। এনেতে মাইকত ঘোষণা কৰিলে, ''যোৱাকালি হৈ যোৱা কবিতা আবৃত্তিৰ ফলাফল সমূহ হ'ল — প্ৰথম স্থান লাভ কৰিছে ৰেখা ভূঞা আৰু দ্বিতীয় স্থান লাভ কৰিছে জোন বৰাই।''

জোনে পুৰস্কাৰ লৈ নামি আহোতে দেখিলে যে ৰেখাই তাইৰফালে বিদ্ৰুপৰ চাৱনিৰে চাই হাঁহি আছে। জোনে আহি কথাবোৰ ভাবি থাকোতেই মাইকত পুনৰ ঘোষণা কৰিলে যে, ''কালি হৈ যোৱা কবিতা আবৃত্তি প্ৰতিযোগিতাৰ দ্বিতীয় স্থান লাভ কৰা জোন বৰাক পুনৰ মঞ্চলৈ আহি কবিতা আবৃত্তি কৰিবলৈ অনুৰোধ জনোৱা হ'ল।'' জোনে প্ৰথমে তাইৰ নামটো শুনি থত্মত্ খালে আৰু তাই সেমেনা-সেমেনি কৰি মঞ্চলৈ গ'ল আৰু কবিতা আবৃত্তি কৰিলে।

সঁচাই তাই ধুনীয়া আবৃত্তি কৰিব জানে। তাই কালিতকৈ আজিহে বেছি ভালকৈ কবিতা আবৃত্তি কৰিলে। আবৃত্তিৰ শেষত তাইৰ প্ৰিয় সাহিত্যিকজনে তাইক মাতি নি ক'লে ''তুমি বৰ সুন্দৰ কবিতা আবৃত্তি কৰিব জানা। তুমি যদি চেষ্টা কৰা তেনেহ'লে ডাঙৰ হ'লে এগৰাকী ভাল আবৃত্তিকাৰ হ'ব পাৰিবা। মই আশীৰ্বাদ কৰিছো তুমি যাতে জীৱনত এগৰাকী আবৃত্তিকাৰ হোৱা।'' জোনে মনত বৰ আনন্দ পালে। অন্য সাহিত্যিক সকলেও তাইক উৎসাহ যোগালে। তাই ঘৰলৈ আহোঁতে আনন্দত চকুলো বৈ আছিল। তাই মনতে ভাবিলে, মই ৰেখাক হৰুৱাই প্ৰথম পুৰস্কাৰ লাভ কৰিব নোৱাৰিলো কি হ'ল, মই ৰেখাতকৈও ডাঙৰ পুৰস্কাৰ লাভ কৰিলো, সেয়া হ'ল আশীৰ্বাদ। মই জীৱনত আশীৰ্বাদেৰেহে উন্নতি কৰিব পাৰিম, পুৰস্কাৰৰ দ্বাৰা নহয়। তাই সেইদিনাৰ পৰাই প্ৰতিজ্ঞা কৰিলে যে 'আজিৰ পৰাই মই ভালদৰে পঢ়া-শুনা কৰিম আৰু এগৰাকী ভাল আবৃত্তিকাৰ ৰূপে অসমত নিজৰ নাম জিলিকাম। ■

# লোকসংস্কৃতিৰ গৱেষক, সাহিত্যিক জয়কান্ত গন্ধীয়াৰ সৈতে মুখামুখি...

**প্ৰ ঃ— আপোনাৰ জন্মস্থান আৰু শৈশৱ-কৈশোৰৰ বিষয়ে চমুকৈ কওকচোন। এইটো স্তৰৰ এনে কিবা ঘটনাৰ স্মৃতি আছেনেকি, যিয়ে আপোনাৰ জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিছে?**

উ ঃ— মোৰ জন্মস্থান যোৰহাট জিলাৰ কৰঙা অঞ্চলৰ গন্ধীয়া গাঁৱত। সৰুতে ববপিতা কঠাল গন্ধীয়াই সদায় গধূলি পঢ়াইছিল, সেয়ে মোৰ বিদ্যাৰ ভেঁটী। পঢ়িছিলোঁ হালোৱা গাওঁ প্ৰাথমিক বিদ্যালয়ত, পিছত চেনিমৰা হাইস্কুলত। ববপিতায়েই নাঙলৰ খুঁটিত ধৰিবলৈ শিকাইছিল। মৈৰ পিছত মাছ ধৰিবলৈ দেখুৱাইছিল। চেনিমৰা হাইস্কুলত নাম লগাবলৈও ববপিতায়েই লৈ গৈছিল। পিতায়ে এইবোৰ চোৱা-চিতা কৰিবলৈ সময় নাপাইছিল, তেওঁ টোকোলাই চাহ গৱেষণাগাৰত হাজিৰা কৰিবলৈ পুৱাতে ওলাই গৈ সন্ধ্যা বা তাৰ আগে আগেহে ঘৰ পাইছিলহি। কিন্তু তেওঁ মোক 'বাঘৰ চকুৰে' চাইছিল আৰু অনবৰতে পঢ়া-শুনা কৰিবলৈ কৈছিল। এইযে পিতায়ে 'বাঘৰ চকুৰে' চোৱা আৰু 'অনবৰতে পঢ়া-শুনা কৰিবলৈ' কোৱা এই 'ঘটনা' দুটাই মোৰ জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলালে বুলি ক'ব পাৰি। আন ঘটনাৰ স্মৃতি মনত নাই। মোৰ জন্ম ১৯৪৪ চনৰ ২১ ফেব্ৰুৱাৰী, ৯ ফাগুনত।

পিতাৰ মৃদং এটা আছিল, ফুটা যদিও প্ৰথম সেইটোতে মই আঙুলি বুলাওঁ। কীৰ্ত্তন পুথি এখন, দশম এখন আছিল — চুই চাওঁ। পঢ়িব পৰা হলত আমাৰ ঘৰত থকা 'গ্ৰীক কাহিনী' আৰু 'আতংকৰে শেষত' নামৰ কিতাপ দুখন পঢ়োঁ। পঢ়াৰ অভ্যাসে বোধকৰো তেতিয়াই গঢ় লৈছিল। আমাৰ গাওঁখন ঢুলীয়া ওজাৰ গাওঁ, বিহুৱাৰ গাওঁ। পিতাৰ মৃদংটোৰ লগে লগে সৰুতেই ঢোলত হাত পৰিছিল, বিহুত কঁকাল ভাগিছিল। এই আৰু —

**প্ৰ ঃ— আপোনাৰ সাহিত্য সৃষ্টিৰ আৰম্ভণি কেতিয়া ? লেখক হিচাবে আপোনাৰ প্ৰেৰণাৰ মূল উৎস কি ?**

উ ঃ— মোৰ সাহিত্য সৃষ্টিৰ আৰম্ভণি ১৯৬০-৬১-৬২ চন মানৰ পৰা বুলিব পাৰি। প্ৰেৰণাৰ উৎসসমূহ হ'ল (ক) মোৰ গাঁৱত ১৯৫৫ চনতে স্থাপন কৰা '৺ৰোহিণীকান্ত পুস্তকালয়' নামৰ পুথিভঁৰাল এটা আছিল। ১৯৬০ চনৰ পৰা পুথিভঁৰালটো অধিক সক্ৰিয় হয়। তাৰে কিতাপবোৰ পঢ়ি পঢ়ি 'ময়ো কিতাপ এখন লিখিব নোৱাৰিমনে' ভাৱটো মনলৈ আহে। সেই তেতিয়াই গল্প-কবিতা লিখাৰ 'ধেমালি' আৰম্ভ কৰো। পিছে সেই গল্প কবিতা লিখা বহীকেইখন মই সংৰক্ষণ কৰিব নোৱাৰিলোঁ। (খ) ১৯৬২-৬৩-৬৪-৬৫ চনত যোৰহাট নৰ্মাল স্কুলত পঢ়ি থাকোঁতে সাহিত্য সৃষ্টি যে এটা মহৎ কাম কথাটো বুজি উঠোঁ আৰু তেতিয়াই এই মহৎ কামটোত প্ৰবৃত্ত হ'বলৈ মন গ'ল। সেই সময়ৰ পৰাই 'আমাৰ প্ৰতিনিধি' আৰু 'ৰামধেনু' আলোচনীত দুই এখন চিঠি লিখিবলৈ আৰম্ভ কৰোঁ। চিঠিবোৰ প্ৰকাশ হোৱাৰ লগে লগে মই সৃষ্টিৰ প্ৰেৰণা লাভ কৰোঁ। (গ) মোৰ প্ৰথম প্ৰকাশিত উপন্যাস 'পদুমী নবৌ'ৰ বাবে এখন উকীল নটিচ পাইছিলোঁ। নটিচখন আমাৰ অঞ্চলৰ এজন 'ভাল মানুহ' ঈৰ্ষাতে মোৰ এজন বন্ধুৰ যোগেদি দিয়াইছিল। তাতে মোৰ জেদ বাঢ়িল। জেদতে মই দিনে-নিশাই লিখা আৰম্ভ কৰি দিলোঁ। সাহিত্য লিখা অভ্যাসত পৰিণত হোৱাৰ ক্ষেত্ৰত এই জেদটোৱেও মোক বৰ সহায় কৰিলে। (ঘ) সাহিত্যক্ষেত্ৰলৈ ওলাই আহিৱৰ পৰত ত্ৰৈলোক্য শৰ্মা, সুৰেশ গোস্বামী, মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, হৰিপ্ৰসাদ নেওঁগ, পদ্ম বৰকটকী, ভূপেন হাজৰিকা, মাখন বৰা আদিয়ে পৰোক্ষ বা প্ৰত্যক্ষভাৱে বৰ সহায় কৰিলে, প্ৰেৰণা যোগালে। (ঙ) ১৯৭৬ চনত অসম তেল কোম্পানীৰ চাকৰিসূত্ৰে ডিগবৈলৈ অহাৰ লগে লগে ৰাজহুৱা সভা পাতি সময় 'খৰচ কৰা' 'সুবিধাতো' নোহোৱা হ'ল। তিতা-কেঁহাও লাগিছিল। আৰ্থিকভাৱেও সকাহ পালোঁ।.... আৰু মোৰ কলমটোৱেও সঠিক বাট বিচাৰি পালে।

**প্ৰ ঃ— লোক সংস্কৃতিৰ অধ্যয়ন কৰিবলৈ আপুনি কেনেদৰে অনুপ্ৰাণিত হ'ল ? পৰিৱৰ্তিত পৰিবেশত লোকসংস্কৃতিৰ অৱস্থা সম্পৰ্কে আপোনাৰ মতামত কেনে ?**

উ ঃ— সৰুৰ পৰাই হুঁচৰি গাইছিলোঁ। ডেকাকালত ১৯৬৮ চন মানৰ পৰা মুকলি বিহু মাৰিবলৈ লঁলো। উজনিৰ এই চুকটোলৈ আহি দেখো ইও এক, সিও এক। এইফালৰ হুঁচৰিৰ লগত সিফালৰ মানুহকেইটাৰ বাহিৰেচোন একো নিমিলে। মুকলি বিহু বা ডেকা-গাভৰুৰ বিহু মৰাণসকলৰ বাহিৰে আনৰ নায়েই। এইবোৰকে দেখি বিহুৰ বিষয়ে সচেতনভাৱে অধ্যয়ন কৰিবলৈ লওঁ। লগে লগে অসমৰ লোক-সংস্কৃতিৰ আনবোৰ উপাদানলৈয়ো চকু দিবলৈ লওঁ। এনেকৈয়ে এই দিশটোৰ গভীৰলৈ সোমাই পৰোঁ —

পৰিবৰ্তিত পৰিবেশত লোক-সংস্কৃতিৰ পৰম্পৰাগত ব্যৱহাৰিক ৰূপটোৰ মৌলিকতা খৰ্ব হৈছে। চাওঁতে চাওঁতে লোক-সংস্কৃতি বেপাৰীৰ বেপাৰৰ আহিলা হৈ পৰিছে। একাংশ ব্যৱসায়িক শিল্পীয়ে এইক্ষেত্ৰত টকাৰ বাবে বেপাৰীসকলক প্ৰচুৰ সহায় কৰিছে। লোক সংস্কৃতিক পৰিৱৰ্তন কৰে সময়ে, লোক-জনসাধাৰণে। এনে পৰিৱৰ্তন সকলোৱে চকুৰ আগতে কিন্তু কোনেও ক'ব নোৱাৰাকৈ হয়। এতিয়াৰ বেপাৰীসকলে বা প্ৰদৰ্শনকামিতাৰ গ্ৰাসত পৰাসকলে সচেতনভাৱে দেখা চাৰকৈ পৰিৱৰ্তনৰ ঠাইত ৰূপান্তৰ কৰিছে। বিপদ আৰম্ভ হৈছে এইখিনিৰ পৰা।

**প্ৰ ঃ— আপুনি এজন জনপ্ৰিয় ঔপ্যাসিক। উপন্যাস ৰচনাত আপুনি কোনটো দিত অধিক গুৰুত্ব দিয়ে? ঔপন্যাসিক হিচাবে আপুনি অন্য লেখকৰ অথবা দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈছে বুলি ভাবেনে?**

উ ঃ— ক) পাঠকক এটা পূৰ্ণাঙ্গৰূপৰ কাহিনী কোৱাত। (খ) সহজ সৰল মানুহৰ ভাষাৰে সুন্দৰ পৰিবেশ ৰচনাত। (গ) প্ৰয়োজন হ'লে পাঠকৰ মনত এটা পবিত্ৰ ক্ৰোধ জন্মোৱাত। প্ৰশ্নটোৰ পিছৰ অংশৰ উত্তৰত কওঁ — মই কব নোৱাৰাকৈয়ে কোনো অগ্ৰজৰ প্ৰভাৱ হয়তো মোৰ লেখাত পৰিব পাৰে। বিশেষ কোনো দৰ্শনৰ দ্বাৰা মই প্ৰভাৱিত হোৱা নাই।

**প্ৰ ঃ— লেখকৰ সামাজিক দায়বদ্ধতা এটা বিতৰ্কিত বিষয়। এই সম্পৰ্কে আপুনি কেনেদৰে ভাৱে?**

উ ঃ— লেখকৰ সামাজিক দায়বদ্ধতা কেতিয়াও বিতৰ্কিত বিষয় হ'ব নালাগিছিল। বহুতে কেৱল নিজৰ বাবে লিখোঁ বুলি কোৱাৰ বাবেই চাগে এই বিৰ্তকটো হৈছে। নিজৰ বাবেই যদি লিখে তেনেহ'লে সেইখিনি প্ৰকাশ কৰি পাঠকক পঢ়িবলৈ বাধ্য কৰে কিয়? মোৰ ফালৰ পৰা ক'বলৈ হ'লে অকল লেখকসকল কিয়, প্ৰতিজন শিক্ষিত মানুহ সামাজিক ভাৱে দায়বদ্ধ হোৱা উচিত। এই ক্ষেত্ৰত লেখকসকলৰ দায়িত্ব অলপ বেছি যেনহে লাগে। নিজে নিজৰ চাৰিওকাষৰ সমাজখন সুন্দৰকৈ নাৰাখিলে কেনেকৈ হ'ব। নিজৰ বাবে লিখাতো কেনেবাকৈ কবিতা বা গল্পৰ ক্ষেত্ৰত খাটিব পাৰে। প্ৰবন্ধকাৰে জ্ঞানৰ গভীৰতাৰে আনৰ বাবেই প্ৰবন্ধ লিখে। ঔপন্যাসিকেও মনে মনে পাঠককে বিচাৰি ফুৰে। সমাজৰ বাবে, সমাজৰ পৰাই সমল লৈ সাহিত্য সৃষ্টি কৰা উচিত।

**প্ৰ ঃ— অসমৰ জাতীয় জীৱনত অসম সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অসম সাহিত্য সভাৰ এজন সক্ৰিয় কৰ্মী হিচাবে সাহিত্য সভাৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কে আপোনাৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ?**

উ ঃ— 'অসম সাহিত্য সভা' নামৰ এই মহান অনুষ্ঠানটোৱে অসমৰ জাতীয় জীৱনত যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছিল আজিকালি সেই ভূমিকা বহুখিনি ম্লান পৰি গৈছে। আজিকালি 'অসমৰ বুৰঞ্জীত সোণালী আখৰেৰে নাম লিখি যোৱাৰ হেঁপাহত' পদবী আশা কৰা লোকৰ ভিৰ বেছি হ'ল, আত্মত্যাগী কৰ্মী কমি গ'ল। আচল অৰ্থত প্ৰকৃত সাহিত্য সেৱীও অসম সাহিত্য সভাত নোহোৱা হ'ল। তাতে সভা ওপৰ গধুৰ হৈ পৰিল, কামৰ মাত্ৰা বঢ়াই লোৱা হ'ল। মাননীয় সভাপতি আৰু প্ৰধান সম্পাদক সৰ্বক্ষণীয় কৰ্মী নহলে সভা নচলা হৈ পৰিছে। কেৱল সভ্যভৰ্ত্তি আৰু শাখা সভা গঠন তথা সক্ৰিয়কৰণৰ কাম বঢ়াই বাকী সকলো কামৰ পৰিসৰ কমাই নানিলে কিছুদিনৰ পিছত অসম সাহিত্য সভাৰ অৱস্থা আৰু বেয়া হৈ পৰিব। এতিয়া মই অসম সাহিত্য সভাৰ সক্ৰিয় কৰ্মী হৈ থকা নাই। কিছুমান কামত হতাশ হৈ সম্পৰ্ক কমাই আনিলোঁ।

**প্ৰ ঃ— অসমৰ জাতীয় জীৱন এতিয়া বিভিন্ন ধৰণে বিপৰ্যস্ত হৈছে। মূলতঃ কেনেবোৰ কাৰকৰ প্ৰভাৱত এনে হোৱা বুলি ভাৱে? ইয়াক ৰোধ কৰাৰ উপায় কেনে হ'ব পাৰে?**

উ ঃ— অসমৰ জাতীয় জীৱন বিপৰ্যস্থ হোৱাৰ মূল কাৰকসমূহ দুই ধৰণৰ(ক) ৰাজনৈতিক (খ) সামাজিক। ৰাজনৈতিক কাৰকৰ ভিতৰত বাংলাদেশী অনুপ্ৰৱেশ আৰু অসম চৰকাৰৰ প্ৰশাসনিক দুৰ্বলতা, উগ্ৰপন্থী সমস্যাই প্ৰধান। শেষৰ ফালে বাংলাদেশী অনুপ্ৰবেশৰ লগত উগ্ৰপন্থী সমস্যাৰ সূত্ৰ স্থাপন হৈছে। মূলতঃ কংগ্ৰেছী নেতাবিলাকৰ 'ভোট বেংক'ৰ লোভতে অনুপ্ৰৱেশৰ সমস্যাটোৰ সৃষ্টি হৈ এতিয়া এনে অৱস্থা পাইছেগৈ যে আন সকলো কাৰকৰ কথা বাদ দি এইটো কাৰকেই আৰু কেইবছৰমানৰ পিছত অসমৰ জাতীয় জীৱনটো শেষ কৰি পেলাব। দেখাত একো হোৱা নাই, কিন্তু ভিতৰি বাংলাদেশীৰ অক্টোপাচী চেঁপা পূৰাদমে আৰম্ভ হৈ গৈছে। অসমে কিমানক ন-অসমীয়া কৰিব? বাইজে বিচাৰি উলিয়ালেও প্ৰশাসনে বাংলাদেশীক লুকুৱাই পেলাবলৈ বিচাৰে। কাৰণ — গাদীৰ লোভ। অসমৰ ৰাইজ আৰু আটাইবোৰ ৰাজনৈতিক দল লাগি বিদেশীৰ বিতাৰণ ব্যৱস্থা গ্ৰহণ নকৰিলে অসম নৰ'ব। অৰুণাচল, নাগালেণ্ডৰ বিদেশী অসমত দেশী হয় কেনেকৈ? বিদেশী বিতাৰণ আৰম্ভ হ'লেই ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ মাজত সংঘাত আৰম্ভ হ'ব আৰু ই এই সংঘাতটোৱেই অসমৰ মহা উপকাৰ কৰিব। ইয়াৰ পৰা বাংলাদেশী পঠিওৱাৰ লগে লগে বাংলাদেশৰ হাবিৰ পৰা উগ্ৰপন্থীবো বিদায় আৰম্ভ হ'ব। আনহাতে অসম চৰকাৰৰ প্ৰশাসনিক দুৰ্বলতাই ৰাজ্যখনত দুৰ্নীতিৰ, 'সৌধ' নিৰ্মাণ কৰিছে। ৰাইজলৈ দিয়া ধন ৰাইজলৈ নাহেই, বাটতে হেৰায়। কাৰ্য্যালয় সহায়ক এজনে কোটি কোটি টকা সৰকাৰলৈ পায় কেনেকৈ। প্ৰশাসন কঠোৰৰো কঠোৰতম্ নহলে ৰাজ্যখনৰ উন্নতি নহয়। ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ এজনে পেঞ্চনৰ বাবে বছৰৰ পিছত বছৰ হাহাকাৰ কৰিব লাগে, এই লেখক তেল কোম্পানীৰ চাকৰীয়াল আছিলোঁ, এমাহতে পেঞ্চনৰ টকা-শিকাৰ 'ঝামেলা খতম'। ৰাজ্য চৰকাৰৰ কাম কাজো এনে হ'ব লাগিব। সামাজিক কাৰকৰ ভিতৰত উল্লেখ কৰিব পাৰি যে নিজলৈ গোটোৱাৰ বাহিৰে আন

সকলো ক্ষেত্ৰত অসমৰ মানুহবোৰ ভয়াবহ ভাবে উসদিন হৈ থকাতো। আধুনিক অসমৰ কৃষ্ণকান্ত সন্দিকৈ, গোপীনাথ বৰদলৈ, বেজবৰুৱা, জ্যোতি-বিষ্ণুৰ আদৰ্শৰে পিছৰ চামে কামত নধৰিলে, দিবা-ৰাত্ৰি প্ৰহৰীৰ ভূমিকাত অৱতীৰ্ণ নহ'লে নহ'ব। দেবেন দত্ত আৰু এই লেখকে নিজা নিজা ক্ষেত্ৰত প্ৰায় অকলেই একোটা আন্দোলনৰ (সাংস্কৃতিকভাৱে) গঢ় দিয়াৰ দৰে আনসকলেও নিজ নিজ ক্ষেত্ৰত দায়িত্ব পালন কৰি উদাসীনসকলক সচেতন কৰক। ৰাতিটোৰ ভিতৰতে ধনী হ'বলৈ বিচৰা মানসিকতা সৰ্বনাশৰ আন এটা প্ৰধান কাৰক। অধ্যয়নৰ (জ্ঞানৰ প্ৰতি স্পৃহা) প্ৰতি অৱজ্ঞা জাতীয় জীৱনৰ অৱনতিৰ আন এটা মূল কথা। সবাবো ওপৰত দেশ প্ৰেম বিৰ্সজন। জাতি এটা জীয়াই থাকিবলৈ হ'লে সকলোৱে জাতিটোক অন্তৰেৰে ভাল পাব লাগিব।

**প্ৰ ঃ— বৰ্তমান পৰিস্থিতিত অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কে আপুনি শংকিতনে? ইয়াৰ প্ৰধান কাৰণ কি বুলি ভাৱে? এই ক্ষেত্ৰত কৰণীয় কি হ'ব পাৰে?**

উ ঃ— হয় শংকিত। ইয়াৰ প্ৰধান কাৰণ অসমীয়া ভাষা কোৱা মানুহ, পঢ়া মানুহ, সঠিকভাৱে চৰ্চা কৰা মানুহ দিনক দিনে কমি গৈছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়ে আগলৈ অসমীয়া ভাষাৰ প্ৰচুৰ অনিষ্ট সাধন কৰিবগৈ। এই ক্ষেত্ৰত কৰণীয় — অসমীয়া ভাষা কোৱা মানুহ, পঢ়া মানুহ, চৰ্চা কৰা মানুহ যিমান পাৰি সিমান বঢ়াব লাগিব। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা বাধ্যতামূলক কৰিব লাগিব।

**প্ৰ ঃ— এটা ব্যক্তিগত প্ৰশ্ন। আপোনাৰ পাৰিবাৰিক জীৱনে লেখক জীৱনক কি দৰে প্ৰভাৱিত কৰিছে?**

উ ঃ— আগবাঢ়ি যোৱাৰ পথত কোনো বাধা নপৰাকৈ।

**প্ৰ ঃ— বৰ্তমান যুৱ প্ৰজন্মৰ প্ৰতি আপুনি কেনেধৰণৰ বাণী দিব খোজে?**

উ ঃ— যুৱ প্ৰজন্মই নিজক চিনি পাবলৈ যত্ন কৰক। জাতিটো ভাল পাবলৈ যত্নপৰ হওক। ■

***( সাক্ষাৎকাৰ গ্ৰহণ — সম্পাদক )***



# কবিতা...

“আলো অন্ধকাৰে যাই-মাথাৰ ভিতৰে
স্বপ্ন নয় – কোন এক বোধ কাজ কৰে
স্বপ্ন নয় শান্তি নয় ভালোবাসা নয়
হৃদয়েৰ মাঝে এক বোধ জন্ম লয়।”

— জীবনানন্দ দাশ।

## হাঁহি

*— বিকাশ শইকীয়া*

আপুনি হাঁহক, সিজনেও হাঁহিব
তেওঁ হাঁহিব, আপোনাৰ কথাষাৰ ৰসাল হৈ পৰিব
আপুনি নিৰস কথা কৈ হাঁহক
সিজনেও হাঁহিব, আপুনি ৰসিক হৈ পৰিব।
তাৰ পাছত ....
ৰেলৰ চিঞৰিবোৰে, বাইকৰ হেডলাইটবোৰে
মটৰৰ গ্লাছবোৰে, চিটিবাচৰ চিটবোৰে
মহানগৰীৰ ফুট-পাথৰ খোজবোৰে
পাৰ্কৰ ৰং-বিৰঙৰ ফুলবোৰে
কাণৰ মোবাইলটোৱেও
আপুনি হাঁহিলে সকলোৱে হাঁহিব
আপুনি যদি খিল্‌খিলাই হাঁহে
ৰঙা-নীলা পখিলাবোৰেও খিল্‌খিলাই হাঁহিব
আপুনি মিঁচিকিয়ালে
আকাশৰ তৰাবোৰেও মিঁচিকিয়াব
প্ৰাণখুলি হাঁহিলে, বতাহজাকেও
হিয়া ঢালি হাঁহিব
আপুনি হাঁহক....
মৰম-অনুভূতি, মান-অভিমান
এই সকলোৱে হাঁহিব
আপুনি মাথো হাঁহক
প্ৰেমে প্ৰেমক চাই হুঁহাৰ দৰে
মৰমে মৰমক
হৃদয়ে হৃদয়ক চাই হুঁহাৰ দৰে
আপুনি হাঁহক
দেখিব চকুৱে চকুলৈ চাই হাঁহিছে। ■

## এবাৰ যদি কলাহেঁতেন...

*— জ্ঞানদীপ সোণোৱাল*

এবাৰ যদি ক'লাহেঁতেন
ভালপাওঁ তোমাক
পদুলিৰ শেৱালীজোপাৰ
এপাহফুল মোৰ বাবেও ফুলিলেহেঁতেন
জোনৰ পোহৰৰ এভাগ
সৰি পৰিলহেঁতেন মোৰ নামত
আৰু বতাহত গুণ গুণকৈ বিয়পি
পৰিলহেঁতেন
মোৰ হৃদয়ৰ এটি সুৰ
মাথোন —
এবাৰ যদি কলাহেঁতেন
ভালপাওঁ তোমাক
নিৰুপম সন্ধ্যাতৰাৰ পৰশত
মোৰবাবেও ফুলিলেহেঁতেন
এপাহি গধূলি গোপাল।
আৰু ৰাতিৰ কজলা এন্ধাৰত
ৰিব্ ৰিব্ মলয়াই
মোৰ বাবেও আনিলেহেঁতেন
তোমাৰ শৰীৰৰ ৰবৰফুলৰ গোন্ধ
মাথোন —
এবাৰ যদি কলাহেঁতেন
ভালপাওঁ তোমাক
জানো, শৰতে তোমাৰ নোচোৱে হৃদয়
নোচোৱে হৃদয় তোমাৰ মোৰ কবিতাই
তথাপি —
এবাৰ যদি কলাহেঁতেন
ভালপাওঁ তোমাক
পদুলিৰ বকুলজোপাত
এপাহ ফুল মোৰ বাবেও ফুলিলেহেঁতেন
আৰু পুৱাৰ এচেৰেঙা ৰ'দে
মোৰ সপোনবোৰ
জগাই তুলিলেহেঁতেন
হৃদয়ৰ কোনোবা কোণত।
এবাৰ যদি কলাহেঁতেন...... ■

# হেৰাই যাম...

*— হৰিকান্ত চেতিয়া*

হেৰাই যাম
এটা বাঁহীৰ মাতত
ৰৈ ৰৈ বাজি আছে দুৰণিত যি
হেৰাই যাম
মৃত্যুৰ আৰ্তনাদত
লাহে লাহে বিলীন হৈ গৈছে যি
বতাহত
হেৰাই যাম
খেতিয়কৰ চকুপানীত
খৰাং বতৰে, বানপানীয়ে
কৰি আছে জুৰুলা বছৰে বছৰে
হেৰাই যাম
শুভ্ৰ কপৌজনীৰ ডেউকাত
শান্তিৰ নামত যুগে যুগে
কৰি আহিছে নিজকে ৰক্তাক্ত
হেৰাই যাম
ঘৰৰ পৰা ওলাই যোৱা
সন্তানসকলৰ মৃত্যুত
যাৰ আছিল ৰঙীণ ভৱিষ্যত
হেৰাই যাম
দুখীয়াৰ দুখ দেখি
ধনীৰ সুখত নহয়
হেৰাই যাম
লাঞ্চনাত-বঞ্চনাত-প্ৰতাৰণাত
প্ৰিয়াৰ চুমাত নহয়
হেৰাই যাম
নিজৰ নিজৰ মাজত
তোমাৰ নহয়। ■

# সাহিত্যিকৰ উপাধি

*— নীলোৎপল দত্ত*

লক্ষ্মীনাথ বেজবৰুৱা ৰসৰাজ আমাৰ সাহিত্যৰথী
কমলাকান্ত ভট্টাচাৰ্য অগ্নিৰ কবি।
অম্বিকাগিৰি ৰ'ল অসমৰ কেশৰী
বিনন্দ বৰুৱা ধ্বনি কবি।
ৰজনীকান্ত হ'ল উপন্যাস সম্ৰাট
বিহগী কবি ৰূপে চৌধাৰী ৰঘুনাথ
আনন্দচন্দ্ৰ আগৰৱালা ভাঙনি কোঁৱৰ
চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিমাৰ খনিকৰ।
ৰত্নকান্ত হ'ল শেৱালীৰ কবি
বিপ্লৱী কবি হ'ল প্ৰসন্নলাল চৌধুৰী।
বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱা
ত্যাগৰ মহাবীৰ হেমচন্দ্ৰ বৰুৱা।
সাহিত্যাচাৰ্য হ'ল মিত্ৰদেৱ মহন্ত ঈশ্বৰ
একেনামে জনা যায় অতুল হাজৰিকাদেৱক।
জ্যোতিপ্ৰসাদ আগৰৱালা ৰূপৰ কোঁৱৰ
গজেন বৰুৱা হ'ল শোণিত কোঁৱৰ।
অসম গৌৰৱ হ'ল হেম বৰুৱা
লুইত কোঁৱৰ ৰূপে চন্দ্ৰ বৰুৱা।
দৰদী কবি ৰূপে যতীন্দ্ৰনাথ দুৱৰা
নীলমণি ফুকন বাগ্মীবৰ ককা।
নবীনচন্দ্ৰ বৰদলৈ কৰ্মবীৰ
তৰুণৰাম ফুকন দেশভক্ত মহাবীৰ।
দেশৰ প্ৰাণ হ'ল লক্ষ্মীধৰ শৰ্মা
কলাগুৰু ৰূপে বিষ্ণুপ্ৰসাদ ৰাভা।
বুৰঞ্জীবিদ হ'ল বেণুধৰ শৰ্মা
নটসূৰ্য উপাধিৰে ফণী শৰ্মা। ■

# মোক এটা চোলা চিলাই দিয়া

*— অমৃত কুমাৰ উপাধ্যায়*

মোক এটা চোলা চিলাই দিয়া
ভালপোৱাৰ নিমজ সূতাৰে
লাজৰ জোঙাল বেজিৰে

কোনোদিন ফিচিকি নোযোৱা
এটা মায়াময় চোলা

নিসংগতাৰে বুটা বাছিবা
জেপ দুখন ৰাখিবা দুখৰ বাবে

বুটামবোৰ দিবা
তোমাৰ উপস্থিতিত যাতে মই
চোলাটো সোলোকাই দিব পাৰো

দুঃস্বপ্নবোৰ ঢাকি ৰাখিব পৰাকৈ
দীঘল কৰিবা চোলাটো
অহংকাৰী শোঁত-মোচবোৰৰ ওপৰত
তুমি কাঢ়াকৈ ইস্ত্ৰি মাৰিবা

মোক এটা চোলা চিলাই দিয়া
মোৰ বুকুৰ জোখাৰে
জোনাক জোনাক ৰঙৰ
অথবা নদীৰ ঢৌ বৰণৰ। ■

# *Despotic Time....*

*– Alka Chetri*

In this transitory world
Nothing stands still
Days rolls into months
Months into years
Memories fade.
Picture fray
The time is flying on.... and on....
Every moment of 'today' will have to
became a 'then'
The wheels of time keep on changing....
Despotic power of fate will separate
the unification of two souls
As was done before....
Trying to catch the glimpses of omen,
But uncertainty cames by,
The more one craves....
the further it goes.....
Each and every time trying to frame a picture ;
But blows away by the wind
Once again in tranquillity
Never to return .... to .... this
Earthly world.... ■

# *One Day With Nature*

*– Partha Lochan Buragohain*

Seeing the beautiful sight, one day in nature
I wondered how long would it remain like this for future
In the trees, birds and animals; I could fell an atmosphere of romance
The atmosphere which men, to feel it, had missed a chance
It was quite a beautiful night, for my eyes.
For it's beauty had taken me by surprise
But also, this sight will go to an iron sarcophagi
For in future, this sight will slowly and quietly die.
The sun, to the nature, had given out its golden light,
And every creation of God seemed so beautiful, so bright
But the activities of men became so wild,
That iot never ceased to become mild,
I could see the beautiful flower covered woods,
And in it, I saw the playful dove broads.
I smiled a little, but it faded in despair
For I knew, for those broods man wouldn't care.
Nature is deterioting for past few years,
But still men, in their work have no fears.
Oh God ! it's now or never,
Or else nature will fo away from us forever. ■



## *Beginning A new...*

*– Aparajita Kakoty*

She is our own, the darling of our hearts, Mother India.
Our dreams are roeked in her arms.
Her face is a fresh wonder of love every time we see her,
For she is our own, the darling of our hearts.
In the shadows of her trees we meet,
in the freedom of her open sky
Her morning are calm and her evenings
bring down heaven's kisses,
Make us feel a new that she is our own the darling of our hearts.
The stillness of her shades is stirred by the woodland whisper ;
her Amla groves are aquiver with the rapture of leaves.
She dwells in us and around us, however far we may wander.
She weaves our heart in a song, making us one in music,
turning our strings of love with her own fingers ;
Yes, yes, we embrace her as she is our own,
The darling of our hearts. ■

## My Mother...

*– Arup Das*

She is the world of beauty
Always thinks helping is her duty
She is the angel on this earth
Who has given me birth.

She comes in when everything is in gloom
Fills my heart with help and makes it bloom.

She is the angel on this earth
Who has given me birth.

She is a loving friend
Who is there always to defend.

She is so calm so sweet and mild
I feel I am fortunate to be her child. ■

## Our College

*– Debajani Gogoi*

The name of my college is Digboi College
Where I love to go
Very beautyful is my college
And centre of excellence too;
And coming here is more pleasant
Then a trip to the zoo.
We respect and love our teachers
For they're loving and kind,
So even if they are rude at times
We do not ever mind.
For we know that at their heart
They always want our good.
It is only our notorious mischief
Which seen to change their mood
A beautiful garden it has got
Big and small trees grow
And brilliant students it has got
Who come out in flying colours.
The place so dear-the best of best
Is my loving college. ■

# লেখক পৰিচিতি...

| | | |
|---|---|---|
| ১। সমৰেন্দ্ৰ ভাগৱতী | ঃ | প্ৰাক্তন অধ্যাপক, অৰ্থনীতি বিভাগ। |
| ২। গোলাপ কলিতা | ঃ | অধ্যাপক, ৰসায়ন বিভাগ। |
| ৩। ড° অৰুণ চন্দ্ৰ শৰ্মা | ঃ | অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ। |
| ৪। টুলুমনি বৰগোহাঁই | ঃ | উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ ছাত্ৰী। |
| ৫। মামনি শৰ্মা | ঃ | অধ্যাপিকা, অৰ্থনীতি বিভাগ। |
| ৬। অনু বৰগোহাঁই | ঃ | মুৰব্বী অধ্যাপিকা, প্ৰাণীবিদ্যা বিভাগ। |
| ৭। ৰাজীৱ গগৈ | ঃ | স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰ। |
| ৮। মণিতা গগৈ | ঃ | স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। |
| ৯। পবিত্ৰ ভৰালী | ঃ | অধ্যাপক, ইংৰাজী বিভাগ। |
| ১০। জুলী কোঁচ | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। |
| ১১। মদন মোহন চৌধুৰী | ঃ | প্ৰাক্তন মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ। |
| ১২। জিতু বৰা | ঃ | অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ। |
| ১৩। ড° ইটু দাস | ঃ | অধ্যাপক, দৰ্শন বিভাগ। |
| ১৪। পবন গগৈ | ঃ | অধ্যাপক, শিক্ষা বিভাগ। |
| ১৫। লক্ষ্যজ্যোতি গগৈ | ঃ | উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। |
| ১৬। ৰঞ্জিত কুমাৰ ৰাম | ঃ | স্নাতক ৩য় বৰ্ষৰ ৰসায়ন বিভাগৰ ছাত্ৰ। |
| ১৭। পৰিস্মীতা চমুৱা | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। |
| ১৮। পুলকেশ দাং | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ। |
| ১৯। মুকুল ধুঙ্গানা | ঃ | স্নাতক তৃতীয় বৰ্ষৰ ইংৰাজী বিভাগ। |
| ২০। বাৱলী দহোটীয়া | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। |
| ২১। অজিত কুমাৰ ফুকন | ঃ | ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক, ডিগবৈ মহাবিদ্যালয় পুথিভঁড়াল। |
| ২২। হৃদয়া শইকীয়া | ঃ | উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা শাখা)ৰ ছাত্ৰী। |
| ২৩। গৌতম ভৰালী | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ। |
| ২৪। ৰাজ সোনাৰ | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ (কলা শাখা)ৰ ছাত্ৰ। |
| ২৫। সৰিতা চেত্ৰী | ঃ | স্নাতক তৃতীয় বৰ্ষ ৰসায়ন বিভাগৰ ছাত্ৰী। |
| ২৬। এচ. দিপক ৰাও | ঃ | স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান বিভাগৰ) ছাত্ৰ। |
| ২৭। ধৰণী লাহন | ঃ | অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ। (বৰ্তমান অসম জাতীয় বিদ্যালয়, নুনমাটিৰ শিক্ষক) |
| ২৮। দিতিমনি চেতিয়া | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। |
| ২৯। কুশ তামুলী | ঃ | উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা শাখাৰ) ছাত্ৰ। |
| ৩০। মাধৱ খনিকৰ | ঃ | উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা শাখাৰ) ছাত্ৰ। |
| ৩১। বিকাশ শইকীয়া | ঃ | স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। |
| ৩২। জ্ঞানদীপ সোনোৱাল | ঃ | স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। |
| ৩৩। হৰিকান্ত চেতিয়া | ঃ | ডিগবৈ মহাবিদ্যালয় ছাত্ৰী নিবাসৰ কৰ্মচাৰী। |
| ৩৪। অমৃত কুমাৰ উপাধ্যায় | ঃ | প্ৰাক্তন ছাত্ৰ, বৰ্তমান গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজত অধ্যয়নৰত। |
| ৩৫। অলকা ছেত্ৰী | ঃ | স্নাতক তৃতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী। |
| ৩৬। পাৰ্থলোচন বুঢ়াগোহাঁই | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ ৰসায়ন বিভাগৰ ছাত্ৰ। |
| ৩৭। অপৰাজিতা কাকতি | ঃ | স্নাতক দ্বিতীয় বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ। |
| ৩৮। অৰূপ দাস | ঃ | উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ। |
| ৩৯। দেবযানি গগৈ | ঃ | স্নাতক প্ৰথম বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী। |

# *Secretarial Report : General Secretary...*

It is a matter of pride and pleasure that Digboi College Students' Union is going to bring out the 29th issue of the College Magazine.

It is also a matter of pride for our Union that inspite of chaos and disorder prevailing in the state including the educational arena, our Union has been successful in maintaining peace and harmony in the college campus conducive to healthy academic development. Though there is a lot to do in an enhancing the quantitative and qualitative aspects of education.

During the tenure of my secretaryship we have successfully celebrated the routine programmes of the Union Freshers' Social, College Week, Parting Social, Saraswati Puja and so on. But a lot is left to be done. The infrastructure of the college has been improved a lot. But the authority has yet to solve certain urgent problems of the students, particularly the problems of Boys' Common Room and Girls' Common Room. Similarly the college play ground has to be improved.

I beg sincere apology to my student friends for what I have not been able to achieve. I tender my sincere gratitude to all my student friends for their love and co-operation for the Union.

Long Live Digboi College Students Union !

**Angshuman Khound**
General Secretary, 2006 – 07
D C S U

## *Report of Cultural Secretary...*

At the outset of my Annual Report, I would like to express my hearty wishes to all respected teachers and beloved friends. Since I was offered to serve the college as a Cultural Secretary for the academic session 2006-07, I feel very happy. During my tenure various competitions were held like, Spot Essay Writing (Assamese and English), Poem Recitation (English, Assamese, Hindi, Nepali, Bengali), Spot Drawing, Cartoon Drawing, One Act Play, Drama, etc. These competitions were held successfully with the helping hand from Ranjit, Tanka, Raju, Narayan, Rohan, Deepak, Dinesh, Mallika, Ganga addition to all my friends. Moreover, all participants who participated in these competitions were the source of scheduled competition without whom the competition would not have come to a successful end. Respected Prof-in-charge Baby Ritu Phukan really inspired me, without whose kind guidance, it would be quite difficult to manage all these.

Before closing my secretarial report I offer my hearty wishes to all my respected teachers and beloved friends.

Long Live Digboi College Students Union.

**Mon Bahadur Chetri**
Cultural Secretary, 2006 – 07
DCSU

## *Report of Gymnasium Secretary...*

First of all, I would like to thank all my students & friends for giving me an opportunity to serve as Gymnasium Secretary of Digboi College for the session 2006-07.

The Annual Sports of our college was started from 30th Dec., 2006 to 5th Jan., 2007. In this 41st Annual College Week Celebration, I arranged in my section various competitions like power lifting, arm wrestling and most popular event in our college. 'Mr. Digboi College' which is a part of body building. I am very happy and thankful to all who have participated in this game. I would like to say that the entire student must take part in the games and sports following their good studies which will earn name and fame not only for them but also for the college.

I am very much grateful to my Prof.-in-charge Dr. M.K. Gogoi sir for helping me to carry out my games and works successfully during the session 2006-07.

Lastly, I thank my friends Benu, Dhruba, Dipu, Durga, Ganesh, Karamjit, Aprana, Dipankar, Bhaskar and my heartiest thanks to Manjit Saikia (Vice President) for their kind help and selfless support. I also thank all secretaries who have co-operated me to carry out my works smoothly.

I request all the teachers and students for your forgiveness, if I have done any thing wrong knowingly or unknowingly during my session 2006-07.

Thanking you all.

**Binod Kumar Sirkey**
Gymnasium Secretary, 2006 – 07
D C S U

# সম্পাদকীয় প্ৰতিবেদন ঃ সমাজ সেৱা বিভাগ...

প্ৰতিবেদনৰ আৰম্ভণিতেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো যিসকলৰ প্ৰেৰণা আৰু সহযোগিতাত মই ডিগবৈ মহাবিদ্যালয়ৰ ২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিবলৈ সুবিধা লাভ কৰিলো। মোৰ কাৰ্যকালত, আপোনালোকক সেৱা আগবঢ়াই যাওঁতে অজানিতে যদি কিবা ভুল হৈ গৈছে তাৰ বাবে সমূহ শিক্ষা গুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সমাজ সেৱা সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' অনুষ্ঠিত কৰা হৈছিল আৰু ইয়াত মোৰ বিভাগৰ ফালৰ পৰা কোনো প্ৰতিযোগিতা ৰখা হোৱা নাছিল যদিও মই সক্ৰিয়ভাৱে সকলো সম্পাদকক সহায় কৰিবলৈ যত্ন কৰিছিলো। মোৰ কাৰ্যকালত ডিগবৈ মহাবিদ্যালয়ৰ সৌন্দৰ্যবৰ্দ্ধন তথা পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। এই ক্ষেত্ৰত গ্ৰহণ কৰা দুটা কাৰ্যসূচীৰ ভিতৰত — শ্বহীদ বেদীৰ সৌন্দৰ্যবৰ্দ্ধন, মহাবিদ্যালয়ৰ মুখ্য তোৰণৰ সৌন্দৰ্যবৰ্দ্ধন, মহাবিদ্যালয়ৰ কাষত থকা হাবি, বন কটা আদিয়েই প্ৰধান।

মোৰ দায়িত্বৰ ভিতৰত পৰা অন্য এটা গুৰুত্বপূৰ্ণ কাম হ'ল সৰস্বতী পূজাৰ আয়োজন কৰাটো। আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ প্ৰতি ডিগবৈ অঞ্চলৰ ৰাইজৰ এটা বিশেষ আকৰ্ষণ লক্ষ্য কৰা দেখা যায়। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই সৰস্বতী পূজাভাগ পূৰ্বৰ দৰেই সাফল্যমণ্ডিত কৰি তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো।

ডিগবৈ মহাবিদ্যালয়ৰ ২০০৬-০৭ বৰ্ষৰ মোৰ কাৰ্যকালত পদে পদে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জুমণি দত্ত বাইদেউ, অশোকানন্দ চক্ৰবৰ্ত্তী ছাৰ আৰু মামণি শৰ্মা বাইদেউক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। তাৰোপৰি বন্ধুবৰ্গ — মনজিৎ শইকীয়া, ৰনজিৎ গুৰুং, বিশাল, বিকি, যোগমণি শইকীয়া, নিকুমনি শইকীয়া, কুইন দত্ত, জয়দ্বীপ শইকীয়া আদি সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত, মোৰ কাৰ্যকালছোৱাত যদি অজানিতে কিবা ভুল-ক্ৰটি হৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। লগতে, মন্দিৰ স্বৰূপ মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

**ধ্ৰুৱজ্যোতি ফুকন**
সমাজ সেৱা সম্পাদক, ২০০৬-০৭
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

বিঃ দ্ৰঃ — সকলো বিভাগীয় সম্পাদকসকলৰ পৰা প্ৰতিবেদন নোপোৱাৰ বাবে সম্পাদকীয় প্ৰতিবেদন সম্পূৰ্ণ নহ'ল। একেটা কাৰণতে ৪১ তম্ মহাবিদ্যালয় সপ্তাহৰ ফলাফলো প্ৰকাশ কৰিব পৰা নহ'ল। তাৰবাবে আমি দুঃখিত। — *সম্পাদক।*

# Our Faculty Members

**Principal i/c – Mr. Mahendra Bharali Baruah**
**Vice-Principal – Mr. Tushit Kr. Sanyal**

### DEPT. OF ENGLISH
1. Mrs. Debomita Chakravorty, M.A.
2. Mrs. Baby Ritu Phukan, M.A.
3. Mr. Gauri Buragohain, M.A.
4. Mr. Pabitra Bharali, M.A.
5. Mr. Jayantadeep Dutta, M.A.
6. Miss Jharna Chetry (Adhoc)

### DEPT. OF ASSAMESE
1. Mr. Purnananda Saikia, M.A., M.Phil, HoD
2. Mrs. Deepa Sarma Borthakur, M.A.
3. Dr. Mrinal Kr. Gogoi, M.A., M.Phil, Ph.D.
4. Mr. Achyut Saikia, M.A., M.Phil
5. Mr. Simanta Bordoloi, M.A.,

### DEPT. OF BENGALI
1. Mrs. Nandita Mitra, M.A., HoD

### DEPT. OF HINDI
1. Dr. Pradip Kr. Bharati, M.A., Ph.D, HoD
2. Vacant*

### DEPT. OF NEPALI
1. Mr. Devicharan Sedai, M.A., HoD

### DEPT. OF SANSKRIT
1. Mrs. Geeta Chakravorty, M.A., HoD

### DEPT. OF ECONOMICS
1. Mr. Ashokananda Chakravorty, M.A., HoD
2. Mr. Jibanath Upadhyay, M.A.
3. Mrs. Mamoni Sharma, M.A.
4. Miss Abhijita Buragohain (Adhoc)
5. Mr. Mukunda Madhab Gogoi (Adhoc)
6. Mr. Debashis Das (Adhoc)

### DEPT. OF POLITICAL SCIENCE
1. Mr. Arun Ch. Dutta, M.A., M.Phil, HoD
2. Mr. Janardan Borah, M.A.
3. Mr. Banjit Das, M.A.
4. Mr. Jitu Borah

### DEPT. OF PHILOSOPHY
1. Mrs. Mukul Bhagawati, M.A.
2. Dr. (Miss) Itu Das, M.A., Ph.D.
3. Mr. Humnath Upadhyay (Adhoc)

### DEPT. OF HISTORY
1. Dr. (Mrs.) Anamika Neog, M.A., Ph.D., HoD
2. Mr. Partha Kumar Narah, M.A.

### DEPT. OF EDUCATION
1. Mrs. Nabanita Deka, M.A., HoD
2. Mr. Paban Gogoi

### DEPT. OF GEOGRAPHY
1. Mrs. Sangeeta Saikia, M.A.
2. Miss Jupitara Phukan (Adhoc)

### DEPT. OF COMMERCE
1. Mr. Pradeep Kr. Gupta, M.Com, HoD
2. Dr. Giasuddin Ahmed, M.Com, Ph.D.
3. Mr. Hari Prasad Verma, M.Com
4. Dr. Bikash Kumar Baruah, M.Com, Ph.D.
5. Mr. Cheni Chandra Baruah, M.Com, M.Phil.
6. Mr. Bhababhuti Sankar Baruah, M.Com.

### DEPT. OF MATHEMATICS
1. Dr. Amrit Ch. Deka, MSc., Ph.D., HoD
2. Mr. Kedar Nath Timsina, M.Sc.
3. Mr. Jiban Changmai, M.Sc.
4. Dr. Jatindra Nath Lahkar, M.Sc., Ph.D.
5. Mr. Mukul Buragohain (Adhoc)

# Our Faculty Members

**DEPT. OF PHYSICS**

1. Mrs. Deepika Hazarika, MSc., M.Phil
2. Dr. Arun Ch. Sharma, MSc., M.Phil, Ph.D.
3. Mrs. Rashmi Patowari, MSc.
4. Dr. Kanchan Konwar (Adhoc)

**DEPT. OF CHEMISTRY**

1. Mr. Tusit Kr. Sanyal, M.Sc.
2. Mr. Arun Bikash Debnath, M.Sc.
3. Mr. Golap Ch. Kalita, M.Sc., M.Phil
4. Mrs. Jonali Dutta, M.Sc., M.Phil

**DEPT. OF BOTANY**

1. Mahendra Bharali Boruah, M.Sc., HoD
2. Mrs. Papori Kalita, M.Sc.
3. Mrs. Jyotsna Sarma Phukan, MSc.
4. Dr. Tilak Ch. Dutta, MSc., Ph.D.

**DEPT. OF ZOOLOGY**

1. Mrs. Anu Borgohain, MSc., HoD
2. Mr. Saibal Deb, M.Sc.
3. Mrs. Aparajita Gogoi, MSc.
4. Mrs. Sangeeta Das (Adhoc)

**DEPT. OF ELECTRONICS**

1. Mr. Pradeep Kr. Khound, MSc., M.Phil.,HoD
2. Mr. Jayanta Handique, M.Sc., M.Phil

**DEPT. OF COMPUTER SCIENCE/ COMPUTER APPLICATION**

1. Mr. Prasanta Prasad Singha, M.C.A.

– 0 –

# আমাৰ প্ৰাক্তন সম্পাদকসকল

| | | |
|---|---|---|
| ১। ডম্বৰু শইকীয়া | — | ১৯৭২ - ১৯৭৩ |
| ২। শিৱদাস তালুকদাৰ | — | ১৯৭৫ - ১৯৭৬ |
| ৩। প্ৰদীপ ফুকন | — | ১৯৭৬ - ১৯৭৭ |
| ৪। অজিত কুমাৰ বৰা | — | ১৯৭৮ - ১৯৭৯ |
| ৫। ৰমেশ গগৈ | — | ১৯৮০ - ১৯৮১ |
| ৬। ৰবীন ৰয় | — | ১৯৮১ - ১৯৮২ |
| ৭। নৰেন্দ্ৰ হাজৰিকা | — | ১৯৮২ - ১৯৮৩ |
| ৮। প্ৰবীন মমিন ৰাজখোৱা | — | ১৯৮৩ - ১৯৮৪ |
| ৯। অৰুণ পাল | — | ১৯৮৪ - ১৯৮৫ |
| ১০। ৰঞ্জিত ফুকন | — | ১৯৮৬ - ১৯৮৭ |
| ১১। পবিত্ৰ কুমাৰ গগৈ | — | ১৯৮৭ - ১৯৮৮ |
| ১২। দ্বীপেন কুমাৰ বৰা | — | ১৯৮৮ - ১৯৮৯ |
| ১৩। নয়নমনি বৰা | — | ১৯৮৯ - ১৯৯০ |
| ১৪। কমলাকান্ত বুঢ়াগোহাঁই | — | ১৯৯০ - ১৯৯১ |
| ১৫। ৰুদ্ৰ বাহাদুৰ ছেত্ৰী | — | ১৯৯১ - ১৯৯২ |
| ১৬। গণেশ বাহাদুৰ ছেত্ৰী | — | ১৯৯২ - ১৯৯৩ |
| ১৭। দীপক কুমাৰ ছেত্ৰী | — | ১৯৯৩ - ১৯৯৪ |
| ১৮। ৰমনী বুঢ়াগোহাঁই | — | ১৯৯৪ - ১৯৯৫ |
| ১৯। ৰাজীৱ শইকীয়া | — | ১৯৯৫ - ১৯৯৬ |
| ২০। প্ৰিতম কুমাৰ খাউন্দ | — | ১৯৯৬ - ১৯৯৭ |
| ২১। ভূৱেন্দ্ৰ শৰ্মা | — | ১৯৯৭ - ১৯৯৮ |
| ২২। প্ৰফুল্ল সোনোৱাল | — | ১৯৯৮ - ১৯৯৯ |
| ২৩। নিলোৎপল শইকীয়া | — | ১৯৯৯ - ২০০০ |
| ২৪। ধৰণী লাহন | — | ২০০০ - ২০০১ |
| ২৫। হোমনাথ উপাধ্যায় | — | ২০০১ - ২০০২ |
| ২৬। ফণী শৰ্মা | — | ২০০২ - ২০০৩ |
| ২৭। ফণী শৰ্মা | — | ২০০৩ - ২০০৪ |
| ২৮। পঙ্কজ আগৰৱালা | — | ২০০৫ - ২০০৬ |

**এই সংখ্যাৰ সম্পাদক — ৰঞ্জিত গুৱাগাই — ২০০৬ - ২০০৭**


BOYS' COMMON ROOM
DIGBOI COLLEGE
LIBRARY
ADMINISTRATIVE BUILDING
প্ৰশাসনিক ভৱন



College Administrative Building



Boys Hostel



Commerce Building




College Library Building



Main Building




Boys' Common Room



College Auditorium



College Girls' Hostel

# Digboi College Magazine

29th Issue, 2006-07




Editor : Ranjit Guragain

Layout, Design & Printed at : THE ASSAM COMPUTERS, Parbotia, Tinsukia # 0374-2330424 (O)